## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Jotin Goswami. | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saahitya Sabhaa Patrika | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1975 | Edition: |
| Size: 23½ cms · 7+66+16+60+12+3+66+78+16 pages | Genre: Magazine |
| Volumes: 32 - 4 issues | Condition of the original: good |
| Remarks: [illegible] - 1st vol. published in the year 1927 and has been continuing | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

অসম সাহিত্য সভা
যোৰহাট : অসম

SATRA BANDHU BOOK BINDERS
JORHAT
ASSAM

[illegible]

# অসম সাহিত্য সভা পত্ৰিকা

৫৪২৯-৩২/সা
৭/২/২০০১

দ্বাত্ৰিংশ বছৰ
প্ৰথম সংখ্যা
জুন, ১৯৭৫

সম্পাদক :
শ্ৰীযতীন গোস্বামী

দ্বাত্ৰিংশ বছৰ ॥ প্ৰথম সংখ্যা

# অসম সাহিত্য সভা পত্ৰিকা

॥ জুন, ১৯৭৫ ॥

সম্পাদক :
শ্ৰীযতীন গোস্বামী

## ॥ অসম সাহিত্য সভা পত্ৰিকা ॥

**কাৰিকৰী তথ্য :**

আলোচনীৰ আকাৰ : ২৫ × ১৯ চেঃ মিঃ

পৃষ্ঠাৰ ছপা অংশ : ১৯ × ১৫ চেঃ মিঃ

স্তম্ভৰ সংখ্যা— দুই

৫৪৫৯-৩৫।সি।

**বিজ্ঞাপনৰ বিৱিধ :**

| | | |
|---|---|---|
| বেটুপাত—৪ৰ্থ পিঠি | (সম্পূৰ্ণ পৃষ্ঠা) | —৬০০·০০ |
| ২য় আৰু ৩য় পিঠি | ( ঐ ) | —৫০০·০০ |
| ভিতৰৰ— সাধাৰণ পৃষ্ঠা | ( ঐ ) | —৪০০·০০ |
| ভিতৰৰ—আধা পৃষ্ঠা | | —৩০০·০০ |

সকলো বিষয়ক যোগাযোগ আৰু টকা পইচাৰ লেন-দেন একমাত্ৰ অসম সাহিত্য সভাৰ সম্পাদকৰ লগতহে কৰিব লাগিব।

## ॥ সূচীপত্ৰ ॥


সম্পাদকীয় ॥ ১ ॥

কাল আৰু প্ৰলয় ॥ ৩ ॥

প্ৰথমে অথৰ্ববেদ ॥ ৯ ॥

তত্ত্বমসি বাক্যাৰ্থ বিজ্ঞান ॥ ১৪ ॥

বকো অঞ্চলৰ শিলা পাহাৰ ॥ ২৪ ॥

অসমৰ স্থাপত্য ॥ ২৮ ॥

বঙ্গালীৰ সেৱা ধৰ্ম ॥ ৩১ ॥

পুথি সমালোচনা ॥ ৩৮ ॥

অসমীয়া ভাষা আৰু সংস্কৃতি ॥ ৪১ ॥

নাগৰিকৰ মূলভূত অধিকাৰ ॥ ৪৫ ॥

বৈষ্ণৱ যুগত অসমৰ শিক্ষা ব্যৱস্থা ॥ ৫৪ ॥

বেদান্ত দৰ্শনৰ ব্যাখ্যাত ৰাধানাথ ফুকন ॥ ৬০ ॥

ড° কালীনাথ শৰ্মা

শ্ৰীগোলোকেশ্বৰ বৰুৱা

পণ্ডিত চক্ৰেশ্বৰ ভট্টাচাৰ্য্য

শ্ৰীজ্ঞানশঙ্কৰ খাখলাৰী

শ্ৰীপ্ৰদীপ শৰ্মা

শ্ৰীৰঘুনাথ দেৱ চৌধুৰী

শ্ৰীযোগেশ দাস

শ্ৰীমিনতি হাজৰিকা

শ্ৰীভবেশ বৰুৱা

ডঃ হেমন্ত শৰ্মা

আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰী

কাৰ্য্য নিৰ্বাহক সমিতিৰ প্ৰথম অধিবেশন
১৯৭৫—৭৬ ॥ ক ॥

বিষয় বাচনী সভা : দ্বিচত্বাৰিংশ সন্মিলন ॥ ঞ ॥


### পত্ৰিকা সম্পাদনা সমিতিৰ সদস্যসকল


১। প্ৰধান সম্পাদক, অসম সাহিত্য সভা

২। পত্ৰিকা সম্পাদক—আহ্বায়ক

৩। শ্ৰীযোগেশ দাস

৪। ড° নিৰ্মল প্ৰভা বৰদলৈ

৫। শ্ৰীহিতেন শৰ্মা

৬। শ্ৰীবিশ্বেশ্বৰ হাজৰিকা

৭। শ্ৰীসতীশচন্দ্ৰ চৌধুৰী

সভাপতি—অসম সাহিত্য সভাৰ সভাপতি

ড° সত্যেন্দ্ৰনাথ শৰ্মা

## ॥ সদৌ অসম হস্ত শিল্প প্ৰতিযোগিতা ॥

**অসমৰ** উদ্যোগ বিভাগৰ সঞ্চালকে নিটিং, এম্ব্ৰইডাৰি, লেচৰ কাম, কাঠৰ কাম, **হাতী** দাঁতৰ কাম, বেত আৰু বাঁহৰ কাম, শীতলপাতি, পিঠক্ৰাফট, শিলৰ কাম, হাড়ৰ কাম, চিনা মাটিৰ কাম, বাদ্য-যন্ত্ৰ, গহনা, হাতৰ ছপা, পুতলাৰ কাম, চামৰাৰ কাম, থিয়েটাৰৰ প্ৰয়োজনীয় সামগ্ৰী, যেনে—পোছাক, মুখা, পাপেট, আৰু অন্যান্য হস্তশিল্পৰ ওপৰত এখন প্ৰতিযোগিতা পাতিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসমৰ মৌলিক হস্তশিল্পৰ ওপৰত প্ৰাধান্য দিয়া হব।

যি কোনো ব্যক্তি, অনুষ্ঠান, সংস্থা আৰু সমবায় সমিতিয়ে ইয়াত অংশ গ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতাখন চেপ্তেম্বৰ মাহত পাতিবলৈ ঠিক কৰা হৈছে। শ্ৰেষ্ঠ প্ৰতিযোগীক পুৰস্কাৰ দিয়া হব। সম্পূৰ্ণ বিৱৰণৰ সৈতে প্ৰবেশ পত্ৰ ১৫ জুলাই, ১৯৭৫ তাৰিখৰ পৰা তলৰ ঠিকনাত পাব: সহকাৰী সঞ্চালক কুটিৰ শিল্প উদ্যোগ, উদ্যোগ বিভাগৰ অধীক্ষক, প্ৰজেকট অফিচাৰ ( গ্ৰাম্য উদ্যোগ আঁচনি ); জিলা উদ্যোগ বিষয়া।

[ অসমৰ উদ্যোগ বিভাগৰ সঞ্চালকৰ ( এম, চি, ৰোড, গুৱাহাটী-৩ ) ৰ দ্বাৰা প্ৰচাৰিত ]

## অপূৰ্ব সুযোগ

***অসম চৰকাৰৰ*** সু-সংস্থাপিত পৰ্যটক বিভাগৰ দ্বাৰা পৰিচালিত অসমৰ বিভিন্ন অঞ্চললৈ কৰিব পৰা আৰামদায়ক আৰু অলপীয়া খৰচৰ ভ্ৰমণৰ অপূৰ্ব্ব সুযোগ গ্ৰহণ কৰক।

***অসম চৰকাৰৰ*** পৰ্যটন বিভাগৰ মিনিবাচ আৰু বিলাসী কাৰৰ এক বিশিষ্ট গোট আছে। এই বিশিষ্ট গোটৰ আৰামদায়ক মিনি বাচ ও 'কাৰ'ৰে বিশ্ব বিখ্যাত এক খড়্গা বিশিষ্ট কাজিৰঙা অভয়াৰণ্যৰ গড়, প্ৰকৃতিৰ লীলাভূমি মানস অভয়াৰণ্যৰ সোণালী বান্দৰ, দেখিলেই মন জুৰ পৰা ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্য, অসম বুৰঞ্জীৰ গৌৰৱময় দিনৰ গৌৰৱোজ্জ্বল পৌৰাণিক মঠ মন্দিৰ, আৰু বিভিন্ন ৰকমৰ ধৰ্মীয়, সাংস্কৃতিক অনুষ্ঠান আদিৰে ভৰপূৰ প্ৰকৃতি জীয়াৰী অসমী আইৰ ৰূপ দৰ্শন কৰাৰ অপূৰ্ব্ব সুযোগ গ্ৰহণ কৰক।

***প্ৰতি শনিবাৰে*** পৰ্য্যটন বিভাগৰ আৰামদায়ক মিনি বাচেৰে আৰামপূৰ্ণ পৰ্য্যটক নিবাসত নিশা যাপন কৰি কাজিৰঙা আৰু মানস অভয়াৰণ্যৰ বন্য প্ৰাণীসবৰ লীলা দৰ্শন কৰাৰ অবিমল সুযোগ গ্ৰহণ কৰক।

***সবিশেষ*** জানিবৰ বাবে তলৰ ঠিকনাত যোগাযোগ কৰক——

***সঞ্চালক, পৰ্যটন বিভাগ অসম***

পানবজাৰ, গুৱাহাটী—১

ফোন—৭১০৫

( অসম চৰকাৰৰ পৰ্য্যটন বিভাগৰ দ্বাৰা প্ৰচাৰিত )

# আজিৰ পৰাই সঞ্চয় কৰক

**অধিক সঞ্চয় কৰক**

**আজিয়েই আপোনাৰ**

**জমা হিচাপ খোলক**

[ অসম চৰকাৰৰ ক্ষুদ্ৰ সঞ্চয়ৰ সঞ্চালকৰ দ্বাৰা প্ৰচাৰিত ]

## মেলেৰিয়া আপুনি প্ৰতিৰোধ কৰিব পাৰে

মেলেৰিয়া ৰোগ একমাত্ৰ এনোফিলিচ্ জাতীয় মহৰ কাৰণে হয়। এই জাতীয় মহেই মেলেৰিয়া ৰোগীৰ শৰীৰৰ পৰা তেজ শুহি নি সুস্থলোকৰ শৰীৰৰ তেজত প্ৰৱেশ কৰায়।

মেলেৰিয়া ৰোগৰ বিস্তৃতি নিবাৰণ কৰিব লাগিলে চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা প্ৰতিষেধক ব্যৱস্থাৰ উপৰিও জন-সাধাৰণৰ নিঃস্বাৰ্থ চেষ্টা আৰু আন্তৰিক সহযোগিতাইহে প্ৰকৃত উপায়।

***মনত ৰাখিব :—***

১। মেলেৰিয়া ৰোগীক আঁঠুৰাৰ তলত ৰখা নিতান্ত আৱশ্যক, নহলে ম'হে সেই ৰোগীৰ শৰীৰৰ পৰা মেলেৰিয়াৰ বীজাণু আন সুস্থ লোকৰ শৰীৰত প্ৰৱেশ কৰাই ৰোগৰ সঞ্চাৰ কৰিব।

২। আপোনাৰ থকা ঘৰটোত ডি-ডি-টি ছতিয়াই দিয়াত কৰ্তৃপক্ষক সহায় কৰক আৰু সম্ভৱ হলে আপুনি নিজেই ছতিয়াই লওক।

৩। পৰিয়ালৰ কাৰোবাৰ জ্বৰ হলে অনতি পলমে ওচৰৰ স্বাস্থ্য কেন্দ্ৰত খবৰ দিয়ক।

৪। জ্বৰ হোৱা লোকৰ এটোপাল তেজ পৰীক্ষাৰ কাৰণে দিয়ক।

৫। মেলেৰিয়া ৰোগৰ ঔষধ কুইনাইন, নিভাকুইন, কেমকুইন ইত্যাদি ডাক্তৰৰ পৰামৰ্শমতে ব্যৱহাৰ কৰক।

অসম চৰকাৰৰ স্বাস্থ্য সেৱা সঞ্চালকৰ হৈ ৰাজ্যিক স্বাস্থ্য-শিক্ষা শাখাৰ দ্বাৰা প্ৰচাৰিত।

দিশপুৰ, গুৱাহাটী—৬

সাহিত্য সংস্কৃতিৰ উপাসকসকলৰ
বহুমুখী প্ৰতিভাৰ অৱদানে

**অসম তথা ভাৰতৰ অগণন জনতাক**
**সাম্য মৈত্ৰী একতাৰ ভেটিত**
**সুপ্ৰতিষ্ঠিত কৰিবলৈ প্ৰেৰণা**
**যোগাওক যেন।**

উত্তৰ পূৱ ভাৰতৰ প্ৰহৰীৰূপে
অসম নানা সমস্যাৰ সন্মুখীন হৈও
শিক্ষা অৰ্থনৈতিক সামাজিক উন্নয়নৰ
পথত দৃঢ়তাৰে আগবাঢ়িছে ॥

স্বদেশপ্ৰেমীসকলৰ অৰিহণাই
এখনি প্ৰকৃত গণতান্ত্ৰিক সমাজ গঠনত
আমাৰ চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহ
সাফল্যমণ্ডিত কৰিবলৈ উদ্দীপনা যোগাওক
এয়ে আমাৰ একান্ত কামনা ॥

[ অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ দ্বাৰা প্ৰচাৰিত ]

**কৃষিয়েই উন্নতিৰ মূল ভেটি—**
**উন্নত পদ্ধতিয়েই উৎপাদনৰ চাবি-কাঠি।**
**খাৰিফ শস্য অভিযানত যোগদান কৰি**
**প্ৰচুৰ উৎপাদন আৰু লগতে**
**ৰাজ্যখনক খাদ্যৰ ক্ষেত্ৰত স্বাৱলম্বী হোৱাৰ**
**পথত অৰিহনা যোগাওক।**

## এই বতৰত আপোনাৰ পথাৰখন ভৰাই তোলক—

অধিক উৎপাদনক্ষম আহুধান—
পুছা—২—২১, চীনা—৬৩, আই আৰ—৮, জয়া।

অধিক উৎপাদনক্ষম গোমধান—
বিজয়, কিছান, বিক্ৰম, জৱাহৰ।

উন্নত জাতৰ মৰাপাট—
জে আৰ অ - ৬০২, ৭৮৩৫
উন্নত জাতৰ কুঁহিয়াৰ—
চি অ—৭১৩, ৪১৯, ৭৪০, ৯৯৭

অধিক উৎপাদনক্ষম শালিধান—
পুছা—২—২১, মনোহৰ শালি, আই আৰ—৮, জয়া।

উন্নত জাতৰ অৰহৰ—
টি—১ টি—৪, পুছা।
উন্নত জাতৰ চীনা বাদাম—
এ কে ১২—২৪
উন্নত জাতৰ চয়াবীন—
ব্ৰাগ, লী, হাৰ্দি, পেলিকান, ক্লাৰ্ক, পানজাব—১।
উন্নত জাতৰ বেলিফুল—
চানৰাইজ, ই চি ৬৮৪১৩, ৬৮৪১৪, ৬৮৪১৫।
আৰু
বৰ্ষাকালীন শাক পাচলী ॥

( অসম কৃষি বিভাগৰ প্ৰচাৰ শাখাৰ দ্বাৰা প্ৰচাৰিত )

## ভুৱা জোখ-মাখ পৰিদৰ্শকৰ প্ৰতি সতৰ্ক হওক ।

অসমৰ কোনো কোনো এলেকাত কিছুমান ভুৱা জোখ-মাখ পৰিদৰ্শক ওলাই জোখ-মাখ আদিত ভুৱা চাব-মোহৰ মাৰি, ভুৱা প্ৰমাণ পত্ৰ দি কেতিয়াবা ভয় খুৱাই ব্যৱসায়ীৰ পৰা টকা পইচা আদায় কৰাৰ প্ৰমাণ পোৱা গৈছে।

এই ভুৱা পৰিদৰ্শকৰ প্ৰতি সতৰ্ক হবৰ কাৰণে ৰাইজে জানি থোৱা ভাল যে প্ৰত্যেক-জন চৰকাৰী জোখ-মাখ পৰিদৰ্শকৰ লগত চৰকাৰী মোহৰ থকা তেওঁৰ ফটোসহ একোখন পৰিচয় পত্ৰ থাকে। জোখ-মাখ পৰিদৰ্শক বুলি কোনোবাই পৰিচয় দিলেই ব্যৱসায়ীসকলে এনে পৰিচয় পত্ৰ বিচাৰিব লাগে। তেনে পৰিচয় পত্ৰ ফটোসহ পালেহে ব্যৱসায়ীয়ে জোখ-মাখ আদি পৰীক্ষা নিৰীক্ষা কৰিবলৈ দিব আৰু ছপা কৰা চৰকাৰী ৰছিদ লৈহে দিবলগীয়া মাচুল দিব। নহলে ভুৱা পৰিদৰ্শক বুলি তৎক্ষনাতে পুলিচত খবৰ দি উচিত ব্যৱস্থা লব।

( অসম চৰকাৰৰ জোখ-মাখ বিভাগৰ দ্বাৰা প্ৰচাৰিত )

### —বিশেষ ঘোষণা—

* ১১ জুনৰ পৰা গুৱাহাটী মেডিকেল কলেজৰ প্ৰসূতি আৰু স্ত্ৰীৰোগ চিকিৎসা বিভাগত অত্যাধুনিক পদ্ধতিৰে কৰা মহিলাৰ বন্ধ্যাকৰণৰ ( টিউবেক্টমী ) বিশেষ সুবিধা আগবঢ়োৱা হৈছে—
* অভিজ্ঞ ডাক্তৰৰ দ্বাৰা পৰিচালিত এই বিশেষ সুবিধা ইচ্ছুক মহিলাই নিজৰ পৰিয়ালৰ সুখ আৰু সমৃদ্ধিৰ কাৰণে অনায়াসে গ্ৰহণ কৰিব পাৰে—
* লগতে আইন-সঙ্গত ভাবে গৰ্ভপাত কৰোৱাৰো বিশেষ ব্যৱস্থা আগবঢ়োৱা হৈছে—
* এই সুবিধা সমূহ গ্ৰহণ কৰোতে হোৱা আৱশ্যকীয় খৰচ আদি চৰকাৰে বহন কৰিব।

অসম চৰকাৰৰ স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ জনসংযোগ আৰু তথ্য বিভাগৰ দ্বাৰা প্ৰচাৰিত।

### অসম ৰাজ্যিক লটাৰীৰ

৪২ নং খেল—৯-৮-৭৫ তাৰিখে

প্ৰথম পুৰস্কাৰ এটা—১,০০,০০০ টকা

দ্বিতীয় পুৰস্কাৰ তিনিটা—৩০,০০০ টকাৰ

( প্ৰতিটো ১০,০০০ টকাকৈ )

তৃতীয় পুৰস্কাৰ তিনিটা—১২,০০০ টকাৰ

( প্ৰতিটো ৪,০০০ টকাকৈ )

আৰু ৪০০ৰো অধিক নগদ টকাৰ পুৰস্কাৰ আছে।

***মিনি খেল*** – ১৬-৭-৭৫ তাৰিখে

প্ৰথম পুৰস্কাৰ তিনিটা—প্ৰতিটো ১,০০০ টকাকৈ

দ্বিতীয় পুৰস্কাৰ তিনিটা—প্ৰতিটো ৫০০ টকাকৈ

অসম ৰাজ্যিক লটাৰীৰ সঞ্চালকৰ দ্বাৰা প্ৰচাৰিত।

## ৰেচম আৰু বয়ন শিল্পৰ প্ৰগতি আমাৰ দেশৰ সমৃদ্ধি ।

অসম উদ্যোগীকৰণত ক্ৰমান্বয়ে আগবাঢ়ি যাব লাগিছে। অকল বৃহত উদ্যোগ স্থাপনে আমাৰ ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যাৰ সমাধান কৰিব নোৱাৰে, যদিহে ইয়াৰ গাতে গা লগাই ক্ষুদ্ৰ আৰু কুটিৰ শিল্প-বিলাক ভালকৈ গা কৰি উঠিব নোৱাৰে।

আজিৰ প্ৰতিযোগিতাৰ যুগত নিজৰ কৰ্ম-সংস্থানৰ সুযোগ আগবঢ়াইছে ৰেচম আৰু বয়ন শিল্পৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে লোৱা প্ৰগতি-মূলক আঁচনিসমূহে।

আপুনিও এই সুবিধা নলয় কিয় ?

( অসম চৰকাৰৰ ৰেচম আৰু বয়ন বিভাগৰ দ্বাৰা প্ৰচাৰিত )

আপুনি জানে—পানীৰ প্ৰাকৃতিক সম্পদৰ লগত মাছৰ জীৱন ও উৎপাদন বৃদ্ধিৰ ঘনিষ্ঠ সম্বন্ধ আছে। গতিকে পানীয়ে যাতে প্ৰাকৃতিক উপাদান হেৰুৱাই দুষিত হব নোৱাৰে তাৰ বাবে লক্ষ্য ৰাখিলেহে মাছৰ জীৱন সংৰক্ষণ হব।

মনত ৰাখিব—(১) বাৰিষা উজানৰ সময়ত কণীলগা মাছবোৰ নামাৰি আপোনাৰ ওচৰৰ বিল-নদীবোৰত কণী এৰিবলৈ দিয়ক।

(২) মাছৰ কণ কণ পোৱালীবোৰ অকালতে নামাৰি সিহঁতক বাঢ়িবলৈ দিয়ক। নহলে মাছৰ বংশবৃদ্ধিৰ ঘোৰ অন্যায় কৰা হব।

(৩) কোনো ধৰণৰ বিস্ফোৰক পদাৰ্থ ব্যৱহাৰ কৰি নৈ, বিল-ডোবাত, কেতিয়াও মাছ ধৰিবলৈ চেষ্টা নকৰিব। এই বিস্ফোৰক পদাৰ্থই পানীৰ প্ৰাকৃতিক উপাদান ও পানীৰ প্ৰাকৃতিক সম্পদক দুষিত কৰি মাছৰ জীৱন ধ্বংস কৰিব। মাছ সংৰক্ষণৰ বিশেষ কথা জানিবলৈ আপুনি অসম চৰকাৰৰ মীন বিভাগৰ লগত যোগাযোগ কৰক।

[ অসম চৰকাৰৰ মীন তথা প্ৰচাৰ বিষয়াৰ দ্বাৰা প্ৰচাৰিত ]

কাজিৰঙা জাতীয় উদ্যান

আৰু মানাহ অভয়াৰণ্য

আৰু ওৰাং, লাওখোৱা, সোণাইৰূপা আদি

প্ৰকৃতিৰ শান্ত পৰিৱেশ বিৰাজিত

মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য্যেৰে বিকশিত

প্ৰাক্ ঐতিহাসিক একশিঙীয়া গড়

আৰু নানাবিধ ধুনীয়া ধুনীয়া

জীৱ-জন্তুৰে পৰিপূৰ্ণ বননি।

জানেনে ?


এই ধুনীয়া পৰিৱেশ আৰু জীৱ-জন্তুবোৰে

আপোনাৰ পদক্ষেপৰ বাবে বাট চাই আছে

আহক । এবাৰ আহক ॥

আৰু নয়ন ভৰাই উপভোগ কৰক।

মুখ্য বন সংৰক্ষক, অসম, গুৱাহাটীৰ দ্বাৰা প্ৰচাৰিত




এফ চি আই

ভাৰতবৰ্ষত ৰাসায়নিক সাৰ উৎপাদনত পথ দেখুৱাওঁতা ফাৰ্টিলাইজাৰ কৰ্প'ৰেছনে বিভিন্ন ধৰণৰ ৰাসায়নিক সাৰ আৰু দ্ৰব্য উৎপাদন কৰে। জাতিৰ সেৱাত ধন্য এই সংস্থাই খাদ্য উৎপাদনত দেশখনক নিৰ্ভৰশীল কৰি তুলিবলৈ আৰু পথাৰত শইচ উৎপাদন কৰিবলৈ খেতিয়ক বন্ধুসকলক সাৰ সৰবৰাহ কৰে।

দি ফাৰ্টিলাইজাৰ কৰ্প'ৰেছন্ অব্ ইণ্ডিয়া লিঃ

পূৰ্বীয় বিপনন মণ্ডল। জি, এন, বৰদলৈ ৰ'ড • চান্দমাৰী, গুৱাহাটী, অসম।



জন্ম শত-বাৰ্ষিকীৰ শ্ৰদ্ধাৰ্ঘ্য

ৰাধানাথ ফুকন বেদান্ত বাচস্পতি দেৱৰ মহান পাণ্ডিত্য প্ৰকাশিত হৈছে প্ৰধানতঃ দুটি ৰূপত। তাৰে এটা দাৰ্শনিক তত্বৰ যথাৰ্থজ্ঞান আৰু তাৰ প্ৰাঞ্জল প্ৰকাশভঙ্গী আৰু দ্বিতীয়টো হৈছে সাংখ্যদৰ্শনৰ মূল কথাবোৰৰ আধুনিক দৃষ্টিভঙ্গীৰে কৰা বৈজ্ঞানিক যুক্তিসিদ্ধ বিশ্লেষণ। মহামহোপাধ্যায় গোপীনাথ কবিৰাজে এই দৃষ্টিভঙ্গীৰ শলাগ লৈ কৈছে যে এই বিশ্লেষণে তত্ববোৰৰ ওপৰত উপলব্ধিৰ সহায়ক আলোকপাত কৰিব। সাংখ্যৰ দৃষ্টিভঙ্গী বহুযুগ তৰ্কৰ বিষয় আছিল ; কিন্তু ইয়াৰ প্ৰতিপাদনৰ পদ্ধতি আছিল অভিনৱ। এই অভিনৱতা আধুনিক বিজ্ঞানৰ সহায়ত অনন্য হৈ পৰিছে। বিশ্ব-সাহিত্যত পণ্ডিত-ফুকনৰ সাংখ্যবিশ্লেষণৰ স্বকীয় মূল্য আছে আৰু অসমীয়া সাহিত্যত ই একক। এওঁৰ পাণ্ডিত্য-পূৰ্ণ ৰচনা আৰু আছে; কিন্তু অকল সাংখ্য-কাৰিকাৰ অনুবাদ আৰু বৈজ্ঞানিক দৃষ্টিভঙ্গী সম্বলিত সৰল আৰু সাৱলীল ব্যাখ্যাই মহাত্মা ফুকনক অমৰ কৰি ৰাখিব।



## শতবাৰ্ষিকীৰ শ্ৰদ্ধাৰ্ঘ

### সম্পাদকীয়

তত্ত্বদৰ্শী বেদান্ত বাচস্পতি ৰাধানাথ ফুকনৰ জন্ম-শতবৰ্ষ পূৰ্ণ হ'ল। শত-বাৰ্ষিকী উপলক্ষে ভাৰতীয় চিন্তা আৰু বৌদ্ধিক বিকাশৰ ভেটি হিচাপে আধ্যাত্মিক আৰু ধৰ্মীয় চেতনা প্ৰণোদিত চিন্তাধাৰাৰ কথা স্মৰণ তথা চৰ্চাও হৈছে। বিজ্ঞান আৰু দৰ্শন—এই দুয়োৰে ভিতৰত বিজ্ঞানে বিষয় ক্ষেত্ৰত পৰীক্ষা-নিৰীক্ষাৰ অধ্যয়ন কৰিলেও পণ্ডিত ফুকনে সাংখ্য আৰু বিজ্ঞান দুয়োৰে বিষয় ক্ষেত্ৰ আৰু পদ্ধতি একে বুলি প্ৰমাণ কৰি দুয়োবিধৰে সংহতি প্ৰতিপন্ন কৰিলে। সাংখ্য দৰ্শন, বেদান্ত দৰ্শন আৰু মহাভাৰতৰ গীতাৰ ভূমিকা আৰু ভাষ্যৰ মাজত এই পুৰুষ-প্ৰবৰ গৰাকীৰ গভীৰ পাণ্ডিত্য আৰু অনন্য সাধাৰণ প্ৰতিভা প্ৰকাশৰ মূলতেই গভীৰ চিন্তা আৰু অধ্যয়ন, প্ৰমাণ-সিদ্ধ বিশ্লেষণ আৰু নিৰপেক্ষ বিচাৰ ক্ষমতা। বিশাল আধ্যাত্মিক চৈতন্যোদয়ৰ মূল বেদ, উপনিষদৰ দাৰ্শনিক তত্ত্বক আধুনিক পদাৰ্থ-বিজ্ঞানৰ সাদৃশ্য দেখুৱাই উপলব্ধিৰ বাটকটীয়া হিচাপেও ফুকনদেৱ চিৰ-স্মৰণীয় হৈ ৰব। লগতে ভাৰতীয় দৰ্শন-তত্ত্বক অসমীয়া ভাষাত সহজ সৰলভাৱে প্ৰকাশ কৰি তেখেতে অসমীয়া সাহিত্যক ডাঙৰ উপাদান দি গৈছে।

৺ফুকনদেৱ এহাতে যেনেকৈ আছিল এজন বিদগ্ধ পণ্ডিত, দাৰ্শনিক আৰু বৈজ্ঞানিক, আনহাতে আছিল এগৰাকী নিঃস্বাৰ্থ দেশপ্ৰেমী, অসমীয়া ভাষা সাহিত্যৰ সেৱক আৰু দিক্‌দৰ্শক। কবি, প্ৰবন্ধকাৰ আৰু গীতিকাৰ হিচাপেও তেখেত আমাৰ চিৰ স্মৰণীয়। দুখৰ কথা যে এই মহান পণ্ডিত গৰাকীৰ ৰচনাৱলী একত্ৰভাৱে সহজতে পাবলৈ নাইকিয়া হ'ল। শতবাৰ্ষিকী উদ্‌যাপন কালচোৱাত লক্ষজনৰ প্ৰশংসাৰে মুখৰিত কৰিলেই স্থায়ী কাম নহয়; তেখেতৰ অৱদানসমূহক সহজলভ্য কৰি আৰু বিভিন্ন ভাষালৈ তৰ্জমা কৰি উলিওৱাৰহে ব্যৱস্থা কৰিব লাগে।

শতবৰ্ষ উদ্‌যাপনৰ এই পবিত্ৰ সময়চোৱাত মহান পুৰুষজনালৈ আমি শতেক প্ৰণাম জনাওঁ।

## সাহিত্য আৰু কিতাপৰ বজাৰ

আজি কিছুদিনৰ আগতে ভাৰতৰ পুথিৰ বজাৰখন নিম্নগামী হোৱা বুলি এটা সমীক্ষাত ওলাইছিল আৰু তাৰ কাৰণ হিচাপে কিতাপৰ মূল্যমানকো সামৰা হৈছিল। এই মূল্যমানক দুটা দিশেৰে বিচাৰ কৰা যায়—পাঠক-গ্ৰাহকৰ সীমাবদ্ধ ক্ৰয়শক্তিৰ বিবেচনাৰে প্ৰকাশকৰ কিতাপৰ উৎপাদন ব্যয় আৰু নিৰ্ধাৰিত মূল্যৰ লগত গ্ৰাহকৰ ক্ৰয়-ক্ষমতাৰ বিৰাট ব্যৱধান আৰু দ্বিতীয়তে পাঠকৰ সন্তুষ্টি-অসন্তুষ্টিৰ ওপৰত নিৰ্ভৰশীল কিতাপৰ নিজস্ব মানদণ্ড। উল্লেখিত দ্বিতীয়বিধ কাৰণে সামগ্ৰীকভাৱে নিশ্চয়কৈ তাৎকালীক প্ৰধান বাধা হিচাপে থিয় হোৱাৰ আশঙ্কা নাই। কিয়নো বিভিন্ন বিষয়ৰ উন্নত মানদণ্ডসম্পন্ন কিতাপ ভাৰতত ইতিমধ্যে ৰচিত আৰু প্ৰকাশিত হৈছে আৰু চলিত দশকত প্ৰচুৰ হোৱাৰ সম্ভাৱনা একেবাৰে নুই কৰিব নোৱাৰি।

অসমীয়া সাহিত্যত কিন্তু এই ক্ষেত্ৰত এক ব্যতিক্ৰম মন কৰা হৈছে। আমাৰ সাহিত্যজগতে এই দশকৰ প্ৰথম দুই তিনিটা বছৰত প্ৰকাশিত কিছু সংখ্যক কিতাপ পাইছিল যদিও তাৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য অৱদান নোপোৱাটো নিশ্চয় মন কৰিব পাৰি। কিতাপৰ বজাৰত গল্প, উপন্যাস আৰু সেইজাতীয় ৰচনাৰ চাহিদা বেছি আৰু সেই অনুপাতে এই শ্ৰেণীৰ কিতাপ প্ৰকাশকৰো আগ্ৰহৰ বস্তু হৈ পৰাটো স্বাভাৱিক (বিশেষকৈ পাঠ্যপুথিৰ প্ৰকাশন চৰকাৰৰ হাতলৈ নিয়াৰ পিছত স্বাভাৱিকতেই প্ৰকাশকসকলে অন্যান্য কিতাপৰ ফালে মনোনিবেশ কৰিবলৈ লৈছিল আৰু গল্প উপন্যাসৰ লগত নানা ধৰণৰ চিন্তামূলক কিতাপো কিছুসংখ্যক ওলাবলৈ আৰম্ভ কৰিছিল।) এনে ধৰণৰ কিতাপৰ বিক্ৰী বজাৰখনো সৰু হৈ যাব ধৰা বুলি উঠা অভিযোগৰ কাৰণসমূহো বিশ্লেষণ কৰি চাবলগীয়া হৈছে। কিয় এনেকুৱা হৈছে সেই বিষয়ে লিখক-সকলে অধিক আত্মসচেতন হোৱাৰো আৱশ্যক হৈছে। লিখকে পাঠকক কি কৈছে আৰু কি দিবলগীয়া হৈছে এই বিষয়ক গভীৰ অধ্যয়নো হোৱা উচিত।

আলোচ্য বিষয়ৰ প্ৰথম দিশটো অৰ্থনৈতিক বিবেচনাৰেহে বিশ্লেষিত হব পাৰে। সেই দিশটোৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ থাকে প্ৰকাশক আৰু পাঠক। এই ক্ষেত্ৰত প্ৰকাশকে কাৰিকৰী দিশত ব্যয় সংকোচ কৰি জনপ্ৰিয় কিতাপ-সমূহ গ্ৰাহকৰ ক্ৰয়-ক্ষমতাৰ অধীনলৈ অনাৰ উপায়ো চিন্তা কৰিব লগা হৈছে।

ড° কালীনাথ শৰ্মা

## কাল আৰু প্ৰলয়

বিশ্ব-ৰহস্যৰ ভালেমান কথা আমি গীতমাতত সুৰ লগাই গাওঁহক। "ব্ৰহ্মাণ্ডৰ ভিতৰে যত বস্তু আছে সবাকো তোমাতে পায়" বোলা এনেকুৱা তত্বপূৰ্ণ কথা লোকগীতৰ মাজত সোমাই আছে। "অনন্তকৌটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী" বুলি মহাপুৰুষে সেই একে তত্বকথাৰে ইঙ্গিত দিছে। আমি বহুতে পৰমেশ্বৰৰ প্ৰতি ভক্তি নিবেদন কৰি এই গীতবোৰ কীৰ্তন কৰোঁহক। ইয়াৰ ভিতৰত থকা বৈজ্ঞানিক কথাই আমাৰ চিত্ত-বৃত্তিত বিশেষ চিন্তাৰ ঢৌ নোতোলে। বৈজ্ঞানিকসকলে কিন্তু এই তত্বৰ সন্ধান পালে আৰু তাৰে ফলত তেওঁলোক ভক্তিত নহলেও জিজ্ঞাসা বা জ্ঞানলিপ্সাত ব্যাকুল হল।

আমি যাক ব্ৰহ্মাণ্ড বুলি কওঁ তাকে বৈজ্ঞানিকসকলে সদ্যহতে বিশ্ব বা য়ুনিভাৰ্চ বুলি কৈছে। এই ব্ৰহ্মাণ্ডৰ অধিকাৰী সম্বন্ধে তেওঁ প্ৰশ্ন কৰিছে নে নাই সেই কথা অবান্তৰ। হিন্দু ভক্ত বা দাৰ্শনিকসকলে চাক্ষুষ পৰিচয়ৰ দ্বাৰা এই অধিকাৰীলৈ হয়তো আঙুলিওৱা নাই। তেওঁলোকৰ বহুতে ব্ৰহ্মাণ্ডৰ অধিকাৰীজনৰ আধ্যাত্মিক পৰিচয় লাভ কৰিছিল বুলি মানি লৈয়ে আমি সন্তুষ্ট হওঁ। বহু পণ্ডিতে যুক্তিৰে এই অধিকাৰীজনক প্ৰতিষ্ঠা কৰিবলৈ গৈ সাংখ্যদৰ্শনৰ সৃষ্টি কৰিলে। আন এটা গোষ্ঠীৰ পণ্ডিতসকলে শ্ৰুতিক প্ৰমাণ বুলি কৈ অধি-কাৰীজনক স্বীকাৰ কৰি ল'লে।

কিন্তু পাশ্চাত্য বৈজ্ঞানিকে অধিকাৰীজনৰ বিচাৰ নকৰি তেওঁৰ অধিকাৰভুক্ত অনন্তকৌটি ব্ৰহ্মাণ্ডৰ সীমাৰেখাত উপস্থিত হলগৈ। ভাৰতবৰ্ষ বিচাৰি অপাৰ সমুদ্ৰৰ অজান পাৰত যেতিয়া কলম্বচ উপস্থিত হৈছিল, তেতিয়া তেওঁ ভাৰত-বৰ্ষ পোৱা বুলি ভাবিছিল। বৈজ্ঞানিকসকলে অন্তহীন মহাকাশৰ মাজত থকা ব্ৰহ্মাণ্ডৰ বিন্দু-মাত্ৰ পৰিচয় পাই ব্ৰহ্মাণ্ডৰ গৰাকীজনক পোৱা বুলি যদি ভাবে তেন্তে তেওঁলোকক দোষ দিবলগীয়া একো নাই।

পশ্চিমীয়া বৈজ্ঞানিকসকলে যেতিয়া অণু, পৰমাণু, নিউট্ৰন প্ৰোটন, ইলেকট্ৰন আদিৰ সম্ভেদ পালে আৰু সেইবোৰৰ ছবি আঁকি সকলোকে দেখুৱালে তেতিয়া বহুতৰে মনত

নতুন নতুন ভাবৰ উদ্রেক হল। কোনোৱে পৰমাণুটোক সৌৰজগতৰ লগত ৰিজালে, আৰু কোনো কোনোৱে অণুটোকে ব্ৰহ্মাণ্ডৰ প্ৰতীক বুলি কবলৈ আৰম্ভ কৰিলে। হিন্দু শাস্ত্ৰত অনু-পৰমাণুৰ উল্লেখমাত্ৰ আছে ছবি বা বিতং বিৱৰণ নাই। লড ৰাণা ফোৰ্ডে হলে পৰমাণুৰ মাজত ব্ৰহ্মাণ্ডৰ স্বৰূপ বিচাৰিবলৈ বৰ আগ্ৰহ প্ৰকাশ কৰা নাই, বৰং তাত নিহিত থকা শক্তিৰ প্ৰশস্তিবাদ কৰিছে। আইনষ্টাইনে এই শক্তিকে আপেক্ষিকতাবাদৰ আলমত বিশ্বব্ৰহ্মাণ্ডৰ মূল বুলি কবলৈ প্ৰয়াস কৰিছে। প্ৰাগ্-বৈজ্ঞানিক যুগত সাংখ্যাই ব্ৰহ্মাণ্ড সম্বন্ধে চিন্তা কৰা মনীষিসকলৰ মনত ধুঁৱলি-কুঁৱলিৰ সৃষ্টি কৰিছিল। আপেক্ষিকতাবাদৰ পণ্ডিতসকলে পদাৰ্থবিজ্ঞানৰ বস্তি হাতত লৈ দিক্কালৰ প্ৰকৃত ৰূপটো যেতিয়া পোহৰাই দিলে, তেতিয়া সেই কুঁৱলি বহুখিনি আঁতৰিল যেন লাগে। পুৰাৱ কুঁৱলি ব'দ উঠিলেই আঁতৰে; কিন্তু বতৰৰ বিভ্ৰাট হৈ যেতিয়া দুপৰীয়া সময়ত কুঁৱলিয়ে দেখা দিয়ে, তেতিয়া সেই কুঁৱলি সহজে আঁতৰ নহয়। আপেক্ষিকতাবাদে পুৱাৰ কুঁৱলি আঁতৰালে, কিন্তু দুপৰৰ কুঁৱলিৰ সম্ভাৱনা এতিয়াও আছে। সেই সম্ভাৱনাই আইনষ্টাইনৰ মনত মাজে মাজে হতাশাৰ ভাব সৃষ্টি কৰিছিল। "মোৰ শেষৰ বছৰ কেইটাৰ কথা" (Out of my later years) বোলা পুথিখনত, কামত জড়বাদী, কিন্তু ভাবত ব্ৰহ্মবাদী এই পণ্ডিত গৰাকীৰ মনত হতাশাৰ ভাব স্পষ্ট হৈ পৰিছে।

বিজ্ঞানৰ তৰঙ্গবাদ বা আপেক্ষিতাবাদ কথা-বোৰ গধুৰ কথা। ইয়াৰ আৰম্ভ তাত্বিক জিজ্ঞাসাৰ দ্বিতীয় পৰ্য্যায়ত। প্ৰথম পৰ্য্যায়ৰ কথাবোৰ বেলেগ। দিক্ আৰু কাল—যাক মহাত্মা ৰাধানাথ ফুকনে ইংৰাজীত স্পেচ (Space) আৰু টাইম্ (Time) শব্দৰ সলনি ব্যৱহাৰ কৰিছে—তাৰ সৃষ্টি সম্বন্ধীয় কথাবোৰ প্ৰথম পৰ্য্যায়ৰ। যদি শক্তিয়ে ইয়াৰ মূল হয় তেন্তে শক্তি সম্বন্ধীয় কথাকে প্ৰথম পৰ্য্যায়ভুক্ত কৰাত আপত্তি কৰিবলগীয়া একো নাই। কোনো কোনো দাৰ্শনিকে একমাত্ৰ ব্ৰহ্মকে শক্তিৰ আধাৰ বুলি ক'লে আৰু আন মনীষিয়ে প্ৰকৃতিক ব্ৰহ্মৰ পৰা পৃথক বুলি কৈ তৰ্ক আৰম্ভ কৰিলে। এইদৰে বেদান্তদৰ্শন আৰু সাংখ্যৰ আবিৰ্ভাৱ হল। গুৰিতে এই মতবাদ দুটা বেলেগ যেন আছিল; কিন্তু ভাষ্যকাৰসকলৰ চিন্তাৰ পৰিসৰৰ বৃদ্ধিৰ লগে লগে দুয়োটা মতবাদ ক্ৰমে ওচৰ চাপি আহিছে।

বিজ্ঞান কিন্তু এইবোৰ জটিলতাৰ মাজত নোসোমায়। কালৰ সৃষ্টি কেনেকৈ হল—এই প্ৰশ্নটো সদায়তে দুৰ্বোধ্য হৈয়ে থাককছোন, ইয়াৰ আৰম্ভ কেতিয়া হল তাৰেই বিচাৰ কৰা যাওক: এয়ে হ'ল বৈজ্ঞানিকৰ কাম। আৰম্ভৰ কথাখিনি জানিলে স্ৰষ্টাৰ কথাটো হয়তো আপোনা-আপুনি ওলাই পৰিব। সৃষ্টি ৰহস্যৰ উদ্ঘাটনে স্ৰষ্টাৰ পৰিচয় ভালদৰে দিয়ে।

পৃথিৱীখনেই কালৰ সীমা সম্বন্ধীয় সমস্যাৰ সমাধান ক্ষেত্ৰ হব নোৱাৰে। কালসমুদ্ৰত ই এটা অতি ক্ষুদ্ৰ বুৰ্বুৰণি মাথোন। পৃথিৱীক





বিপুলা আৰু কালক নিৰবধি বোলোতেই এই কথা স্পষ্ট হৈ পৰিছে। হিন্দু দাৰ্শনিকে নিৰবধি কালৰ অবধি বিচাৰ নকৰে।

কিন্তু বৈজ্ঞানিকে ব্ৰহ্মাণ্ড বা য়ুনিভাৰ্চৰ লগত সাঙুৰি লৈ কালৰ এটি সীমা বা ইয়াৰ আৰম্ভৰ বিচাৰ কৰিবলৈ চেষ্টা কৰিলে। তেওঁলোকে মহাকাশৰ মাজত ব্ৰহ্মাণ্ডৰ ৰূপ বিচৰাত লাগি গল আৰু তাতে প্ৰকৃততে অনন্ত কোটি ব্ৰহ্মাণ্ডৰ সন্ধেদ পালে। অতি শক্তিশালী দূৰবীণ যন্ত্ৰৰ দ্বাৰা তেওঁলোকে মহাকাশৰ মাজলৈ চাই পঠিয়ালে। কেলিফৰ্ণিয়াৰ পেলোমাৰ পাহাৰত থকা দুশ ইঞ্চিৰ দূৰবীক্ষণৰ দৃষ্টিপথত কোটি কোটি হাতীপটি ধৰা পৰিল। হাতীপটি-বোৰ লগ লাগি কেতবোৰ গ্ৰহপুঞ্জৰ সৃষ্টি কৰে। ৩০,০০০,০০০,০০০,০০০,০০০,০০০,০০০ ত্ৰিশ লক্ষ কোটি কোটি মাইল দূৰত থকা কিছুমান গ্ৰহপুঞ্জ এই দৃষ্টি সীমাৰ ভিতৰত পৰিছে। এই সীমাই কিন্তু শেষ সীমা নহয়। ইয়াৰ বাহিৰত আৰু লাখ লাখ মাইল ধৰি ব্ৰহ্মাণ্ডৰ বিস্তৃতি আছে।

হাতীপটিবোৰ গতিশীল আৰু সিহঁতৰ গতিবেগ প্ৰচণ্ড। প্ৰচণ্ড গতিত ভ্ৰমি ফুৰোঁতে হাতীপটিবোৰৰ মাজত সংঘৰ্ষ লাগে আৰু তাৰ ফলত প্ৰলয়ঙ্কৰ বিস্ফোৰণৰ সৃষ্টি হয়। এই বিস্ফোৰণৰ শক্তি নিৰ্ণয় কৰা আমাৰ হাজাৰ কিলোৱাটৰ বেতাৰ কেন্দ্ৰ এটা যথেষ্ঠ শক্তিশালী বুলি ধৰা হয়। চিগ্নাছ নামৰ গ্ৰহপুঞ্জ এটাৰ দুটা হাতীপটিৰ ঘৰ্ষণে ১০$^{৩৩}$ (দহ ডেচিলিয়ন) কিলোৱাট পৰিমাণৰ শক্তি সৃষ্টি কৰে বুলি অনুমান কৰা হৈছে। শক্তিৰ এই পৰিমাণটো অনন্ত কোটি ব্ৰহ্মাণ্ডৰ নিচিনাই কষ্টবোধ্য।

এইবোৰ কথাৰ সন্ধেদ লৈ জ্যোতিৰ্বিদ্যাৰ কেইগৰাকীমান পণ্ডিতে এটা তথ্যত উপনীত হল। বিশ্বব্ৰহ্মাণ্ডৰ মাজত থকা হাতীপটিবোৰে নিজ নিজ কক্ষপথত ঘূৰি ফুৰোঁতে লাহে লাহে ইটোৰ পৰা সিটো আঁতৰি গৈ আছে। এইদৰে আঁতৰি গৈ গৈ এসময়ত সিহঁত আকৰ্ষণী শক্তিৰ সীমাৰ বাহিৰলৈ গুছি যায়। এইদৰে বা আন প্ৰকাৰে বিপথগামী হোৱাৰ ফলত সিহঁত টুকুৰা-টুকুৰ হয়। এটা হাতীপটি দুটা বা ততোধিক হোৱাটো মহাকালৰ নিত্যনৈমিত্তিক ঘটনা। ইয়াকে অৱলম্বন কৰি ব্ৰহ্মাণ্ডৰ 'বিস্ফোৰণবাদ' প্ৰস্তাৱিত হল; ইংৰাজীত ইয়াক "এক্সপ্লোচন থিঅ'ৰী" বোলে।

বিস্ফোৰণবাদৰ আচল কথা হ'ল গ্ৰহপুঞ্জবোৰ মাউথৰ পৰা চিটিকি ওলাই যোৱা অৱস্থা। ইয়াৰ আগতে সিহঁত আঁত খাই মাউথ বান্ধি আছিল আৰু সীমাহীন মহাকালত ওপঙি ফুৰিছিল। এই অৱস্থাৰ পৰিবৰ্তন হ'ল। পৃথিৱীত থকা পদাৰ্থৰ আনৱিক প্ৰক্ৰিয়াবোৰ পৰীক্ষা কৰি তাৰ অৱস্থা পৰিৱৰ্তনৰ বাবে প্ৰয়োজনীয় সময়ৰ এটা হিচাপ কৰিব পাৰি। গ্ৰহপুঞ্জবোৰৰ বৰ্তমান অৱস্থাৰ লগত মাউথ বন্ধা অৱস্থা বিজাই হিচাপ কৰিলে আজিৰ পৰা দহ বিলিয়ন বছৰ পূৰ্বতে ব্ৰহ্মাণ্ডৰ উৎপত্তি হোৱা বুলি ধৰিব পাৰি। পৃথিৱীক লৈ যিটো স্থানীয় গ্ৰহপুঞ্জ আছে—ইয়াৰ উৎপত্তি কাল প্ৰায় এক বিলিয়ন বছৰ। (এক বিলিয়ন মানে ১০০০, ০০০, ০০০, ০০০ অৰ্থাৎ দহ হাজাৰ কোটি।)

বিস্ফোৰণবাদ মতে হাতীপটিবোৰ এতিয়াও ভ্ৰমি আছে আৰু এটাৰ পৰা আনটো আঁতৰি গৈয়ে আছে। এইদৰে বহুকাল থকাৰ পিছত এসময়ত সেই বিস্ফোৰণ ঘটিব আৰু মহাকাল—মহাশূণ্যত পৰিণত হব। তাত গ্ৰহতৰা নক্ষত্ৰ একো নাথাকিব। ই হব মহা-প্ৰলয়। ইয়াতে হব দিক আৰু কালৰ সমাধি।

বিস্ফোৰণবাদৰ সপক্ষে আৰু বিপক্ষে বহু-কব লগীয়া আছে। তাৰ বহল আলোচনাৰ বাবে এই প্ৰবন্ধত স্থান নাই। চমুকৈ কবলৈ হলে, সপক্ষৰ যুক্তিত পদাৰ্থৰ অতি ঘণ অৱস্থাৰ স্বাভাৱিক পৰিৱৰ্তন, সংঘৰ্ষ আৰু তাপৰ প্ৰভাৱত হোৱা কিছুমান সৃষ্টিধৰ্মী প্ৰতিক্ৰিয়াৰ কথা উল্লেখ কৰিব পাৰি। ব্ৰহ্মাণ্ডৰ আদিম অৱস্থাত পদাৰ্থৰ অতি ঘণ অৱস্থাটো শুই কৰিব নোৱাৰি। তেতিয়া তাপৰ মাত্ৰা অতি বেছি আছিল আৰু তাৰ প্ৰভাৱত হাইড্ৰোজেনৰ নিচিনা সৰল পদাৰ্থৰ পৰা লো সীহ আদিৰ দৰে জটিল পদাৰ্থৰ সৃষ্টিও হয়তো হৈছিল। কিন্তু বিপক্ষৰ যুক্তিবোৰ ইয়াতকৈ বেছি প্ৰৱল। মহাকাশ গৱেষণাৰ পৰা সদ্যহতে আহৰণ কৰা কেতবোৰ তথ্যই সপক্ষৰ যুক্তিবোৰ খণ্ডন কৰিছে। তাৰে এটা উল্লেখ কৰিলেই যথেষ্ট হব। অতি ঘণ বস্তু এটা ভাঙিছিঙি যেতিয়া খণ্ড খণ্ড হৈ যায়, তেতিয়া মূল বস্তুটোত থকা পদাৰ্থৰ চিন চৰিত্ৰ খণ্ডবোৰতো থাকে। ঘৃষ্টং ঘৃষ্টং পুনৰপি পুনঃ চন্দনং চাৰু-গন্ধম্—কথাষাৰ বেৱল কবিৰ কল্পনাই নহয়, ইয়াত বৈজ্ঞানিক সত্যতা আছে। আমি প্ৰায় এশটা মৌলিক পদাৰ্থৰ কথা জানোহঁক। সামগ্ৰিকভাৱে ইহঁতৰ পৰমাণুবোৰৰ এটা নিৰ্দিষ্ট পৰিমাণ পৃথিৱীত পোৱা যায়। এই পৰিমাণটো সকলো গ্ৰহতে থকা উচিত। দেখা গৈছে যে ই সকলো গ্ৰহতে একেতো নহয়েই আনকি কোনো কোনো গ্ৰহত বহুতো পৰমাণু পাবলৈ নাই। বিপক্ষীয় যুক্তিবোৰৰ আন এটা হ'ল এয়ে যে গ্ৰহপুঞ্জৰ সংঘৰ্ষৰ সময়ত যি তাপ উৎপন্ন হয় সেই তাপত পৰমাণুবোৰৰ মিলনৰ সম্ভাৱনাতকৈ বিচ্ছিন্ন হোৱাৰ সম্ভাৱনাহে বেছি। গতিকে সৰল পদাৰ্থৰ পৰমাণুৰ পৰা জটিল পদাৰ্থ সৃষ্টি হোৱা কথাটোৱে বিস্ফোৰণবাদ সমৰ্থন নকৰি তাৰ বিৰোধিতাহে কৰে। আকৌ বিস্ফোৰণবাদত মন কৰিবলগীয়া কথা এয়ে যে ইয়াত ব্ৰহ্মাণ্ড স্বয়ংক্ৰিয় নহয়, ইয়াৰ সকলো ক্ৰিয়াৰ বাবে কোনোবা কৰ্তা আছে। তদুপৰি এই মতবাদত দিক আৰু কাল দুয়োটাই সসীম। পৌৰাণিক মতবাদৰ মহাপ্ৰলয়ৰ লগত বিস্ফোৰণ কথাটিৰ মিল থাকিলেও দিক্‌কালৰ সসীমতাৰ বাবে বস্তুতঃ এই মতবাদ যুক্তিগ্ৰাহ্য হব নোৱাৰে। ইয়াত সৃষ্টিৰ মুহুৰ্তটো দুৰ্জ্ঞেয় আৰু সেই মুহুৰ্ত্তত কোনে কেনেকৈ বিশ্বহেন বিৰাট যন্ত্ৰটোৰ চাবি ঘুৰাই দিলে তাৰ বৈজ্ঞানিক তত্ত্ব নিৰ্ণয় কৰা সম্ভৱ নহয়। দিক্‌কালৰ সসীমতা মানি লৈ সৃষ্টি মুহূৰ্ত আৰু স্ৰজনকৰ্তৃত্ব সম্বন্ধে নিমাত থাকিব নোৱাৰি।

গতিকে বিস্ফোৰণবাদটো কিছুপৰিমাণে সালসলনি কৰি আন এটা তথ্য প্ৰস্তাৱ কৰা হ'ল। ইয়াক প্ৰসাৰণ আৰু সঙ্কোচনবাদ বা ইংৰাজীত এক্স্‌পান্সন্ এণ্ড কণ্ট্ৰাক্সন থিঅ'ৰী বোলে।





ইয়াৰ মতে বিশ্বৰ গ্ৰহপুঞ্জৰ সৃষ্টি বিস্ফোৰণবাদত হোৱাৰ নিচিনাকৈ হয়; কিন্তু বিস্ফোৰণ হোৱাৰ আগতে ঘটনাবোৰ বিপৰীতমুখী হবলৈ আৰম্ভ কৰে। যিবোৰ অৱস্থাত গ্ৰহপুঞ্জবোৰ ছিটিকি গৈ মহাকাশৰ বুকুত বিয়পি পৰিছিল, সেইবোৰ অৱস্থাই এসময়ত উত্তাপ, মধ্যাকৰ্ষণ আদি শক্তি-বোৰৰ সহায়ত বিয়পি পৰা গ্ৰহপুঞ্জবোৰ গুপুৰি কৰে আৰু ফলত ব্ৰহ্মাণ্ডৰ সংকোচন হয়। সংকোচন হৈ হৈ যেতিয়া এটা অতি ঘন অৱস্থাৰ সৃষ্টি হয় তেতিয়া আকৌ পূৰ্বৰ প্ৰসাৰণ ক্ৰিয়া আৰম্ভ হয়। এইদৰে ব্ৰহ্মাণ্ডখন নিয়মিতভাৱে এবাৰ বাঢ়ি এবাৰ টুটি চক্ৰৰ গতিত চলি আছে আৰু চলি থাকিব।

প্ৰসাৰণ আৰু সংকোচন মতবাদে বিস্ফোৰণবাদৰ কেইটামান আসোঁৱাহ দূৰ কৰিলে। বিস্ফোৰণবাদত দিশ আৰু কালৰ সীমা আছে। এই মতবাদত দিশ সীমিত কিন্তু কাল আধা আধিকৈ অসীম; অৰ্থাৎ কালৰ জন্ম মূহুৰ্ত বা আদি আছে কিন্তু শেষ বা অন্ত নাই। প্ৰসাৰণ আৰু সঙ্কোচনৰ ঘটনাটোক যদি সৃষ্টিচক্ৰ বোলা হয়, তেন্তে এনে একোটা চক্ৰৰ স্থিতিকাল ৩০ বিলিয়ন বছৰ বুলি কোৱা হৈছে আৰু আমাৰ ব্ৰহ্মাণ্ডখন এতিয়া বৰ্তমান চক্ৰটোৰ আধামান পাইছেহি। প্ৰসাৰণ আৰু সংকোচন মতবাদত পদাৰ্থৰ স্থায়িত্বও এটা মন কৰিবলগীয়া কথা; কাৰণ ইয়াত পদাৰ্থৰ ধ্বংস নাই, হয়তো প্ৰকৃতাৰ্থত পৰিৱৰ্তনো নাই। তদুপৰি ইয়াত বিশ্বব্ৰহ্মাণ্ড স্বয়ংক্ৰিয়।

এই মতবাদত আসোঁৱাহ ধৰিবলগীয়া বেছি কথা নাই। পদাৰ্থৰ স্থায়িত্ব পৰিৱৰ্তনহীনতা আৰু দিশৰ সসীমতা, এই দুটাই আসোঁৱাহ। চক্ৰনেমি ক্ৰমত চলা বিশ্বপ্ৰৱাহৰ কথাটো দাৰ্শনিক মতৰ লগত মিলে—কিন্তু স্থায়িত্ব কথাষাৰে নিত্যানিত্য বিচাৰত একো সঁহাৰি নিদিয়ে।

তৃতীয় মতবাদটো ভালদৰে বিচাৰ কৰি চাবলগীয়া। এই মতবাদটোক স্থিৰাৱস্থাবাদ বুলি কব পাৰি। ইংৰাজীত ইয়াক ষ্টেডিষ্টেট থিঅ'ৰী বোলা হয়। স্থিৰাৱস্থাবাদত মহাকাশত প্ৰসাৰণ আছে; কিন্তু প্ৰসাৰণৰ ফলত ঘনত্বৰ যি পৰিৱৰ্তন হয় সি সংঘটিত হোৱাৰ লগে লগে দূৰীভূত হয়। গ্ৰহপুঞ্জ আৰু হাতীপটিবোৰ ইটোৰ পৰা সিটো আঁতৰি গৈ আছে আৰু ব্ৰহ্মাণ্ডৰ প্ৰসাৰণো হৈ আছে। লগে লগে নতুন নতুন গ্ৰহ নক্ষত্ৰ, অনু পৰমাণু আদি পদাৰ্থৰ সৃষ্টিও হৈ আছে। প্ৰসাৰণৰ ফলত খালি ঠাই ওলালেই নতুন পদাৰ্থই সেই ঠাই অধিকাৰ কৰিছে। বিস্ফোৰণো হৈছে, কিন্তু সি ব্যষ্টিৰ পৰ্য্যায়ত; ই সমষ্টিৰ বেলিকা একো পৰিৱৰ্ত্তন সাধন কৰা নাই। আদি বা শেষৰ ফালে কাল নিৰবধি আৰু দিশো অসীম। নতুন হাতীপটি বা গ্ৰহপুঞ্জৰ সৃষ্টিৰ ঘটনা বিস্ফোৰণবাদ বা প্ৰসাৰণ আৰু সংকোচনবাদত নাই; কিন্তু স্থিৰাৱস্থাবাদত এই নতুন সৃষ্টি নোহোৱাকৈ ব্ৰহ্মাণ্ড টিকিব নোৱাৰে।

পদাৰ্থৰ মাজত ঘটা ধ্বংসলীলা বিজ্ঞানৰ সূত্ৰেৰে ব্যাখ্যা কৰিব পৰা বিষয়। ধ্বংস আৰু সৃষ্টিৰ ভাৰ-সাম্যৰ ওপৰত বিজ্ঞানৰ সূত্ৰ আৰু পৰমাণু বৈশিষ্ট্য লুকাই থকাৰ দৰে ইয়াৰ মাজতে বিশ্ব-ৰহস্যও সোমাই আছে। বিজ্ঞানে সেই সূত্ৰৰ সন্ধান পাইছে আৰু তাৰ শেষবিন্দু বা আতিগুৰি

পাৰলৈ ভৰষা ৰাখিছে। তেওঁলোকে পাৰমাণৱিক বৈশিষ্ট্যবোৰৰ বহু কথা জানিছে, কিন্তু সিহঁতৰ চৰিত্ৰৰ কথাবোৰ খৰচি মাৰি আয়ত্ব কৰিব পাৰিছে বুলি কোৱা টান। বিশ্ব ৰহস্যৰ জাল এখনৰ পিছত এখনকৈ ওলায়ে থাকে। এখন জাল ভেদ কৰিলে আন এখন জালৰ অস্তিত্বৰ উমান পোৱা যায়। এইকাৰণে এটা সময়ত বৈজ্ঞানিকসকল কিছু পৰিমাণে দাৰ্শনিক হৈ পৰে। আইনষ্টাইনৰ মন এইদৰে দৰ্শনৰ ফালে ঢাল খালে আৰু ব্ৰহ্মাণ্ডৰ স্থিৰাৱস্থাবাদৰ প্ৰণেতাসকলৰ অন্যতম অধ্যাপক ফ্ৰেড্ হইলৰ নিজৰ কথাতে দাৰ্শনিক সুৰ শুনিবলৈ পোৱা যায়।

স্থিৰাৱস্থাবাদ হিন্দুদৰ্শনৰ নিচেই ওচৰ চাপি আহিছে। বৈদান্তিকে জগতৰ সৃষ্টি স্থিতি প্ৰলয়ৰ কথা স্বীকাৰ কৰিছে। ব্যষ্টি পৰ্য্যায়ত অনিত্যতা আৰু সমষ্টি পৰ্যায়ত নিত্যতাৰ কথাও সাংখ্যৰ যুক্তিসিদ্ধ সিদ্ধান্ত। দাৰ্শনিক ভাৱধাৰাই ঈশ্বৰতত্বত আউজিবলৈ লোৱাৰ লগে লগে বিশ্বচক্ৰত একোটি প্ৰকাণ্ড বিবৰ্তিৰ কল্পনা কৰা হ'ল। সৰু সৰু বিবৰ্তিৰ কথা দৰ্শন, বিজ্ঞান, ভক্তিবাদ আদি সকলোতে আছে। এইবোৰক খণ্ড প্ৰলয় বুলি কব পাৰি। কিন্তু মহাপ্ৰলয়ে যি প্ৰকাণ্ড বিবৰ্তিৰ কথা কয় তাক বিস্ফোৰণবাদ আৰু ঈশ্বৰতত্ব তথা ভক্তিবাদতহে বিশেষকৈ পোৱা যায়। স্থিৰাৱস্থাবাদত এই মহাপ্ৰলয় হব নোৱাৰে, আনকি প্ৰসাৰণ আৰু সংকোচনবাদতো ইয়াৰ স্থান নাই। সৎ বস্তুৰ অস্তিত্ব আৰু পৰিণামহীন স্থিতিৰ স্বীকৃতিৰ পিছত সাংখ্যয়ো মহাপ্ৰলয়ৰ কথা কব নোৱাৰে। সদসৎ বা অসৎ বস্তুবোৰ নোহোৱা হলেও সৎ সদায় থাকিব। সৎ—যাক কোনোৱে ব্ৰহ্ম, কোনেও পৰমব্ৰহ্ম, বা কোনেও ব্যাপ্তি অৰ্থত আত্মন্ বুলি কয়, যি বৈদান্তিকৰ বাবে "একমেবাদ্বিতীয়ম্" আৰু সাংখ্যৰ বাবে অব্যক্ত পুমান্, সেই নিত্য সত্বাৰ বৰ্ত্তমানে মহাপ্ৰলয় হব নোৱাৰে। ভক্তৰ অকলশৰীয়া ভগবানে বহু হবলৈ ইচ্ছা কৰি সৃষ্টিৰ খেলা আৰম্ভ কৰিলে, কিন্তু তেওঁ ক'তো মহাপ্ৰলয়ৰ ইচ্ছা প্ৰকাশ কৰা নাই। শিৱৰ ৰুদ্ৰমূৰ্ত্তি ধৰি প্ৰলয় তাণ্ডৱ নাচোতে বিষ্ণুৱে বিশ্বক মহাপ্ৰলয়ৰ পৰা ৰক্ষাহে কৰিলে। শক্তিৰ সংহাৰ ৰূপ নতুন সৃষ্টিৰ বাৰ্তাবাহকহে। ওঁ শান্তিঃ॥

---

শ্ৰীগোলোকেশ্বৰ বৰুৱা

## ॥ প্ৰথমে অথৰ্ববেদ ॥

শ্ৰীমন্ত শঙ্কৰদেৱে শ্ৰীমদ্ভাগৱতৰ ৩য় স্কন্ধৰ অৱলম্বনত অনাদি পাতন ৰচনা কৰিছে। ৩য় স্কন্দই কৈছে: ব্ৰহ্মাই পূৰ্ব আদি চাৰি মুখৰ পৰা যথাক্ৰমে ঋক্, যজু, সাম আৰু অথৰ্ব নামৰ বেদ চাৰিখন আৰু হোতা নামৰ যাজ্ঞিকৰ সুৰহীন মন্ত্ৰ, অধ্বৰ্য্যু নামৰ যাজ্ঞিকৰ কৰ্ম ইজ্যা, উদ্গাতা নামৰ যাজ্ঞিকৰ কৰ্ম গীতমন্ত্ৰ, আৰু ব্ৰহ্মা নামৰ যাজ্ঞিকৰ কৰ্ম প্ৰায়শ্চিত্ত, এইবিলাক সৃষ্টি কৰিছিল (৩৭)।

শ্ৰীশ্ৰীশঙ্কৰ গুৰুজনাই মূল শ্লোকটিৰ অনুবাদ অনাদি পাতনত এনেদৰে কৰিলে:

নিগদতি শুক শুনিয়োক নৃপবৰ।
কৰিলন্ত সৃষ্টি পাছে চৈধ্যয় শাস্ত্ৰৰ ॥ ১৯১
ভিন্নে ভিন্নে সবাৰে শুনিয়ো আৰে নাম।
প্ৰথমে অথৰ্ব বেদ ঋগ্ যজু সাম ॥ ১৯২

ভাগৱতে কৈছে, ব্ৰহ্মাই প্ৰথমতে ঋগ্বেদ সৃষ্টি কৰিছিল। এইটো সাধাৰণ বিশ্বাস যে ঋগ্ বেদেই প্ৰথম বেদ আৰু পৃথিৱীৰ আটাইতকৈ পুৰণি গ্ৰন্থ। তথাপিও গুৰুজনাই কলে— "প্ৰথমে অথৰ্ববেদ"। অথৰ্ববেদ প্ৰথম বেদ হয় নে নহয় তলত আলোচনা কৰা হল।

ডঃ বটকৃষ্ণ ঘোষে কয়, আৰ্য্যবিলাকৰ আদিম ঘৰ দক্ষিণ ৰুচিয়াত আছিল (১ পৃঃ ১৪৩)। ডঃ কৌশাম্বীৰ মতে এই ঘৰ খৰেজমত আছিল (২ পৃঃ ৮২)। আৰ্য্যবিলাকৰ এটা শাখা হিটাইটি। হিটাইটি বিলাকে প্ৰায় ২০০০ খৃঃ পূঃৰ আগত এছিৰীয়বিলাকক পৰাস্ত কৰি কেপ্পাডচিয়া অধিকাৰ কৰে। আৰ্য্যবিলাকৰ আন এটা শাখাই একে সময়তে অৰ্থাৎ ২০০০ খ্ৰীঃ পূঃত আমুদৰীয়া নদী আৰু চিৰদৰীয়া নদীৰ মাজৰ ভূমিখণ্ড অধিকাৰ কৰে। এইটো শাখাৰ নাম ইন্দো-ইৰাণী। এই ভূমিখণ্ডই ইৰাণী ঐতিহ্যৰ ঐৰিয়ানাং ৱয়েজ অৰ্থাৎ আৰ্য্যাবাস। ইন্দো-ইৰাণীৰ কোনো কোনো দল পশ্চিম চিৰীয়ালৈ যায়গৈ আৰু কোনো কোনো দল ভাৰতবৰ্ষলৈ আহে। পশ্চিমলৈ যোৱা দল এটাই মিতানিত ৰাজ্য স্থাপন কৰে। এওঁলোকৰ এজন ৰজা আছিল মৰ্যন্নি। প্ৰায় ১৪০০ খ্ৰীঃ পূঃত হিটাইটি আৰু মৰ্যন্নি ৰজাৰ মাজত এখন শান্তি চুক্তি সম্পাদন কৰা হৈছিল। এই চুক্তিত বৈদিক দেৱতা ইন্দ্ৰ, মিত্ৰ, বৰুণ আৰু নাসত্য দুজনৰ নাম পোৱা গৈছে। মিতানি নথীত সূৰিয়সি অৰ্থাৎ সূৰ্য্যৰ নামো পোৱা হৈছে। সেই কাৰণে ধৰি লব পাৰি যে ১৪০০

খ্ৰীঃ পূঃৰ কেই শতিকামানৰ আগত আৰ্য্যবিলাক ইৰাণৰ পৰা মিতানিলৈ গৈছিল। কোৱা হয় যে ইৰাণৰ পৰা ভাৰতলৈ অহা আৰ্য্যবিলাকে ১৭৫০ খ্ৰীঃ পূঃত মহেঞ্জোদাৰো সভ্যতা ধ্বংস কৰিছিল আৰু ধ্বংস অভিযান ২০০০ খ্ৰীঃ পূঃৰ পৰা ১৫০০ খ্ৰীঃ পূঃলৈকে ক্ৰমাগতভাৱে চলাই আছিল। ভাৰতলৈ অহা আৰ্য্যবিলাক ইন্দো-আৰ্য্য বুলি জনাজাত। ডঃ সুনীতি কুমাৰ চাটাৰ্জীয়ে কয় যে আৰ্য্যবিলাকে ১৫০০ খ্ৰীঃ পূঃৰ পিছত এচিয়া মাইনৰ আৰু মেচপটেমীয়া হৈ ইৰাণলৈ আহে আৰু ইৰাণত ইন্দো-য়ুৰোপীয় সংস্কৃতি ইন্দো-আৰ্য্য সংস্কৃতিলৈ ৰূপান্তৰিত হোৱাৰ পিছত আৰ্যবিলাক ইৰাণৰ পৰা ভাৰতলৈ আহে।

আৰ্য্যবিলাকে প্ৰথমে দ্যাৱা পৃথিৱীৰ পূজা কৰিছিল আৰু তাৰ পিছত সৌৰদেৱতা মিত্ৰাবৰুণৰ পূজা কৰিছিল। তেওঁলোকে আদিম ঘৰত থকা দিনৰে পৰা অগ্নিযাগ কৰিছিল। ইৰাণত থকা কালত অগ্নিযাগে তেওঁলোকৰ ধৰ্মানুষ্ঠানত প্ৰধান স্থান অধিকাৰ কৰিছিল। মহৰ্ষি অথৰ্বাই অগ্নি সৃষ্টি কৰিছিল আৰু অগ্নিযাগ প্ৰৱৰ্তন কৰিছিল। ঋষি অঙ্গিৰস তেওঁৰ অনুগামী আছিল। সেই কাৰণে মিত্ৰাবৰুণৰ উপাসক অগ্নিপুৰোহিতসকল অথৰ্বাঙ্গিৰস চমুকৈ অথৰ্বণ নামে জনাজাত আছিল। এওঁলোকে অগ্নিক সূৰ্য্যৰ প্ৰতীক ৰূপে পূজা কৰিছিল। পিছলৈ এওঁলোকে সোমযাগ নামে নতুন যজ্ঞ এটা উদ্ভাৱন কৰিছিল আৰু মিত্ৰাবৰুণ সূৰ্য্যক সোমৰস আৰু মাংস বলিৰে পূজা কৰিছিল।

পণ্ডিতসকলৰ এটা শিবিৰে বিশ্বাস কৰে যে ইন্দো-ইৰাণীসকলৰ এটা দলে ইন্দ্ৰৰ পূজা আৰু সোমযাগৰ ওপৰত বেছি গুৰুত্ব দিবলৈ ধৰে। এই দলে মিত্ৰাবৰুণ আৰু অগ্নিযাগৰ প্ৰাধান্য মানি লবলৈ এৰি দিয়ে, ফলত দুই দলৰ মাজত প্ৰবল সংঘৰ্ষ লাগে আৰু ইন্দ্ৰ-উপাসকৰ দলটো বেলেগ বেলেগ তৰঙ্গত বিভক্ত হৈ বেলেগ বেলেগ সময়ত ভাৰতলৈ আহে আৰু স্থানীয় প্ৰতিৰোধ ধ্বংস কৰি সপ্তসিন্ধুত নিগাজীকৈ বহে। কিছুসংখ্যক মিত্ৰাবৰুণৰ উপাসক অথৰ্বণ পুৰোহিতো তেওঁলোকৰ লগত ভাৰতলৈ আহিছিল। কোনো কোনো পণ্ডিতৰ মতে ইন্দ্ৰ-উপাসকৰ আগতেই অথৰ্বণবিলাকে ভাৰতত অনুপ্ৰৱেশ কৰিছিল আৰু সপ্তসিন্ধুৰ পৰা গুজৰাটলৈকে বিয়পি পৰিছিল।

মিত্ৰাবৰুণৰ পূজা আৰু অগ্নিযাগ—আশ্ৰিত ধৰ্মক সৌৰধৰ্ম বুলি কোৱা হয়। এই ধৰ্মৰ বেদ আছিল অথৰ্বাঙ্গিৰস বা অথৰ্ববেদ—অথৰ্বাঙ্গিৰসো নিখিলং যচ্ছতে ৰবিঃ (ভৱিষৎ ব্ৰাহ্ম ১০৬।১০)। এই ধৰ্মৰ জন্ম ১৫০০ খ্ৰীঃ পূঃৰ আগত ইৰাণত হৈছিল।

ইন্দ্ৰৰ উপাসকসকলে ইৰাণত থাকোঁতেই সোমযাগৰ ওপৰত বেছি গুৰুত্ব দিছিল। সপ্তসিন্ধুত তেওঁলোকে সোমযাগৰ ওপৰত আৰু বেছি প্ৰাধান্য দিয়ে। পিছলৈ সোমযাগ শ্ৰৌতিয়ক নামে প্ৰবল হৈ উঠে আৰু লগতে নানাবিধ যজ্ঞৰ উৎপত্তি হয়। কিন্তু সোমযাগৰ প্ৰাধান্য বঢ়াৰ লগে লগে সোমযাগীবিলাকে ইন্দ্ৰক এৰে আৰু সোমক ৰজা বুলি ঘোষণা কৰে (৩)। ৰজা সোম আৰু সোমযাগ আশ্ৰিত ধৰ্মটো বৈদিক ধৰ্ম বুলি অভিহিত হয়। ১৫০০ খ্ৰীঃ পূঃৰ পৰাই





এই ধৰ্মই লাহে লাহে ঠন ধৰি উঠে। এই ধৰ্মৰ বেদ ঋগ্‌বেদ আৰু যজুৰ্বেদ।

এতেকে দেখা যায় সৌৰ ধৰ্ম বৈদিক ধৰ্মতকৈ বয়সত ডাঙৰ।

ডঃ ৰিন্টিৰনীৎসে কয় যে অথৰ্ববেদৰ ভাষা আৰু ছন্দ ঋগ্‌বেদৰ ভাষা আৰু ছন্দৰ সৈতে একে (৭ পৃঃ ১২৭)। অথৰ্ববেদত প্ৰধানতে দ্বিবিধ মন্ত্ৰ আছে; এহাতে কুহক আৰু চিকিৎসা-মন্ত্ৰ, আনহাতে যজ্ঞমন্ত্ৰ। গৱেষণা কৰি পোৱা গৈছে যে অথৰ্ববেদৰ কুহক আৰু চিকিৎসামন্ত্ৰ ৰুচ, জাৰ্মান, লাট আদি দেশৰ কুহক আৰু চিকিৎসা মন্ত্ৰৰ সৈতে প্ৰায় একে। এডেলবাৰ্ট কুন নামে এজন গৱেষকে প্ৰায় ১৮৬৪ চনত জাৰ্মান কুহকমন্ত্ৰ আৰু অঙ্গৰ্বণ কুহক মন্ত্ৰৰ তুলনামূলক অধ্যয়ন কৰিছিল আৰু এই অধ্যয়নৰ ফলাফলৰ বিষয়ে ডঃ ৰিন্টিৰনীৎসে কয় যে যাদুগান আৰু যাদুমন্ত্ৰবিলাক ইন্দো-য়ুৰোপীয় যুগৰ বস্তু (৪ পৃঃ ১৩৫)। অথৰ্ব বেদৰ বহুত কথা ইন্দো-য়ুৰোপীয় যুগৰ বুলি স্বীকৃত হৈছে (৫ পৃঃ ৯৩১)। ডঃ ভট্টাচাৰ্য্যৰ স্পষ্ট মত, অথৰ্ববেদ বৈদিক সাহিত্যৰ ভিতৰত বহুত কালৰ পৰাই প্ৰাচীতম সৃষ্টি (৬ পৃঃ ২১)। ইন্দো-য়ুৰোপীয় যুগটো ২০০০ খ্ৰীঃ পূঃৰ আগৰ যুগ। সেইকাৰণে এইটো মানি লব লাগিব যে অথৰ্ববেদৰ কুহক আৰু চিকিৎসা মন্ত্ৰবিলাক ২০০০ খ্ৰীঃ পূঃৰ আগত ৰচিত হৈছিল।

বেদবিলাক কেতিয়া ৰচিত হৈছিল এই বিষয়ে বহুত মতভেদ আছে। অঃ বাশামে কয় যে ঋগ্‌বেদ ১৫০০ খ্ৰীঃ পূঃ আৰু ৯০০ খ্ৰঃ পূঃৰ ভিতৰত আৰু যজুৰ্বেদ ঋগ্‌বেদৰ এটা বা দুটা শতিকাৰ পিছত ৰচিত হৈছিল; অথৰ্ববেদ যে ঋগ্ আৰু যজুৰ্বেদৰ পিছত সংকলন কৰা হৈছিল, এইটো খাটাং (৭ পৃঃ ২৩৪)। সামবেদৰ নিজাকৈ মাত্ৰ ৭৫টা মন্ত্ৰ আছে, বাকীবিলাক ঋগ্‌বেদৰ পৰা লোৱা হৈছে। সেইকাৰণে ঋগ্‌বেদৰ তাৰিখেই সামবেদৰ তাৰিখ বুলি কোৱা হয়। ডঃ ঘোষে কৈছে যে ঋগ্‌বেদৰ ভাষা ১০০০ খ্ৰীঃপূঃৰ বৰ বেছি আগলৈ নিব নোৱাৰি (১পৃঃ ১৩৭)। সেই কাৰণে কব লাগিব যে অথৰ্ববেদৰ যজ্ঞমন্ত্ৰবিলাককো ১০০০ খ্ৰীঃ পূঃৰ আগত ৰচিত হৈছিল। কিন্তু অথৰ্ববেদৰ যজ্ঞমন্ত্ৰবিলাক ঋগ্‌বেদৰ যজ্ঞমন্ত্ৰৰ আগত ৰচিত হৈছিল নে?

ব্ৰহ্মা, অথৰ্বণ, আঙ্গিৰস, ভৃগু আদি ঋষি-সকলেই অথৰ্ববেদৰ প্ৰধান প্ৰধান ঋষি। এই সকল অতি পুৰণি কালৰ ঋষি। ঋগ্‌বেদত অথৰ্ব, অঙ্গিৰস আৰু ভৃগুৰ শুভেচ্ছা আৰু অনুগ্ৰহ প্ৰাৰ্থনা কৰা হৈছে।

আঙ্গিৰসো নঃ পিতৰো নৱগ্বা
অথৰ্বাণো ভৃগৱঃ সোম্যাসঃ।
তেষাং ৱয়ং সুমতৌ যজ্ঞিয়ানা
মপি ভদ্ৰে সৌমনসে স্যাম॥ ১০।১৪।৬

ঋগ্‌বেদৰ ভালেমান মন্ত্ৰ এইসকল ঋষিয়ে দৰ্শন কৰিছিল—ৱেন ভাৰ্গৱ, ভৃগু বাৰুণি, বিৰূপ অঙ্গিৰস, চ্যৱন ভাৰ্গৱ, মূৰ্দ্ধন্বান্ আঙ্গিৰস, বৃহদ্দিৱ অথৰ্বন, বৰুণ আঙ্গিৰস আদি। এওঁলোক অথৰ্বা, আঙ্গিৰস আৰু ভৃগু ঋষিৰ বংশধৰ, পিছৰ কালৰ।

এতেকে স্বীকাৰ কৰিব লাগিব যে অথৰ্ব-বেদখন ঋগ্‌বেদৰ আগত ৰচিত হৈছিল, যদিও অথৰ্ববেদৰ ভাষা শেহতীয়া আৰু জনপ্ৰিয়।

অথৰ্ববেদখন ঋগ্‌বেদৰ পিছত সংকলন কৰা হৈছে বুলি অঃ বাশাপে কৈছে—এইটো সচাঁ জানো ? ঋগ্‌বেদে কয়—

তস্মাদ্ যজ্ঞাৎ সৰ্বহুত
ঋচঃ সামানি জজ্ঞিৰে
ছন্দাংসি জজ্ঞিৰে তস্মা
দ্‌যজুস্তস্মাদ জায়ত ॥ ১০।৯০।৯

পিটাৰ পিটাৰ্সনে এইটো ঋকৰ ইংৰাজী অনুবাদ দিছে—

From that sacrifice fully made the Rigveda and the Samaveda were born from it the Atharvaveda was born, from it the Yajurveda was born.

সেই সৰ্বহুত যজ্ঞপুৰুষৰ পৰা ঋগ্‌বেদ আৰু সামবেদৰ জন্ম হ'ল: তেওঁৰ পৰা অথৰ্ববেদৰ জন্ম হ'ল তেওঁৰ পৰা যজুৰ্বেদৰ জন্ম হ'ল।

ছন্দাংসিৰ অৰ্থ অথৰ্ববেদ। ঋগ্‌বেদৰ এই মন্ত্ৰটো যজুৰ্বেদতো ৩১.৭ মন্ত্ৰৰূপে আছে।

ঐতিহ্যমতে শতসহস্ৰ বেদ আছিল, অজস্ৰ বেদ লুপ্ত হৈ যায়, জীয়াই থকা বেদবিলাক সত্যৱতীনন্দন ব্যাসে ঋগ্ যজুঃ সাম আৰু অথৰ্ব এই চাৰি বেদত ভগাই দিয়ে। এই ঐতিহ্যমতে সূক্তবিলাক অনাদি কালৰে পৰা উমৈহতীয়া সম্পত্তি হৈ আছিল, কোনো বেদবিশেষৰ অন্তৰ্গত নাছিল। ডঃ ভট্টাচাৰ্য্যই কয়—তিনিখন সংহিতাৰ মূল আছিল এসময়ত অথৰ্ববেদ—যেতিয়া বেদ-বিভাগ হোৱা নাছিল, সংকলয়িতাই যেতিয়ালৈকে পৃথক পৃথক সংহিতা নিৰ্দিষ্ট কৰা নাছিল। গদ্য, পদ্য আৰু গানত—অৰ্থাৎ মানুহৰ প্ৰকাশভঙ্গীৰ আটাইকেইটা মাধ্যমত বৈদিক সূত্ৰবিলাক প্ৰথমে ঝংকৃত হৈ উঠিছিল এই অথৰ্ববেদতেই (৬ পৃঃ ২০)

চাৰিওখন বেদৰ উৎপত্তিৰ বিষয়ে ৰুদ্ৰযামলে ১৭শ পটলত কৈছে—প্ৰথমে অথৰ্ববেদৰ জন্ম হয়, অথৰ্বৰ পৰা সাম, সামৰ পৰা যজুঃ আৰু যজুৰ্বেদৰ পৰা ঋগ্ বেদৰ জন্ম হয়। এইটো ঐতিহ্য একেবাৰে অৰ্থহীন নহয়। যজ্ঞ কৰোঁতে প্ৰথমে অথৰ্ববেদৰ বিধিৰে অথৰ্ববেদৰ পুৰোহিত ব্ৰহ্মাই মঙ্গলাচৰণ কৰিছিল, তাৰ পিছত ক্ৰমে সামবেদৰ পুৰোহিত উদ্‌গাতাই সাম গান গাইছিল, যজুৰ্বেদৰ পুৰোহিত অধ্বৰ্য্যুয়ে বিহিত ক্ৰিয়া কলাপ সম্পাদন কৰি অগ্নিত আহুতি দিছিল আৰু সৰ্বশেষত অধ্বৰ্য্যুৰ সংকেত পাই ঋগ্‌বেদৰ পুৰোহিত হোতাই ঋগ্‌বেদৰ আবৃত্তি কৰিছিল।

এইদৰে দেখা যায় যে আধুনিক গৱেষণা আৰু প্ৰাচীন ঐতিহ্য উভয়ে প্ৰমাণ কৰে যে অথৰ্ববেদ, ঋগ্‌বেদ আৰু যজুৰ্বেদৰ আগত ৰচনা আৰু সংকলন কৰা হৈছিল।

কোৱা হয় যে অথৰ্ববেদ প্ৰথমে বেদ বুলি গৃহীত হোৱা নাছিল। এইটো সঁচা নে ? প্ৰথম অৱস্থাত ঋগ্‌বেদ, সামবেদ আৰু যজুৰ্বেদ যথাক্ৰমে ঋচঃ, সামানি আৰু যজুংষি নামে জনাজাত আছিল। অথৰ্ববেদ অথৰ্বাঙ্গিৰস, ছন্দাং-সি, ভৃগ্বঙ্গিৰস, অথৰ্বাণঃ, অঙ্গিৰা আদি নামেৰে





সমাদৃত হৈছিল চাৰিওখন সংহিতাকে শ্ৰুতি বুলি কোৱা হৈছিল। মনুৰ দিনতো অথৰ্ববেদ অথৰ্বাঙ্গিৰসী শ্ৰুতি বুলি সন্মানিত হৈছিল (১১।৩৩)। 'বেদ' শব্দটোৰ উল্লেখ অথৰ্ববেদৰ দুই এঠাইত আছে (যথা, ১৯।৯।১২)। ছান্দোগ্য উপনিষদে কৈছে, "নাম ৱা ঋগ্‌ৱেদো যজুৰ্ৱেদঃ সামৱেদ আথৰ্ৱণশ্চতুৰ্থ ইতিহাসপুৰাণঃ পঞ্চমো ৱেদানাং ৱেদঃ (৭।১।৪)", ঋগ্‌বেদ, যজুৰ্বেদ, সামৱেদ, চতুৰ্থ অথৰ্ববেদ, পঞ্চম ইতিহাস পুৰাণ, এইবিলাক নাম মাত্ৰ। এইখন উপনিষদৰ কাল ৮০০ খ্ৰীঃ পূঃ। সেই কাৰণে কব পাৰি যে শ্ৰুতি ৮০০ খ্ৰীঃ পূঃৰ আগৰে পৰাই বেদ বুলি পৰিচিত হৈছিল। অথৰ্বাঙ্গিৰসো ৮০০ খৃঃ পূঃৰ আগৰে পৰাই বেদ বুলি গৃহীত হৈছিল। সেইকাৰণে এইটো সঁচা নহয় যে অথৰ্ববেদ আগছোৱাত বেদ বুলি গৃহীত হোৱা নাছিল।

অথৰ্ববেদ চতুৰ্থ বেদ কেনেকৈ হ'ল ? ত্ৰয়ী বুলিলে ঋগ্ যজুঃ আৰু সামবেদ বুলি ধৰি লোৱা হয়। কিন্তু ত্ৰয়ীৰ অৰ্থ কি ? ইয়াৰ উত্তৰত ভাৰতীয় প্ৰাচীন পণ্ডিত সকলে কয় যে পানিনিৰ সূত্ৰ 'অলপাচ্ তৰম্ ( ২।২।৩৪ ), অৰ্থাৎ যিবিলাক শব্দত স্বৰ কম আছে সেইবিলাক আগত বহে, সেইমতে অৰ্থবেদৰ নাম ঋগ্ যজুঃ আৰু সামৰ পিছত আছে। তেওঁলোকে কয় যে ত্ৰয়ী শব্দটোৰ অৰ্থ ঋগ্ যজুঃ আৰু সাম এই তিনি বেদ নহয় ; প্ৰত্যেক বেদতে মন্ত্ৰ, গান আৰু গদ্যাংশ যজুঃ আছে ; ত্ৰয়ী শব্দটোৰ অৰ্থ মন্ত্ৰ, গান আৰু গদ্যাংশ ; প্ৰত্যেকখন বেদেই ত্ৰয়ী (৮ পৃঃ ১৯১-৯২)

—আগলৈ



পণ্ডিত শ্ৰীচক্ৰেশ্বৰ ভট্টাচাৰ্য্য দলৈ

# তত্ত্বমসি ৰাক্যাৰ্থ বিজ্ঞান *(বেদান্ত)*

তত্ত্বং পদাৰ্থ শুদ্ধ্যৰ্থংগুৰুঃ শিষ্যং বচোঽব্ৰবীৎ।
বাক্যং তত্ত্বমসীত্যত্ৰত্ত্বং পদাৰ্থং বিবেচয়॥
নত্বং দেহোঽসি দৃশ্যত্বাদ্‌পজ্ঞাত্যাদি মত্ত্বতঃ।
ভৌতিকত্বা দশুদ্ধত্বা দনিত্যত্বাত্তথৈবচ॥

ভগবান শঙ্কৰাচৰ্য্যই-স্বীয় শিষ্য মণ্ডণ মিশ্ৰৰ আগত তত্ত্বংপদাৰ্থৰ বিষয় উক্ত কৰিছে। হে শিষ্য যদি তোমাৰ তত্ত্বং পদাৰ্থ জানিবৰ ইচ্ছা হৈছে, তেন্তে তত্ত্বমসি বাক্যৰ ভিতৰত ত্বং পদৰ অৰ্থ বিবেচনা কৰা। অৰ্থাৎ তত্ত্বমসি বাক্যত তৎ-ত্বং-অসি এই তিনিটা পদ আছে, গতিকে উক্ত পদাত্ৰয় বিশিষ্ট "তত্ত্বমসি" বাক্যৰ অৰ্থ বিচাৰ কৰিলেই তত্ত্বং পদাৰ্থ বুজিব পাৰিবা। প্ৰথমে ত্বং পদৰ অৰ্থ বিবেচনা কৰা—ত্বং শব্দে তুমি। তুমি কোন ? এইয়ে স্থূল দেহ দেখিছা, এইটো ত্বংপদৰ অৰ্থ নহয়। কাৰণ শৰীৰ দৃশ্য, যোনে ত্বং প্ৰতিপাদ্য তেওঁ অদৃশ্য, আৰু দেখা এই শৰীৰ জাতিমান, এই মানুহ এই পশু ইত্যাদি প্ৰকাৰে দেহৰেই জাতি ব্যৱহাৰ হৈ থাকে, বিশেষকৈ এই দেহ ভৌতিক অশুদ্ধ আৰু অনিত্য। কিন্তু যিয়ে ত্বং পদাৰ্থ প্ৰতিপাদ্য, তেওঁ জাতিমান, ভৌতিক, অশুদ্ধ আৰু অনিত্য নহয়। গতিকে কোনো প্ৰকাৰেই দেহ ত্বং পদ বাচ্য হব নোৱাৰে। যিয়ে ত্বং পদবাচ্য তেওঁ দৃশ্য নহয়, যিহেতু তেওঁ ৰূপহীন, গতিকে তেওঁক কোনেও দেখা নাপায়। তাৰ জাতি নাই ভৌতিক পদাৰ্থ নহয়, ত্বং শুদ্ধ আৰু নিত্য। দৃশ্য পদাৰ্থ কেতিয়াও দ্ৰষ্টা হব নোৱাৰে আৰু দ্ৰষ্টা পদাৰ্থ কেতিয়াও দৃশ্য হব নোৱাৰে; যেনে ঘটাদি পদাৰ্থক সকলোৱে দেখিব পাৰে। কিন্তু সেই ঘটাদি পদাৰ্থই দেখিব নোৱাৰে, তদ্ৰূপ ত্বং পদাৰ্থ দ্ৰষ্টা, দৃশ্য নহয়। গতিকে দেহা নিবাস হল।

সূক্ষ্ম দেহো যে ত্বং পদ বাচ্য হব নোৱাৰে এতিয়া সেইটোকে প্ৰতিপাদন কৰিছে। ইন্দ্ৰিয়াদি সূক্ষ্মদেহ, ত্বং পদ প্ৰতিপাদ্য নহয়। কাৰণ শ্ৰুতিয়ে ইন্দ্ৰিয়াদিক কাৰণ বুলি কৈছে—"কৰণং হি সকৰ্ত্তকং" ত্বং পদ প্ৰতিপাদ্যই কৰ্তা কৰণ নহয়, কৰ্তা কেতিয়াও কৰণ নহয়। তুমি ইন্দ্ৰিয়াদি কৰণৰ পৰা পৃথক, তুমিয়েই সেই ইন্দ্ৰিয়াদিৰ প্ৰেৰয়িতা। গতিকে সূক্ষ্ম দেহকো ত্বং পদবাচ্য বুলি কব নোৱাৰি। ইন্দ্ৰিয়াদি কৰণ নানাবিধ, তুমি একৰূপ গতিকে এই সকল ইন্দ্ৰিয়-ৰূপ কৰণৰ পৰা তোমাৰ পাৰ্থক্য স্পষ্ট প্ৰতীয়মান হগ। সৰ্বত্ৰই অহং এই ৰূপে প্ৰতীতি হৈ থাকে। ইয়াৰ দ্বাৰা জনা যায় যে, তুমি অনেক নহয়, এক। গতিকে যি বস্তু এক সেয়ে কেতিয়াও অনেক হব নোৱাৰে। যদি কোৱা ইন্দ্ৰিয় অনেক কাৰণে ত্বং পদবাচ্য হব নোৱাৰে, কিন্তু ইন্দ্ৰিয় সমষ্টি এক গতিকে ত্বং পদবাচ্য হব নোৱাৰেনে ? কিন্তু সিও হব নোৱাৰে কাৰণ ইন্দ্ৰিয় সমূহৰ ভিতৰত কোনো এটা ইন্দ্ৰিয় বিনষ্ট হলেও ব্যক্তিৰ বিনাশ নহয়। যদি ইন্দ্ৰিয়সমূহেই ত্বং প্ৰতিপাদ্য হ'লহেঁতেন, তেন্তে এটা ইন্দ্ৰিয়ৰ বিনাশতো অহংৰূপ প্ৰতীতি হব নোৱাৰিলে-হেঁতেন। পূৰ্বোক্ত ইন্দ্ৰিয়সমূহ ত্বং পদ প্ৰতিপাদ্য নহয়, ইয়াৰ দ্বাৰা, ইন্দ্ৰিয়বোৰৰ প্ৰত্যেককে আত্মা বোলা নিবাস হৈছে। এই দেহ নানা স্বামিক অৰ্থাৎ মন, বুদ্ধি, অহঙ্কাৰ ইন্দ্ৰিয়, এইবিলাকেই দেহৰ স্বামী স্বৰূপ। এই সকল মন, বুদ্ধি প্ৰভৃতিৰো ঐক্য নাই। কাৰণ এক ইন্দ্ৰিয়ৰ ফালে গতি হলে, অন্য ইন্দ্ৰিয়ই অন্যফালে গতি কৰে। গতিকে ইন্দ্ৰিয়সকল যেতিয়া সৰ্বতোভাবে বিভিন্ন দেখা যায়, তেতিয়া সেইসকল ইন্দ্ৰিয়কে স্বতন্ত্ৰ স্বতন্ত্ৰ ৰূপেও আত্মা বোলা নাযায়। বিৰুদ্ধ বিষয়তা প্ৰযুক্ত আত্মাৰ বহুত্বও স্বীকাৰ কৰা নাযায় আগেয়ে আত্মা এক এক বুলি প্ৰতিপন্ন হৈছে।



এতিয়া আত্মাক নানাত্ত বোলা নাযায়। কাৰণ একত্ব বহুত্বৰ পৰস্পৰ বিৰুদ্ধ ধৰ্ম। যেনে এই পৃথিৱীৰ ৰজা এক হলেও, তেওঁৰ অধীনস্থ বহু ৰজা বিদ্যমান আছে। তদ্ৰুপ একমাত্ৰ আত্মাই দেহৰ স্বামী, ইন্দ্ৰিয়গণ সেই আত্মাৰ অধীন। মন বা প্ৰাণৰো কোনোটোৱে ত্বং প্ৰতিপাদ্য নহয়, যিহেতু উভয়ে জড়। বিশেষকৈ মোৰ মন অন্যত্ৰ গৈছে এই প্ৰকাৰ প্ৰতীতি সৰ্বদাই হৈ থাকে। ইয়াতেই মন আৰু মই, এই দুই পদাৰ্থ যে ভিন্ন, তাক বিশেষ ৰূপে জন যায়। গতিকে মন আৰু আত্মা এক পদাৰ্থ নহয়, এতেকে মনকো ত্বং পদ প্ৰতিপাদ্য বোলা নাযায়।

মোৰ প্ৰাণ ক্ষুধাই-তৃষ্ণাই আতুৰ হৈছে—এই প্ৰকাৰ জ্ঞান সদা-সৰ্বদাই হৈ থাকে। ইয়াৰ দ্বাৰা বুজা যায় যে, আত্মা প্ৰাণৰ পৰা স্বতন্ত্ৰ, গতিকে প্ৰাণকো আত্মা বুলি স্বীকাৰ কৰা নাযায়। গতিকে মন আৰু প্ৰাণৰ দ্ৰষ্টা এটা আছে সেই দ্ৰষ্টা মন আৰু প্ৰাণ নহয়। যেনে ঘটৰ দ্ৰষ্টা আৰু ঘট উভয়ে একে নহয়, তদ্ৰূপ মন আৰু প্ৰাণৰ দ্ৰষ্টা, মন প্ৰাণ এক নহয়। হে দ্বিজ ! বুদ্ধিও ত্বং পদপ্ৰতিপাদ্য নহয়। কাৰণ বুদ্ধি নিদ্ৰাৱস্থাত লীন থাকে। জাগ্ৰত অৱস্থাত সমস্ত দেহক আশ্ৰয় কৰে আৰু এই বুদ্ধিয়ে সেই চিন্ময়ৰ সৈতে মিলিত হৈ থাকে। গতিকে বুদ্ধিও আত্মা নহয়; বুদ্ধি আত্মা হলে, তাৰ অৱস্থা ভেদ দেখা গ'লহেঁতেন।

এতিয়া ত্বং প্ৰতিপাদ্য তুমি কোন ? ইয়াকেই নিৰূপণ কৰা হৈছে। বুদ্ধি চঞ্চলা নানা ৰূপ-ধাৰিণী। সেই বুদ্ধি জাগ্ৰত কালত নানা প্ৰকাৰ হয়,

আৰু নিদ্ৰাকালত বিলীন হৈ থাকে। তুমি সেই বুদ্ধিৰ দ্ৰষ্টা, অৰ্থাৎ তুমিয়ে বুদ্ধিক বিষয়ত নিয়োজিত কৰি, তাৰ নানা ৰূপ উৎপাদন কৰি থাকা। বুদ্ধিৰ চাঞ্চল্য বহু ৰূপ আৰু বিলীনতা এই সমুদায় তুমিয়ে দেখি আছা। গতিকে তুমি সেই বুদ্ধিৰ পৰা স্বতন্ত্ৰ। সুষুপ্তি কালত আৰু দেহাদিৰ অভাৱতো, তুমি সিহঁতৰ সাক্ষী ৰূপে বিৰাজমান থাকা। কাৰণ সুষুপ্তি আৰু দেহাদিৰ অভাৱ তোমাৰেই অনুভৱ হয়।

গতিকে তুমি ভিন্ন ইহঁতৰ প্ৰকাশক কোনো নাই। প্ৰমাণৰ দ্বাৰা বুদ্ধিক জানিব পৰা যায় বুলি যিসকলে কয় তেওঁবিলাক নিতান্ত ভ্ৰান্ত। কাৰণ তেওঁবিলাকৰ মতেও কাষ্ঠই বহ্নিক দগ্ধ কৰিব নোৱাৰে। তদ্ৰূপ বুদ্ধি কেতিয়াও প্ৰমাণৰ দ্বাৰা উৎপন্ন নহয়। আত্মাই এই অনন্ত বিশ্বক অনুভৱ কৰি আছে, কিন্তু বিশ্বই কেতিয়াও আত্মাক অনুভৱ কৰিব পৰা নাই। আত্মাই এই বিশ্বক প্ৰকাশ কৰিছে কিন্তু বিশ্বই আত্মাক প্ৰকাশ কৰিব নোৱাৰে। যিয়ে সৎ যাক এনেকুৱা বা তেনেকুৱা বুলি কব নোৱাৰি আৰু পৰোক্ষও নহয়, অৰ্থাৎ ইন্দ্ৰিয় গ্ৰাহ্য নহয়, সেই ব্ৰহ্মই তুমি। তুমিয়ে সকলোৰে দ্ৰষ্টা কিন্তু তুমি দেহাদিৰ নিচিনা দৃশ্য নহয়, অৰ্থাৎ তোমাক কোনেও দেখা নাপায়, অব্যক্ত যিসকল দ্ৰব্য নিজৰ পৰা পৃথক অথচ সন্মুখস্থিত, সেইসকল পদাৰ্থ ইদং শব্দ প্ৰতিপাদ্য। গতিকে সন্মুখস্থিত পদাৰ্থও তুমি নোহোৱা; কাৰণ এই সকলো তোমাৰ পৰা ভিন্ন। যিবোৰ পদাৰ্থক, এই ৰূপ বুলি কোৱা হয় সেইবোৰক তোমাৰ স্বৰূপ বুলি কব পৰা নাযায়। আৰু তোমাকো এই ৰূপ শব্দৰ নিৰ্দেশ কৰা নাযায়। বিশেষকৈ তুমি স্বপ্ৰকাশ, গতিকে সকলোৰে অজ্ঞেয় অৰ্থাৎ তুমি নিজে প্ৰকাশ নহলে, কোনেও তোমাক জানিব নোৱাৰে। কোনো এটা উপলক্ষ্যৰ দ্বাৰা লক্ষ্যক বুজোৱাকে তটস্থ লক্ষণ বোলা হয়। যেনে আকাশক বুজাবৰ নিমিত্তে যদি কোৱা যায় যে, "শূন্যৰ পিনে" দৃষ্টি কৰা, এই শূন্য যিমানলৈ যায় সেয়ে আকাশ। ইয়াতে শূন্য প্ৰদেশৰ সাহায্যত আকাশৰ জ্ঞান জন্মিল, গতিকে এই শূন্য প্ৰদেশেই আকাশৰ তটস্থ লক্ষণ বিশেষণ। এই ৰূপে তটস্থ লক্ষণৰ দ্বাৰা ব্ৰহ্মক জানিব পৰা যায়। যিয়ে সত্য, জ্ঞানময়, অনন্ত তেওঁৱেই ব্ৰহ্ম। তুমিও সত্যত্ব, জ্ঞানমত্ব আৰু অনন্তত্ব প্ৰযুক্ত ব্ৰহ্মস্বৰূপ। যিহেতু ব্ৰহ্মত যি সত্যত্ব, জ্ঞানময়ত্বাদি লক্ষণ আছে সেইবিলাক তোমাতেও বিদ্যমান আছে, গতিকে তুমিও ব্ৰহ্ম স্বৰূপ।

পূৰ্বোক্ত প্ৰকাৰে ত্বং আৰু ব্ৰহ্মৰ একত্ব প্ৰতিপাদিত হলেও, জীৱ আৰু ঈশ্বৰ এই উভয় পৰস্পৰ বিৰুদ্ধ ধৰ্ম প্ৰযুক্ত কি প্ৰকাৰে উভয়ৰ ঐক্য হব পাৰে? এই আশঙ্কা নিৰাসাৰ্থ জীৱ আৰু ঈশ্বৰৰ উপাধি ভেদ কোৱা হৈছে। এক মাত্ৰ চৈতন্যৰ নিয়ামক, দেহাদি জীৱৰ উপাধি। ঈশ্বৰৰ উপাধি মায়া, তেওঁ সেই মায়াৰ নিয়ন্তা। গতিকে যিয়ে দেহাদি উপাধিযুক্ত তেওঁৱেই জীৱ, আৰু যিয়ে মায়াদি উপাধি বিশিষ্ট তেওঁৱেই ঈশ্বৰ। এই উপাধিৰ দ্বাৰাই জীৱ আৰু ঈশ্বৰৰ পৃথক জ্ঞান হৈ থাকে। যেতিয়া এই পঞ্চকোষময়, দেহৰূপ জীৱোপাধি, আৰু মায়া ৰূপ ঈশ্বৰো-





পাধিৰ জ্ঞান হয়, তেতিয়া সেই উভয় উপাধিৰ অৱভাসক একমাত্ৰ স্বপ্ৰকাশমান চৈতন্যৰূপ পৰব্ৰহ্ম প্ৰকাশ পায়।

লৌকিক বস্তু পৰিজ্ঞানত যেনে চক্ষুৰাদিয়ে কাৰণ, তদ্ৰূপ ব্ৰহ্মাত্ম পৰিজ্ঞানত একমাত্ৰ বেদবাক্যই প্ৰধান কাৰণ। বেদ বাক্যৰ দ্বাৰা, উপাধিৰ বোধহৈ ব্ৰহ্মজ্ঞান জন্মে ইয়াৰ অন্যথা নহয়। লৌকিক বস্তুবোৰ চক্ষুৰাদিৰ দ্বাৰা প্ৰত্যক্ষ কৰি তদ্বিষয় জ্ঞান লাভ কৰা যায়; কিন্তু ব্ৰহ্ম কেতিয়াও চক্ষুৰাদিৰ দ্বাৰা প্ৰত্যক্ষীভূত নহয়, গতিকে ব্ৰহ্মৰ পৰিজ্ঞানৰ বিষয়ে একমাত্ৰ বেদ বাক্য ভিন্ন অন্য উপায় নাই।

"তত্ত্বমসি" বেদবাক্য প্ৰমাণ আৰু যুক্তিৰ দ্বাৰা যি ৰূপ ব্ৰহ্ম পদাৰ্থৰ জ্ঞান হৈ থাকে তেতিয়া তাকেই বিশেষৰূপে কোৱা হৈছে। অৰ্থাৎ "তত্ত্বমসি" প্ৰভৃতি বেদবাক্য নিৰ্ণয় আৰু যুক্তি প্ৰদৰ্শন পূৰ্বক সম্যক্ ৰূপে ব্ৰহ্ম পদাৰ্থ প্ৰতিপাদন কৰিছে।

"তত্ত্বমসি" এই বাক্যাৰ্থ নিৰ্ণয় কৰাত ত্বং পদাৰ্থ পৰিজ্ঞানৰ আৱশ্যক। বাক্যান্তৰ্গত, শব্দসমূহ পৰিজ্ঞাত নহলে বাক্যাৰ্থ বোধ নহয়। এইকাৰণে প্ৰথমতে ত্বং পদাৰ্থ নিৰূপিত হৈছে। এই প্ৰকাৰে "তত্ত্বমসি" এই বাক্যৰ অন্তৰ্গত "তৎ আৰু অসি" এই শব্দ দুটাৰ অৰ্থ নিৰূপিত হৈ "তত্ত্বমসি" বাক্যৰ অৰ্থ পৰিজ্ঞান হলেই, ব্ৰহ্ম পদাৰ্থ পৰিজ্ঞান হব। এতিয়া ত্বং পদৰ বাক্যাৰ্থ নিৰূপণ কৰা হৈছে। যিয়ে ত্বংশব্দ প্ৰতিপাদ্য, তেওঁ শৰীৰ আৰু ইন্দ্ৰিয়াদিৰ পৰা অতিৰিক্ত আত্মাতেই উক্ত শৰীৰ আৰু ইন্দ্ৰিয়াদি ধৰ্মৰ মিছা আৰোপ কৰি মানুহবিলাক কৰ্তৃত্বাদি অভিমানী হয়। অজ্ঞানীয়ে "মই কৰ্তা, মই ভোক্তা" ইত্যাদি প্ৰকাৰে দেহাদিক স্বীকাৰ কৰি অভিমান প্ৰকাশ কৰে। আৰু সেই উপাধি ধৰ্ম যুক্ত শৰীৰাদিকেই ত্বং পদৰ বাচ্যাৰ্থৰূপে জ্ঞান কৰে, অৰ্থাৎ দেহকেই ত্বং শব্দ বুলি নিৰ্দেশ কৰি থাকে।

এতিয়া ত্বং শব্দৰ লক্ষাৰ্থ নিৰ্ণয় কৰা হৈছে। যিয়ে নিজে বোধ স্বৰূপ দেহ ইন্দ্ৰিয়াদিৰ সাক্ষী, অথচ দেহ ইন্দ্ৰিয়াদিৰ পৰা পৃথক, তাকেই ত্বং শব্দৰ লক্ষ্যাৰ্থ বুলি নিৰূপণ কৰা যায়। যেনে প্ৰদীপৰ আৱশ্যক হলে, লোকে অগ্নিশিখাকেই লক্ষ্য কৰি থাকে। দীপাধাৰ বৰ্তিকা প্ৰভৃতিৰ লক্ষ্য নহয়, তদ্ৰূপ ত্বং পদাৰ্থ নিৰ্ণয় কৰিবৰ হলে, যিয়ে দেহেন্দ্ৰিয়াদিৰ অতীত তেওঁকেহে লক্ষ্য কৰা হয়।

এতিয়া তৎ পদৰ লক্ষ্যাৰ্থত কৈছে—যিয়ে বেদবাক্য প্ৰতিপাদ্য, এই অনন্ত বিশ্বৰ অতীত অবিনশ্বৰ, অদ্বয়, বিশুদ্ধ, সৰ্বপ্ৰকাৰ বিকাৰবিহীন, আৰু যিয়ে স্বপ্ৰকাশক হয়, তেওঁৱেই তৎ পদাৰ্থৰ লক্ষ্যাৰ্থ। তৎ আৰু ত্বং এই উভয় পদ ঐক্য প্ৰতিপাদন কৰি বেদান্ত শাস্ত্ৰে ব্ৰহ্মাত্মৈক্য প্ৰতিপাদন কৰিছে।

দুয়োটি পদ ভিন্নাৰ্থক হলেও যদি সমান বিভক্তিক হৈ, এক বস্তুতে প্ৰবৃত্ত হয়, তেনেহলে উক্তপদদ্বয়ৰ যে, ঐক্যৰূপ সম্বন্ধ তাকেই সামানাধিকৰণ্য সম্বন্ধ বোলে। যেনে "নীলোৎপল" এই স্থলত নীল শব্দ আৰু উৎপল শব্দ একাৰ্থ

প্ৰতিপাদক নহয়, কিন্তু উভয় শব্দে, এক বস্তুতে প্ৰবৃত্ত হৈছে। গতিকে এই স্থলত নীল আৰু উৎপল উভয় শব্দৰ সম্বন্ধই সামানাধিকৰণ্য বুলি প্ৰসিদ্ধ আছে।

(সাম্প্ৰদায়িকগণ) অন্যান্য মীমাংসাদি শাস্ত্ৰকাৰসকলে, উক্ত প্ৰকাৰ সম্বন্ধক সামানাধিকৰণ্য সম্বন্ধ বুলি নিৰ্দেশ কৰিছে, আৰু উক্ত পদাৰ্থদ্বয়ক বিশেষ্য বিশেষণ বুলিও কৈছে। যি যি পদত সামানাধিকৰণ্য সম্বন্ধ থাকে, তাৰে এটা বিশেষ্য, এটা বিশেষণৰূপে ব্যৱহাৰ কৰা হয়।

"অয়ং সঃ, সোঽয়ং" অৰ্থাৎ এয়ে সেই পদাৰ্থ আৰু সেয়ে এই পদাৰ্থ ইত্যাদি স্থলত সেই আৰু এই উভয় পদৰ বিশেষ্য বিশেষণতা আছে। অৰ্থাৎ সেই পদটি বিশেষণ, আৰু এই পদটি বিশেষ্য, কিন্তু উক্ত শব্দ দুটি এক পদাৰ্থত প্ৰবৃত্ত হৈছে। গতিকে অপৰোক্ষত্ব আৰু পৰোক্ষত্ব, অদ্বিতীয়ত্ব আৰু পূৰ্ণতা এই সমস্ত পৰস্পৰ বিৰুদ্ধপ্ৰযুক্ত লক্ষণৰ দ্বাৰা উপপত্তি কৰিব লাগে। "সেয়ে এই" স্থলত সেই পদাৰ্থ পৰোক্ষ আৰু এই পদাৰ্থ অপৰোক্ষ। উভয়ৰ ঐক্য প্ৰতিপাদন কৰা হৈছে। কাৰণ কোনোৰূপ অৰ্থকৌশল নাথাকিলে, অৰ্থৰ সুসঙ্গতি হব নোৱাৰে। "তৎ ত্বং" স্থলতো তৎ পদাৰ্থ পূৰ্ণ ত্বং পদাৰ্থ সদ্বিতীয়; গতিকে উভয়ৰ ঐক্য ৰূপ অৰ্থ সঙ্গতি অসম্ভৱ। এই অৰ্থ সঙ্গতিৰ কাৰণে লক্ষণা স্বীকাৰ কৰিব লাগে।

যি স্থলত প্ৰমাণান্তৰৰ উপৰোধ হেতুকে মুখ্যাৰ্থৰ পৰিগ্ৰহ নহয়, সেই স্থলত অৰ্থৰ উপপত্তিৰ নিমিত্তে শব্দাৰ্থৰ অন্যথাত্ব কল্পনা কৰিব লাগে, এই প্ৰকাৰ অৰ্থকল্পনাৰ নাম লক্ষণা। যেনে "ৰক্তবস্ত্ৰ" এই স্থলত ৰক্ত শব্দই ৰক্ত গুণবিশিষ্ট কল্পনা কৰিব লাগে, গতিকে ৰক্ত গুণ বিশিষ্ট ৰূপ অৰ্থ কল্পনাই লক্ষণা।

লক্ষণা ত্ৰিবিধ জহৎস্বাৰ্থা, অজহৎস্বাৰ্থা আৰু জহৎ ও অজহৎ মিশ্ৰিতা। উক্ত তিনি প্ৰকাৰ লক্ষণাৰ ভিতৰত, এই ঠাইত প্ৰথমা জহৎস্বাৰ্থা লক্ষণাৰ সম্ভৱ নহয়, কাৰণ জহৎ শব্দ ত্যাগাৰ্থক; "তৎ আৰু ত্বং" শব্দৰ অৰ্থ প্ৰতিপাদনত, কোনোৰূপ ত্যাগ স্বীকাৰ কৰিব নালাগে। যি ঠাইত বাক্যাৰ্থৰ অনুপপত্তি বশতঃ মুখ্যাৰ্থ পৰিত্যাগ কৰি অন্যাৰ্থ পৰিকল্পিত হয় সেই ঠাইতেই জহৎ স্বাৰ্থা লক্ষণা কল্পনা কৰা হয়; যেনে "গঙ্গায়াং ঘোষঃ" গঙ্গাত গোৱাল বাস কৰিছে, এই স্থলত জলপ্ৰৱাহৰূপ গঙ্গাত ঘোষৰ বাস অসম্ভৱ হেতুকে গঙ্গা শব্দই গঙ্গাৰ তীৰ অৰ্থ কল্পনা কৰিবলগীয়া হয়। কিন্তু ইয়াত গঙ্গ শব্দৰ জলপ্ৰৱাহ ৰূপ মুখাৰ্থ ৰূপটো পৰিত্যাগ কৰি তীৰৰ ৰূপ অৰ্থ পৰিগ্ৰহ কৰা হয়। গতিকে ইয়াক জহৎ স্বাৰ্থা লক্ষণা বোলা হয়। কিন্তু "তত্ত্বমসি" বাক্যত উক্তৰূপ লক্ষণা হব নোৱাৰে। কাৰণ ইয়াত কোনো ৰূপ, অৰ্থ পৰিত্যাগ কৰিবলগীয়া নহয়। "তত্ত্বমসি" এই বাক্যত বাচ্যাৰ্থৰ একদেশ মাত্ৰ দেখা যায়। গতিকে জহৎস্বাৰ্থা লক্ষণা সম্ভৱ নহয়—যিহেতু ইয়াত সমুদয় মুখ্যাৰ্থৰ ত্যাগ হোৱা নাই। কিন্তু সাম্প্ৰদায়িক বিৰোধ হয়।

যি স্থলত বাক্যাৰ্থ তাৎপৰ্য্যই কোনো বিৰোধ



নোহোৱাকৈ—অৰ্থাৎ বাক্যাৰ্থগত শব্দৰ সমুদায় মুখ্যাৰ্থ বোজাই ৰাখিও, অৰ্থান্তৰ স্বীকাৰ কৰা হয়, তাক "অজহৎ স্বাৰ্থ লক্ষণা" বোলা হয়। যেনে "শোনে হয়ং ধাৱতি" ৰক্তবৰ্ণ ধাবিত হৈছে, এই স্থলত ৰক্তবৰ্ণৰ গমন অসম্ভৱ; গতিকে ৰক্ত বৰ্ণ শব্দৰ অৰ্থ অশ্ব কৰিব লাগিব। এতিয়া দেখা যে ৰক্তবৰ্ণ ৰূপ প্ৰকৃত অৰ্থ বোজাই ৰাখি, ৰক্তবৰ্ণ বিশিষ্ট অশ্ব এই ৰূপ অৰ্থই কৰা হৈছে। অতএব ইয়াকে এই স্থলত "অজহৎ স্বাৰ্থ লক্ষণা" বোলা হয়। "তত্ত্বমসি" এই বাক্যত অজহৎ স্বাৰ্থ লক্ষণাৰো সম্ভৱ নহয়, যিহেতু মুখ্যাৰ্থৰ বিৰোধ হয়। বৰং ইয়াতে বিৰুদ্ধাংশৰ পৰিত্যাগ দেখা গৈছে। কিন্তু সদ্বিতীয়ত্ব আৰু পূৰ্ণত্ব উভয়ে বিৰুদ্ধধৰ্ম, সদ্বিতীয়ত্ব পৰিত্যাগ কৰিলে অৰ্থসঙ্গতি হব নোৱাৰে। ইয়াক পৰিত্যাগ কৰি, তৎ আৰু ত্বং উভয়ৰ সামানিধিকৰণ্য হৈছে। গতিকে একাংশ মাত্ৰ পাৰত্যাগতো অজহৎ স্বাৰ্থ লক্ষণাও হোৱা নাই। যি ঠাইত মুখ্যাৰ্থৰ এক দেশ মাত্ৰ পৰিত্যাগ কৰি, একাংশৰ মাত্ৰ অৰ্থ বলবৎ থাকে, সেই স্থানতেই—জহৎ ও অজহৎ এই উভয় মিশ্ৰিত তৃতীয় ভাগ লক্ষণা হৈ থাকে।

(সোঽয়ং বিপ্ৰঃ) সেয়ে এই বিপ্ৰ, অৰ্থাৎ যাক পূৰ্বতে দেখিছিলোঁ, তেওঁৱেই—এওঁ বিপ্ৰ ইয়াকে "ভাগ লক্ষণা বোলা হয়। এই স্থলত বিৰুদ্ধাংশ তৎকাল বিশিষ্টত্ব ৰূপ পৰিবৰ্জন কৰি বিপ্ৰৰূপ অৰ্থত বাক্যাৰ্থৰ উপপত্তি হৈছে। গতিকে কোনো অংশৰ পৰিবৰ্জন আৰু কোনো অংশৰ অপৰিবৰ্জন আছে। বিৰুদ্ধাংশ তৎকাল বিশিষ্টৰূপ অৰ্থৰ পৰিত্যাগ আৰু অবিৰুদ্ধ অংশ বিপ্ৰাৰ্থৰ স্বীকাৰ দেখা যায়। গতিকে ভাগ লক্ষণাৰ দ্বাৰা এই স্থানত অৰ্থৰ উপপত্তি হৈছে। তৎ কাল বিশিষ্টত্ব উভয়ে বিৰুদ্ধাংশ। কাৰণ তৎকাল আৰু এতৎকাল এক সময় সম্ভৱ নহয়, এইৰূপ স্থল বিশেষে বহুবিধ লক্ষণা হৈ থাকে। এতিয়া এই প্ৰকৃত বিষয়ে, অৰ্থাৎ তত্ত্বমসি শ্ৰুতিয়ে কি প্ৰকাৰ মীমাংসা কৰি অৰ্থ নিষ্পত্তি কৰিছে, তাক শ্ৰৱণ কৰা। "তত্ত্বমসি" এই বাক্যতো ভাগ লক্ষণাৰ দ্বাৰা অৰ্থোপলব্ধি হৈছে।

ত্বং পদৰ পৰা প্ৰত্যকত্বাদি জীৱধৰ্ম আৰু তৎপদৰ পৰা সৰ্বজ্ঞতত্ব পৰোক্ষত্বাদি ধৰ্ম পৰিবৰ্জন কৰি "তত্ত্বং এই পদৰ অৰ্থ কৰিব লাগে। উক্ত তৎপদে শুদ্ধ কূটস্থ অদ্বৈত পৰম বস্তুক বুজাইছে, আৰু তৎ ও ত্বং এই পদদ্বয়ৰ ঐক্য হলে, তুমি সেই শুদ্ধ কূটস্থ অদ্বৈত পৰম ব্ৰহ্ম "তুমি" এই প্ৰকাৰ অৰ্থ হয়। গতিকে "তত্ত্বমসি" এই প্ৰকাৰ অৰ্থ হয়। গতিকে "তত্ত্বমসি" এই বাক্যৰ প্ৰকৃতাৰ্থ বিবেচনা কৰিলে "তুমিয়ে ব্ৰহ্ম" এই প্ৰকাৰ অভেদ জ্ঞান হয়। গতিকে জীৱ আৰু ব্ৰহ্মৰ ঐক্য জ্ঞানেই তত্ত্বমসি ইত্যাদি শ্ৰুতি বাক্যৰ অৰ্থ। যাৰ পূৰ্বোক্ত ৰূপে তত্ত্বমসি ইত্যাদি শ্ৰুতিবাক্যৰ অৰ্থ বোধদ্বাৰা যুক্তি সহকাৰে "অহং ব্ৰহ্ম"ময় ব্ৰহ্ম এই ৰূপ দৃঢ় জ্ঞান জন্মে, সেই ব্যক্তিয়ে শোক সাগৰৰ পৰা উত্তীৰ্ণ হব পাৰে। আত্মতত্ত্ব পৰিজ্ঞান হলেও তত্ত্বমসি এই মহাবাক্যৰ দ্বাৰা পৌৰ্বাপৰ্য্যায়ক্ৰমে তৎ আৰু ত্বং এই উভয়ৰ একত্ব জ্ঞান কৰিব

লাগে। অৰ্থাৎ প্ৰথমে জীৱৰ পৰিজ্ঞান হৈ সেই জীৱেই ব্ৰহ্মৰূপে প্ৰকাশিত হয়। কাৰণ জীৱৰ মায়াদি পৰিত্যাগ হলে; "মই ব্ৰহ্ম এই প্ৰকাৰ জ্ঞান হৈ থাকে। যদিও জীৱ ব্ৰহ্মৰ ঐক্যজ্ঞান বিষয়ে নানা প্ৰকাৰ শাস্ত্ৰ প্ৰমাণাদি আছে, তথাপি শ্ৰীগুৰুৰ কৃপা ভিন্ন পণ্ডিতাভিমানী মূঢ়জনে কেতিয়াও ওপৰোক্ত ব্ৰহ্মবিজ্ঞান লাভ কৰিব নোৱাৰে। যদি কোৱা যায়, বিশুদ্ধান্তঃকৰণ হলেই পৰমব্ৰহ্মতত্ত্ব জনা যায়, তেনেহলে আৰু বেদবাক্যৰ আৰু শ্ৰীগুৰুৰ কৃপাৰ আৱশ্যক কি ?

এইটো সজ্জনসকলৰ অভিমত নহয়। কেৱল পণ্ডিতাভিমানী তত্ত্বজ্ঞানবিহীন লোকসকলে কয় যে একমাত্ৰ বেদবাক্য পৰ্য্যালোচনা কৰিলেই পৰব্ৰহ্ম স্বয়ং প্ৰকাশ হয়। যিবিলাক ব্ৰহ্ম বিজ্ঞান পাৰদৰ্শী তেওঁবিলাকে কেতিয়াও স্বীকাৰ নকৰে। শ্ৰুতিত কৈছে যে এই অনিত্য সংসাৰত একমাত্ৰ গুৰুৱে জ্ঞানদাতা। গুৰু ভিন্ন অন্য কোনোৱে জ্ঞান দিব নোৱাৰে। আচাৰ্য্যবান পুৰুষেই বেদ—অৰ্থাৎ ব্ৰহ্ম বিজ্ঞানৰ বিষয়ে সদুপদেশ দিবৰ কাৰণে সমৰ্থ ; তেওঁৱেই ব্ৰহ্ম বিজ্ঞান লাভৰ কাৰণ, যিহেতু গুৰুৱে বেদবাক্যাৰ্থ বোধক। বেদবাক্যৰ অৰ্থ জ্ঞান নহলে কোনো ফল নহয়। আৰু গুৰু ভিন্নও অৰ্থজ্ঞান হব নোৱাৰে। গতিকে এই অনিত্য সংসাৰত, একমাত্ৰ গুৰুৱেই ব্ৰহ্ম বিজ্ঞান লাভৰ কাৰণ। অতএব শ্ৰীগুৰুৰ উপদেশত, ব্ৰহ্ম আৰু আত্মাৰ ঐক্যজ্ঞান কৰি, এই দৃশ্যমান অনিত্য সংসাৰক অসত্যজ্ঞান কৰিব, তেনেহলেহে অদ্বৈত ব্ৰহ্মৰূপে অৱস্থিতি হব পাৰিব। যেতিয়া এই অসাৰ সংসাৰৰ মিথ্যাত্ব জ্ঞান হৈ আত্ম-ব্ৰহ্মৰ ঐক্য জ্ঞান হয়, তেতিয়াই ব্ৰাহ্মণস্মি,ময়েই ব্ৰহ্ম—বুলি জ্ঞান হয়। যাৰ প্ৰত্যক্ষত অদ্বৈত চিন্ময় ব্ৰহ্মজ্ঞান হয়, এই বেদান্ত শাস্ত্ৰই সেইটোকেই প্ৰতিপাদন কৰিছে। দ্বৈত জড় পদাৰ্থ বেদান্ত প্ৰতিপাদ্য নহয়। যিয়ে অদ্বৈত চিন্ময় পৰব্ৰহ্ম তেওঁ সুখস্বৰূপ, আৰু অসৎ জড় ময় এই দ্বৈত সংসাৰ দুঃখৰ স্বৰূপ। বেদান্ত শাস্ত্ৰত যুক্তিৰ দ্বাৰা এই উভয়কেই নিৰূপণ কৰিছে। যিয়ে অদ্বৈত সচ্চিদানন্দময় পৰব্ৰহ্ম, তেওঁৱেই সৎ, আৰু জড়ময় এই দ্বৈত সংসাৰ অসৎ সৰ্বদা এইৰূপ জ্ঞান কৰা। শুদ্ধ ব্ৰহ্ম বিজ্ঞান হলে, অশুদ্ধ মায়াময় সংসাৰ-জ্ঞান থাকিব নোৱাৰে। যেতিয়ালৈ ব্ৰহ্মবিজ্ঞান নজন্মে তেতিয়ালৈকে লোকে অনিত ক্ষণবিধ্বংশী সংসাৰক, সৎৰূপে জ্ঞান কৰি তাতেই নিয়ত আসক্ত থাকে। যেনে শুক্তিত ৰজত ভ্ৰম হৈ থাকে, তদ্ৰূপ পৰমাত্মাতো সংসাৰ ভ্ৰম হয়। পৰমাত্মা সৰ্বদা সত্তাৱান আৰু জগৎ অসত্য। যেনে শুক্তিত ৰজত জ্ঞানৰ দৰে সনাতন পৰব্ৰহ্মত অসত্য জগৎ কল্পনা কৰে, তেওঁবিলাক নিতান্ত ভ্ৰান্ত। কাৰণ সত্যৰূপী পৰব্ৰহ্মত, কেতিয়াও এই অসত্য জগতৰ সম্ভৱ হব নোৱাৰে।

জগতৰ সত্যত্ব বিষয়ত বহু প্ৰকাৰ প্ৰতিবন্ধক দেখা যায় গতিকে তাক অসৎ বুলিও কব নোৱাৰি। আৰু এই জগৎ সৰ্বদাই প্ৰত্যক্ষ দেখি থকা গৈছে, গতিকে অসৎ বুলিও কব পৰা





নাযায়। অতএব এই জগত সৎ বা অসৎ তাৰ কোনো ৰূপ নিৰ্বাচন কৰা নাযায়, যিয়ে পূৰ্বত একমাত্ৰ সৎ আছিল, তেওঁৱেই জগৎ সৃষ্টিকাৰি, জীৱ ৰূপে স্বয়ং সেই জগতত প্ৰবিষ্ট হৈ আছে। তেওঁৱেই পৰমাত্মা আৰু পৰমাত্মাই তুমি। তুমিয়েই সচ্চিদানন্দময় পৰমাত্মা। কাৰণ তুমি নিজৰূপ বিস্মৃত হৈ জীৱ ভাৱপ্ৰাপ্ত হৈ আছা, এই বিস্মৃতি ৰূপ মোহ নিবৃত্তি হৈ, তত্ত্বজ্ঞান সমুদিক হলেই, পুনৰায় তুমি অদ্বয়ানন্দ শুদ্ধ চিন্ময়ৰূপে প্ৰকাশ পাবা। জীৱভাৱ পৰিত্যক্ত হলেই আত্মস্বভাৱ ৰূপ সাম্ৰাজ্য লাভ হয়। অৰ্থাৎ যি পৰ্যান্ত জীৱে আত্মস্বৰূপ পাহৰি সংসাৰ মাতাৰ্য বিমোহিত হৈ থাকে তেতিয়ালৈকে নিজকে নিজে চিনিব নোৱাৰে। আৰু আত্মবিস্মৃতি অপগত হলেই "অহং ব্ৰহ্ম" মই ব্ৰহ্ম এই প্ৰকাৰ জ্ঞান জন্মে।

তুমি অদ্বয় পৰব্ৰহ্ম স্বৰূপ। তোমাত কৰ্তৃত্বাদি আৰোপিত হৈছিল। এতিয়া বিচাৰ কৰি চোৱা তোমাৰ স্বৰূপ কি ? যি পৰ্য্যন্ত তুমি অজ্ঞানান্ধকাৰত সমাচ্ছন্ন আছিলা, সেই পৰ্য্যন্তই তোমাৰ "মই কৰ্তা, মই ভোক্তা" এই প্ৰকাৰ জ্ঞান আছিল। এতিয়া তোমাৰ অজ্ঞান অন্ধকাৰ বিদূৰিত হৈছে, প্ৰকৃত জ্ঞান সমুদিত হৈছে। আৰু সেই কৰ্তৃত্বাদিজ্ঞানো নোহোৱা হৈছে। গতিকে বিবেচনা কৰি দেখিলে এতিয়া তুমি নিজৰ স্বৰূপ অনায়াসে উপলব্ধি কৰিব পাৰিবা।

এই সম্বন্ধে শ্ৰুতিত এটা অপূৰ্ব বৃত্তান্ত বৰ্ণিত আছে—শ্ৰৱণ কৰা। এসময়ত গান্ধাৰ দেশীয় এজন লোক নানা ৰত্ন ভূষণৰ দ্বাৰা ভূষিত হৈ অসাৱধান ভাবে নিজৰ চোতালত শুই আছিল। অলঙ্কাৰলোভী চোৰ কিছুমানে, ৰাতি আহি তাক বান্ধি ধৰি অনা দেশলৈ নিলে, আৰু তাৰ গাৰ সমুদায় ভূষণ অপহৰণ পূৰ্বক, তাৰ হাত, ভৰি চকু বান্ধি, নানা জন্তু সমাকীৰ্ণ মহাৰণ্যৰ মাজত পেলাই থৈ সিহঁত গুচি গল। সেই মহাৰণ্যৰ মাজত, সৰ্পাদি দুষ্ট জন্তুবোৰৰ ভয়ত, ভীত হৈ, মাটিত বাগৰি থাকোঁতে কুশ কণ্টকাদিৰে তাৰ শৰীৰ ক্ষতবিক্ষত হ'ল। কিন্তু তাৰ দেহ-শীৰ্ণ আৰু সামৰ্থ্যহীন হৈ পৰিল। আৰু ক্ষুধা তৃষ্ণা প্ৰবল বতাহ, প্ৰখৰ ৰৌদ্ৰ তাপে সন্তাপিত হৈ পৰিল। সেই নিবিৰ অৰণ্যৰ মাজত কাকো নেদেখি, বন্ধন মুক্তি আৰু দেশ প্ৰাপ্তিৰ অভিলাসত কাতৰ হৈ, ৰোদন কৰিছিল। অৰ্থাৎ ধনী ব্যক্তিয়ে যেনেদৰে চোৰবিলাকৰ হাতত পৰি, নানা ৰূপ দুৰ্গতি ভোগ কৰে, তদ্ৰূপ তোমাৰ শৰীৰতো অশেষ দুঃখদায়ী শত্ৰুবিলাক বাস কৰিছে, দেহাভিমান ৰূপ দুষ্টচোৰ, আত্মানন্দৰূপ ধন অপহৰণ কৰি তোমাক ধনহীন কৰিব। আৰু তোমাৰ শৰীৰস্থ ৰসাদিৰূপ শত্ৰুবোৰে বহু দিনলৈ যন্ত্ৰণা দি থাকিব। তুমি ব্ৰহ্মানন্দ লাভত বিয়াকুল হ'লেও, উক্ত শত্ৰু বৰ্গই, তোমাক অজ্ঞান নিদ্ৰাই অভিভূত কৰি, ভোগ আৰু তৃষ্ণাৰূপ ৰজ্জুৰ দ্বাৰা দৃঢ় বন্ধন কৰি ৰাখিব। যেনেকৈ চোৰসকলে গান্ধাৰ দেশবাসী ধনীজনক দূৰ দেশলৈ বান্ধি নিছিল, তেনেদৰে তোমাৰ দেহগত ধূৰ্তসকলে তোমাক অদ্বৈত ব্ৰহ্মানন্দৰ পৰা অনেক দূৰলৈ এই সংসাৰাৰণ্য ভূমিলৈ আনিছে স্থূলদেহ সূক্ষ্মদেহ।

কাৰণ শৰীৰ, এই শৰীৰত্ৰয় সৰ্ব দুঃখৰ আকৰ বাসনা নিৰ্মিত। কৰ্মান্ধ মানৱ এই তিনিবিধ শৰীৰৰ অনুৰোধত নানা যোনি ভ্ৰমণ কৰি থাকে।

তুমি একো একোবাৰ শত্ৰুসকলৰ দ্বাৰা আক্ৰান্ত হৈ, এই শৰীৰত প্ৰৱেশ কৰিছা আৰু একো একোবাৰ বাহিৰ হৈছা। তোমাৰ জ্ঞান দৃষ্টি আৱদ্ধ হৈছে, এবাৰো সেই ব্ৰহ্মানন্দৰ প্ৰতি দৃষ্টি কৰিব পৰা নাই। এইৰূপে তুমি অনাদি কালৰ পৰা সৰ্বদা দুঃখ ভোগ কৰিয়েই আহিছা। তুমি ক্ৰমশঃ জন্ম, মৃত্যু, জৰা দোষ আৰু নৰকাদি উপভোগ কৰি, নিতান্ত বিষন্ন আৰু শোকাকুল হৈছা। তুমি অবিদ্যাজনিত সংসাৰত আৱদ্ধ হৈ নানাৰূপ দুঃখকষ্ট ভোগ কৰি আছা; কিন্তু যাতে সেই দুখ নিবৃত্তি হয় তাৰ কাৰণে ব্ৰহ্মানন্দ লাভৰ হেতু কোনো উপায় চিন্তা কৰা নাই। যেনে গান্ধাৰ দেশবাসী ব্যক্তিজনে বহু ক্লেশ ভোগ কৰাৰ বহুদিনৰ পিছত, কোনো এজন দয়ালু পথিকে চকু আদি বন্ধন মুক্ত কৰি দিয়াত তেওঁ সুস্থ হৈছিল, তেওঁক সুস্থ দেখি সেই পথিকে বাটপথ ভালদৰে দেখুৱাই দিয়াত সেই মেধাৰী স্বদেশ গমনোপযোগী পথ জানিব পাৰি, ক্ৰমশঃ গৈ গৈ গান্ধাৰ দেশৰ নিজ ঘৰত উপস্থিত হৈ পূৰ্বৰ দৰে বন্ধু বান্ধৱ, সকলোৰে লগত মিলি সুখেৰে অৱস্থান কৰি থাকিল

তুমিও গান্ধাৰ দেশীয়ৰ দৰে বহু জন্ম অনন্ত যোনিত ভ্ৰমণ কৰি বহুল দুঃখ ভোগ কৰি আছা। এতিয়া তোমাৰ শুভাদৃষ্টৰ ফলত ঈশ্বৰানুগ্ৰহবশতঃ শ্ৰদ্ধাবান সংকৰ্মান্বিত বৰ্ণাশ্ৰমাচাৰতৎপৰ পুণ্যশীল মহাত্মা আৰু ব্ৰহ্মবিজ্ঞানবিদ সদগুৰু পাইছা। তুমি অতি সুবুদ্ধি সুবিবেকাদিযুক্ত হৈ বৈৰাগাভ্যাসৰ দ্বাৰা যথাবিধি সন্ন্যাস গ্ৰহণ কৰি ব্ৰহ্মোপদেশ গ্ৰহণ কৰা তুমি অতি সুপণ্ডিত মেধাৰী, এতিয়া যুক্তিৰ দ্বাৰা বস্তু বিচাৰ পূৰ্বক (অৰ্থাৎ সংসাৰৰ সদসদ্বস্তু নিৰূপণ কৰি) নিদিধ্যাসন কৰি পৰম পদপ্ৰাপ্ত হোৱা। তুমি মোৰ সুবুদ্ধিমান শিষ্য, মই তোমাৰ ব্ৰহ্মোপদেশক আচাৰ্য্য, গতিকে এতিয়া তুমি মোৰ পৰা ব্ৰহ্মাত্ম বিজ্ঞানৰ বিষয়ে উপদেশ গ্ৰহণ কৰি, পৰম ব্ৰহ্মতত্ত্ব লাভৰ যত্ন কৰা। হে ধীৰ! মোৰ পৰা দীক্ষা গ্ৰহণ কৰি সংসাৰ বন্ধনৰ পৰা মুক্ত হৈ দ্বৈতাত্ম সংশয় ছেদন পূৰ্বক সুখ, দুঃখ, ৰাগ, দ্বেষাদি দ্বন্দ্ব প্ৰভৃতি সাংসাৰিক স্পৃহা পৰিত্যাগ পূৰ্বক, যথা সুখে পৰমানন্দে বিচৰণ কৰি থাকা।

বস্তুতঃ তুমি নিষ্প্ৰপঞ্চ অৰ্থাৎ ঘট পটাদিৰ দৰে আকাৰ বিহীন, স্বভাৱতঃ নিত্যযুক্ত স্বৰূপ; গতিকে তোমাৰ বন্ধ বা মোক্ষ একোৱেই নাই। তোমাৰ বন্ধ মোক্ষ কল্পনা মাত্ৰ, কাৰণ মিছা কল্পনাৰ দ্বাৰা মই "বন্ধ বা মুক্ত" এই প্ৰকাৰ ব্যৱহাৰ হৈ থাকে। শ্ৰুতি প্ৰমাণৰ পৰা জনা যায় যে, তোমাৰ কোনো ৰূপ বন্ধন নাই, উৎপত্তি নাই, তুমি কোনো কাৰ্য্যৰেই সাধক নোহোৱা। তুমি মুমুক্ষু বা মুক্ত নোহোৱা এয়েই পৰমাৰ্থতা। শ্ৰুতিৰ এইটোৱেই সাৰ সিদ্ধান্ত





যে, তুমি নিজ বিচাৰৰ দ্বাৰা নিদিধ্যাসাননপূৰ্বক, অক্ষয়স্বৰূপহৈ অদ্বৈত নিত্যানন্দ স্বৰূপ পৰব্ৰহ্মৰ সাক্ষাৎকাৰ লাভ কৰি জীৱন মুক্ত হোৱা, আৰু বিশ্ৰান্ত হৈ শান্তি সুখ ভোগ কৰা। সৰ্বদা বেদান্ত শাস্ত্ৰ বিচাৰ, গুৰুৰ দৰ্শন সেৱন অৱশ্য কৰ্তব্য। স্বয়ং গুৰুদেৱেহে সাক্ষাৎ ব্ৰহ্ম স্বৰূপ, মোক্ষকামীয়ে এই ৰূপে গুৰুৰ সেৱা বন্দনাদি কৰিব। শ্ৰুতিয়ে কৈছে—মানুহে জীৱৎ কাল পৰ্য্যন্ত কায় মনো বাক্যৰ দ্বাৰা বেদান্ত, গুৰু, আৰু ঈশ্বৰ বন্দনা কৰিব। সৰ্বদা অদ্বৈতভাৱে ঈশ্বৰক ভাবিব। কিন্তু কেতিয়াও সদসৎ ক্ৰিয়াক অদ্বৈত জ্ঞান নকৰিব। গুৰুৰ সহিত অদ্বৈত ভাবনা নকৰিব। দ্বিজবৰ মণ্ডন মিশ্ৰই, এই প্ৰকাৰে পৰম কাৰুনিক ভাষ্যকাৰ আচাৰ্য্য প্ৰবৰ গুৰুৰ উপদেশত ব্ৰহ্মবিজ্ঞানৰূপ অমৃত পান কৰি প্ৰজ্ঞাবান হৈছে।

— - — —



শ্ৰীজ্ঞানশঙ্কৰ খাখলাৰী

# কলা-সংস্কৃতি-বাহক বকো অঞ্চলৰ শিল-পাহাৰ

পাহাৰে কথা কয়। শিলে কথা কয়। মানুহৰ কথা। ভগৱানৰ কথা। দেওভূতৰ কথা। বুৰঞ্জীৰ কথা। মানুহৰ সভ্যতাৰ কথা। সাধু কথা। আৰু বহু কথা। এইবোৰ কথা সমাজে বিশ্বাস কৰে। সাংসাৰিক জীৱনত তাৰ ফল পৰোক্ষ আৰু প্ৰত্যক্ষ ভাৱে ভোগ কৰে। সেই বাবে মানুহে নানান নিয়ম নীতিৰ মাজেৰে পূজা কৰে আৰু মানে। অসম পাহাৰে পৰ্বতে আগুৰা। পাহাৰ পৰ্বতবোৰৰ নিজা নিজা মাহাত্ম্য আছে। প্ৰত্যেকৰে স্বকীয়া স্বকীয়া মনোৰঞ্জক কাহিনী আছে। পাহাৰ-পৰ্বতৰ শিলবিলাকত অখ্যাত শিল্পীৰ হাতৰ পৰশত কত যে কিমান দেওভূত, দেৱ-দেৱতাৰ মূৰ্তি অঙ্কিত হৈ আছে তাৰ লেখ কিমান জনে ৰাখিছে ? মৌন ভাৱে আজিও স্থাপত্যৰ শিল্পকলাৰ নিদৰ্শন ৰূপে জিলিকি আছে। দক্ষিন গোৱালপাৰাৰ শ্ৰীসূৰ্য্য পাহাৰৰ শিলবোৰত খোদিত বিভিন্ন দেৱতাৰ মূৰ্তি টুক্ৰেশ্বৰী পাহাৰ, পঞ্চৰত্ন পাহাৰৰ শিলত অঙ্কিত চিত্ৰ, যোগীঘোপাত একোটা কোঠাৰ নিচিনা থকা ঘোপা সমূহ, ৰংজুলীৰ ওচৰত থকা ৰাক্ষসিনী পাহাৰৰ (ঘাগাৰা) বৈচিত্ৰ্যপূৰ্ণ কাহিনীবোৰ, উত্তৰ গুৱাহাটীৰ অশ্বক্ৰান্তৰ কথা, ব্ৰহ্মপুত্ৰ নদীৰ মাজত থকা উমানন্দ, কুকুৰাকটা, নীলাচল (কামাখ্যা) পাহাৰ, গুৱাহাটী নগৰৰ দক্ষিণফালে থকা সন্ধ্যাচল পৰ্বত (বশিষ্ঠাশ্ৰম) আৰু কিমান! এইবোৰৰ হিচাপ দিয়া উজু নহয়। আমাৰ কৰৰ মন যায়, অসমৰ একমাত্ৰ সংস্কৃতি সমন্বয়ৰ অনুষ্ঠান অসম সাহিত্য সভা আৰু প্ৰগতিশীল চৰকাৰে এইবোৰৰ লৌকিকতা গৱেষণা কৰি ৰক্ষণা-বেক্ষণৰ দিহা কৰাৰ সময় আহিছে। কিয়নো এইবোৰত নিহিতহৈ আছে একোটা জাতিৰ অতীত কালৰ বহু কাহিনীৰ জকা আৰু এইবোৰত পোৱা যাব





শিল্পীৰ মহত্ত্ব আৰু সভ্যতাৰ নিদৰ্শন।

বিচিত্ৰ পাহাৰ পৰ্বতবোৰে আৰু ইয়াৰ ঐতিহ্যপূৰ্ণ কাহিনীয়ে আমাক সদায় বশীভূত কৰে। কামৰূপ জিলাৰ বকো অঞ্চলত থকা কেইখনমান পাহাৰ আৰু শিলবোৰৰ জনশ্ৰুতি নানান কাহিনীৰ আধাৰত প্ৰবন্ধটো যুগুত কৰিলোঁ।

## পাৰ্বতী পাহাৰ

বৰ্তমান বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উত্তৰফালে ভোগদাবাৰী গাৱঁৰ ওচৰত পাৰ্বতী পাহাৰ অৱস্থিত। ইয়াৰ ওচৰৰ অধিবাসীসকলৰ সৰহ ভাগেই বড়ো-ৰাভা লোক। এওঁলোক কৃষিজীৱি।

সদাশিৱই দক্ষৰ যজ্ঞৰ পৰা মৃত সতীৰ দেহ কান্ধত লৈ ভ্ৰমি ফুৰোঁতে বিষ্ণুৱে সুদৰ্শন চক্ৰৰে কাটি পেলাবলৈ যত্ন কৰাত এই ঠাইত পাৰ্বতীৰ যোনি মণ্ডল পৰি শিলা হৈ থকা বুলি লোক বিশ্বাস। অম্বুবাচীত ইয়াত এটা ফাঁট লগা শিলেদি তেজৰ দৰে ৰঙা ৰঙা পানী বৈ আহে; আৰু আহিন-কাতি মাহত গাখীৰৰ দৰে বগা বগা পানীও খেতি পথাৰলৈ বৈ অহা বুলি এই অঞ্চলত বাস কৰা লোকৰ পৰা জনা যায়।

বহাগ বিহুৰ গৰু দোমাহিৰ দিনা পাৰ্বতী পাহাৰত ফুল, ফল, প্ৰসাদ, গাখীৰ আদিৰে পূজাৰ আয়োজন কৰা হয়। আৰু পাহাৰত বহুল জন-সমাগমৰ মাজত ই মেলাৰ ৰূপ লয়। পূজাত মতা মানুহতকৈ তিৰোতা মানুহৰ সংখ্যাধিক্য দেখা যায়। ল'ৰা-ছোৱালী নোহোৱা আৰু কাপৰ গৰাক (বৰ) নজনা তিৰোতাই ইয়াত বৰ লবলৈ আহে। তাৰোপৰি ইয়াৰ নিকততম মুগাখোল পাহাৰতো সেই একেদিনাই পূজা কৰা দেখা যায়।

## ৰকো পাহাৰ

বকো বজাৰৰ গাতে লাগি থকা বকো পাহাৰ বকোৰ এখন দেৱাল স্বৰূপ হৈ আছে। ইয়াত বহু ডাঙৰ ডাঙৰ শিল আছে; মানুহে আজিও ইয়াত পূজা কৰা দেখা যায়। বজাৰৰ ওচৰত এটা বৃহৎ শিলৰ গুৰিত পুৰণিকলীয়া বহু অস্ত্ৰ-শস্ত্ৰ এতিয়াও আছে। অস্ত্ৰ-শস্ত্ৰবোৰ কোনে ক'ৰ পৰা আনি ইয়াত থলে আৰু এইবোৰ কাৰ বস্তু এই বিষয়ৰ সন্ধান বিচাৰি বহুতৰ ওচৰলৈ গৈয়ো একে তথ্য পোৱা সম্ভৱ নহল। ইয়াৰ ওচৰে পাজৰে গুহাৰ নিচিনা কিছুমান শিলৰ ঘৰ আছে, এইবোৰত মানুহ থাকে আৰু পূজা কৰে।

## খট্‌খটি পাহাৰ

বকো বনগাওঁ মৌজাৰ দক্ষিণ পশ্চিম চুপাত খট্‌খটি পাহাৰ। ইয়াত ওপৰলৈ উঠি যোৱা সুন্দৰ খট্‌খটি আছে। পুৰণি কামৰূপৰ ৰজা আৰিমত্তই এই খট্‌খটি সঁজোৱা বুলি মানুহৰ বিশ্বাস। বড়ো জাতিৰ চেলাকেই ইয়াৰ প্ৰধান অধিবাসী।

## মৌচোৱা পাহাৰ

বকোৰ পৰা ছয় সাত মাইলমান দক্ষিণে

(হাহিমৰ ওচৰত) মৌচোৰা পাহাৰ। পাহাৰৰ ওচৰত থকা গাওঁখনক মৌচোৰা বুলি কোৱা হয়। মৌ-বাঁহ লোৱা ইয়াত প্ৰকাণ্ড গছ আছে। ইয়াত বহু মৌৰ বাঁহ আছে। ওচৰৰ বাভা লোকসকলে গাহৰি বলি দি পূজা কৰে। পূজা ঠিক নহলে হেনো মৌৱে গাওঁৰ মানুহক জুলুম কৰে। কোনেও ইয়াৰ মৌ পাৰিব নোৱাৰে। ইয়াত দেও থকা বুলি মানুহৰ বিশ্বাস।

### বগে ৰজা পাহাৰ

পুৰণি ৰাজবংশ এতিয়াও বকোত আছে। ইয়াক বগে ৰজাৰ বংশাৱলী নামে জনা যায়। পিছে ৰজাহে আছে, ক্ষমতা নাই। বংশাৱলী আছে ৰাজভোগ নাই। বগে ৰজাবেই হেনো বাসস্থান এই বগে পাহাৰ। বৰ্তমান বগে ৰজাৰ বংশৰ লোকে সাধাৰণ খেতিয়কৰ দৰে জীৱন যাপন কৰি আছে। নিজৰ দেশ ৰক্ষাৰ হেতু বগে ৰজাই মানৰ লগত বোলে যুদ্ধ কৰিছিল। শিলৰ গুহাত এতিয়াও অস্ত্ৰ-শস্ত্ৰ আছে। বৰ্তমান এই অঞ্চলটো বগে মৌজা বুলি জনাজাত।

বহাগৰ গৰু বিহুৰ দিনা বগে পাহাৰত পূজা কৰা হয়। পাৰ চৰাই উৰুৱাই দিয়াৰ বাহিৰে ইয়াত কোনো বলি দিয়াৰ প্ৰথা নাই। পাহাৰৰ পশ্চিমফালে কিছু দূৰত শিলৰ এটা ডাঙৰ দাৰব (হাবি) আছে। জনবিশ্বাস মতে ৰজাই ইয়াত ৰাজকীয় সাজ-পাৰ ৰাখিছিল। বগে ৰজা বুৰঞ্জীপ্ৰসিদ্ধ নহব পাৰে; কিন্তু বকো অঞ্চলৰ বৃদ্ধ লোকৰ মুখত ৰজাৰ বহু কাৰ্য্যকলাপ শুনিবলৈ পোৱা যায়।

### একচালীয়া পাহাৰ

বামুণী গাওঁ বন বিভাগৰ কাৰ্য্যালয়ৰ ওচৰত একচালীয়া পাহাৰ অৱস্থিত। লোক বিশ্বাস যে ইয়াত হেনো পাৰ্বতীৰ বোঁৱা-কটাৰ সঁজুলি আছিল। বৰ্তমানেও ইয়াত শিলত খোদিত কিছুমান বোঁৱা-কটাৰ সঁজুলি আছে। মহাদেৱৰ যাড় গৰুটোও শিলত অঙ্কিত কৰা আছে। বহাগ জেঠ মাহত ইয়াত পূজা কৰা হয়। ইয়াৰ নামনিত বামুণী গাৱঁৰ মনসা পূজাৰ থান।

একচালীয়া পাহাৰৰ দক্ষিণ-পশ্চিম কোণত এটুকুৰা জঙ্গলত যখিনী বুঢ়ী থকা বুলি প্ৰবাদ আছে। এই জঙ্গলৰ পথেৰে গলে যাত্ৰীসকলে ইয়াত প্ৰত্যেকেই একোডাল খৰি দি যোৱাৰ নিয়ম। খৰি নিদিলে অমঙ্গল হোৱা বুলি মানুহৰ বিশ্বাস

### দুধ-কুঁৱৰী পাহাৰ

বড়ো ভাষাত এটি ফকৰা আছে, "দৈমা থৈলাংবায় বেগা থালাংবায়" অৰ্থাৎ নৈ মৰি গল, কিন্তু তাৰ চিন বৈ গল। কোন কাৰ কুৰঁৰী কেনি গ'ল তাৰ চিন-মোকাম নোহোৱা হ'ল। পিছে বকো বনগাওঁ মৌজাৰ অন্তৰ্গত দুধকুৰঁৰী পাহাৰে অতীতৰ স্মৃতি বহন কৰি আজিও অঞ্চলৰ ভৈয়ামবাসী জনজাতিৰ মনত মচিব নোৱাৰা সাঁচ বহুৱাটো নিশ্চয় বৰ আচৰিত কথা। এই পাহাৰৰ প্ৰভাৱ মানুহৰ হিয়াই হিয়াই সোমাইছে; ফলত মানুহে





সৰল বিশ্বাস ৰাখি নানা-নিয়ম নীতিৰ মাজেৰে পূজা কৰে।

দুধকুঁৱৰী পাহাৰ শিলেৰে গঠিত। পাহাৰখন আঁতৰৰ পৰা চালে এখন নাও উবুৰিয়াই থোৱা যেন দেখি। পাহাৰলৈ উঠি যোৱা এটা সৰু সুৰঙ্গ আছে। বহাগৰ গৰু বিহুৰ দিনা অনেক পূজাৰীৰ দ্বাৰা ইয়াত পূজা কৰা হয়। দুধ-কুঁৱৰীৰ নামত পাৰ চৰাই উৰুৱাই দিয়াৰ বাহিৰে পূজাত কোনো বলি বিধান দিয়াৰ নিয়ম নাই। প্ৰবাদ আছে যে দুধ-কুঁৱৰী পাহাৰত পূজা কৰিলে হেনো বৰষুণ হয়। ইয়াত পূজা গলে সকলোৱে বগা কাপোৰ পিন্ধি যোৱাৰ নিয়ম। অইন ৰঙৰ কাপোৰ পিন্ধি গলে অমঙ্গল হোৱা বুলি মানুহৰ বিশ্বাস।

দুধ-কুঁৱৰী পাহাৰৰ শিলত শ্ৰীকৃষ্ণৰ সুদৰ্শন চক্ৰৰ চিহ্ন কটা আছে। বহু দেৱতাৰ মূৰ্তি শিলত অঙ্কিত থকাৰ উপৰিও শিলেৰে নিৰ্মিত মাকো আৰু শালৰ খুটি ইয়াত দেখিবলৈ পোৱা যায়। ইয়াত বোলে এডাল ডাঙৰ লক্ষ্মী সাপ আছে, বৈ বৈ উঠাৰ পাছত ই পথাৰলৈ ওলাই আহে। সাপডাল ওলালে খেতি পথাৰৰ বোৱা ভাঙি যায় আৰু ধানৰ বোৱাবোৰ লহপহকৈ বাঢ়িবলৈ ধৰে। সাপডাল কিন্তু কোনেও নেদেখে।

দুধ-কুঁৱৰী পাহাৰৰ পশ্চিম ফালে কিছু দূৰত কামাখ্যা দেৱীৰ থান আছে। ইয়াত ছাগলী, কুকুৰা চৰাই, পাৰচৰাই আদি বলি দিয়া হয়। এই পূজা শিলৰ তলত কৰা হয়। থানৰ ওচৰত দীঘে প্ৰায় ছয়ফুট আৰু বহলে প্ৰায় পাঁচফুটমানৰ এটা শিলৰ পুখুৰী আছে। গোটেই বছৰ জুৰি ইয়াত পানী থাকে। পূজাত বাইজে ইয়াৰ পানী ব্যৱহাৰ কৰে। পূজাৰ পিছত ইয়াত প্ৰীতি-ভোজনৰ আয়োজন কৰে। এই পূজালৈ ৰাইজ একেলগে যাব লাগে আৰু একেলগে আহিব লাগে।

এনে ধৰণৰ শিল-পাহাৰবোৰ কি, কিয় ইয়াৰ ওপৰত মানুহৰ ইমান বিশ্বাস; কেনেকৈ এইবোৰ মানুহৰ ইমান হৃদয়-স্পৰ্শ কৰি অন্তঃস্থলত গভীৰ ভাবে ৰেখাপাত কৰিলে, এইবোৰ কাহিনী-উপকাহিনীবোৰ আজিও কিয় মানুহৰ ইমান ৰুচিপূৰ্ণ হৈ আছে, এইবোৰ কথাই আমাৰ অবুজ মন সদায় আমনি কৰি থাকে। আমাৰ ভাব হয় এইবোৰ যদি গৱেষণা দৃষ্টিৰে জুখি-মাখি চাই সৰ্বসাধাৰণৰ লগত থকা নিবিড়তাৰ মহত্ব প্ৰকাশ কৰিব পৰা যায় তেতিয়াহলে সভ্যতাৰ মৌলিকতাৰ স্বৰূপ নিৰ্ণয় কৰাৰ সুবিধা হোৱাৰ উপৰিও কলা কৃষ্টিৰ দিশ এটা চহকী হব।

———

শ্ৰীপ্ৰদীপ শৰ্মা

# অসম-স্থাপত্যৰ উৎপত্তি আৰু বিকাশ

অসমৰ স্থাপত্যৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে কোনো ধৰণৰ বৈজ্ঞানিক গৱেষণা আজিকোপতি হোৱা নাই। প্ৰদেশখনৰ চুকে-কোণে পৰি থকা অসংখ্য ভগ্নাৱশেষ আৰু টিকি থকা স্থাপত্যৰাজিয়ে অস্পষ্ট অতীতৰ গৰ্ভত নিমজ্জিত হৈ থকা এক খিলঞ্জীয়া ইতিহাসৰ স্পষ্ট পটন্তৰ দাঙি ধৰা স্বত্বেও এই ঐতিহ্যৰ পাতনি আৰু প্ৰসাৰৰ বিষয়ে কোনো গৱেষণা এতিয়ালৈকে নোহোৱাটো বৰ পৰিতাপৰ বিষয়।

প্ৰত্যেক জাতিৰেই স্থাপত্য বিকাশৰ ইতিহাস টিকি থকা প্ৰমাণবোৰ তথ্যপূৰ্ণ যুক্তিৰে বিচাৰ কৰি নিৰুপণ কৰা হয়। অসম-স্থাপত্যৰ উত্থানৰ উহ বিচৰাতো এই পদ্ধতিৰ ব্যতিক্ৰম হব নোৱাৰে। ভাৰতীয় মৌলিক স্থাপত্যৰ উৎস হ'ল ইয়াৰ আদিমবাসীয়ে ব্যৱহাৰ কৰা অস্থায়ী পূৰ্ণ-কুটীৰ আৰু কাঠ বাঁহৰ আবাস আদি। বিহাৰৰ বৰাবাৰ পাহাৰত থকা খৃঃ পূৰ্ব তৃতীয় শতিকাৰ লোমাৰিসি আৰু চুদামা গুহাদ্বয়ত, খৃঃ পূঃ প্ৰথম শতিকাৰ বম্বে প্ৰদেশত থকা বিতোপন কালি চৈত্য-গুহাত, ভাৰতীয় গাঁঠনি-স্থাপত্যৰ প্ৰথম পৰ্য্যায়ৰ সৃষ্টি, দাক্ষিণাত্যৰ টে'ৰ আৰু চেজ্জাৰলাৰ মন্দিৰ আৰু আইহলৰ লাভখান আৰু দুৰ্গামন্দিৰত (খৃষ্টীয় ৫ম শতিকাৰ), বা অজন্তা, ইলোৰাৰ কাৰু-কাৰ্য্যখচিত চৈত্য-ৰাজিত ইতিহাসৰ আদিম-পুৰাৰ বসবাসীসকলৰ কাঠ-বাঁহৰ ঘৰৰ হুবহু অনুকৰণ প্ৰতিফলিত হৈছে। অসমৰ এই আদিম অৱস্থাৰ বিষয়ে জানিবলৈ কোনো উপায় নাই। কিন্তু টিকি থকা প্ৰমাণ আৰু পুৰাতাত্বিক অৱশেষৰ পৰা এই স্থাপত্যৰ অনুৰূপ বুলি অনুমান কৰিব পৰা যায়; অসমৰ আটাইতকৈ পুৰণা স্থাপত্য-ভাস্কৰ্য্য বুলি স্বীকৃতি লাভ কৰা তেজপুৰৰ বামুণী পাহাৰ, মাজগাওঁ, দ-পৰ্বতীয়া গাওঁৰ





অৱশেষ আৰু গুৱাহাটী, ডুমলিগড় (গোলাঘাট মহকুমাৰ), যোগীজান (নগাওঁ জিলা) আদিৰ ভগ্নাৱশেষৰ পৰা এই অনুমান প্ৰকট হৈ পৰে। এই অৱশেষবোৰৰ পৰিপ্ৰেক্ষিত অসম-স্থাপত্যৰ অতীত সীমা ৪ৰ্থ-৫ম শতিকালৈকে নিব পৰা যায়। এতেকে অসমৰ মৌলিক স্থাপত্যৰ পম খেদি সম্পূৰ্ণ অনুমেয় যুক্তিৰ আশ্ৰয় লৈ অবাৰতে সময় নষ্ট কৰাতকৈ সম্ভৱতঃ ইয়াক সুবৃহৎ সৰ্বভাৰতীয় স্থাপত্যৰ এটা শাখা হিচাপে লৈ সেই স্থাপত্যত স্থানীয় প্ৰভাৱ আৰু অৱিহণাৰ বিষয়ে বিশ্লেষণ কৰাতো বেছি ফলপ্ৰদ হব।

পৃথিৱীৰ কোনো স্থাপত্য-সৃষ্টিয়েই কটকটীয়া ভাৱে মৌলিক আৰু স্বয়ং-সম্পূৰ্ণ হব নোৱাৰে। কোনো এক সৃষ্টিৰ মূল ধাৰণা আদিম নিৰ্মাণ পদ্ধতিৰ পৰা লোৱাৰ পিছত প্ৰয়োজন আৰু কাৰিকৰী ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰি ই ক্ৰমে গঢ় লৈ উঠে। কাৰিকৰী দক্ষতা অৰ্জাৰ পথ হ'ল দুটা—স্থানীয় ক্ৰমবিকাশৰ মাজেৰে হোৱা অভিজ্ঞতা আৰু আন্তৰ্জাতিক আদান-প্ৰদান। ইয়াৰে দ্বিতীয় পদ্ধতিতো ক্ষিপ্ৰ আৰু কাৰ্য্যকৰী হোৱা বাবে ই সদায় জনপ্ৰিয় হৈ আহিছে। যি শ্ৰেষ্ঠ, সেয়া সকলোৰে প্ৰাপ্য আৰু আদৰণীয়। এই বাবেই মৌৰ্য্য স্থাপত্যত পাৰস্যৰ একীমেনিদ স্থাপত্যৰ প্ৰভাৱ বা ভাৰতীয় ইচলামীয় স্থাপত্যত হিন্দু পদ্ধতিৰ প্ৰভাৱ পৰিছে। অসমৰ স্থাপত্যতো নিশ্চয় আদান-প্ৰদানৰ মাজেৰে শ্ৰেষ্ঠতা লভাৰ চেষ্টা সুদূৰ অতীতৰ পৰাই চলি আহিছিল। প্ৰাক্ আহোম যুগত এই চেষ্টা কিমানদূৰ সফল-কাম হৈছিল সেয়া অস্পষ্ট হ'লেও সেই চেষ্টাৰ প্ৰমাণ একেবাৰে নথকাও নহয়। গোৱালপাৰাৰ মৰনৈত পোৱা ভাস্কৰ্য্য খচিত অতিকায় দুৱাৰৰ ধাম, তেজপুৰৰ ক'লপাৰ্কত থকা এক সুউচ্চ সূৰ্য্য মন্দিৰৰ বিয়াগোম চৌকাঠ আদিৰ অৱশেষত এক বলিষ্ঠ চেষ্টাৰ প্ৰমাণ স্বাক্ষৰিত হৈছে। আহোম যুগত এই প্ৰচেষ্টা বেছি স্পষ্ট আৰু প্ৰসাৰিত হৈছিল।

শ্ৰেষ্ঠ আৰু সুন্দৰ স্থাপত্যৰ ৰূপে শিল্পী-কাৰিকৰৰ আৰু কলাকাৰৰ চিন্তাত প্ৰভাৱ পেলায়। কলা-কৃষ্টিৰ ক্ষেত্ৰত ই এক নতুন ৰুচিবোধৰ সৃষ্টি কৰে। মিছৰৰ পিৰামিড বা আগ্ৰাৰ তাজ-মহলৰ প্ৰতিকৃতিয়ে আধুনিক ড্ৰইং ৰুম শোভা কৰাৰ দৰে অতীতৰ শিল্পী ভাস্কৰ গোষ্ঠীয়ে নিজ কল্পনা বা পৃষ্ঠপোষকৰ অভিৰুচিক ৰূপায়িত কৰিবৰ বাবে সেই সময়ৰ বিখ্যাত মঠ-মন্দিৰৰ ৰূপ পৰৱৰ্তী স্থাপত্যৰ গাত সাজ-সজ্জাৰ বাবে ব্যৱহাৰ কৰিছিল। সেইবাবে, এসময়ত শ্ৰেষ্ঠ স্থাপত্যৰ সৃষ্টিৰে ভাৰতত প্ৰখ্যাত হৈ পৰা উৰিষ্যাৰ ৰেখ-দেউলৰ প্ৰতিচ্ছবিয়ে অসমৰ বহুত মন্দিৰৰ গা অলঙ্কৃত কৰিছিল। তেজপুৰৰ বামুণী পাহাৰ আৰু নগাওঁ জিলাৰ যোগীজান অঞ্চলত থকা মন্দিৰৰ অৱশেষত মনে ৰেখা দেউলৰ প্ৰতিৰূপ শিলাখণ্ডৰ ওপৰত খোদিত কৰা দেখা যায়। কামাখ্যা পাহাৰৰ অতিকায় শিলৰ গাতো এনে নক্সা দেখিবলৈ পোৱা যায়। গাৰোপাহাৰৰ ফুলবাৰী অঞ্চলত থকা ভাইটবাৰীৰ অৱশেষত পোৱা এক খণ্ড মৃন্ময় ভাস্কৰ্য্যৰ গাত থকা উৰিষ্যাৰ পীৰা-দেউলৰ নক্সাও এই ক্ষেত্ৰত উল্লেখযোগ্য।

আহোম স্থাপত্যৰ এটা আকৰ্ষণীয় দিশ হ'ল ইয়াৰ নক্সাত অস্থায়ী ঘৰ-বাৰীৰ প্ৰভাৱ।

প্ৰায়বোৰ আহোম মন্দিৰবে মূল মন্দিৰৰ (বিমান) ৰূপ উৰিষ্যাৰ ৰেখা-দেউলৰ লেখীয়া হলেও ইয়াৰ অন্তৰাল, মণ্ডপ আদিৰ স্থাপত্যৰ নক্সা অস্থায়ী চাল পদ্ধতিৰ হুবহু অনুকৰণ। এই 'চাল' নক্সাক প্ৰধানকৈ দুভাগত ভগাব পাৰি—'বঙ্গীয় চাল পদ্ধতি'' আৰু 'অসমীয়া বা স্থানীয় চাল পদ্ধতি।' ইয়াৰে প্ৰথমবিধ হ'ল আমাৰ প্ৰতিবেশী ৰাজ্য বঙ্গৰ অনুকৰণত কৰা। এই পদ্ধতিৰ স্থাপত্যত চালৰ কানিচ আৰু মুধচৰ নক্সা ধনুভিৰীয়া হয়। শেষ মধ্যযুগত হোৱা বঙ্গৰ প্ৰায় বোৰ মন্দিৰতে এই পদ্ধতিৰ প্ৰাচুৰ্য্য দেখা যায়। ইয়াৰ উৎস হ'ল বঙ্গদেশত অতীতৰ পৰা ব্যৱহাৰ হৈ অহা অনুৰূপ খেৰ-বাঁহৰ ঘৰ। আহোম যুগত বহুতবোৰ মন্দিৰৰ মন্দপৰ বাবে এই নক্সাৰ ব্যৱহাৰ কৰা হৈছিল। শিৱসাগৰৰ শিৱদ'লৰ চাৰিচলীয়া মণ্ডপ, কামাখ্যা মন্দিৰৰ জগমোহনৰ গম্বুজ; কামাখ্যাৰ পুৰণা বাটৰ আৰম্ভনীতে থকা টোৰণ আদিত ইয়াৰ ব্যৱহাৰ দেখা যায়। 'স্থানীয় চাল পদ্ধতি'ৰ ব্যৱহাৰ অসমৰ স্থাপত্যৰ বাবে এক মৌলিক আৰু স্থানীয় আৱিষ্কাৰ। অসমৰ খেৰ-বাঁহেৰে সজা ঘৰৰ চালৰ দৰে এই নক্সাত ঘৰৰ কানিচ আৰু মুধচৰ ৰূপ পোন হয়। অসমৰ প্ৰায়বোৰ শেষ-মধ্যযুগীয় স্থাপত্যতে এই পদ্ধতিৰ বহুল ব্যৱহাৰ চকুত পৰে। শিৱসাগৰৰ বিষ্ণুদ'ল আৰু দেৱীদ'লৰ মণ্ডপ, গৌৰীসাগৰৰ তিনিটা দ'লৰ মণ্ডপ আৰু কামাখ্যা মন্দিৰৰ নাটমণ্ডপৰ চালত ইয়াৰ প্ৰয়োগ দেখা যায়। অৱশ্যে জয়সাগৰৰ স্থাপত্যত এই পদ্ধতিৰ পূৰ্ণপ্ৰয়োগ দেখা গৈছে। জয়দ'লৰ কাষত থকা শ্ৰীসূৰ্য্য আৰু গণেশ মন্দিৰ দুটা, আৰু পুখুৰীৰ পশ্চিম পাৰত থকা দেৱীঘৰৰ নক্সা 'স্থানীয় চাল পদ্ধতি''ৰ শ্ৰেষ্ঠ উদাহৰণ।

সম্ভৱতঃ সত্ৰত ব্যৱহৃত অস্থায়ী নামঘৰৰ নক্সায়ো অসমৰ শেষ-মধ্যযুগীয় স্থাপত্যৰ ওপৰত প্ৰভাৱ পেলাইছিল। কোনো কোনো সত্ৰত নামঘৰৰ সন্মুখভাগৰ প্লেন ধনুভিৰীয়া দেখা যায়। এই প্লেন অজন্তাৰ প্ৰায় পোন্ধৰশ বছৰ পূৰণি চৈত্য-গুহাবোৰত ব্যৱহৃত হৈছিল। অসমৰ সত্ৰীয়া নামঘৰত এই প্লেনৰ ব্যৱহাৰ কেনেকৈ হ'বলৈ পালে সেয়া জনা নাযায়। অসমৰ স্থাপত্যত এই ধনুভিৰীয়া প্লেন (Apsidal plan) ৰৰ বেছি দেখা নাযায় যদিও জয়সাগৰৰ জয়দ'লৰ ভগ্নপ্ৰাপ্ত অতিকায় মণ্ডপ বাৰু কামাখ্যাৰ নাটমণ্ডপত ইয়াৰ সুন্দৰ প্ৰয়োগ চকুত পৰে।

কামাখ্যা মন্দিৰত থকা পঞ্চৰত্নলৈ চাই (পাঁচোটা শিখৰ বিশিষ্ট মাজৰ অংশ) অসমত "ৰত্ন পদ্ধতি''ৰ ব্যৱহাৰ থকাটোও অনুমান কৰিব পাৰি। অৱশ্যে বঙ্গৰ শেষ মধ্যযুগীয় স্থাপত্যত প্ৰাধান্য লাভ কৰা এই পদ্ধতিটো অসমত তেনেকৈ জনপ্ৰিয় নহ'ল। (সম্ভৱতঃ কামাখ্যা মন্দিৰৰ পঞ্চৰত্নই বৰ্তমান অসমৰ আৰু বঙ্গদেশত টিকি থকা সকলোখিনি এনে স্থাপত্যৰ ভিতৰত আটাইতকৈ পুৰণি)।

অসমৰ স্থাপত্য সৰ্বভাৰতীয় স্থাপত্যৰ এটা শাখা হলেও ইয়াৰ এক নিজস্ব বৈশিষ্টতা আছে। প্ৰাক-আহোম যুগৰ পৰাই এই অঞ্চলটো প্ৰাচ্য আৰু পাশ্চাত্য সংস্কৃতিৰ এক আকৰ্ষণীয় মিলন

(৪৪ পিঠিত চাওক)

শ্ৰীৰঘুনাথ দেৱ চৌধুৰী

# বজালীৰ সেৱা-ধৰ্ম

পূৰ্ববঙ্গৰ বহু অংশকে ধৰি প্ৰাচীন কামৰূপ দেশত অসংস্কৃত বৈষ্ণৱ ধৰ্মৰ মুত্তি আছিল। সেৱা-ধৰ্ম সম্প্ৰদায়গত ভাৱে চলিছিল। বৰ্তমানৰ কামৰূপত ঠায়ে বিভিন্ন সেৱা-ধৰ্মৰ প্ৰচলন আছে। সেইবোৰৰ ভিতৰত পূৰ্ণ-সেৱাৰ বিষয়ে নগেন্দ্ৰ নাথ বসুৱে প্ৰকাশ কৰা 'শূন্য পুৰাণ'ত পূৰ্ণ নিৰঞ্জনৰ পূজা-সেৱা, বঙ্গ সাহিত্যৰ 'শ্ৰীধৰ্মমঙ্গল' কিতাপত আৰু কামৰূপৰ 'গোটা ভাগৱত' পুথিত আৰু 'পূৰ্ণ ভাগৱত'ত ধৰ্মনাথ আৰু নিৰঞ্জনৰ সেৱাৰ কথা থকা বুলি পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱে লিখা 'ৰাতি খোৱা সম্প্ৰদায়' শীৰ্ষক প্ৰবন্ধত উল্লেগ কৰিছে (১৯২৭ খৃঃ ৩য় খণ্ড ৯ম সংখ্যাৰ পষেকীয়া 'আসাম হিতৈষী')। উক্ত প্ৰবন্ধত তেখেতে পূৰ্ণ-সেৱা বা নিৰঞ্জন-সেৱাৰ প্ৰচলিত ৰীতি নীতিৰ বিষয়েহে বৰ্ণনা দিছে। পূৰ্ণ-সেৱা, মেৰু-সেৱা, ভকত-সেৱা আদি সেৱা-ধৰ্ম সাধাৰণতে ৰাতি সম্পন্ন কৰা হয়। প্ৰতিটো সম্প্ৰদায়ৰে নিজা নিজা কৰণি (ক্ৰিয়া) পূজা, অৰ্চনা, বন্দনা আদিৰ অনৈক্যৰ মাজত মানস কৰা গৃহস্থই যথাশক্তি আয়োজন কৰা ভোজন ৰাতিৰ ভিতৰত কৰা হয়। কাজেই তেখেতৰ প্ৰবন্ধৰ শিৰোনামাৰে আটাইবোৰ সেৱা ধৰ্মকে সাঙুৰিলেও তেখেতে নিৰঞ্জনৰ সেৱাকহে বুজাইছে আৰু সেই বিষয়ে আলোচনা কৰিছে। পূৰ্ণ নিৰঞ্জনৰ সেৱা পুৰণি কামৰূপৰ বৈষ্ণৱ ধৰ্মৰ সম্প্ৰদায়কেইটাৰ আগৰে পৰা প্ৰচলিত থকালৈ চাই তেখেতে অসম্ভৱতঃ সেই ধৰ্ম গোপনভাৱে আচৰণ কৰা বৌদ্ধ ধৰ্মৰ এটা ৰূপান্তৰ বুলি ভাৱে আৰু হীনযান বৌদ্ধ ধৰ্মৰ বিকৃত ৰূপ। এই সম্প্ৰদায়ৰ গ্ৰন্থবোৰত ধৰ্ম প্ৰচাৰক বৈষ্ণৱ সকলক ভক্তিভাৱেৰেই উল্লেখ কৰিছে। সেই গ্ৰন্থবোৰ বৈষ্ণৱ যুগৰ শেষমানত ৰচনা কৰা হৈছিল।

সি যি কি নহওক, পুৰ্ণ-সেৰা, মেৰু-সেৰা আৰু ভকত-সেৰাত ভক্তি-মাৰ্গই মূল কথা। বৈষ্ণৱ আন্দোলনৰ পূৰ্বৰে পৰা চলি থকা তিনিবিধ সেৰা-ধৰ্ম সংস্কৃত বৈষ্ণৱ ধৰ্ম কেইটাৰ মাজত নিজৰ নিজৰ সম্প্ৰদায়ৰ আচৰণত চলি আছে।

সেৰা-ধৰ্মৰ তিনিটা সম্প্ৰদায়ৰ মূলগত উৎপত্তি আৰু ক্ৰম-বিকাশ সম্পৰ্কে আলোচনা নকৰি ভক্তি-মাৰ্গত থকা ব্যক্তিৰ পৰা বুজি লৈ ইয়াৰ কেৱল প্ৰচলিত ৰীতি-নীতি আৰু আচৰণৰ বিষয়েহে বৰ্ণনা দিয়াৰ প্ৰয়াস কৰা হ'ল। অসমৰ নানা ঠাইত সেৰা-ধৰ্ম থাকিবও পাৰে বা নাথাকিবও পাৰে; কিন্তু বজালী অঞ্চলত প্ৰচলিত সেৰা-ধৰ্মৰ বিষয়েহে ইয়াত ঠাই পাইছে।

পূৰ্ণ-সেৰা :—পূৰ্ণ-সেৰা বহুদিন আগেয়ে বজালীৰ পৰা লোপ পাইছে। কৰবাত যদি প্ৰচলিত হৈ আছে আমি নাজানো। এই সেৰা গুপুতে ঘৰৰ ভিতৰত ৰাতিহে কৰা হয়। সেৰাৰ মূল কথাণি সেই সম্প্ৰদায়ৰ ভকতসকলৰ বাহিৰে আইনে অলপো নাজানে। কেৱল সেৰা-ধৰ্মৰ মাজত থকা দুই এজন ভকতেহে কিছু আভাস পায়। গুপ্ত কথাণি বাদ দি পূৰ্ণ-সেৰাৰ ঘাই অংশ হ'ল ভোজন। ইয়াৰ সকলো ক্ৰিয়া ৰাতিৰ ভিতৰতে কৰা হয় বাবে 'ৰাতি খোৱা সম্প্ৰদায়' বোলা হয়। এই সম্প্ৰদায়ৰ একে উদ্দেশ্যেই পূৰ্ণ-সেৰা, পূৰ্ণ-নিৰঞ্জন সেৰা, নিৰঞ্জনৰ সেৰা বা পূৰ্ণভৰীয়া সেৰা আদি বিভিন্ন নামত বিভিন্ন অঞ্চলত চলিছিল। বজালীত হলে পূৰ্ণ-সেৰাহে বোলা হৈছিল।

পূৰ্ণ সেৰাত মূল মহন্তৰ পূজা হয়। ইয়াত মতা-মাইকী উভয় শ্ৰেণীৰ ভকত-ভকতনীয়ে যোগ দিয়ে। ইয়াত জাত-বিজাতৰ আৰু খোৱা খাদ্যৰ বাচ-বিচাৰ নাই বুলি কয়। ভোজনত কুকুৰা, গাহৰী আৰু ফটিকাৰ ব্যৱহাৰ প্ৰধান অঙ্গ। সম্প্ৰদায়ৰ মাজত কুকুৰাক ৰাম-পাৰ আৰু ফটিকাক ৰস বোলা হয়। ৰিবস্ত্ৰা ভকতনীয়ে বন্ধা-বঢ়া কৰে বুলি শুনা যায়। এওঁক ভক্তি-মাতৃ বোলা হয়।

সেৰাত আদিৰে পৰা অন্তলৈ সম্প্ৰদায়ৰ নিজা 'চিয়া' (গীত) ভকত-ভকতনীয়ে একেলগে বহি গায়। প্ৰতি কৰণি আৰু কাৰ্য্যৰ ক্ৰমগত চিয়া গোৱা হয়। প্ৰথমে মহন্তজনক পাদ্য-অৰ্ঘ্য-তৈল আদিৰে চৰণত সংকাৰ কৰি ধূপ, দীপ, নৈবেদ্য আদিৰে অৰ্চনা কৰি নিৰ্দিষ্ট গুৰু আসনত বহুৱা হয়। পিছত গুৰুৰ চৰণত ভক্তি নিবেদন কৰি গুৰু-পূজা কৰা হয়। এইবোৰ গুপুতে কৰা কৰণিৰ মাজত আকৌ মহন্তজনে আৱশ্যক-বোধে ভকত আৰু ভকতনীক অতি গুপুতে কৰ্ণত গূঢ়তৰ কৰণি আৰু ভক্তি-ধৰ্মৰ তত্ত্ব প্ৰকাশ কৰে।

মানস কৰি পূৰ্ণ-সেৰা পতা গৃহস্থই বিধান অনুসৰি গুৰু-মহন্তৰ চৰণ-বন্দনত তলৰ চিয়াটো গাব লাগে—

"প্ৰেম গঙ্গাজল, চৰণ-কমল, ভকতি নিৰ্মল
বৈ আছে হৃদয়ৰ মাজে।
প্ৰেম সাগৰত পৰি বুৰ দিলো
আৰু কাক ভয় আছে॥"





মহন্তৰ ভৰিৰ বুঢ়া আঙুলিৰ গাঁঠিৰ তলত অব্যক্ত ঈশ্বৰৰ থান। ভৰিৰ তলত সহস্ৰদাল পদ্মৰ থান। গেৰোৱাত গঙ্গাৰ থান। ভৰি ধুৱাই লৈ গেৰোৱাৰে বোওৱা পানীৰ ধাৰ গঙ্গা-জল।

ভকতনী ভক্তি-মাতৃয়ে বন্ধা শেষ কৰি গৃহস্থৰ তৈয়াৰ কৰা পিঠা-লাডু পৰমান্ন আদিৰে সৈতে মহন্তক আগে পিছত আইন ভকতসকলৰ পাতে পাতে অন্ন-ব্যঞ্জন আদি দিব। সকলোৱে একেলগে বহি খোৱা কাম কৰে। এই সময়ত গৃহস্থৰ মতা-মাইকীয়ে চিয়া গাব। চিয়াৰ অংশ এটা—

"ভাৰন্তত নাহি পূৰ্ণৰ শকতি।
ভকত বিলাই দিছা নিৰ্গুণ ভকতি॥
অজ্ঞানক জ্ঞান কৰে ৰসক কৰে প্ৰাণ।
আঁচল পাতিয়া মাগো দিয়া ভক্তি দান॥
.................................................
.................................................
আপদে বিপদে নেৰিবা গুৰু মোক
তযু চৰণক দাস॥

এই সম্প্ৰদায়ৰ তিনিটা শাখা আছে—কৰণি-পতীয়া পূৰ্ণ-ধৰীয়া আৰু দিগম্বৰী। তিনিওটা সেৰাৰে ভিন ভিন কৰণি আছে। কৰণি পতীয়াৰ মাটি আৰু ফুলৰ ব্যৱহাৰ, পূৰ্ণ-ধৰীয়াৰ জল-কৰণি সেৰাৰ মাজত জীয়া ৰৰালী মাছ লাগে আৰু দিগম্বৰী শাখাত এজনী মাত্ৰ ভকতনীয়ে উপস্থিত থাকি উলঙ্গা হৈ ৰন্ধা বঢ়া কৰিব লাগে। শাখা সেৰাবোৰৰ নীতিগত ব্যৱস্থা যিয়ে নহওক লাগে বা অসাধু আচৰণত থাকক বা নাথকক অতি কম সংখ্যক আমন্ত্ৰিত ভকত ভকতনীৰ কাৰণে বন্ধা-বঢ়া কাৰ্য্য এজনী ভকতনীয়ে কৰা স্বাভাৱিক।

কৰণিপতীয়া শাখাক শঙ্কিলা, পূৰ্ণ-ধৰীয়া শাখাক সম্বলা আৰু দিগম্বৰী শাখাক লম্পটা বুলি বিপক্ষবাদীয়ে ইতিকিংসূচক নাম দি এখন পুথি ৰচনা কৰে বুলি পণ্ডিত হেমচন্দ্ৰ গোস্বাঁয়ে আৰু কবি ডিম্বেশ্বৰ নেওগে 'অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী'ত ৩৭০-৩৭৭ পৃষ্ঠা জুৰি আলোচনা কৰিছে। দুয়ো জনাই পুথিখনৰ নাম উল্লেখ কৰা নাই। সম্প্ৰদায়ৰ সেৰাৰ বিধান এইদৰে বৰ্ণনা কৰিছে—

শঙ্কিলা—

শঙ্কিলা যোগৰ কিছু চিহ্ন কহো
শুনিয়োক সাৱধানে।
চণ্ডালৰ পদ জলক ভুঞ্জিৰ
বিশ্বাস কৰিয়া মনে॥
তান সিদ্ধ অন্ন কৰিব ভোজন
চৰণৰ ধূলি লৈব।.......ইত্যাদি।

সম্বলা—

সম্বলা ভক্তিৰ কহিব লক্ষণ
আৰে শুনা তুমি গৌৰী।
দুষ্ট নৰ সৱে ৰহস্য থানক
আনিব সুন্দৰী নাৰী॥
ভক্ত সবে তাইক শপত কৰিয়া
কৰ্ণত জপিব জ্ঞান।
বুলিব এতেকে ভকতি সে পাই
মহা সময়ৰ স্থান।

ভক্তিত কপট নুখুৰাই মাও
তেজিয়োক আভৰণ।
আমিও তেজিবো শৰীৰৰ বস্ত্ৰ
নকৰা লজ্জিত মন।........ইত্যাদি

লম্পটা—

শঙ্কিলা সম্বলা মিত্ৰ ভোলা যেবে
লম্পটা নাম নিশ্চয়।
.... .... .... .... ....
মায়ায়ে মুহিয়া ক্ৰিয়া কুল ধৰ্ম
তেজিবেক সমস্তয়।
গোপ্য শাস্ত্ৰ সব আপুনি ৰচিব
দিব শঙ্কৰৰ নয়॥
বুলিব শঙ্কৰে হেনয় কৰিছে!
ভকতে ব্ৰহ্ম ঈশ্বৰ।
ভকতি মাতৃক কৰিবেক ৰতি
এই অৰ্থ সাৰোত্তৰ॥""ইত্যাদি

'ৰস' আনোতে গোৱা চিয়াৰ অংশ—

আমি নও ভনী ৰসৰে পোহাৰী
ৰসপুৰ নগৰত ঘৰ।
যাওঁ ৰাজবাটে বেহাও গুৰুৰ হাতে
কাহাকো নকৰোঁ ডৰ॥
.... .... .... .... ....
আমি নও ভনী ৰসৰে বোৱাৰী
ৰসপুৰ নগৰত ঘৰ।
মাধৱৰ জীয়াৰী শঙ্কৰৰ বোৱাৰী
কাহাকো নকৰো ডৰ॥

চিয়াবোৰৰ ঠায়ে ঠায়ে শঙ্কৰ, মাধৱ, শুকদেৱ, শ্ৰীৰাম আদিৰ উল্লেখ আছে যদিও তেওঁলোকৰ লগত চিয়া বা গীত বা ৰচনাৰ কোনো প্ৰকাৰৰ সম্পৰ্ক নাই যে সি নিশ্চিত।

মেৰু-সেৱা:—মেৰু সেৱা বৈষ্ণৱ সম্প্ৰদায় কেইটাৰ মাজত অসমৰ ঠায়ে ঠায়ে বিশেষতঃ বজালীত প্ৰচলিত এবিধ সেৱা ধৰ্ম। হৰিদেৱী আৰু দামোদৰী পন্থৰ ভক্তিমাৰ্গত প্ৰৱেশ কৰা নিৰ্দিষ্ট ভকত সম্প্ৰদায়ৰ মাজত এই সেৱাৰ প্ৰচলন আছিল। এতিয়াও বৰভাগ অঞ্চলত ইয়াৰ প্ৰচলন থকা বুলি জনা গৈছে। বজালীৰ পৰা ই লোপ পালে। ভকত সম্প্ৰদায়ত দীক্ষা মন্ত্ৰ লৈ ভকত হোৱা গোসাঁই আৰু শিষ্য-প্ৰশিষ্যৰ মাজত মেৰু-সেৱা প্ৰচলনৰ প্ৰমাণ আছে। মেৰু-সেৱাত যোগ দিয়া অভকত বয়সস্থ গোসাঁই কেইগৰাকীমানৰ পৰা ইয়াৰ পদ্ধতি বুজি লৈ আগবঢ়োৱা হ'ল।

মেৰু-সেৱা সাধাৰণতে শুদিৰ ভকতসকলৰ মাজত চলিছিল। ভকত-গৃহস্থই মানস কৰি এই সেৱা পাতে। এই সেৱাত গুৰু-মহন্ত আৰু তিনি বা চাৰিজন ভকতৰ মাজত ভক্তি পন্থত প্ৰৱেশ কৰিব খোজা দুই-এজনৰ মাজত সংক্ষিপ্ত গোপন কৰণি এফেৰিত বাহিৰে আটাইখিনি প্ৰক্ৰিয়া সদৰিকৈ গিৰিহঁতৰ চোতালত পতা হয়। নতুনকৈ ভকতশ্ৰেণীত ভুক্ত হবলৈ মানস কৰা ব্যক্তিক ভক্তি মাৰ্গৰ নাম-মন্ত্ৰ, আচাৰ-বিচাৰ আদি গুৰুজনাই গুপুতে শুনাই ভকত কৰে। এই গুপুত কৰণিত নৱবিধ ভক্তিৰ ভিতৰত শ্ৰেষ্ঠ ভক্তিৰ আৰু গুৰু-ভক্তিৰ প্ৰাধান্যৰ শৰণ-ভজন কৰণি আদিৰ বিষয়ে গুৰুজনাই বুজাই ব্যক্ত কৰে।



২৪২৯-৩২।সী



আমন্ত্ৰিত গুৰু গোসাঁই আৰু ভকতসকলে আবেলি পৰতে মানস কৰা গৃহস্থৰ ঘৰত উপস্থিত হয়। নাম-পদ গাব পৰা অভকতো আমন্ত্ৰিত হৈ তাত উপস্থিত হয়। গৃহস্থজনে নিমন্ত্ৰিত ভকতসকলক আৰু গোসাঁইসকলক ভৰি ধুৱাই দিয়ে। গুৰুজনাৰ ভৰি ধুওৱাৰ নিয়ম পূৰ্ণ-সেৱাৰ নিয়মতকৈ অলপ বেলেগ। গুৰুজনাক শুদ্ধাসনত বহুৱাই লৈ তেওঁৰ আগত এখিলা আগলতি পাত আগমুৱাকৈ থৈ তাৰ ওপৰত কঁাহৰ বাটি বা মাটিৰ নতুন চক এটা ৰাখিব আৰু তাৰ ওপৰত কঁাহৰ লোটাত কৰি এলোটা পানী ৰাখি আগলতি পাত এখিলা তাৰ ওপৰত থৈ তাৰ ওপৰত গোটা তামোল আৰু আগ-গুৰি কটা পাণ এজোৰ থব। ডলা এখনত ৰখাখিনি ছুই হাতেৰে ভালকৈ দাঙি লৈ গুৰুজনাৰ মুখৰ আগত পাঁচবাৰ ঘূৰাই প্ৰথমতে পাৰি ৰখা আগলতি পাতখনৰ ওপৰতে থৈ সেৱা কৰিব। প্ৰথমতে গুৰুৰ সোঁভৰি চৰুৰ ওপৰত ৰাখিব আৰু ভৰিপতাৰ ওপৰত বাওঁহাত ৰাখি আনখন হাতেৰে ভৰিৰ গেৰোৱাৰ তলত চলু পাতি ৰাখিব, যাতে পানী সৰকি নাযায়। অইন এজনে বা গৃহস্থনীয়ে ভৰিত বাকি দিব। ভালকৈ ভৰি ঘঁহি-পিহি ধুউৱাই গেৰুৱাৰ তলত ৰখা হাতৰ পানী চৰুত এৰি দিব, দ্বিতীয় চলু গৃহস্থই মুৰত লব আৰু তৃতীয় চলু খাব। একে নিয়মে বাও ভৰিও ধুৱাব। পাদোদক কিছু ঘৰত আটাইৰে খোৱাৰ কাৰণে ঘৰলৈ লৈ যাব।

মহন্তৰ ভৰি ধুওৱা হলে গৃহস্থই তেওঁৰ ভৰিৰ প্ৰতি আঙুলিতে মিঠাতেল ঘঁহিব আৰু ক্ৰমে লাহে লাহে আঠুলৈ উজাই উজাই ঘঁহিব আৰু পিছত আঠুৰ পৰা ভৰিপতালৈ নমাই ঘঁহিব। গুৰু বা মহন্তৰ ভৰিৰ তলত বহু দেৱ-দেৱীৰ স্থান। তেওঁৰ ভৰিৰ বুঢ়া আঙুলিৰ গাঁঠিৰ তলত অব্যক্ত ঈশ্বৰৰ স্থান, ভৰিৰ তলুৱাত সহস্ৰ পদ্মৰ স্থান আৰু গেৰুৱাত গঙ্গাৰ স্থান। তেল ঘঁহাৰ অন্তত এটা চিয়া বা গুৰু-ভক্তিৰ গীত গাব। এই কাম পৰ্য্যন্ত পূৰ্ণ সেৱা আৰু মেৰু-সেৱাৰ প্ৰক্ৰিয়া একেই। পূৰ্ণ সেৱাৰ সকলো কাম গুপুতে নিজন ঘৰৰ ভিতৰত কিন্তু মেৰু-সেৱা আৰু ভকত সেৱা বাহিৰত সদৰিকৈ কৰা হয়।

সচং মেৰু-সেৱাৰ বিশিষ্ট অঙ্গ। সাজ লগাৰ পিছত গুৰু-মহন্ত আৰু চাৰিজন ভকতৰ নিৰ্দিষ্ট আসনৰ ব্যৱস্থা থাকে। চাৰিটা কলপুলি পুতি গুৰুৰ বহা আসন মধ্যত পাতে আৰু কলপুলি চাৰিটাৰ কাষে কাষে চাৰিজন নিৰ্দিষ্ট ভকতৰ বাবে চাৰিখন আসন পাতে। বেদীৰ আগত ওখ কল-ডেঙৰা এটা পুতি ৰখা হয়। ইয়াৰ ওপৰত ৰাতি-দিনে জ্বলা ডাঙৰ মাটিৰ সালোৱা চাকিৰ অখণ্ড প্ৰদীপ জ্বলোৱা হয় আৰু সচঙৰ কেউকাষে এশ আঠ গচি মাটিৰ চাকি জ্বলোৱা হয়। ধূপ-ধুনা আৰু নৈবেদ্যাদি গুৰুৰ আগত স্থাপন কৰা হয়। গুৰুজন বেদীৰ ভিতৰৰ বিশিষ্ট আসনত আৰু অইন চাৰিজনে চাৰি মেৰু হৈ নিৰ্দিষ্ট আসনত বহে।

গৃহস্থই পাদ্য-অৰ্ঘ্য, ধূপ ধুনাৰে গুৰুৰ সংকাৰ কৰি ফুল-জল আদিৰে গুৰুৰ চৰণ পূজা কৰে। পূজাত মন্ত্ৰ নাই, কিন্তু গীত-পদ গোৱা হয়। গুৰু-পূজা মেৰু-সেৱাৰ প্ৰধান অঙ্গ। গুৰুৰ ভাৰ

ধুউৱাৰে পৰা ওৰে নিশা আৰু পিছদিনাও দিনমান প্ৰতি কৰণিৰে ভকতসকলে খণ্ডুৰিৰে একোটা চিয়া গায়। বিভিন্ন কৰণিৰ বিভিন্ন চিয়া গোৱা হয়।

গুৰু পূজা শেষ হোৱাত গুৰুজন আৰু চাৰিজন মহন্তই এটাও মানুহ নথকা ঘৰলৈ গৈ উপযুক্ত আসীন হৈ গোপন কৰণি কৰে। ইয়াতো বিধে বিধে চিয়া গোৱা হয়। নতুন ভকত হব লগা জনক ইয়াত গুপুতে ভকতীয়া আচাৰ বিচাৰ নাম মন্ত্ৰ দিয়া হয়। গোপনে কাণত কিছু নামতত্ব শুনোৱা হয়। এই কৰণি ৰহস্যে কৰা হয় যিহেতু ভকতৰ মাজতহে আৱদ্ধ—সদৰি নহয়।

বৈষ্ণৱী প্ৰথাৰে নিৰামীষ ভোজন সেৱাৰ এক প্ৰধান অঙ্গ। মেৰু-সেৱাত জাতৰ বিচাৰ আছে। এতেকে কোনো হাতে-পাগে চলা গোসাঁয়ে গৃহস্থৰ আয়োজন কৰা সিদ্ধান্নৰ ব্যৱস্থা কৰে। ভকতীয়া ধৰ্মত ভাতক ভাত বা অন্ন সুবুলি চাউল-সিজোৱা বোলে। পানীক জল বোলে।

শাস্ত্ৰ-পাঠ, গুণমালা, ভটিমা গোৱা আদি সমূহীয়াভাৱে হয়। সমাজৰ কাৰণে প্ৰসাদ আৰু নৈবেদ্য সচঙৰ আগত বেলেগে ধূপ-ধূনা প্ৰদীপ আদিৰ মাজত ৰখা হয়। গীত-পদৰ সামৰণিৰ শেষত প্ৰসাদ আদি বিতৰণ কৰা হয়। শেষত সমূহীয়াকৈ জাতবিশেষে বহি ভোজন কৰে। ভোজন আদিতো গৃহস্থই চিয়া গায়।

মহন্ত আৰু ভকতসকলে শেষ ৰাতি মানে শয়ন কৰে। প্ৰভাততে চিয়াৰ মাজতে গুৰুজনা উঠি শুদ্ধাচাৰী হৈ পুনৰ অখণ্ড প্ৰদীপ আগত ৰাখি বহি সেৱা সংকাৰ গ্ৰহণ কৰি বিদায় লয়। ব্ৰাহ্মণ গোসাঁই গুৰুৰ অভাৱত অগোসাঁই মহন্তয়ো গুৰু হব পাৰে। তেওঁ গোসাঁইৰ দৰেই দক্ষিণা লয়। এই দক্ষিণা মহন্তৰ মতে নিজৰ সচঙত বস্তি জ্বলাবলৈহে লোৱা হয়।

মেৰু-সেৱা পূৰ্ণ-সেৱাৰ দৰে ৰাতিৰ ভিতৰতে হোৱা এবিধ ভকত-সেৱা।

ভকত-সেৱা :—দামোদৰী হৰিদেৱী আৰু চৈতন্য পন্থৰ লোকৰ মাজত ভকত-সেৱা বজালীত প্ৰচলিত আছে। এই সেৱা প্ৰায় মেৰু-সেৱাৰ দৰেই। ইয়াত গুৰুৰ আসন এখন পাতি থয়। আমন্ত্ৰিত গুৰুজনাই ইয়াত নবহে—এই আসন খালি থাকে। ই নিৰ্গুণ কৃষ্ণৰ আসন। ভৰি ধুওৱা পাদোদক গ্ৰহণ কৰি ভৰিত তেল ঘঁহা আদি কৰণিৰ অন্তত গুৰুৰ কাৰণে নিৰ্দিষ্ট অইন আসনত গুৰুজনাই বহে। অন্যান্য ভকত সকলে আৰু গীত পদ আদিত আৰু শাস্ত্ৰ সদাচাৰত মন থকা অভকতসকলে গুৰু আৰু মান্যস্থানীয় লোকসকলৰ অলপ ভাঠিত বহাৰ আগতে গুৰু, গোসাঁই ভকত আৰু অভকত গোসাঁইসকলক এজন এজনকৈ উঠি গৈ চৰণ চুই সেৱা কৰে। গৃহস্থই গুৰুৰ আগত সাষ্টাঙ্গে সেৱা কৰে। প্ৰত্যেক কম বয়সীয়া ভকতে বেছি বয়সীয়া সকলক ব্যক্তিগতভাৱে সেৱা কৰে। কম বয়সীয়া হলেও গোসাঁই মহন্তজনক সকলোৱে সেৱা কৰে।



গুৰুজনাৰ আগতে পাৰি থোৱা শুধ কাপোৰ পৰা আসনৰ কাপোৰ আঁতৰাই গৃহস্থৰ ভকতজনে বা আইন ভকতে বহি লৈ গুৰুক ধূপ-ধূনা প্ৰদীপ-নৈবেদ্য আদিৰ মাজত গুৰু-পূজা অৰ্চনা কৰে।

গুৰু-পূজাৰ অন্তত গুৰুজনাৰ সৈতে ৰহস্যৰ ঠাইলৈ গৈ তিনিজন ভকতে গোপনভাৱে কৰণি কৰে। ইয়াৰ পিছত শ্ৰীমদ্ভাগৱত গীতা ( পদ্য গীতাও হব পাৰে ) আৰু শ্ৰীমদ্ভাগৱতৰ শ্ৰীকৃষ্ণৰ লীলা আৰু ভক্তিতত্বৰ শাস্ত্ৰ পাঠ হয়। তাৰ পিছত গীত-পদ গোৱা হয়। শ্ৰীকৃষ্ণৰ শিশু-লীলা বিষয়ক দামোদৰদেৱ, হৰিদেৱ আৰু মাধৱদেৱৰ ৰচনা কৰা গীত আৰু বৰগীত গোৱা হয়। এইবোৰৰ উপৰিও কোনো ভকতৰ ৰচনা কৰা গীতো গোৱা হয়। গীত-পদৰ সামৰণিৰ পিছত নৈবেদ্য প্ৰসাদ গ্ৰহণ আৰু নিৰামিষ ভোজন সমাপ্ত হয়।

মহন্তজন সাধাৰণতে ভকতীয়া বৈষ্ণৱ ধৰ্মত শৰণ-দীক্ষা লোৱা কাম, ক্ৰোধ, লোভ আৰু মোহ বৰ্জিত ঈশ্বৰ-ভক্তিপৰায়ণ গোসাঁই হব লাগে। ইয়াৰ উপৰিও মহন্তৰ সকলো প্ৰকাৰৰ গুণ থকা লোক হ'লে সন্মানাৰ্হ হয়। এওঁ ভকতৰ গুণ থকা অইনক ভকতীয়া ধৰ্মত নাম মন্ত্ৰ শৰণ দিয়ে।

গুৰু-আসনত মান্যৱৰ গোসাঁই মহন্ত অন্যান্যই বিধে বিধে আসনত বহি সাধু-সমাজ এখন সৃষ্টি কৰি শ্ৰৱণ, কীৰ্তন, অৰ্চণ, বন্দন, দাস্য, সখিত্ব, স্মৰণ, পদসেৱন আৰু আত্ম-নিবেদন এই নৱধা ভক্তিৰ নাম-কীৰ্তন, পদ-গীত, শাস্ত্ৰ-পাঠ আদিৰ মাজত শ্ৰীকৃষ্ণৰ লীলাত ভকত-ভকতনী আৰু অন্যান্য শ্ৰোতাসকলৰ মনোনিবেশ হয়—নিৰ্গুণ কৃষ্ণৰ গুণত। ভকত সেৱাৰ মূল-তত্ব হ'ল,—



নাহং তিষ্ঠামি বৈকুণ্ঠে যোগিনাং হৃদয়ে ন চ।
মদ্ভক্তাঃ যত্ৰ গায়ন্তি তত্ৰ তিষ্ঠামি নাৰদ ॥

মাধৱদেৱৰ অনুবাদ—

একান্ত ভকত সবে নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠকো পৰিহৰি যোগীৰো হৃদয় এৰি
থাকে হৰি সাক্ষাতে তথাত ॥

— মাধৱদেৱ

গৃহস্থৰ সংকল্পমতে ভকত-সেৱা অষ্ট প্ৰহৰ—সন্ধ্যাৰ পৰা পিছদিনা গধূলিলৈ বা চাৰিপ্ৰহৰ—গধূলিৰ পৰা সন্ধ্যালৈ পালন কৰা হয়। অষ্ট প্ৰহৰ সেৱাত সময়ৰ উপযোগী কৃষ্ণলীলাৰ গীত গোৱা হয়। যেনে—পুৱা শ্ৰীকৃষ্ণৰ নিদ্ৰা-ত্যাগৰ গীত, আগবেলা গৰু চাৰিবলৈ যোৱা গীত, দিনত শ্ৰীকৃষ্ণৰ ব্ৰজত লৱনু চুৰি কৰা, ধৰাত পৰা, যশোদাই বান্ধি থোৱা, ৰোহিনীৰো অংশ গ্ৰহণ আদিৰ গীত আৰু গধূলি শ্ৰীকৃষ্ণৰ গৰু ঘৰ চপোৱা, গৰু বন্ধা আদি বিষয়ক গীত-বোৰ গোৱা হয়।

মূঠ কথা গুৰু মহন্তক সাক্ষাৎ ৰাখি শ্ৰীকৃষ্ণৰ শিশু-লীলাৰ মাজেদি নিৰ্গুণ কৃষ্ণৰ গুণ অন্ততঃ শ্ৰৱণ কীৰ্তনৰ মাজেদি হৰিনাম ৰস পান কৰি ধৰ্ম-সভাখনে উপস্থিত সকলক মুক্তিৰ পথলৈ আগুৱাই নিয়াত সহায় কৰে যে ই নিশ্চয়। ভকত-সেৱকৰ চোতালনখন কেইপ্ৰহৰৰ কাৰণে হ'লেও—

"হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী"ৰ তত্ব প্ৰকট হয়।

কৃষ্ণ ভক্তিৰ তত্বৰ শ্ৰৱণ-কীৰ্তন, ভজন, বন্দন আদিয়েই ভকত সেৱাৰ ঘাই বিষয়।

# পুথি সমালোচনা

***অসমীয়া লোকগীতি সঞ্চয়ন*** ( প্ৰথম খণ্ড ) সংগ্ৰহ আৰু সম্পাদনা—ডক্টৰ হেমন্ত কুমাৰ শৰ্মা ; প্ৰকাশক—হেমন্ত কুমাৰ শৰ্মা, অন্নপূৰ্ণা নিলয়, লাচিত নগৰ, গুৱাহাটী-৭ ; পৃষ্ঠা ২৭+৩০৪ ; ১৯৭৪ চন মূল্য ১৫·০০ টকা।

ড° হেমন্ত কুমাৰ শৰ্মাই এই লোকগীতি সংকলনৰ পাতনি স্বৰূপে বিষয়টো সম্বন্ধে থূল-মূলকৈ আলোচনা কৰি বৰ সুন্দৰকৈ আৰু উপযুক্তভাৱে লিখিছে, "অসম দেশ বিচিত্ৰ জাতি আৰু ভাষাভাষীৰ মিলন-ভূমি। এই লোক-সকলৰ সমন্বয়ত গঢ় লৈ উঠা অসমীয়া সংস্কৃতি এখনি বাৰেবৰণীয়া ফুলনিবাৰীৰ দৰেই জাতিস্কাৰ হৈ আছে। সেই ফুলনিৰ জক্‌মকীয়া ফুল আৰু গছ-পাতেৰে সুশোভিত এজোপা ধুনীয়া গছ হ'ল অসমীয়া লোকগীতি।" অসমীয়া লোকগীতৰ সংগ্ৰহ ইতিপূৰ্বেও প্ৰকাশ হৈছে ; কিন্তু বৰ্ত-মানখনৰ দৰে উজনি-নামনি সকলো অঞ্চল সামৰি এনে পূৰ্ণাঙ্গ ৰূপত বোধহয় এয়ে প্ৰথম। অৱশ্যে এইখনি প্ৰথম খণ্ডহে ; আৰু সেয়ে বোধহয় নামনি অসমৰ গীত ইয়াত কিছু পৰিমাণে সৰহ দেখা গৈছে। কিন্তু কেউটা অঞ্চল সামৰি যিখিনি গীত ( ৪৯ বিধ—মুঠ সংখ্যা ৪১৮ ) ইয়াত দিয়া হৈছে সেইখিনি-য়েই উপৰোক্ত সংজ্ঞাৰ কাৰণে যথেষ্ট আৰু বিভিন্ন অঞ্চলৰ গীতৰ তুলনা কৰিবলৈ তথা অসমীয়া জনমানসৰ সন্ধান লবলৈ যথেষ্ট। ড° শৰ্মাই দেশী-বিদেশী পণ্ডিতৰ মতামত চালিজাৰি চাই এই শ্ৰেণী মৌখিক সাহিত্যৰ নৈৰ্ব্যক্তিকতা আৰু সামূহিকতাত ঠিকেই গুৰুত্ব আৰোপ কৰিছে, আৰু ইয়ে কালক্ৰমতাৰ গুণতহে এইদৰে সামূ-হিকভাৱে গৃহীত হয় তাকো লক্ষ্য কৰিছে। এইবিলাক গুণৰ কাৰণেই লোকগীতসমূহ সাধা-ৰণতে নামহীন হয়। কিন্তু এই সংকলনত কেইটা-মান কবিৰ নামযুক্ত গীতো সন্নিৱিষ্ট হৈছে, আৰু ইয়াৰ কাৰণ হিচাপে এইবিলাক লোকগীতৰ নিচিনাকৈয়ে মুখে মুখে প্ৰচলিত হয় বুলি কোৱা হৈছে—বোধহয় ইয়াত উক্ত কালক্ৰমতা গুণটো আৰোপ কৰিব পাৰি। বৰ্তমান সংকলনত ইতিপূৰ্বে চকুত নপৰা ভালেমান গীত সন্নিৱিষ্ট হৈছে—যেনে, বৰশীবোৱা গীত, জগন্নাথৰ নাম, পচলাৰ গীত, শিৰ-শিৰো গীত, চৰা-ব্ৰতৰ গীত, আউলা পূজাৰ নাম—যিবিলাকে নিশ্চয় অসমীয়া গীতৰ সংগ্ৰহক চহকী কৰিব।

এই গীতসমূহক বিষয়-বস্তু অনুযায়ী তিনিটা ভাগত ভগোৱা হৈছে—অনুষ্ঠানমূলক, কৰ্মমূলক, আখ্যানমূলক। আকৌ প্ৰত্যেক বিধক আৱশ্যক অনুযায়ী উপবিভাগত ভগোৱা হৈছে ; যেনে, অনুষ্ঠানমূলক গীতক ভক্তিনিৰপেক্ষ আৰু ভক্তি-প্ৰধানত ঠাই দিয়া হৈছে (সংকলনত ভক্তিমূলক গীতেই সৰহ)। গোৱালপৰীয়া লোকগীতসমূহক এটা বেলেগ শাখাত স্থান দিয়া হৈছে। ভক্তি প্ৰধান গীতৰ সংখ্যা বেছি হোৱাৰ কাৰণ বোধহয় ধৰ্ম বিশ্বাসৰ সৈতে জনজীৱন ওতপ্ৰোত সম্বন্ধ হোৱাটোৱেই—নানান পূজা-পাৰ্বন উদ্‌যাপন কৰিবলৈ যাওঁতেই এইবিলাক গীত ৰচিত হৈছে বুলি ইবিলাকৰ প্ৰকৃতিৰ পৰা বুজিব পৰা যায়। এইখিনিতে আমি বিশেষভাৱে উল্লেখ কৰিব খোজোঁ যে কামৰূপ জিলাৰ নানান ঠাইৰ পৰা ৰাতীয়া মতাৱলম্বী বহুগীত ইয়াত সংগ্ৰহ কৰি দিয়া হৈছে। সন্নিৱিষ্ট পাৰমাৰ্থিক আৰু দেহবিচাৰৰ এই গীতবিলাক অসমৰ অন্যান্য ঠাইত প্ৰচলিত গীত-মাতৰ সৈতে বিজাই চাবলৈ ইয়াৰ দ্বাৰা সুবিধা হৈছে। ই এক ধৰণৰ গুহ্য ধৰ্ম-পন্থা হোৱাত এই সম্পৰ্কীয় অনুসন্ধানতো এইবিলাকে সহায় কৰিব পাৰিব। কামৰূপতে প্ৰচলিত এটি নিমাইৰ গীত আৰু এটি কবীৰাৰ গীতো ইয়াত আছে—এই ধৰণৰ গীতে বাহিৰৰ প্ৰভাৱৰ কথা সূচাইছে, যদিও কবীৰা বা কবীৰ কোন সেইটো স্পষ্ট হোৱা নাই। কোনোবাই এই বিষয়ে অনুসন্ধান কৰিব পাৰে।

প্ৰভাৱৰ কথা কওঁতে এই গীতবিলাকৰ ওপৰত জনপ্ৰিয় পুৰাণসমূহ আৰু অসমৰ বৈষ্ণৱ কবিসকলৰ ৰচনাৰ প্ৰলেপ পৰা পাঠকে সহ-জেই দেখিবলৈ পাব। বৰগীতবিলাকে কামৰূপী লোকগীতৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাটো অস্বীকাৰ কৰিব নোৱাৰি। একো একোটা লোক-



গীত কোনো কোনো বৰগীতৰ ছাঁ যেনেই লাগে। গোসানীৰ নামৰ মাজত ৰূপং দেহি জয়ং দেহি বুলি পোনপটীয়াকৈয়ে গোৱাৰ কথা উল্লেখ কৰা হৈছে ; সেইদৰে "বাথ বাথা মহামায়া মায়া বাঘে খায়" আৰু "নাজানোহো আৱাহন নাজানোহো বিসৰ্জন" আদি পদে শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ ৰচনাৰ কথা তৎক্ষণাৎ মনলৈ আনি দিয়ে, তেনে-কৈয়ে গোপী-কৃষ্ণৰ নামত বৈষ্ণৱ কৰিৰ প্ৰভাৱ লক্ষ্য কৰা যায়—

বাসুদেৱৰ ঘৰে মই জনম লভিলু
আই বুলি মাতিলো তোক।
তই কাঠবাঁজি কৈত পুত্ৰ পাইলি
এত বিকৰ্থনা মোক ॥

বহুগীততে উজনি আৰু নামনিৰ সাদৃশ্য পৰিলক্ষিত হয়। এইটো কিবা স্বৰূপে হোৱা প্ৰব্ৰজন নেকি—যেনেকৈ সাধুকথাৰ ক্ষেত্ৰত হয়—পৰীক্ষা কৰি চাব পাৰি। দুৰ্গা নৱমী তিথিৰ আউলা-পূজাত গোৱা তলৰ গীতকেইফাকিৰ বিহুগীতৰ সাদৃশ্য মন কৰিবলগীয়া—

ঔ কুমলীয়া খাবকে নোৱাৰি
কটাৰী আগৰে লোণ।
× × ×
ঠুৰি নাৰিকলৰ পুলি ইংৰি হৰি
ঠুৰি নাৰিকলৰ পুলি।
× × ×
আগকালে গুৱনি শালিধানৰ ভাখেৰি
পাছফালে গুৱনি পাণ,
পূজাঘৰ গুৱনি আমাৰে দেৱী আই
উলিয়াই দিবলৈ টান।

ইয়াৰ লগতে মঙ্গলদৈ অঞ্চলত গৰখীয়াই বন্য পৰিৱেশত গাই ফুৰা নাঙেলী গীতৰ উল্লেখ কৰিব লাগিব। এইবিধ গীতো উজনি জিলা-কেইখনৰ বনঘোষাৰ নিচিনাকৈ প্ৰেম-পিৰীতিৰ কথাকে কেঁচা অৱস্থাত ব্যক্ত কৰা হয় আৰু বনঘোষাৰ লগত মিলেও—

কুকুৰা কুকুৰা অজাতি কুকুৰা
ভুকুৰাই মাৰিম তোক।

এইদৰে বিভিন্ন গীতৰ উদাহৰণ দি যোৱাটো সম্ভৱ নহয়। ইয়াকে কলেই যথেষ্ট হব যে ড° শৰ্মাৰ গীতবিলাকে গ্ৰাম্য জনমানসৰ বিচিত্ৰ ছবি এখনি দাঙি ধৰিছে আৰু সেই নৈৰ্ব্যক্তিক জন-মানসৰ বহু ঠাইতে সহজ সাদৃশ্য পৰিলক্ষিত হয়। এই কথা বুজাত এইবিলাক গীতে অনু-সন্ধিৎসুক ডাঙৰ সহায় কৰিব। প্ৰত্যেক ভাগ গীতৰে একোটি চমু পৰিচয় তেওঁ দাঙি ধৰিছে যদিও পূজা অনুষ্ঠানৰ বিৱৰণ অধিক হোৱা হলে নিহিত তাৎপৰ্য্যসমূহ ধৰিবলৈ বেছি সহজ হ'ল-হেঁতেন। আইনাম, শীতলাৰ নাম আদি অৱশ্যে স্বতঃব্যাখ্যামূলক—এইবিলাকৰ বেলেগ পৰিচয় আৱশ্যক নাই; ভক্তাৰ লখিমা ৰূপৰ চকৰী আৰু ফুলৰ টুপলিৰ নিচিনা প্ৰতীকধৰ্মী বিৱৰণ আদিয়ে তৎক্ষণাৎ অন্তৰ স্পৰ্শ কৰে। বিয়াৰ বিভিন্ন স্তৰত গোৱা বিয়ানামবোৰো তেনেকৈ স্বকীয় পৰিচয়ৰ প্ৰয়োজন বোধ কৰা নাযায়। পলাশ-বাৰী আদি নামনিৰ ঠায়ে ঠায়ে প্ৰচলিত বহাগ বিহু পালন সম্পৰ্কীয় গীতবিলাক সংগ্ৰহ কৰি ড° শৰ্মাই এটি নতুন আলোচনাৰ বাটকে মুকলি কৰিছে বুলি আমাৰ ধাৰণা হয়।

সামৰণিত আমি কওঁ যে কিতাপখনি নিঃসন্দেহে এখনি মূল্যৱান গ্ৰন্থ হৈছে আৰু সংকলকে পাৰিলে তেওঁৰ হাতত থকা বাকীখিনি গীতি যিমান পাৰে সোনকালে প্ৰকাশ কৰি পেলাব লাগে।

শ্ৰীযোগেশ দাস

॥ প্ৰাপ্তি স্বীকাৰ ॥

**বঙা জুই**—(সাতাইশটা কবিতাৰ সঙ্কলন) ৰচক শ্ৰীভৱ কোঁৱৰ, গড়পৰাকোঁৱৰ গাওঁ, পোঃ গড়পৰা (ডিকম), প্ৰকাশক—শ্ৰীধৰ্মেশ্বৰ গোঁহাই, ডাকুমৰা গাওঁ, ডাকঘৰ গড়পৰা, পৃষ্ঠা সংখ্যা ৬+৬৪, বেচ ছটকা পঞ্চাশ পইচা।

শ্ৰীমিনতি হাজৰিকা

# অসমীয়া ভাষা আৰু সংস্কৃতি

অসমীয়া ভাষাটো যেনেকৈ ভাৰতীয় আৰ্য্য ভাষা গোষ্ঠীৰ অন্তৰ্ভুক্ত, ঠিক সেইদৰে আধুনিক অসমীয়া সংস্কৃতি যাইকৈ আৰ্য্য সংস্কৃতিক কেন্দ্ৰ কৰি গঢ়ি উঠিছে। আৰ্য্য-সংস্কৃতিৰ লগতে অসমৰ চাৰিওফালে সিচৰতি হৈ থকা বিভিন্ন জনজাতিয়ে বিভিন্ন যুগত নানা ধৰণেৰে বৰঙণি যোগাইছে। এইটো কথাও স্বীকাৰ কৰিব লাগিব যে দেশৰ ভৌগোলিক আৰু প্ৰাকৃতিক পৰিৱেশৰ ওপৰতো দেশৰ সংস্কৃতি আৰু সভ্যতা ভালেখিনি নিৰ্ভৰ কৰে।

অসমৰ গাতে লাগি থকা ব্ৰহ্মদেশ, ইন্দোচীন আৰু হিমালয় পৰ্বতৰ নামনিৰ লগত সংযোগ থকাৰ কথা প্ৰাচীন মহাভাৰত, পুৰাণ আদিত উল্লেখ আছে। প্ৰাচীন কালৰে পৰা চীন, তিব্বত আদি দেশৰ পৰা অসম দেশলৈ মানুহ অহা-যোৱা কৰিবৰ কাৰণে বাট আছিল। হিউৱেনচাঙে ভ্ৰমণ বৃত্তান্ততো এই কথা উল্লেখ কৰিছে। তেওঁ অহাৰ সময়ত চীন আৰু অসম দেশৰ মাজত থকা বাটটো অতি দুৰ্গম আছিল আৰু আহিবলৈ প্ৰায় দুমাহ সময় লাগিছিল বুলি উল্লেখ কৰিছে। ইয়াৰ বাহিৰে বৌদ্ধ দোহা ৰচক মীন নাথে অসমৰ পৰা তিব্বতলৈ ধৰ্ম প্ৰচাৰৰ কাৰণে আৰু মানবিলাকে অসম আক্ৰমণ কৰিবৰ কাৰণে অহা কথাৰ পৰা জানিব পৰা যায় যে চীনৰ দৰে তিব্বত, ব্ৰহ্মদেশ আদিলৈ অসমৰ পৰাও অহা যোৱা কৰাৰ বাট আছিল।

প্ৰাচীন কালৰ পৰাই বিভিন্ন সময়ত বিভিন্ন পথেৰে অহা নানা লোকসকলৰ অসমলৈ আগমনৰ ফলত অসম দেশ আৰু সংস্কৃতিৰ ওপৰত নানা ভাবে প্ৰভাৱ পৰি গৈছিল। অসমলৈ অহা নানা জনজাতি ফৈদৰ ভিতৰত অষ্ট্ৰিকসকলকে প্ৰাচীনতম বুলি ধৰা হয়। অষ্ট্ৰিক ভাষীসকল যাইকৈ পৰ্বতত বাস কৰিছিল। অসমীয়া ভাষাত থকা পৰ্বত, টিলা, পাহাৰ, মৈদাম, টিপ, টিং আদি শব্দ অষ্ট্ৰিক ভাষাৰ পৰা অহা। ইয়াৰ বাহিৰেও ডঃ বাণীকান্ত কাকতিৰ মতে অসমৰ কৃষ্টি সভ্যতা অষ্ট্ৰিক ভাষাৰ দান। জহাধান শব্দটো অষ্ট্ৰিক ভাষাৰ পৰা অহা আৰু তেওঁলোকে কল, বেঙেনা, নাৰিকল, তামোল,

হালধী আদিৰ খেতি কৰিছিল। পাহাৰত কৰা "ঝুম খেতি" অষ্ট্ৰিকসকলৰেই দান। অসমীয়া সমাজৰ মাজত হাড়ে-হিমজুৰে সোমাই যোৱা তামোল-পানৰ ব্যৱহাৰ জনজাতিসকলৰ মাজতো থকা দেখা যায়। এয়া অষ্ট্ৰিক সভ্যতাৰ দান। তামোলৰ লগত নানা আচাৰ ব্যৱহাৰো গঢ়ি উঠিছে।

সৰিয়হৰ খেতি, সৰিয়হৰ তেলৰ ব্যৱহাৰ, তাঁতশালৰ বহুল প্ৰচলন, কিংখাপ কাপোৰ আদি অষ্ট্ৰিকভাষী লোকৰ প্ৰভাৱত প্ৰচলন হোৱা বুলিবৰ থল আছে। কোনোৱে মত দাঙি ধৰে যে চীন দেশৰ পৰা তাঁত বোৱা প্ৰথাটোৰ লগত পাট আৰু মুগা বস্ত্ৰটোও অসমলৈ আহে।

অষ্ট্ৰিকসকল চিকাৰী আছিল। তেওঁলোকে চিকাৰৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা বাণ, ধনু, বাটলু গুটি, নিচান আদি অসমত প্ৰচলন থকা দেখা যায়। অষ্ট্ৰিকভাষীসকলেই পোন প্ৰথমতে ব্ৰহ্মপুত্ৰৰ পাৰত হাতী ঘৰচীয়া কৰে বুলি ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই উল্লেখ কৰিছে। অসমীয়া ভাষাত ব্যৱহাৰ হোৱা গণ্ডাৰ (গড়), মেথোন, কেৰ্কেটুৱা, জহামাল, হেপা, কুকুৰনেচীয়া, ঢেকীয়া পতীয়া, লতা-মাকৰি, নাহৰফুটুকী, ৰাং-কুকুৰ, কোঁদো, কুমজেলেকুৰা, তেজপিয়া, চিকৰা, উই আদি শব্দ অষ্ট্ৰিক ভাষাৰ পৰা অহা।

অসমীয়া মানুহে গোট কাঠেৰে নাও সজা প্ৰথাটো অষ্ট্ৰিকসকলৰে দান। পানীত যান-বাহনেৰে অহা-যোৱা কৰিবৰ কাৰণে নাও ব্যৱহাৰ কৰা প্ৰথাটো অষ্ট্ৰিকসকলে প্ৰথমতে ব্যৱহাৰ কৰে।

ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই আৰু উল্লেখ কৰিছে যে অসমত প্ৰচলিত শুভ আৰু মাঙ্গলিক কাৰ্য্যত হালধী, সেন্দুৰ ব্যৱহাৰ কৰাটো অষ্ট্ৰিক সকলৰ প্ৰভাৱ বুলিছে। "অষ্ট্ৰিকসকলৰ লেখত লবলগীয়া দান হল নৃত্যগীত। অসমীয়া বৈষ্ণৱ পদত পোৱা যায় 'জুনা' অষ্ট্ৰিকসকলৰ।"

তিব্বত-বৰ্মীসকল অসমলৈ আহি নানা ঠাইত সিচৰিত হৈ পৰিছিল। অসমৰ ব্ৰহ্মপুত্ৰ নৈৰ শাখা-প্ৰশাখাৰে অসমলৈ আহি নৈৰ পাৰতে বাস কৰিবলৈ লয়। নৈৰ পাৰত বাস কৰাৰ কাৰণে নদীৰ লগত সংযোগ থকা ভালেমান বস্তুৰ নাম অসমীয়া ভাষাত সোমাই পৰিছে। অসমৰ উচ্চৰ পৰা নিম্ন সকলো শ্ৰেণী মানুহৰ মাজত মাছ খাদ্য বস্তু হিচাপে ব্যৱহাৰ হোৱাটো বড়োসকলৰ অন্যতম দান। মাছ ধৰাৰ বিবিধ সঁজুলি খোকা, লামাথ, লাঙ্গি ইত্যাদি বড়োসকলেই উলিয়াইছিল। অসমত কানিৰ প্ৰচলন, চাউলৰ পৰা লাওপানী, ফটিকা আদি তৈয়াৰ কৰা বড়োসকলৰ প্ৰথা আছিল। ইয়াৰ উপৰিও বিভিন্ন জন্তুৰ মঙহ খোৱা বড়োসকলৰ পৰাই অহা।

বাঁহৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থকাৰ কাৰণে তিব্বত-বৰ্মীসকলৰ সভ্যতাক 'বাঁহ সভ্যতা' বুলি বহুতে ইতিকিং কৰিছিল। অসমত বাঁহেৰে ঘৰ সজা, বেৰ চকোৱা দিয়া, খৰাহী পাচি সজা, বস্তু থবলৈ চুঙা সজা, আনকি বজাবলৈ সজা বাঁহী আৰু কিচকবেণু তিব্বত-বৰ্মীসকলৰ পৰা অহা প্ৰথা। ইয়াৰ বাহিৰেও অসমত বহুল





ভাৱে প্ৰচলিত বাঁহৰ গাজৰ পৰা কৰা খৰিচা তিব্বত-বৰ্মীয়সকলৰ সুস্বাদু খাদ্য আছিল।

অসমীয়া সমাজত তিৰোতাৰ পুৰুষৰ স'তে সমান আসন, তিৰোতাই পুৰুষক সময় বিশেষে সকলো কামতে সহায় কৰা, পথাৰৰ খেতিৰ পৰা পাকঘৰৰ ৰন্ধন ব্যৱস্থালৈকে সকলো কামকে সমানভাৱে পালন কৰা প্ৰথা তিব্বত বৰ্মীসকলৰ পৰা অহা। এড়ি, পাট সূতা কাটি, নিজৰ কাপোৰ বৈ কাটি তিৰোতাসকল স্বাৱলম্বী হবলৈ শিকা প্ৰথাও তিব্বত বৰ্মীসকলৰ মাজত প্ৰচলন আছিল। আনকি অসমীয়া নাৰীৰ জাতীয় পোচাক মেখেলা আৰু চাদৰ তিব্বত-বৰ্মীসকলৰে দান বুলি ডাঃ বিৰিঞ্চি কুমাৰ বৰুৱাই উল্লেখ কৰিছে।

অসমৰ নামনি অঞ্চলত থকা মহ খেদা মহোহো উৎসৱ, কেচাইখাতী গোসানীৰ পূজা আৰু মনসা পূজাৰ বহুল প্ৰচাৰ তিব্বত-বৰ্মীসকলে কৰে।

অসমত প্ৰচলিত বাদ্য-যন্ত্ৰৰ ভিতৰত চিফুং বাঁহী, টকা ভোৰতাল, ডবা, গগণা আদি তিব্বত-বৰ্মীৰ পৰা পোৱা বস্তু। ডাঃ বাণীকান্ত কাকতিয়ে উল্লেখ কৰিছে যে তিব্বত-বৰ্মীসকলৰ ওচৰত অসম আৰু অসমীয়াসকল বিশেষভাৱে ঋণী।

অসমত আহোম যুগৰ সূচনা হোৱাৰ লগে লগে অসমৰ অসমৰ ৰাজনৈতিক, সামাজিক জীৱনলৈ এক পৰিৱৰ্তন আহে। মহা প্ৰতাপী আহোম ৰজাসকলে অসমক এক শাসনৰ তললৈ আনি একতাৰ দোলত বান্ধি জাতীয় সংহতি আৰু ঐক্য স্থাপন কৰিবলৈ সক্ষম হয়। ভাৰতৰ ভিতৰতে অসমৰ লোক অতি সুশৃংখল আৰু পৰিপাটি বুলি যি সুনাম আছে তাৰ মূলতে যে আহোমসকলৰ কটকটীয়া শাসন ক্ষমতা, অসমত এতিয়া থকা অভিজাত শ্ৰেণীৰ ব্যৱস্থা মৰ্য্যাদাসূচক পদবী আৰু তাৰ ফলত হোৱা আত্ম-সচেতনতা আহোমসকলৰ দান। আহোম ৰাজত্ব এতিয়া নাই যদিও তেতিয়াই পোৱা বৰবৰুৱা, বুঢ়াগোহাঁই, বৰফুকন, হাজৰিকা, শইকীয়া, ৰাজখোৱা আদি উপাধিধাৰী লোকে পূৰ্বৰ পদমৰ্য্যাদা আজিও গৌৰৱেৰে সোঁৱৰে। আহোম ৰজাসকলৰ দিনতেই অসমীয়া ভাষা হিচাপে স্বীকৃতি লাভ কৰিলে। ফলত অসমীয়া ভাষাৰ মৰ্য্যাদাই বহুত ওপৰত ঠাই পালে। অসমীয়া ভাষাত এই যুগৰ বুৰঞ্জী সাহিত্য সূচনা হোৱাৰ উপৰিও মানুহ, ঘোঁৰা, হাতী আদিৰ ৰোগৰ চিকিৎসা শাস্ত্ৰ ৰচনা কৰা হয়। অসমৰ দাতি কাষৰীয়া ইটো জনজাতিৰ লগত সিটো জনজাতিৰ লোকৰ মাজত অসমীয়া ভাষাৰ প্ৰচলনৰ মূলতে যে আহোম যুগত অসমীয়া ভাষাই যি প্ৰসাৰতা আৰু মৰ্য্যাদা লাভ কৰিলে তাৰে প্ৰমাণ।

চিত্ৰকৰ, জ্যোতিষী, ব্ৰাহ্মণ পণ্ডিত, দেওধাই, বাইলুং আদিৰ আদৰ আহোম যুগত বাঢ়িছিল। ডা-ডাঙৰীয়াসকলৰ প্ৰত্যেকৰে ঘৰত বান্দি-বেটি ৰখাৰ প্ৰচলন আহোম যুগৰ পৰাই হ'ল। ইয়াৰ বাহিৰেও দেশখন সুশৃংখলাৰে পৰিচালনা কৰা নগৰবোৰ সুন্দৰভাৱে পৰিকল্পনা কৰি আলি, মন্দিৰ, পুখুৰী, বজাৰ-সমাৰেৰে সুচল কৰি ৰখা প্ৰথা আহোম যুগতে প্ৰথম আৰম্ভ কৰে।

প্ৰতাপ সিংহ স্বৰ্গদেউৰ দিনত মোমাই তামুলী বৰবৰুৱাই কিমান সুন্দৰকৈ নগৰ, গাওঁ নিৰ্মাণ কৰিছিল বুৰঞ্জীত আজিও সোণালী আখৰেৰে লিখা আছে।

আহোম ৰজাসকলৰ ৰাজত্ব কালতে অসমত দকৈ শিপাই থকা জাতিভেদ প্ৰথা বহুত শিথিল আৰু উদাৰ হৈ পৰিছিল। ব্ৰাহ্মণসকলেও পূজা-পাতলৰ বাহিৰেও কোৰ-কটাৰী ধৰি খেতি-পথাৰ কৰি জীৱন নিৰ্বাহ কৰিছিল। আহোম ৰজা-সকলৰ দিনতে নাৰীয়ে উচ্চ মৰ্য্যাদা লাভ কৰি ৰাজ-সিংহাসনত আৰোহণ কৰি ৰাজ্য শাসনৰ দবে গুৰুভাৰ বহন কৰিব পাৰিছিল। অকল তাঁত বোৱা, ফুল তোলা আদি কামতহে যে তিৰোতা-সকল পাৰ্গত আছিল এনে নহয়, লিখা-পঢ়াৰ কামো তেওঁলোকে কৰিছিল। "গড়গঞা ৰজাৰ এগৰাকী কুঁৱৰীৰ বিষয়ে কোৱা হৈছে—'কুঁৱৰী ৰূপে-গুণে বৰ পণ্ডিতা, ভৰিবেহে আহোম-আখৰকো লেখিছিল।" নাৰীক চোৱাংচোৱাগিৰিত নিযুক্ত কৰাৰ উদাহৰণ আহোম যুগতে পোৱা যায়।

আহোম যুগতেই মানুহবোৰ অতি কৰ্ম-নিপুণ হৈ পৰে। মোমাই তামুলী বৰবৰুৱাই পুৰুষ আৰু তিৰোতাক কেনেকৈ ধৰাবন্ধা নীতিৰ মাজত অতি ব্যস্ত জীৱন পাৰ কৰিব লগা হৈছিল তাৰ উদাহৰণ বুৰঞ্জীত পোৱা যায়। সততে আহোম ৰজাসকল যুদ্ধবিগ্ৰহত লিপ্ত থাকিব লগা হোৱাৰ কাৰণে যুদ্ধ-বিদ্যাৰ চৰ্চাৰ বহুল প্ৰচলন আৰু নানা অস্ত্ৰৰ প্ৰৱৰ্তন অসমত তেতিয়াই হয়।

অসমীয়া মানুহৰ ঘৰে ঘৰে থকা বানবাটি, খুৰীবাটি, বেৰাকাঁহী, কলহ, লোটা, বটাশৰাই, টৌ, ভোগজৰা পিকদান, কাঁহ-পিতলৰ শিল্প-জাত বস্তু আদি আহোম যুগৰ পৰাই প্ৰচলন হয়। ইয়াৰ বাহিৰেও বেণা, গেজেৰা, বিৰি, জোনবিৰি, থুৰীয়া, কড়ীয়া, গামখাৰু, খাৰু, সোণৰ হাৰ, ডুগডুগী লোকাপাৰ, শিলিখামণি আদি অসমীয়া অলঙ্কাৰ বুলি ঐতিহ্য বহন কৰা বিবিধ অলঙ্কাৰ আহোমসকলেই প্ৰচলন কৰে। কিংখাপ, মেজাঙ্কৰী, পাট আৰু মুগাৰ কাপোৰৰ প্ৰচলন আহোম ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ পৃষ্ঠপোষকতাত হৈছিল। অসমীয়া পুৰুষ তিৰোতাৰ মাজত ভাগে ভাগে প্ৰচলন থকা বৰকাপোৰ,

( ৫৩ পিঠিত চাওক )

---

### অসমৰ স্থাপত্য

( ৩০ পিঠিৰ পিছৰ পৰা )

ক্ষেত্ৰ আছিল। এই মিলনৰ যথাযথ বিশ্লেষণ আৰু অধ্যয়ন হবলৈ এতিয়াও বাকী যদিও সুমলিগড়ৰ ভগ্নাৱশেষত থকা দক্ষিণ-পূব এছিয়াৰ প্ৰভাৱ বা গড়গাওঁৰ কাৰেঙত থকা ইন্দোনেচীয় স্থাপত্যৰ প্ৰভাৱ উক্ত মিলনৰ চাক্ষুস প্ৰমাণ। সম্ভৱতঃ ৰংপুৰৰ ভগ্ন ফাকুৱা দ'ল আৰু হাজোৰ হয়গ্ৰীৱ-মাধৱ মন্দিৰ প্ৰাঙ্গণত থকা ফকুৱা দ'লৰ স্থাপত্যয়ো এই সঙ্গমৰ ওৰ বিচৰাত সহায় কৰিব।

[এই প্ৰবন্ধ যুগুত কৰোঁতে লিখকে অসম ৰাজ্যিক পুৰাতত্ব আৰু সংগ্ৰহালয় বিভাগৰ কামৰ মাজেৰে সংগ্ৰহ কৰা তথ্যপাতি আৰু অভিজ্ঞতাৰ মুক্ত ব্যৱহাৰ কৰিছে]

শ্ৰীভবেশ চন্দ্ৰ বৰুৱা

## নাগৰিকৰ মূলভূত অধিকাৰ ঃ

### এটা চমু মূল্যাঙ্কণ

'Thirty-Five Years with Freedom of Speech'—এই শিতানত ১৯৫২ চনত কলোম্বিয়া বিশ্ববিদ্যালয়ত বক্তৃতা দিওঁতে Zechariah Chafee, Jr. এ কৈছিল—"Although freedom cannot be maintained by expositions alone, in the end, they furnish the main strength of liberty. A people gets sooner or later as much freedom as it wants. This want is partly created by prophets on or off the bench, but partly by constant discussion from plain citizens like us. The best safeguard against inroads on freedom of speech has in the ferment in the thoughts of the young and of those who will not let themselves grow old."

এই পঁচিশ বছৰে আমাৰ সংবিধানত সন্নিৱিষ্ট মুলভূত স্বাধীনতা বা অধিকাৰসমূহে এই স্বাধীনতা ৰক্ষাৰ ক্ষেত্ৰত কি বৰঙণি যোগাইছে, সেই বিষয়ে বিশদ আলোচনাই এই অধিকাৰসমূহৰ প্ৰতি সচেতনতা সৃষ্টি কৰাত বিশেষভাবে সহায়ক হব পাৰে।

নাগৰিকৰ অধিকাৰসমূহক দুটা ভাগত ভগাব পাৰি—ৰাজনৈতিক আৰু মৌলিক। ভোটাধিকাৰ, শাসন যন্ত্ৰ প্ৰতিষ্ঠাত অংশ গ্ৰহণ কৰাৰ অধিকাৰ, ৰাষ্ট্ৰীয় সকলো বিষয়-বাবৰ বাবে সমানে প্ৰতিযোগিতা কৰাৰ আৰু দখল কৰাৰ অধিকাৰ—এই অধিকাৰসমূহ ৰাজনৈতিক অধিকাৰৰ ভিতৰত পৰে।

"মৌলিক (মুলভূত) অধিকাৰ বা "মৌলিক স্বত্ব" কথাযাৰ ব্যাখ্যা কৰা সহজ নহয়। ব্যক্তি, সমষ্টি, সমাজ আৰু ৰাষ্ট্ৰ—এই আটাইকেইটাৰ পাৰস্পৰিক জটিল সম্পৰ্কসমূহ যিবিলাক স্বত্বই

নিয়ন্ত্ৰিত কৰে, তাৰে সংক্ষিপ্ত পৰিভাষা হ'ল —"মৌলিক অধিকাৰ" বা "মৌলিক স্বত্ব"। এই অধিকাৰসমূহক মানৱীয় অধিকাৰ বুলিও বৰ্ণাব পাৰি। আমাৰ সংবিধানত সন্নিৱিষ্ট "মৌলিক বা মূলভূত অধিকাৰ"সমূহ এনে ধৰণৰ অধিকাৰ— যাক ৰাষ্ট্ৰই নাগৰিকৰ হাতৰ পৰা কাঢ়ি নিব নোৱাৰে। বাক-স্বাধীনতা, ব্যক্তি স্বাধীনতা, ধৰ্মাচৰণৰ স্বাধীনতা, বৃত্তি স্বাধীনতা আদি স্বাধীনতাসমূহ এই মূলভূত অধিকাৰৰ পৰ্য্যায়ত পৰে। এই স্বাধীনতাসমূহ সংৰক্ষণৰ উপায় কেবাবিধৰো হব পাৰে। প্ৰাচীন ৰীতি, ঐতিহ্য, জনমত, এই সম্পৰ্কীয় বিশেষ-বিধি আৰু সাংবিধানিক নিৰ্দেশ—এই আটাইকেইটাই এইবিলাক স্বাধীনতা সংৰক্ষণৰ বাটত অৰিহণা যোগায়। এইবিলাক উপায়েৰে যদি এই মৌলিক স্বাধীনতাসমূহ প্ৰতিষ্ঠা কৰিব নোৱাৰি, তেন্তে ৰাইজৰ হাতত একমাত্ৰ অস্ত্ৰ থাকে বিপ্লৱ।

আমাৰ সংবিধানত এই মূলভূত অধিকাৰসমূহক স্বীকৃতি দিয়া হৈছে। সংবিধানত তৃতীয় অধ্যায়টোৰ বিষয়-বস্তু হ'ল মৌলিক অধিকাৰ। ইয়াৰে ১৩ অনুচ্ছেদত কোৱা হৈছে যে পূৰ্বৰে পৰা প্ৰচলিত অথবা ভৱিষ্যতে ৰাষ্ট্ৰই প্ৰণয়ন কৰা কোনো আইনে যদি তৃতীয় অধ্যায়ত সন্নিৱিষ্ট যি কোনো মৌলিক অধিকাৰৰ পৰিপন্থী হয়, তেন্তে সেই আইন void বা অচল হব। ইয়াত 'আইন' শব্দটো ব্যাপক অৰ্থত ব্যৱহাৰ কৰা হৈছে। আইনৰ মৰ্য্যাদা পোৱা লোকাচাৰো আইনৰ সংজ্ঞাত পৰে। ১৪ অনুচ্ছেদৰ পৰা সদ্য সন্নিৱিষ্ট ৩১ (গ) (31c) অনুচ্ছেদলৈকে মৌলিক অধিকাৰসমূহৰ সংজ্ঞা দিয়া হৈছে। ইয়াৰ পাছৰ ৩২ অনুচ্ছেদত আৰু এটা অতি বহুমূলীয়া মৌলিক অধিকাৰ সন্নিৱিষ্ট কৰা হৈছে। সেইটো হ'ল, প্ৰত্যেক নাগৰিককে তেওঁৰ মৌলিক অধিকাৰ সমূহ বলবৎ কৰাৰ বাবে চুপ্ৰীম কোৰ্টৰ কাষ চাপিব পৰাৰ এটা গেৰেণ্টি guarantee; আৰু চুপ্ৰীম কোৰ্টকো ক্ষমতা দিয়া হৈছে—এই মৌলিক অধিকাৰসমূহ বলবৎ কৰিবৰ অৰ্থে ৰাষ্ট্ৰৰ যি কোনো অঙ্গৰ ওপৰতে সমূচিত নিৰ্দেশ বা অনুজ্ঞা দিয়াৰ। এই ক্ষমতাৰ ভিতৰত ইংলেণ্ডত প্ৰচলিত Habeas Carpus. Mandamus. Certiorari. Quo-warranto অথবা তদ্‌সদৃশ ৰীট বা অনুজ্ঞা দিয়াৰ ক্ষমতাও অন্তৰ্ভুক্ত। সংবিধানৰ ২২৬ অনুচ্ছেদে হাইকোৰ্টকো তদ্ৰূপ ক্ষমতা দিছে।

আদালতৰ জৰিয়তে মৌলিক অধিকাৰসমূহ বলবৎ কৰাৰ এই যি অধিকাৰ দিয়া হৈছে— (চুপ্ৰীম কোৰ্টলৈ ৩২ অনুচ্ছেদ মতে দৰখাস্ত কৰিব পৰাটোও এটা মৌলিক অধিকাৰ) সেই অধিকাৰ যে আমাৰ সংবিধানত অতি বহুমূলীয়া অৱদান সেই বিষয়ে সন্দেহ নাই। কিন্তু এই মৌলিক অধিকাৰসমূহৰ অন্তৰালত যি আদৰ্শৰ অনুপ্ৰেৰণা আছে, যি আদৰ্শই সংবিধান ৰচোঁতা সকলকো নিশ্চয় অনুপ্ৰাণিত কৰিছিল—সেই আদৰ্শই যদি আমাৰ নাগৰিক আৰু নাগৰিকসকলৰ প্ৰতিনিধিৰে সৈতে গঠিত সংসদ বা বিধান সভাসমূহকো অনুপ্ৰাণিত নকৰে, তেন্তে কেৱল চুপ্ৰীমকোৰ্ট আৰু হাইকোৰ্টৰ ওচৰ চাপিব





পৰা অধিকাৰেই মৌলিক স্বাধীনতাসমূহ প্ৰতিষ্ঠা কৰাৰ বাবে যথেষ্ট নহয়। প্ৰথম কথা হ'ল চুপ্ৰীমকোৰ্ট বা হাইকোৰ্টলৈ যোৱাটো ব্যয় আৰু সময়-সাপেক্ষ—সৰ্বসাধাৰণৰ আয়ত্বৰ বাহিৰত। দ্বিতীয়তে আদালতলৈ গলেই যে আপুনি প্ৰতিকাৰ পাব তাকো কোনেও ন-দি কব নোৱাৰে। বহুমুনিৰ বহু মতৰ দৰে জজভেদে মতভেদ। বহুত সময়ত আমি ভাল বুলি ভবা গোচৰো বেয়া হয় আৰু বেয়া বুলি ভবা গোচৰো ভাল হয়। তদুপৰি আদালত আইনৰ শেষ কথা বুলি কোনো বস্তু নাই। আজি দিয়া এটা ৰায় কালি উচ্চ ন্যায়ালয়সকলে নাকচ কৰা বা তাকে বেলেগ ধৰণে ব্যাখ্যা কৰা দৃষ্টান্ত বিৰল নহয়। সেইদেখি মৌলিক স্বাধীনতাৰ সপক্ষে এই ঐতিহ্য আৰু প্ৰৱল জনমতহে নাগৰিকৰ প্ৰকৃত ৰক্ষা-কবচ। উদাহৰণ স্বৰূপে ইংলণ্ড আৰু আমেৰিকালৈ আঙুলিয়াব পাৰি। ইংলণ্ডৰ সংবিধান অলিখিত; তাত কোনো মৌলিক অধিকাৰ সংবিধান স্বীকৃত নহয় আৰু ইয়াক পাৰ্লিয়ামেণ্টৰ বিপক্ষে বলবৎ কৰাৰ ক্ষমতা সৰ্বোচ্চ আদালতৰো নাই। বৃটিছ পাৰ্লিয়ামেণ্ট সাৰ্বভৌম। কোনো কোনোৱে কোৱাৰ দৰে পুৰুষক তিৰোতা কৰাৰ বাহিৰে বৃটিছ পাৰ্লিয়ামেণ্টে যিকোনো ধৰণৰ আইনৰ প্ৰণয়ন কৰিব পাৰে। অথচ যুদ্ধৰ জৰুৰীকালীন অৱস্থাৰ বাহিৰে বৃটিছ পাৰ্লিয়ামেণ্টে নিজৰ সাৰ্বভৌমত্ব প্ৰতিষ্ঠা কৰাৰ কালৰে পৰা আজিলৈকে এনে এখন আইনো প্ৰণয়ন কৰা নাই, যাৰ দ্বাৰা বৃটিছ নাগৰিকৰ মৌলিক অধিকাৰসমূহ অযুক্তিকৰভাৱে খৰ্ব কৰাৰ অভিযোগ উঠিছে। ৰাজশক্তিৰ বিৰুদ্ধে নাগৰিকৰ স্বাধীনতা বলবৎ কৰাৰ যিবোৰ অস্ত্ৰ সংবিধানে আমাক দিছে—Habeas corpus, mandamus আদি এইবোৰ বৃটিছ জজসকলেই আৱিষ্কাৰ কৰিছিল কেবা শতিকাৰ আগতে। আৰু তাকে আমি ধাৰ কৰিছোঁ। তাত এইবোৰ সম্ভৱ হৈছে বা হৈছিল এই কাৰণে যে এই স্বাধীনতাৰ আদৰ্শৰ প্ৰতি নিষ্ঠাসমূহ বৃটিছ নাগৰিকৰ মজ্জাগত—কাৰো পৰা ধাৰ কৰা নাই। ইয়াৰ সামান্য ব্যতিক্ৰমো তাৰ জনমতে সহ্য নকৰে। ৰাজশক্তিৰ বিৰুদ্ধে থিয় দি বৃটিছ নাগৰিকে 'মেগ্নাকাৰ্টাৰ' স্বত্বসমূহ আদায় কৰিছিল সাত শতিকাৰ আগতে—১২১৫ চনত।

আনহাতে যুক্তৰাষ্ট্ৰৰ সংবিধানেই প্ৰথম লিখিত সংবিধান, য'ত চুপ্ৰীম কোৰ্টক ক্ষমতা দিয়া হৈছিল—অসাংবিধানিক আইন নাকচ কৰাৰ। ইয়াৰ গুৰিতে আছিল অতীতৰ অভিজ্ঞতাৰ পৰা পাৰ্লিয়ামেণ্টৰ প্ৰতি অবিশ্বাস। আমাৰ মৌলিক অধিকাৰসমূহৰ আদৰ্শও আমেৰিকাৰ 'বিল অব ৰাইট্‌চ'ৰ পৰাই লোৱা। তাৰ সংবিধানত প্ৰথমতে আছিল মাত্ৰ পাঁচোটা অধিকাৰ—এই অধিকাৰকেইটা ঘাইকৈ ব্যক্তি স্বাধীনতা আৰু ধৰ্ম নিৰপেক্ষতাৰ ঘোষণা। তাৰ পিছত ইয়াৰ কেবাটাও সংশোধন হ'ল; তাৰে ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ সংশোধন হ'ল ত্ৰয়োদশ, চতুৰ্দশ আৰু পঞ্চদশ সংশোধন—যাক 'চিৱিল ৱাৰ অ্যামাণ্ডমেণ্ট' বোলা হয়। আমেৰিকাৰ চিৱিল ৱাৰৰ পিছত যেতিয়া নিগ্ৰোসকলক দাসত্বৰ পৰা মুক্ত কৰি স্বাধীনতা দিয়া হয়, তাৰে সমসাময়িকভাৱে এই সংশোধনী

সমূহ যুক্তৰাষ্ট্ৰৰ সংবিধানত সন্নিৱিষ্ট কৰা হয়। আব্ৰাহাম লিংকন আদি মনিষীসকলৰ আদৰ্শ-প্ৰনোদিত এই সংশোধনীসমূহৰ উদ্দেশ্য আছিল—দাসত্বৰ শিকলিৰ পৰা সদ্যমুক্ত কৃষ্ণাঙ্গ নিগ্ৰো-সকলক শ্বেতাঙ্গ উপনিবেশিকসকলৰে সৈতে সমপৰ্য্যায়ৰ ৰাজনৈতিক আৰু মৌলিক অধিকাৰ দিয়া। এই উদ্দেশ্যেৰেই চতুৰ্দশ সংশোধনীত নাগৰিকতাৰ সংজ্ঞা দিয়া হয় আৰু ৰাষ্ট্ৰসমূহক এইবুলি সাংবিধানিক নিৰ্দেশ দিয়া হয় যে যুক্তৰাষ্ট্ৰৰ কোনো ষ্টেটে (ৰাষ্ট্ৰই) 'বিল অব ৰাইট্‌চ'ত উল্লিখিত নাগৰিকৰ অধিকাৰসমূহ হ্ৰাস কৰিব নোৱাৰিব; কোনো ৰাষ্ট্ৰই আইনৰ পদ্ধতি প্ৰয়োগ নকৰাকৈ "(without due process of law" কোনো নাগৰিকক জীৱন, স্বাধীনতা আৰু সা-সম্পত্তিৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। আৰু ৰাষ্ট্ৰই সকলো নাগৰিকক আইন সমূহৰ সমপৰ্য্যায়ৰ আশ্ৰয়ৰ ("equal protection of laws") পৰা বঞ্চিত কৰিব নোৱাৰিব।

পিছে যি আদৰ্শৰ অনুপ্ৰেৰণাত এই সংশোধনীসমূহ সংবিধানত সন্নিৱিষ্ট কৰা হ'ল। সেই আদৰ্শৰ ওপৰত সৰহভাগ শ্বেতাঙ্গৰে আন্তৰিক সমৰ্থন নাছিল আৰু বহুতো ৰাষ্ট্ৰই, বিশেষকৈ দক্ষিণস্থ ৰাষ্ট্ৰসমূহে 'চিৱিল ৱাৰ' শেষ হোৱাৰ পিছতো এই আদৰ্শৰ প্ৰতি দেখদেখকৈ বিৰোধীতা কৰিছিল। আজিও নিগ্ৰোবিদ্বেষ কম বেছি পৰিমাণে সেইবোৰ ৰাষ্ট্ৰত চলি আছে। সেইসময়ৰ চুপ্ৰীমকোৰ্টৰ জজসকলবো সৰহভাগেই আছিল অতি সংৰক্ষণশীল; অথচ অগাধ বিদ্বান, যিকোনো সূত্ৰকে যুক্তিৰে প্ৰতিপন্ন কৰিব পৰা লোক। কাৰ্য্যক্ষেত্ৰত সেইদেখি এই চতুৰ্দশ সংশোধনৰ এনে ধৰণে ব্যাখ্যা কৰা হ'ল, নিগ্ৰো-সকলৰ সংৰক্ষণৰ বাবে কৰা এই সংশোধনসমূহৰ পৰা নিগ্ৰোসকলৰ লাভ একো নহয়; বৰং শ্বেতাঙ্গসকলৰ ন্যস্তস্বাৰ্থকহে ই আৰু গজগজীয়া কৰিলে।

উদাহৰণ স্বৰূপে নিগ্ৰোসকলৰ বাবে থকা-মেলা যান-বাহনৰ ব্যৱহাৰ, স্কুল কলেজত প্ৰৱেশৰ সুযোগ আদি সকলো ক্ষেত্ৰতে পৃথক ব্যৱস্থা আজিও চলি আছে। শ্বেতাঙ্গৰ হোটেল বা ৰেষ্টোৰাঁত নিগ্ৰোৰ প্ৰৱেশ নিষেধ, সিদিনালৈকে শ্বেতাঙ্গৰ স্কুল কলেজত নিগ্ৰোৰ প্ৰৱেশাধিকাৰ নাছিল। নিগ্ৰোৰ বাবে এই পৃথক ব্যৱস্থাক segregation বুলি খ্যাত। ইয়াৰ সমৰ্থনত এই সূত্ৰ উলিওৱা হ'ল—"পৃথক ব্যৱস্থা, কিন্তু সমান ব্যৱস্থা" (seperate but equal protection)। কোৱা হ'ল—এনে পৃথক ব্যৱস্থা বৈষম্যমূলকো নহয়, অসাংবিধানিকো নহয়। পৃথক ব্যৱস্থাক বৈষম্যমূলক আখ্যা দিয়াটো নিগ্ৰোসকলৰ কল্পনাপ্ৰসূত। তেওঁলোকৰ নিজৰ মানসিক হীনমন্যতাৰহে পৰিচায়ক। নিগ্ৰোৰ ভোটাধিকাৰ খৰ্ব কৰিবলৈও কেইটামান সূত্ৰ উলিৱা হ'ল; তাৰে দুটা 'Grand-father clause' আৰু 'White Primary'ৰ কথা উল্লেখ কৰিব পাৰি। ওকলাহামা ষ্টেটত নিয়ম কৰা হল যে ভোটাধিকাৰ পাবলৈ হলে এটা স্বাক্ষৰতাৰ পৰীক্ষা (Literary test) পাছ কৰিব লাগিব আৰু সেই পৰীক্ষা হল—সেই ৰাষ্ট্ৰৰ সংবিধানৰ যি কোনো অনুচ্ছেদ লিখিব আৰু পঢ়িব পৰাৰ পৰীক্ষা।





পিছে ১৮৬৬ চনৰ পহিলা জানুৱাৰীৰ আগতে যি সকল নাগৰিকৰ বোপা-ককাই যি কোনো ৰাষ্ট্ৰত আনকি বিদেশী ৰাষ্ট্ৰতো ভোট দিয়াৰ স্বত্ব পাইছিল, সিবিলাকৰ নাতি-পুতিয়ে এই পৰীক্ষাৰ পৰা ৰেহাই পাব। সাধাৰণ শ্বেতাঙ্গ নাগৰিকৰ বাবে এনে পৰীক্ষা পাছ কৰা সহজ নহয়—সাধাৰণ নিগ্ৰোৰে এনে পৰীক্ষা পাছ কৰাৰ কথাই নুঠে। ১৮৬৬ চনৰ আগত কোনো নিগ্ৰোৰে কতো ভোট দিয়াৰ অধিকাৰ পোৱা নাছিল; অথচ শ্বেতাঙ্গ উপনিবেশিকৰ প্ৰায় সকলোৱেই কৰবাত নহয় কৰবাত ভোটৰ অধিকাৰ পাইছিল। 'Grand father' সূত্ৰৰ বাবে শ্বেতাংগৰ একো ক্ষতি নহল; কিন্তু সৰহভাগ নিগ্ৰোকে ভোটাধিকাৰৰ পৰাই বঞ্চিত কৰিলে। ১৯১৫ চনত চুপ্ৰীম কোৰ্টে এই আইন অবৈধ বুলি বাতিল কৰিলে। দক্ষিণস্থ ৰাষ্ট্ৰসমূহত ডিমোক্ৰেটিক পাৰ্টিৰ প্ৰাধান্য বেছি। এই পাৰ্টিৰ সংবিধানত সিদিনালৈকে এটা নিবন্ধ আছিল যে পাৰ্টিৰ প্ৰাৰ্থী নিৰ্বাচনৰ বাবে লোৱা প্ৰাথমিক ভোটত কোনো নিগ্ৰোৱে অংশ গ্ৰহণ কৰিব নোৱাৰিব। ডিমোক্ৰেটিক পাৰ্টি ৰাষ্ট্ৰ নহয়—বেচৰকাৰী অনুষ্ঠান। কাজেই চতুৰ্দশ সংশোধনীৰ বাধা নিষেধ ইয়াৰ ওপৰত নাখাটে। এই প্ৰথাই দক্ষিনস্থ ষ্টেটসমূহত নিগ্ৰোবিলাকক প্ৰকৃত ভোটাধিকাৰৰ পৰা কাৰ্য্যক্ষেত্ৰত বিনষ্ট কৰি পেলালে। Grand father clause অন্যৰূপত—যেনে সম্পত্তিগত বা সাক্ষৰিক পৰীক্ষা আন কিছুমান ষ্টেটত বহুদিনলৈ আছিল।

আনহাতে ব্যক্তি স্বাধীনতা আৰু সম্পত্তি স্বাধীনতাৰ ভিতৰত চুক্তি সম্পাদনৰ স্বাধীনতাও পৰে বুলি আমেৰিকাৰ চুপ্ৰীম কোৰ্টে ৰায় দিলে। তাৰ ফলস্বৰূপে শ্ৰমিকসকলৰ বাবে কৰা সকলো আইন, যেনে—ন্যূনতম বানচ(minimum wage), শ্ৰমৰ সময় নিৰ্দ্ধাৰণ আদি আইন অসাংবিধানিক বুলি ঘোষণা কৰা হল; কিয়নো ই শ্ৰমিকসকলৰ শ্ৰম বেচা স্বাধীনতা আৰু মালিকসকলৰ শ্ৰম কিনা স্বাধীনতা খৰ্ব কৰে। আকৌ কোৱা হল—আমেৰিকাৰ বিৰাটাকাৰ মনোপলী ব্যৱসায়ী কৰ্পৰেশনসমূহো ব্যক্তি আৰু ব্যক্তি স্বাধীনতাৰ অধিকাৰী। সেইদেখি আইন কৰি এনে কৰ্পৰেশনৰ স্বাধীনতা খৰ্ব কৰিব নোৱাৰি। এইদৰে চতুৰ্দশ সংশোধনী হৈ পৰিল ন্যস্ত-স্বাৰ্থৰ বুনিয়াদ। অৱশেষত ১৯৩০ চনমানৰ পৰা যুক্তৰাষ্ট্ৰত চুপ্ৰীম কোৰ্ট প্ৰগতিশীল হৈ আহিছে। শ্ৰমিকসকলৰ বিপক্ষে দিয়া কেবাটাও ৰায় ইতিমধ্যে চুপ্ৰীম কোৰ্টে নাকচ কৰিছে।

সেইদেখিয়েই কৈছো যে কেৱল সাংবিধানিক গেৰেণ্টি আৰু আদালতে মৌলিক অধিকাৰ বলবৎ কৰাৰ ক্ষমতাই মৌলিক অধিকাৰ সংৰক্ষণৰ বাবে যথেষ্ট নহয়। বিশেষকৈ যদি জজসকলৰ এই আদৰ্শসমূহৰ প্ৰতি মজ্জাগত শ্ৰদ্ধা নাথাকে।

ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ৰ ১৪, ১৫, ১৯, ২১, ২২ আৰু ৩১ অনুচ্ছেদৰ অনুপ্ৰেৰণা হল যুক্তৰাষ্ট্ৰ-সংবিধানৰ চতুৰ্দশ সংশোধনী। পিছে তাৰ অস্পষ্ট "due process clause"ৰ ঠাইত আমাৰ সংবিধানত ইয়াৰ

পৰিবিধি স্পষ্টীকৰণ কৰিবৰ প্ৰয়াস কৰা হৈছে। যুক্তৰাষ্ট্ৰৰ সংবিধানৰ এই "due process clause"টোৱেই আটাইতকৈ বিতৰ্কিত আৰু ইয়াৰ পৰিধিও অসীম। ইয়াৰ জৰিয়তে যুক্তৰাষ্ট্ৰৰ চুপ্ৰীম কোৰ্টক ই এটা "Super-Parliament"ত পৰিণত কৰিছে। আমাৰ চুপ্ৰীম কোৰ্টৰ ক্ষমতা সেই তুলনাত অতি কম। তথাপি ইয়াতো এনে এটা অভিযোগ আজিকালি বাহিৰত আৰু সংসদৰ মজিয়াতো ঘনাই ধ্বনিত হবলৈ ধৰিছে।

মৌলিক অধিকাৰসমূহৰ ভিতৰত অতি-মৌলিক অধিকাৰ হল বাচি থকাৰ অধিকাৰ। সংবিধানৰ ২১ অনুচ্ছেদৰ নিৰন্ধ হল—কোনো ব্যক্তিক জীৱন আৰু শাৰীৰিক স্বাধীনতাৰ পৰা আইনসিদ্ধ পদ্ধতি ব্যতিৰেকে বঞ্চিত কৰিব নোৱাৰিব। এই আইন শব্দৰ অৰ্থ ই হল সংবিধানসন্মত আইন।

২১ অনুচ্ছেদৰে পৰিপূৰক ২২ অনুচ্ছেদ। ইয়াৰ প্ৰথম দফাত কোৱা হৈছে যে গ্ৰেপ্তাৰৰ কাৰণসমূহ যথাশীঘ্ৰে নজনোৱাকৈ কোনো ব্যক্তিক ৰাষ্ট্ৰই আৱদ্ধ কৰি ৰাখিব নোৱাৰিব আৰু গ্ৰেপ্তাৰ কৰা ব্যক্তিজনক নিজৰ পছন্দমতে আইনজীৱীৰ উপদেশ আৰু সহায় লোৱাৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। নতুন ফৌজদাৰী দণ্ডবিধি আইনৰ ৫০ ধাৰাতো কোৱা হৈছে যে কোনো ব্যক্তিক গ্ৰেপ্তাৰ কৰিলে তেওঁ গ্ৰেপ্তাৰৰ সম্পূৰ্ণ কাৰণসমূহ তেতিয়াই জনাব লাগিব। সংবিধান প্ৰণয়নৰ পঁচিশ বছৰৰ পিছতো পুলিছে এই বিধান হেলাৰঙে ভঙ্গ কৰি আহিছে আৰু সেইটো সম্ভৱ হৈছে এই কাৰণে যে কেৱল সাধাৰণ নাগৰিকসকলেই নহয়, উকীল সন্থাসমূহ আৰু মেজিষ্ট্ৰেট আদিয়ে এই আইনৰ সম্পৰ্কে এতিয়াও সজাগ আৰু সক্ষম হোৱা নাই। আমাৰ Law Report বিলাকত এতিয়ালৈকে এই বিষয়ৰ তিনিটা নজীৰহে পোৱা যায়। তাৰে দুটা ছ'চিয়েলিষ্ট নেতা মধুলিমায়ে কৰা গোচৰ—এটা পঞ্জাব হাইকোৰ্টত, আনটো আমাৰ চুপ্ৰীম কোৰ্টত। আটাইকেইটা গোচৰতে কাৰণ নজনোৱাকৈ গ্ৰেপ্তাৰ কৰা বুলি গ্ৰেপ্তাৰ নাকচ কৰা হৈছিল। আন দেশত পুলিছে প্ৰাথমিক প্ৰমাণ সংগ্ৰহ কৰি তাৰ পাছত গ্ৰেপ্তাৰ কৰে; আমাৰ দেশত গ্ৰেপ্তাৰ কৰি পাছত প্ৰমাণ বিচাৰে।

২২ অনুচ্ছেদৰ দ্বিতীয় দফাৰ নিৰ্দেশ হল যে গ্ৰেপ্তাৰ কৰাৰ চব্বিশ ঘণ্টাৰ ভিতৰতে বন্দীজনক নিকটতম মেজিষ্ট্ৰেটৰ ওচৰত হাজিৰ কৰিব লাগিব আৰু ইয়াৰ পিছত মেজিষ্ট্ৰেটৰ বিনা হুকুমে আটক কৰি ৰাখিব নোৱাৰিব। এইদৰে হাজিৰ কৰা সময়ত যদি পুলিছে গ্ৰেপ্তাৰৰ স্পষ্ট কাৰণ দৰ্শাব নোৱাৰে তেন্তে বন্দীজনক মুক্তি দিয়া উচিত। কিন্তু সাধাৰণতে উকীলসকলে কেৱল জামিনহে দাবী কৰে ; আৰু উকীল ধৰিব বা জামিন দিব নোৱাৰা বন্দীবোৰ জেল হাজোতত পচি থাকিব লাগে।

এই অনুচ্ছেদৰ বাকীকেইটা দফা হল—নিবাৰক-নিৰোধ (Preventive detention) সম্পৰ্কে। প্ৰথম মহাযুদ্ধৰ আগত ভাৰতবৰ্ষত State Prisoner Act আছিল ৰাজবন্দীসকলৰ কাৰণে। প্ৰথম মহাযুদ্ধৰ পিছত ঘাইকৈ সন্ত্ৰাসবাদী আন্দোলন দমন কৰাৰ উদ্দেশ্যেৰে জজ ৰাওলট





(Justice Rawlatt)ক নিমন্ত্ৰণ কৰি অনা হয় পৰামৰ্শৰ বাবে। তেওঁ প্ৰণয়ন কৰা তথাকথিত ৰাওলট আইনে—যাক আমি 'Black Act' বা 'Lawless law' আদি আখ্যা দিছিলো—বিনা বিচাৰে আটক কৰা ক্ষমতা চৰকাৰক অৰ্পণ কৰে। এই ৰাওলট আইনৰ বিপক্ষে দেশব্যাপী আন্দোলন হল আৰু তাৰে পৰিণতি স্বৰূপে জালিয়ানাবাগৰ হত্যাকাণ্ড আৰু গান্ধীজীৰ নেতৃত্বত স্বাধীনতা সংগ্ৰামৰ সূচনা। মহাযুদ্ধৰ সময়ত 'ডিফেন্স অৱ ইণ্ডিয়া' (ভাৰত ৰক্ষা) আইনৰ কথা সুকীয়া, এনে আইনৰ প্ৰণয়ন বৃটেইনৰ দৰে গণতান্ত্ৰিক দেশতো যুদ্ধকালীন জৰুৰী অৱস্থাত কৰা হয় ; কিন্তু শান্তিৰ সময়ত বিনা বিচাৰে আটক কৰা প্ৰথা কোনো গণতান্ত্ৰিক দেশে সমৰ্থনযোগ্য বুলি নাভাবে।

আমাৰ স্বাধীনতা লাভ হল দেশ-বিভাজনৰ জৰিয়তে, নৃশংস সাম্প্ৰদায়িক গণ যুদ্ধৰ কৰাল-ছায়াত। একে সময়তে আন আন সন্ত্ৰাসবাদী শক্তিও জাগ্ৰত হৈ উঠিল। গতিকে আমাৰ শাসনকৰ্তাসকল ত্ৰস্ত হয় আৰু বৃটিশ গৱৰ্ণমেণ্টে আৱিস্কাৰ কৰা এইপাত অস্ত্ৰকে কিছু ৰহন সানি ব্যৱহাৰত লগালে। সনা ৰহনখিনি এয়ে যে নিবাৰক-নিৰোধৰ বাবে বিনা বিচাৰে আটক কৰাসকলক গ্ৰেপ্তাৰ কৰাৰ কাৰণ নিৰ্দিষ্ট সময়ৰ ভিতৰত জনাব লাগিব, সেই কাৰণসমূহৰ বিপক্ষে আটক বন্দীজনে কাৰণ দৰ্শাব পাৰিব আৰু সেই কাৰণসমূহ এখন উপদেষ্টা সমিতিৰ আগত উপস্থাপিত কৰিব লাগিব—পৰীক্ষাৰ বাবে। সমিতিৰ সভ্যসকলৰ হাইকোৰ্টৰ জজ হব পৰা যোগ্যতা থাকিব লাগিব (যাৰ অৰ্থ আমাৰ ইয়াত মাত্ৰ দহ বছৰৰ ওকালতী বা দহ বছৰ বিচাৰপতিৰ অভিজ্ঞতা।) এই সমিতিয়ে যদি এৰি দিবলৈ কয়, তেন্তে বন্দীজনক চৰকাৰে মুক্তি দিবলৈ বাধ্য। এই সকলো পদ্ধতিৰ বাবে এটা সময়ৰ তালিকাও নিবদ্ধ কৰা হল। স্বাধীনতাৰ লগে লগে সকলো প্ৰদেশেই কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শমতে প্ৰাদেশিক ভিত্তিত এনে ধৰণৰ Maintenance of Public Order Act প্ৰণয়ন কৰিলে। ই ১৯৪৮-৫০ চনৰ সংবিধান প্ৰণয়নৰ আগৰ পৰ্বৰ কথা।

আমাৰ সংবিধান বিলখনৰ খচৰাত Preventive Detention অৱ ব্যৱস্থা নাছিল। Constituent Assembly চলি থাকোতে সম্ভৱতঃ চৰ্দাৰ পেটেলে ২২ অনুচ্ছেদৰ তৃতীয় দফাৰ পৰা বাকীখিনি দফা ওপৰোক্ত Maintenance of Public Order আইনসমূহৰ আহিৰে এটা সংশোধনী দাঙি ধৰে। কেবাজনো কংগ্ৰেছী সদস্যই সদনত ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰিছিল। সেই সময়ত নেহেৰু, পেটেল, আম্বেদকাৰ আদিয়ে আশ্বাস দিছিল যে এই ক্ষমতাৰ অপব্যৱহাৰ কৰা নহব, বিৰোধী দলৰ বিপক্ষে আৰু ৰাজনৈতিক কাৰণত ইয়াৰ অপপ্ৰয়োগ কৰা নহব। এই আশ্বাসৰ ভিত্তিত আৰু ৰাষ্ট্ৰীয় নেতাসকলৰ ওপৰত আস্থা ৰাখি কনষ্টিটিউৱেণ্ট এচেম্বলীয়ে এই দফাটো গ্ৰহণ কৰিলে। তাৰ পিছত ১৯৫০ চনত নিবাৰক নিৰোধ আইন প্ৰণয়ন কৰা হয় অস্থায়ী আইন হিচাপে। ইয়াৰ প্ৰথম ম্যাদ আছিল এবছৰ, তাৰ পিছত হ'ল তিনি বছৰ

আৰু তিনি বছৰে ইয়াৰ ম্যাদ বঢ়াই যোৱা হ'ল। ১৯৬৯ চনত কংগ্ৰেছ দলৰ বিৰাট বিভাজনৰ পিছত ইন্দিৰা-কংগ্ৰেছ সংখ্যালঘু হ'ল আৰু কমিউনিষ্ট দল দুটাৰ সমৰ্থন নাপাব বুলি ভাবি এই আইনৰ ম্যাদ উকলিবলৈ দিয়া হ'ল ১৯৬৯ চনৰ ৩১ ডিচেম্বৰ তাৰিখে। ১৯৭১ চনৰ পিছত কংগ্ৰেছে বিপুল সংখ্যাধিক্য পোৱাৰ পিছত 'Maintenance of Internal Security Act' —অৰ্থাৎ MISA নামেৰে প্ৰসিদ্ধ নতুন আইন এখন স্থায়ী ভাবে প্ৰণয়ন কৰা হল। এতিয়াৰ জৰুৰীকালীন অৱস্থাৰ অজুহাতত আৰু প্ৰেচিডেন্সিয়েল প্ৰ'ক্লেমেশনৰ (ৰাষ্ট্ৰপতিৰ ঘোষণাৰ) ছত্ৰ-ছায়াত তথাকথিত বিদেশী মুদ্ৰা আৰু বিদেশী বস্তুৰ স্মাগ্‌লাৰক আটক কৰিবলৈ বিশেষ আইন এখনো সম্প্ৰতি প্ৰণয়ন কৰা হৈছে। এই আইনৰ সহায়ত আটক কৰাসকলৰ গ্ৰেপ্তাৰৰ সাংবিধানিক বৈধতা সম্পৰ্কে হাইকোৰ্ট আৰু চুপ্ৰীম কোৰ্টে বিচাৰ কৰিব পৰা ক্ষমতাও স্থগিত ৰখা হৈছে। এই আইনৰ বৈধতা সম্পৰ্কে চুপ্ৰীম কোৰ্টত এতিয়াও শুনানী চলি আছে।

[ অহা সংখ্যালৈ ]





( ৪৪ পিঠিৰ পিছৰ পৰা )

খনীয়া কাপোৰ, চেলেং, চাদৰ, এৰীয়া, পাট আদিৰ চাদৰ, ফুলাম গামোচা, উকা গামোচা, টঙালী, চুৰিয়া, তিয়নি গামোচা আদি আহোম যুগত ব্যৱহাৰ হোৱাৰ উদাহৰণ বুৰঞ্জীয়ে দিয়ে।

আহোম যুগতেই নানা ধৰণৰ খেল-ধেমালি, যেনে—শেন যুঁজ, কুকুৰা যুঁজ, কণী যুঁজ, ঘোৰা দৌৰ, মহ যুঁজ, হাতী যুঁজ আদিৰ প্ৰচলন হয়। ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ ৰং-ধেমালি চোৱাৰ সুবিধাৰ কাৰণে ৰংঘৰ আদি নিৰ্মাণ কৰা হয়। হাতী এটা মূল্যবান সম্পদ সেই কথা আহোম যুগতে গণ্য কৰা হয়। অসমত ব্যাপক ভাবে দুৰ্গা পূজাৰ প্ৰচলন আহোম ৰজাৰ দিনতেই হয়। পূজাত ম'হ ছাগলী আদিৰ বাহিৰে মানুহ বলি দিয়াৰ প্ৰথাও প্ৰচলন হয়। ইয়াৰ বাহিৰেও ৰাজ্যত নানা দৌল, দেৱালয় নিৰ্মাণ কৰি অসমত আগতে নথকা বহুত উৎসৱ আৰু পূজা-পাৰ্বনৰ প্ৰচলন কৰে। অসমৰ হাড়ে-হিমজুৱে সোমাই থকা বিহু উৎসৱক আহোম ৰজাই জাতীয় উৎসৱ ৰূপে স্বীকৃতি দিয়ে।

ড° বিৰিঞ্চি কুমাৰ বৰুৱাই উল্লেখ কৰিছে—"অসমীয়া সংস্কৃতি সুগভীৰ সমুদ্ৰ। নানা জাতি আৰু উপজাতিৰে ভাৱ-চিন্তা, নীতি নিয়মৰ সোঁতেৰে ই গঢ়ি উঠিছে।". অসমীয়া ভাষা আৰু সংস্কৃতিৰ লগত ইচলামীয় প্ৰভাৱ মন কৰিবলগীয়া। অজান ফকিৰে ৰচনা কৰা জিকিৰৰ লগত বৈষ্ণৱ যুগৰ গীত পদৰ ভাৱ-ভাষা আদি লক্ষ্য কৰিবলগীয়া। হয়তো ইচলাম ধৰ্মৰ ভাবধাৰাৰ লগত বৈষ্ণৱ ধৰ্মৰ মিল থকাৰ কাৰণেই অসমত ইচলাম ধৰ্মই প্ৰসাৰতা লাভ কৰাৰ সুবিধা হৈছিল। চান্দসাইৰ দৰে মুছলমান লোক শ্ৰীশঙ্কৰদেৱৰ শিষ্য হোৱাটোৱেই হিন্দু আৰু মুছলমানৰ মাজত সদ্‌ভাৱ থকাৰে সূচনা কৰে। অসমৰ নানা ঠাইত থকা মচজিদ আদিয়ে অসমত ইচলামীয় কাৰুকাৰ্য্য প্ৰচলনত ইন্ধন যোগাইছিল। অসমত এতিয়াও প্ৰচলন হৈ থকা গজল, ভাটিয়ালী সুৰৰ গীত, সৰোদ, তবলা, তাম্বুৰা, চেতাৰ প্ৰভৃতি মুছলমানসকলে অসমত সৰবৰাহী কৰি তোলে। চিত্ৰাঙ্কণ বিদ্যাতো মুছলমানসকলে যথেষ্ট বৰঙণি যোগায়। ৰজা শিৱসিংহৰ দিনত অঁকা হস্তীবিদাৰ্ণৱ পুথিৰ চিত্ৰসমূহ দুজন মুছলমান শিল্পীয়ে অঁকা। ইয়াৰ বাহিৰেও সাজ পোচাকত আৰু আ-অলঙ্কাৰত—বিশেষকৈ মিনা কৰা কাম, কাপোৰত বেজিৰ কাম আৰু দৰ্জি শ্ৰেণীৰ প্ৰচলন হয় মুছলমানসকলৰ প্ৰভাৱতহে। ৰুমাল, আইনা আতৰ, পিক্‌দানি, হোকা আদিও মুছলমান সকলৰ দান। অসমৰ মানুহৰ মাজত পোলাও, কোৰ্মা, কোপ্তা, আচাৰ, খিচুৰি আদি আহাৰ্য্য বস্তু, গোলাপ, হাচনাহানা আদি সুগন্ধি ফুলৰ গছ আৰু লিখা-মেলা কৰিবৰ কাৰণে কাগজৰ প্ৰচলন মুছলমানসকলৰ অনুগ্ৰহতে হয়।

এইদৰে প্ৰাচীন কালৰ পৰা বিভিন্ন যুগত বিভিন্ন ধৰণে অসমীয়া ভাষা আৰু সংস্কৃতিত নানাজনে নানাধৰণেৰে বৰঙণি যোগাই এতিয়াৰ এই অৱস্থাত উপনীত হৈছে। আধুনিক যুগৰ আৰম্ভৰ লগে লগে পাশ্চাত্য প্ৰভাৱে অসম তথা ভাৰতত যি প্ৰভাৱ বিস্তাৰ কৰিছে সেয়াও সুস্পষ্ট। মূলতঃ "অসমীয়া সংস্কৃতি ঘাইকৈ আৰ্য্য সংস্কৃতিৰ ওপৰতে কেন্দ্ৰ কৰি গঢ় লৈছে" আৰু বিভিন্ন যুগে ভিন্‌ ভিন্‌ সময়ত ইয়াৰ নানা ধৰণেৰে বৰঙণি যোগাই পৰিপুষ্ট সাধনত সহায় কৰি আজিৰ এই ৰূপত উপনীত কৰাইছে।

ড° হেমন্ত কুমাৰ শৰ্মা

# বৈষ্ণৱ যুগত অসমৰ শিক্ষা-ব্যৱস্থা

অসমৰ ধৰ্ম, সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত বৈষ্ণৱ যুগ অসম বুৰঞ্জীৰ এটি গৰিমা-মণ্ডিত সোণালী অধ্যায়। এই যুগতেই শঙ্কৰদেৱ মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ, ৰামসৰস্বতী, অনন্ত কন্দলী, গোপাল আতা, ভট্টদেৱ প্ৰমুখ্যে ধৰ্ম প্ৰচাৰক আৰু সাহিত্যিকসকলে অসমত পবিত্ৰ নামধৰ্ম প্ৰচাৰ কৰিলে, অসমীয়া সমাজৰ সংস্কাৰ সাধিলে আৰু গীত-পদ-নাট আদি ৰচি অসমৰ জনগণক সাহিত্য তথা ভক্তি ৰসেৰে মোহিত আৰু পুলকিত কৰি তুলিলে। এনে হেন এটি স্বৰ্ণযুগত অসমৰ শিক্ষা-ব্যৱস্থা তথা শিক্ষা-দীক্ষা সম্বন্ধীয় অৱস্থানো কেনেকুৱা আছিল সেইটো স্বভাৱতে আমাৰ জানিবলৈ মন যায়।

বৈষ্ণৱ যুগত অৰ্থাৎ পঞ্চদশ শতিকাৰ শেষভাগৰ পৰা সপ্তদশ শতিকাৰ শেষলৈকে প্ৰচলিত অসমৰ শিক্ষা-ব্যৱস্থাৰ বিষয়ে জানিবলৈ হলে চৰিত-পুথি, বুৰঞ্জী আৰু ৰাজ-বংশাৱলীৰ ওচৰ চাপিব লাগিব। বৈষ্ণৱ-পূৰ্ব যুগৰদৰে এই যুগতো অসমৰ শিক্ষা-ব্যৱস্থা আৰ্য-ধৰ্মানুকুল আছিল। সাস্বতী, কন্দলী, বাগীশ, ভাৰতী আদি উপাধিয়ে সংস্কৃত চৰ্চাৰ কথাকে উন্মুকিয়ায়। প্ৰাচীন কালৰ দৰে এই যুগতো শিক্ষাদানৰ কাৰণে গুৰু-গৃহ, ছাত্ৰশালা বা টোল আছিল। ভালেমান টোল ৰাইজৰ দানেৰে খোলা হৈছিল। এনে শিক্ষানুষ্ঠানত সংস্কৃত ভাষাৰ মাধ্যমেৰে বেদ, বেদাঙ্গ, স্মৃতি, পুৰাণ, কাব্য আদি অধ্যয়ন কৰিব লাগিছিল। তদুপৰি ৰাজদৰবাৰ আৰু বিশেষকৈ সত্ৰবোৰতো নানান শাস্ত্ৰৰ অধ্যয়ন বা চৰ্চা হৈছিল। সেই সময়ত বটদ্ৰৱা অশ্বক্ৰান্ত হাজো, শ্ৰীহাটি, দামোদৰ ধাম ব্যাসকুছি, বহোৰি বস্তুপুৰ, শালকোচা, কোচবিহাৰ আদিত ছাত্ৰশাল বা টোল আছিল। টোলত ল'ৰাৰ উপৰি বয়সিয়াল লোকেও পঢ়িছিলি। টোলত নাম-ভৰ্তি কৰাৰ সময়ত গুৰু-মাননি দিব লাগিছিল। 'কথা-গুৰুচৰিত'ত (পৃঃ২৫) আছে, বুঢ়ীমাক খেৰ-সুতীয়ে অধ্যাপক মহেন্দ্ৰ কন্দলীক 'চাউল এপাচি-টকা এটি আৰু বস্ত্ৰ আগত' দি শঙ্কৰক পঢ়ুওৱাৰ বন্দোৰস্ত কৰিছিল। শিক্ষা বছৰৰো তেনে কোনো নিৰ্দিষ্ট দিন নাছিল; 'সজ বাৰ তিথি চাই' বিদ্যা আৰম্ভ কৰা হৈছিল।

অধ্যাপকসকল ব্ৰাহ্মণ আছিল আৰু তেওঁ-লোকৰ ঘৰ বা বাটৰ কাষতেই টোল আছিল। জাতি বৰ্ণ নিৰ্বিশেষে সকলো সম্প্ৰদায়ৰ ছাত্ৰকে শিক্ষাদান কৰা হৈছিল। অব্ৰাহ্মণ ছাত্ৰ শঙ্কৰে বৰদোৱাৰ মহেন্দ্ৰ কন্দলীৰ, মাধৱে বাণ্ডুকাত ৰাজেন্দ্ৰ অধ্যাপকৰ, পঢ়িয়া আতৈয়ে শ্ৰীহাটীৰ যাদবেন্দ্ৰ ভট্টাচাৰ্যৰ আৰু হৰিচৰণে পাটকীয়া জয়ৰৰ অধ্যাপকৰ টোলত পঢ়িছিল। সাধাৰণতে ছাত্ৰসকলে গুৰুৰ ঘৰত থাকি পঢ়া-শুনা কৰিছিল। তেওঁলোকে টোলৰ ঘৰ-চোতাল সাৰি-মচি-চাফ চিকুনকৈ ৰাখিছিল। টোলবোৰত ব্ৰাহ্মণ-ছাত্ৰই সৰহ আছিল আৰু বুদ্ধি-পাৰদৰ্শিতাৰ কাৰণে টোলত তেওঁলোকৰ আন ছাত্ৰতকৈ প্ৰভাৱো আছিল অধিক। গুৰুৱে সাধাৰণতে শ্ৰেণীৰ ভিতৰত যোগ্যতম বিবেচিত ছাত্ৰকহে ওজা ছাত্ৰ ৰূপে নিয়োগ কৰিছিল। মহেন্দ্ৰ কন্দলীয়ে অব্ৰাহ্মণ বুলি জানিও শঙ্কৰক 'ওজা ছাত্ৰ'ৰূপে নিয়োগ কৰাত ব্ৰাহ্মণ ছাত্ৰবোৰে অসূয়া কৰি-ছিল যদিও ইয়াত গুৰুৰ উদাৰতাৰ প্ৰমাণ পোৱা যায়।

দেশত সংস্কৃত শিক্ষা প্ৰচাৰৰ কাৰণে ৰজাসকলেও পৃষ্ঠপোষকতা কৰিছিল। বিক্ৰমাদিত্য তুল্য মহাৰাজ নৰনাৰায়ণে অকল যে ৰাজ-সভাতেই সংস্কৃত পণ্ডিত ৰাখিছিল এনে নহয়, প্ৰজাসকলকো সংস্কৃত শিকাবলৈ যত্ন কৰিছিল। তেওঁ কৈছিল, "দোকানী, চাকৰী, চিপাহী, পিয়দা, ধোপধৰা, গৰমলি, ভৰাৰি, মহলীয়া, সদাগৰ, নট-ভাট সবেও সংস্কৃত শিথক অমৰ ব্যাকৰণ" (ক,গু, পৃ ১৯২)। ফলত বিভিন্ন শ্ৰেণীৰ লোকে সংস্কৃত শিকাৰ সুবিধা পাইছিল। এবাৰ কবিচন্দ্ৰ নামে ভাটীদেশৰ এজন পণ্ডিতে তৰ্ক কৰিবলৈ আহিছিল; কিন্তু বাটত যাকে লগ পায় সেয়ে সংস্কৃতত উত্তৰ দিয়াত তেওঁ আচৰিত হৈ কৈছিল, "দেশ এই খানেই পণ্ডিত বৈ" (ক, গু, পৃঃ ১৯৩)।

টোলবোৰত বিভিন্ন পাঠ্যক্ৰম আছিল আৰু সেইমতে পাঠ্যদান কৰা হৈছিল। চতুৰ্বেদ, চৈধ্য শাস্ত্ৰ, অষ্টাদশ পুৰাণ, মহাভাৰত, সংহিতা, চৈধ্য ব্যাকৰণ, ওঠৰ কাব্য, কোষ, তন্ত্ৰ আদি পাঠ্যক্ৰমৰ ভিতৰুৱা আছিল। চৰিত পুথিমতে শঙ্কৰে এইসকলোবোৰ কম দিনৰ ভিতৰতে আয়ত্ত কৰিছিল। মাধৱদেৱে এক বছৰত 'সাত ব্যাকৰণ, ভাৰত, পুৰাণ আৰু ভাগৱত' পঢ়িছিল। পুনি শাস্ত্ৰ অধ্যয়ন আৰু জ্ঞান আহৰণৰ প্ৰতি মানুহৰ এনে ধাউতি আছিল যে সমৰ্থবান লোকে জ্ঞান অৰ্জনৰ বাবে বাৰানসী, নৱদ্বীপ, মিথিলা আদি ভাৰতৰ বিভিন্ন শিক্ষাকেন্দ্ৰলৈ গৈ অধ্যয়ন কৰি-ছিল। ৰজা নৰনাৰায়ণ আৰু চিলাৰায়ে বাল্য-কালত বাৰানাসীৰ ব্ৰহ্মানন্দ সন্ন্যাসীৰ অধীনত পঢ়াৰ কথা 'দৰং ৰাজবংশাৱলীত এনেদৰে বৰ্ণাইছে—

পিতৃৰ চৰণ দুই ভাই বন্দিলন্ত।
পঢ়িবাক লাগি বাৰানসীক গৈলন্ত॥ ২৬৬
ব্যাকৰ্ণ পুৰাণ শ্ৰুতি স্মৃতি মীমাংসাৰ।

শিকিলন্ত অস্ত্ৰ শাস্ত্ৰ অথৰ্ব বেদৰ। ২৬৭
সম দম দায়া ভেদ ন্যায় নীতি যত।
জ্যোতিৰ্বেদ তৰ্ক-শাস্ত্ৰ শিকে নানামত॥ ২৬৮

দেশত সংস্কৃতৰ উপৰি পাচী ভাষাৰো চৰ্চা হৈছিল আৰু গীত ৰচনাত এই ভাষাৰ শব্দও প্ৰয়োগ কৰা হৈছিল।

সত্ৰবোৰত উল্লেখিত গ্ৰন্থৰ উপৰি মহাপুৰুষসকলে ৰচা পদপুথি, কাব্য, গীত-পদ আদি চৰ্চা কৰা হৈছিল। সত্ৰত পুথিগত বিদ্যা বা ধৰ্মকথা প্ৰচাৰ বা গ্ৰহণৰ ক্ষেত্ৰত কোনো জাতি-বৰ্ণৰ বিচাৰ কৰা নহৈছিল। সাধাৰণ বা দুখীয়া ঘৰৰ ছাত্ৰ বা বয়সিয়াল লোকেও বিদ্যা গ্ৰহণ কৰিব পাৰিছিল। সত্ৰসমূহ ধৰ্ম চৰ্চাৰ কেন্দ্ৰ থলী হোৱাত আৰু সত্ৰৰ লগত জনসাধাৰণৰ মধুৰ সম্বন্ধ ঘটাত সকলো শ্ৰেণাৰ লোকে সত্ৰত ধৰ্ম চৰ্চা তথা জ্ঞান আহৰণৰ সুবিধা পাইছিল। আৰু এই ক্ষেত্ৰত ধৰ্মপ্ৰচাৰক সকলেও সহায় কৰিছিল। যেনে, ভৱানীপুৰীয়া গোপাল আতাই ফলি-পেঞ্চিল নোহোৱাকৈয়ে লক্ষ্মণ ওজাক একাদশ স্কন্ধ ভাগৱত পঢ়ুৱাইছিল (ক, গু, পৃঃ ২৭০)। বুঢ়া আতাৰ দৰে আন বয়সিয়াল লোকেও পঢ়াৰ প্ৰতি আগ্ৰহ দেখুৱাইছিল (ক.গু, পৃ,৩১১। দাউকী গাৱঁৰ বুঢ়া-বুঢ়ীৰ ঘটনাৰ পৰা জনা যায় যে বুঢ়ীয়ে বুঢ়াক নিতৌ সত্ৰলৈ হৰিনাম শুনিবলৈ পঠায়। সত্ৰৰ পৰা উভতি আহি শুনা নামখিনি বুঢ়ীৰ আগত ক'ব লাগে। এদিন ক'ব নোৱাৰাত বুঢ়ীয়ে ভাত নিদিলে। পিছত আকৌ সত্ৰৰ পৰা শিকি আহি বুঢ়ীক শুনোৱাতহে বুঢ়ীয়ে ভাত দিছিল (ক, গু, পৃঃ ৩৩২)। চন্দৰী আইৰ দৰে তিৰোতাবই আকৌ গীতাৰ শ্লোকৰ অৰ্থ কৈছিল। টোলত শঙ্কৰ-মাধৱৰ দৰে যেনেকৈ চোকা ছাত্ৰ আছিল, তেনেকৈ খিলাই বামুণৰ দৰে কেঁচা ছাত্ৰও আছিল।

পণ্ডিত লোকসকলে কেৱল জ্ঞান আহৰণতে ব্যস্ত নাথাকি বিভিন্ন ঠাইৰ পণ্ডিতৰ লগত তৰ্ক কৰি পাণ্ডিত্যৰ পৰিচয় দিছিল আৰু দেশৰ খ্যাতি আনিছিল। সাধাৰণতে ৰাজপণ্ডিত বা ধৰ্মগুৰুসকলৰ লগতে বিদেশৰ পণ্ডিতৰ তৰ্ক হৈছিল। তৰ্কত জিকিলে উপাধি বা বঁটা-বাহন লাভ কৰিব পাৰিছিল। শঙ্কৰদেৱৰ উপৰি পুৰুষ চণ্ডীবৰে শান্তিপুৰৰ পণ্ডিত চন্দ্ৰ কবিক (বা কবি চন্দ্ৰ) তৰ্কত হেৰুৱাই ৰজা দুৰ্লভনাৰায়ণৰ পৰা সন্মান আৰু অৰ্থ লাভ কৰিছিল (ক, গু, পৃঃ ১১)। সাৰ্বভৌম ভট্টাচাৰ্য্যই কাশী-বাৰানসীত পঢ়ি শঙ্কৰদেৱৰ লগত তৰ্ক কৰিবলৈ আহিছিল; কিন্তু পৰাজয় মানি শঙ্কৰদেৱৰ শৰণাপন্ন হৈছিল। (ক, গু, পৃঃ ৪২-৪৩)। খৰ্গেশ্বৰ নামৰ এজন সন্যাসীয়ে কপিলা গৰুৰ ওপৰত শাস্ত্ৰ আৰু তাৰ ওপৰত নিজে বহি শঙ্কৰদেৱৰ লগত প্ৰথম তৰ্কতেই লাজ অপমান পাই উলটি যাবলৈ বাধ্য হয়। অৱশ্যে বাহিৰৰ পণ্ডিতসকলে যে কেৱল তৰ্ক কৰিবলৈকে আহিছিল এনে নহয়, ধৰ্মগ্ৰন্থ আলোচনাৰ কাৰণেও উপযুক্ত লোক বিচাৰি কামৰূপ-অসমলৈ আহিছিল। জগদীশ মিশ্ৰ নামে বাৰানসীৰ এজন পণ্ডিতে ভাগৱত-শাস্ত্ৰ লৈ আহি এক বছৰ ধৰি শঙ্কৰদেৱৰ ওচৰত পঢ়িছিল। সেইদৰে শঙ্কৰদেৱেও পুৰীলৈ গৈ পাণ্ডাসকলৰ





আগত 'ব্ৰহ্মপুৰাণ'ৰ কথা ব্যাখ্যা কৰিছিল (শ্ৰী, গু, ৫৯)। এইদৰে ভাৰতৰ অন্যান্য ঠাইৰ লগত অসমৰ পণ্ডিতৰ বিশেষ যোগাযোগ ঘটিছিল।

দেশত নৱ-বৈষ্ণৱ ধৰ্মৰ সোঁত প্ৰৱলভাৱে বৈছিল যদিও একাংশ লোকে বিভিন্ন দেৱ-দেৱীও পূজা কৰিছিল। গতিকে তেওঁলোকৰ মাজত তন্ত্ৰ-মন্ত্ৰৰ চৰ্চাও হৈছিল। শঙ্কৰদেৱৰ দুজন উপৰি পুৰুষে বীজ,মন্ত্ৰেৰে ব্ৰহ্মা আৰু চন্দ্ৰক আৰাধনা কৰি পুত্ৰ লাভ কৰাৰ বিৱৰণ চৰিত পুথিত পোৱা যায়। অধ্যাপক মহেন্দ্ৰ কন্দলীয়ো আৰম্ভণিতেই ছাত্ৰ শঙ্কৰক দুৰ্গাৰ মন্ত্ৰ শিকাব খুজিছিল। যোগশাস্ত্ৰও অধ্যয়ন কৰা হৈছিল। দেশৰ ঠায়ে ঠায়ে বৌধমতীয়া টাটকীয়া আছিল। সিহঁতে যাদুমন্ত্ৰ জানিছিল আৰু মানুহক বাজী দেখুৱাইছিল (ক, গু, পৃঃ ২২)। কেতিয়াবা ব্যাধি জাপি দি পুনৰ ভাল কৰি মানুহৰ পৰা টকা-পইচা আদায় কৰিছিল (ক, গু, পৃঃ ৪৫)। এনেলোকক শঙ্কৰদেৱে পাষণ্ড বুলি নিন্দা কৰিছিল।

দেশত জ্যোতিষ-বিদ্যাৰো বিশদ চৰ্চা হৈছিল। জ্যোতিষীয়া বিপ্ৰসকলে ৰাজঘৰ বা প্ৰজাঘৰৰ কোনো বিশেষ কাৰ্য্যৰ কাৰণে শুভ দিন-বাৰ-লগ্ন চাই দিছিল। কোচৰজা আৰু আহোম স্বৰ্গদেও সকলে জ্যোতিষ বিদ্যাত গভীৰ বিশ্বাস ৰাখি কাম কৰিছিল। আনকি শঙ্কৰদেৱেও জ্যোতিষৰ প্ৰতি অৱহেলা কৰা নাছিল। কেইবাজনো দৈৱজ্ঞ ব্ৰাহ্মণ শঙ্কৰদেৱৰ প্ৰিয় শিষ্য আছিল। দেশত কায়থেলী বিদ্যাৰো প্ৰচলন আছিল। মাধৱদেৱে সংস্কৃত শিক্ষা সাং কৰি বাণ্ডুকাৰ পৰা অসমলৈ উভতি আহি কায়থেলী বিদ্যা আয়ত্ত কৰিছিল (ক, গু, পৃঃ ৬২)।

টোলত গুৰুৱে ছাত্ৰসকলক পাঠদানৰ মাজে মাজে প্ৰশ্ন সুধিছিল। সেইদৰে সত্ৰ বা নামঘৰতো কোনো ধৰ্মগ্ৰন্থ পাঠ হলে তাৰ জটিল তত্বৰ বিষয়ে প্ৰশ্নৰ অৱতাৰণা কৰা আৰু সেই বিষয়ে আলোচনা কৰা হৈছিল। ছাত্ৰ বা শিষ্যসকলৰ গুৰুৰ প্ৰতি অগাধ ভক্তি আছিল। গুৰুসকলেও ছাত্ৰ-শিষ্যক অশেষ স্নেহ কৰি শিক্ষা-দীক্ষা দিছিল।

এই যুগটোত অসমৰ শিক্ষা-দীক্ষা প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত কোচ-ৰজাসকলৰ দানৰ কথাই বেছিকৈ জনা যায়। কোচ ৰজাসকল বিদ্যোৎসাহী আছিল। তেওঁলোকৰ ৰাজসভাত বৈষ্ণৱ কবিসকলৰ উপৰি বিভিন্নবিষয়ৰ পণ্ডিত লোক আছিল। এই সম্পৰ্কে গুণাভিৰাম বৰুৱাই লিখিছে "নৰনাৰায়ণ ৰজাই কামৰূপত বিদ্যাশিক্ষাৰ বৰ উৎসাহ দিলে, কায়স্থ আৰু কলিতা জাতিৰ কোনো কোনো লোকে অঙ্ক ইত্যাদি শিক্ষাৰ নিমিত্তে পুস্তক ৰচনাৰ উদ্যোগ কৰিলে" (আ, বু,পৃঃ ১৮৩)। ৰজাৰ এনে পৃষ্ঠপোষকতাৰ গুণতেই বিভিন্ন বৈষ্ণৱ গ্ৰন্থৰ উপৰিও পুৰুষোত্তম ভট্টাচাৰ্য্যৰ 'ৰত্নমালা ব্যাকৰণ,' শ্ৰীধৰৰ 'খণ্ডসাধ্য'ৰ অনুবাদ আৰু বকুল কায়স্থৰ 'লীলাৱতী' নামৰ গণিত শাস্ত্ৰৰ ভাঙনি হয় (দ, বা, পৃঃ, ১২৩-২৪)। প্ৰাচীন কালৰে পৰা অসমত স্মৃতিশাস্ত্ৰৰ চৰ্চা বিশেষভাৱে হৈছিল। বৈষ্ণৱ-পূৰ্ব যুগত কবি-ভাৰতী, বেদাচাৰ্য্য, নীলাম্বৰাচাৰ্য্য, দামোদৰ মিশ্ৰ আদিয়ে আৰু বৈষ্ণৱ যুগত পীতাম্বৰ সিদ্ধান্তবাগীশে

কেইবাখনো স্মৃতিশাস্ত্ৰ ('কৌমুদী' বুলি জনাজাত) প্ৰণয়ন কৰি গৈছে।

কোচৰজাসকলে যুদ্ধবিদ্যাৰ প্ৰতিও মনোনিৱেশ কৰিছিল। মহাৰাজ নৰনাৰায়ণ নিজে মল্লবীৰ আছিল আৰু তেওঁ দেশৰ লোকক মল্লযুদ্ধ শিক্ষাৰ কাৰণে উৎসাহ দিছিল (আ,-বু, পৃঃ ৪৩)। অৱশ্যে কোচৰজাসকলৰ কোনো সামৰিক বিদ্যালয় থকাৰ সম্ভেদ পোৱা নাযায়।

আহোম স্বৰ্গদেওসকলৰ সামৰিক বিদ্যালয় নাথাকিলেও নিয়মীয়াকৈ যুদ্ধৰ প্ৰশিক্ষণ দিয়া হৈছিল। বহু পুৰুষাই ভাল বণুৱা হৈ ৰজাৰ পৰা বঁটা-বাহন পোৱাৰ আশাৰে সকৰে পৰা শেল-যাঠি-তৰোৱালৰ ব্যৱহাৰ আৰু ধনুৰ্বিদ্যা শিকিছিল। আহোম ৰজাই এটি শক্তিশালী নৌবাহিনী ৰাখিছিল। আহোম ৰজাৰ পৃষ্ঠপোষকতাত শিল্প আৰু স্থপতি বিদ্যাৰো উৎকৰ্ষ হৈছিল। মোমাই তামুলী বৰবৰুৱাই সোণাৰী কমাৰ, কুমাৰ, বাঢ়ৈ, শিপিনী আদিক স্বকীয়া স্বকীয়াকৈ পতাৰ ফলত সেই বিদ্যাবোৰ পুৰুষ পৰম্পৰা চলিছিল। স্থপতি-বিদ্যা যেনে, মঠ-মন্দিৰ, দলং আদি নিৰ্মাণ কাৰ্য্যৰ এগৰাকী অধ্যক্ষ আছিল আৰু তেওঁক চাংকং ফুকন বোলা হৈছিল। এই বিদ্যাটোও পুৰুষানুক্ৰমে চলিছিল। চিকিৎসা-শাস্ত্ৰ বা আয়ুৰ্বেদ শিক্ষাৰ চৰ্চাও হৈছিল। প্ৰাচীন কালত পালকাপ্য মুনিয়ে 'হস্ত্যায়ুৰ্বেদ' নামে হস্তীচিকিৎসাৰ গ্ৰন্থ এখনি কামৰূপত ৰচনা কৰে বুলি জনা যায়। এইদৰে পশুচিকিৎসাৰ গ্ৰন্থ পৰম্পৰা এই দেশত ৰক্ষিত হৈছিল। আহোম ৰজাৰ পৃষ্ঠপোষকতাত উত্তৰ বৈষ্ণৱ যুগত ৰচিত হস্তীবিদ্যাৰ্ণৱ', 'ঘোঁৰা নিদান' আদিয়েএই কথাৰ প্ৰমাণ কৰে। আয়ুৰ্বেদ চিকিৎসাও এই দেশত পূৰ্বৰে পৰা চলি আহিছে। উজনি অসমৰ বেজবৰুৱা আৰু নামনি অসমৰ কবিৰাজ আৰু ওজাসকলে সেই চিকিৎসা বিদ্যাৰ পৰম্পৰা ৰক্ষা কৰে বুলি ক'ব পাৰি।

আহোম ৰজাসকলে হিন্দুধৰ্ম গ্ৰহণ কৰাৰ পিছত সংস্কৃত ভাষাকো আদৰি লৈছিল। প্ৰকৃততে উত্তৰ বৈষ্ণৱ যুগতহে আহোম ৰজাৰ পৃষ্ঠপোষকতাত সংস্কৃত আৰু অসমীয়া ভাষা-সাহিত্যই প্ৰচাৰ-প্ৰসাৰ লাভ কৰিছিল। আহোম ভাষা শিক্ষা দিয়াৰ উদ্দেশ্যে আহোম পণ্ডিত নিয়োগ কৰা হৈছিল। বুৰঞ্জী লিখা বা চৰ্চা কৰাটো আহোম সকলে এটি পবিত্ৰ কৰ্তব্য বুলি গণ্য কৰিছিল। সাধাৰণতে আহোম পণ্ডিতৰ পঢ়াশালিতেই বুৰঞ্জী-শিক্ষাৰ ব্যৱস্থা কৰা হৈছিল। বুৰঞ্জী চৰ্চা আৰু সংৰক্ষণ কাৰ্য্যত চকু দিবলৈ চিৰিং ফুকন নামৰ এজন বিষয়া নিয়োগ কৰা হৈছিল। আদি কালৰ বুৰঞ্জী টাই ভাষা আৰু টাই লিপি আৰু পিছৰ কালৰ বুৰঞ্জী টাই ভাষা অসমীয়া লিপি, অসমীয়া ভাষা টাই লিপি নাইবা অসমীয়া ভাষা আৰু অসমীয়া লিপিত লিখিত হৈছিল।

দেশত স্ত্ৰীশিক্ষাৰ বিশেষ প্ৰচলন নাথাকিলেও দুই চাৰি গৰাকী তিৰোতাৰ ধৰ্ম গ্ৰন্থ শুনা বা চৰ্চাৰ প্ৰতি যে আগ্ৰহ আছিল ওপৰত উল্লিখিত হৈছে। যুৱৰাজ চিলাৰায়ৰ পত্নী কমলপ্ৰিয়া সুগায়িকা আছিল। তেওঁ শঙ্কৰদেৱ ৰচিত 'পামৰু মন ৰাম চৰণ চিত্ত দেহু' বৰগীতটো গাই চিলাৰায়ৰ মন শঙ্কৰদেৱৰ প্ৰতি আকৃষ্ট





কৰাৰ উল্লেখ কেইবাখনো চৰিত-পুথিত পোৱা যায়। সেইদৰে কেইবাখনো বুৰঞ্জীত শিক্ষানুৰাগী আৰু বিদুষী আহোম ৰমণীসকলৰ উল্লেখ আছে। শিক্ষিত চাউচিং কুঁৱৰীৰ বিষয়ে আছে—"কুঁৱৰীও ৰূপে-গুণে বৰ পণ্ডিতা, ভৰিয়েৰেহে আহোম আখৰকো লিখিছিল" (অ, বু, পৃঃ ৩২)।

বৈষ্ণৱ যুগৰ শিক্ষা পদ্ধতিলৈ লক্ষ্য কৰিলে দেখা যায় যে প্ৰাক্‌ বৈষ্ণৱ যুগতকৈ এই যুগত শিক্ষাৰ যথেষ্ট প্ৰসাৰ হৈছিল। অৱশ্যে আজি কালিৰ দৰে প্ৰতি গাওঁ বা নগৰত শিক্ষাৰ উমৈহতীয়া অনুষ্ঠান নথকাত আৰু শিক্ষাক্ৰমৰো কোনো নতুনত্ব নথকাত শিক্ষাৰ-প্ৰসাৰৰ বাটটি সুগম হৈ উঠিব পৰা নাছিল। শিক্ষাৰ জৰিয়তে কেৱল জ্ঞান লাভ আৰু তাৰ পৰা ভক্তিলাভ হয়—এনে ধাৰণাহে মানুহৰ আছিল; কিন্তু জীৱিকা অৰ্জনৰ অন্যতম আহিলাও যে শিক্ষা হ'ব পাৰে, এনে চিন্তা বোধকৰোঁ সেই সময়ৰ সকলো লোকে কৰিব পৰা নাছিল। 'কথা গুৰু চৰিত'ৰ এঠাইত আছে 'পঢ়িব লাগে জ্ঞানৰ কাৰণে, জ্ঞান লাগে ভক্তিৰ কাৰণে, ভক্তিবিহীন সবে ব্যৰ্থ।" (ক, গু, পৃঃ ৩১১)। সৰ্বসাধাৰণলোকৰ কৃষিয়েই আছিল একমাত্ৰ জীৱিকাৰ পথ। সেই কাৰণে শিক্ষাৰ কাৰণে জনজাগৰণ হোৱা নাছিল। তথাপি দেশত বিভিন্ন বিষয়ক শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত যি পৰম্পৰা গঢ় লৈ উঠিছিল তাৰ কাৰণে টোল বা ছাত্ৰশালৰ অধ্যাপকসকলৰ দান, ৰাজকীয় পৃষ্ঠপোষকতা আৰু বৈষ্ণৱ ধৰ্মপ্ৰচাৰকসকলৰ অকুণ্ঠ চেষ্টাৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰিব লাগিব। *

---


* প্ৰসঙ্গ গ্ৰন্থ :

ক, গু,—কথা-গুৰুচৰিত, উপেন্দ্ৰচন্দ্ৰ লেখাৰু সম্পাদিত, ১৯৫২।

শ্ৰী, গু,—শ্ৰীগুৰুচৰিত, ডঃ মহেশ্বৰ নেওগ সম্পাদিত, ১৯৫৭।

আ, বু,—আসাম বুৰঞ্জী, গুণাভিৰাম বৰুৱা, ১৯৭২।

দ, ৰা,—দৰঙ্গ ৰাজবংশাৱলী, নবীনচন্দ্ৰ শৰ্মা সম্পাদিত, ১৯৭৩।

অঃ বুঃ—অসম বুৰঞ্জী (সুকুমাৰ মহন্তৰ ঘৰত পোৱা), ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত, ১৯৪৫

অসমীয়া জাতিৰ ইতিবৃত্ত, অসম সাহিত্য সভা, ১৯৭৪।

আহোম জাতি আৰু অসমীয়া সংস্কৃতি, লীলা গগৈ, ১৯৬১।

# বেদান্ত দৰ্শনৰ ব্যাখ্যাত
## ৰাধানাথ ফুকন

আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰী

ব্ৰহ্মেতি বিষ্ণুৰিতি শম্ভুৰিতি স্বতন্ত্ৰা-
শক্তিশ্চ সৰ্বজননীত্যভিধীয়মানাম্ ।
শ্ৰুত্যক্ষৰৈশ্চ কৱিভিঃ পৰিগীয়মানাং
ৰাচং পৰাং সকলকামকলাং প্ৰপদ্যে ॥

যোঽসৌ ৰেদান্ত-ৰাচস্পতিৰমলমতিৰ্মত্তালোকাৎ প্ৰয়াতঃ
শ্ৰীৰাধানাথ নামাঽসমহৃদয়মণিঃ ফুক্কনস্তত্ত্বদৰ্শী ।
মুক্তঃ স্বৰ্গস্থিতো ৰা জনগণমনসা স্মৰ্যমানো মহাত্মা
নিত্যজ্ঞানৈকমূৰ্ত্তিৰ্জগতি ৰিজয়তাং সৰ্বদা সপ্ৰসন্নঃ ॥

অতি নীচ শ্ৰেণীৰ জীৱৰ পক্ষে কামেই এক-মাত্ৰ পুৰুষাৰ্থ। তাতকৈ উচ্চ-শ্ৰেণীৰ জীৱৰ পক্ষে কাম আৰু অৰ্থ এই দুবিধ পুৰুষাৰ্থ। উচ্চতৰ জীৱ মানৱৰ পক্ষে কাম, অৰ্থ আৰু ধৰ্ম এই ত্ৰিবিধ পুৰুষাৰ্থ। আৰু উচ্চতম শ্ৰেণীৰ জীৱ সত্বগুণ প্ৰধান মানৱ, দেৱ, ঋষি আদিৰ পক্ষে একমাত্ৰ পুৰুষাৰ্থ মোক্ষ।

সাময়িক (অস্থায়ী) ইন্দ্ৰিয়জন্য সুখ বা সাম-য়িক দুঃখনিবৃত্তি প্ৰাণীৰ কাম্য হেতুকে তাক কাম বোলা হয়। এই কামৰ সাধন বা উপায় ৰূপে প্ৰাণীয়ে যাৰ অপেক্ষা কৰে, যিটো পাবলৈ বিচাৰে তাৰেই নাম অৰ্থ। তাৰে যিবিলাক কামহেতু লৌকিক প্ৰমাণবেদ্য অৰ্থাৎ যিবিলাক কাৰক হেতুৰ পৰা যি যেনেকুৱা প্ৰক্ৰিয়াত যি যেনেকুৱা কাম্য-ফল (প্ৰাণীৰ) ইষ্টলাভ আৰু অনিষ্ট নিবৃত্তি হয় বুলি প্ৰত্যক্ষ বা অনুমান প্ৰমাণৰ দ্বাৰা জানিব পৰা যায়, তেনে কামো-পায়বিলাকৰহে মুখ্যভাৱে 'অৰ্থ' শব্দৰ দ্বাৰা কোৱা হয়। বিষয়েন্দ্ৰিয় সংযোগজন্য সাময়িক সুখৰ আৰু সাময়িক দুঃখনিবৃত্তিৰ তাৎক্ষণিক ফলত আৰু তাৰ অৱসানত দুখ অৱশ্যম্ভাৱী হেতুকে দূৰদৰ্শী বুদ্ধিমান পুৰুষে তেনে সুখ আৰু দুঃখ নিবৃত্তি নিবিচাৰে। তেনে পুৰুষে বিচাৰে আত্যন্তিক নিৰৱচ্ছিন্ন দুঃখ নিবৃত্তি বা নিত্যসুখ।





গতিকে তেওঁবিলাকে অনিত্য বৈষয়িক সুখস্বৰূপ কামৰ পৰা আৰু তাৰ সাধনস্বৰূপ অৰ্থৰ পৰাও মুক্তি বিচাৰে। তেনে অনিত্য সুখ আৰু দুঃখ নিবৃত্তিস্বৰূপ কামৰ পৰা আৰু তাৰ সাধনস্বৰূপ অৰ্থৰ পৰা মুকলি হৈ স্বৰূপাৱস্থভাৱে থকাৰ নাম মোক্ষ বা মুক্তি।

যিবিলাক কামহেতু (অৰ্থ) প্ৰত্যক্ষ বা অনুমান আদি লৌকিক প্ৰমাণবেদ্য নহয়, একমাত্ৰ অলৌকিক জ্ঞানৰ বিষয় আৰু অলৌকিক বাক্যমাত্ৰ প্ৰমাণবেদ্য অৰ্থাৎ যিবিলাক কাৰক হেতুৰ বা উপায়ৰ দ্বাৰা যি যেনেকুৱা প্ৰক্ৰিয়াৰ যোগেদি যি যেনেকুৱা কাম্যফল (প্ৰাণীৰ ইষ্টলাভ বা অনিষ্ট নিবৃত্তি) হয় বুলি অলৌকিক বেদ-বাক্যৰ দ্বাৰাহে জনা যায়, তাৰ বাহিৰে আন কোনো লৌকিক প্ৰমাণৰ দ্বাৰা জনা নাযায় তেনে কামোপায়বিলাকক বোলা হয় ধৰ্ম আৰু তেনে মোক্ষোপায়বিলাকক বোলা হয় মোক্ষ-ধৰ্ম।

যিবিলাক প্ৰাণীৰ অতীত অনুভূত সুখ-দুখৰ সোঁৱৰণ নহয় সেই বিলাকৰ ভৱিষ্যত সুখ-দুখৰ অনুমান নহয় গতিকে জীৱনাশা অল্পদিক কাল-ব্যাপী তেনে কিছুমান একমাত্ৰ প্ৰত্যক্ষ-জ্ঞানাধীন কীট-পতঙ্গ গছ-গছনি আদি জীৱৰ বৰ্তমানকালীন সুখ দুখৰহে অনুভূতি হয় গতিকে সেইবিলাকে কাম-অৰ্থ ধৰ্ম আৰু মোক্ষ এই চাৰি পুৰুষাৰ্থৰ ভিতৰত কাম নামৰ পুৰুষাৰ্থ (সুখ আৰু দুখ-নিবৃত্তি)হে বিচাৰে, বাকী তিনিটাৰ এটাৰো স্বৰূপ সিহঁতে নাজানে গতিকে তাৰ প্ৰতি ইচ্ছা বা তাৰ উপাৰ্জনৰ প্ৰচেষ্টাও সেইবিলাকৰ নাই।

এই শ্ৰেণীৰ জীৱকে
জীৱ বুলি ধৰা হয়।
অনুভূত সুখ-দুখ আৰু তা
হয় আৰু ভৱিষ্যত সুখ-দ
অনুমান জ্ঞান হয় সেই প্ৰত
ৰূপ লৌকিক প্ৰমাণত নিভ
কাম আৰু অৰ্থ এই দুবিধ
কাৰণে ইচ্ছুক আৰু তাৰ উপাৰ্জ
তেনে জীৱৰ জীয়াই থকাৰ আ
কাল প্ৰসাৰী আৰু অধিক দে
পক্ষী পৰুৱা আদি খাদ্য-সঞ্চ
এই শ্ৰেণীৰ। আগৰ শ্ৰেণীৰ
শ্ৰেণীৰ জীৱবিলাক উচ্চশ্ৰে
গণিত হয়।

ইয়াতকৈ উচ্চতৰ শ্ৰেণী
(জীয়াই থকা আকাঙ্ক্ষা)
পাছতো চিৰদিন জীয়াই
দেশত বিচৰণ কৰিব
জীৱনাকাঙ্ক্ষা সৰ্বাধিক
সুদূৰ অতীত সুখ-দুখৰ
ভৱিষ্যতকালীন সুখ-দ
অনুমান প্ৰমাণজন্য
প্ৰমাণজন্য জ্ঞান হয়
শব্দবোধ-পৃথিৱীৰ অন
মানৱৰহে হয়। ধৰ্মৰ
প্ৰমাণবেদ্য, তাৰ স্বৰূ
অকল প্ৰত্যক্ষ বা
নোৱাৰি গতিকে
লৌকিক প্ৰমাণৰ

ৰ পুৰুষাৰ্থটি জ্ঞাতও
নহয়, সেইবিলাক ধৰ্মৰ
অনুকূল প্ৰবৃত্তি সেইবিলাক

পক্ষে প্ৰমাণ আৰু জ্ঞানৰ
াক অনুমান এই দুবিধেই নহয়,
গেদিও মানৱৰ পদাৰ্থজ্ঞান উৎপন্ন
দ-প্ৰমাণৰ যোগেদি মানৱৰ ধৰ্মৰ
কথা জানিব পাৰে। তাৰ ফলত
ানত প্ৰবৃত্তি হয়। সেইকাৰণে
মক পুৰুষাৰ্থৰ অধিকাৰী। ধৰ্ম
ইহলোক পৰলোক উভয়
তিকে ই কাম আৰু অৰ্থতকৈ
ৰু অধিক দিগ ব্যাপী।

তিনিওবিধ পুৰুষাৰ্থ ক্ৰিয়া-
য় সংযোগজন্য গতিকে
মাৰব্ধ আৰু পৰিচ্ছিন্ন।
ন্ধ আৰু পৰিচ্ছিন্ন যি
নত্য আৰু অনেক এই
। ফকনদেৰে এই কথা
লিও সযুক্তিক প্ৰতিপন্ন
পৰিচ্ছিন্ন পুৰুষাৰ্থ
সত্ত্বগুণসম্পন্ন জ্ঞানী
তেওঁবিলাকে বুজে
ৰ স্বগত তাৰতম্য আৰু
ৰশ্যে ভুগিব লাগিব।
তেওঁবিলাকে নিত্য
দিন সচ্চিদানন্দৰূপে
ৰ যে সচ্চিদানন্দ-

স্বৰূপ অৰ্থাৎ সত্তা, জ্ঞান আৰু আনন্দ যে জীৱনৰ স্বভাৱ, সত্তা, জ্ঞান আৰু আনন্দৰ বিচ্ছেদেই জীৱনৰ অৱসান এই কথাটো লৌকিক ব্যৱহাৰৰ যোগেদি অন্বয়-ব্যতিৰেকে ন্যায়ৰ দ্বাৰাই বুজা যায়। আধুনিক বিজ্ঞানেও এই বোধৰ অন্যথা বা অপ্ৰামাণ্য প্ৰতিপন্ন কৰিব নোৱাৰে।

লৌকিক যুক্তি প্ৰমাণ প্ৰয়োগত যিয়ে যিমানে নিপুণ হয় তাৰ বুদ্ধি-বিবেচনা সিমানে প্ৰখৰ হয়। আধুনিক বিজ্ঞান উচ্চ ধৰণৰ অনুমান প্ৰমাণৰ বাহিৰে একো নহয়। গতিকে আধুনিক বিজ্ঞানৰ চৰ্চাৰ ফলত মানুহৰ বুদ্ধি বিবেচনা আৰু প্ৰমাণ প্ৰয়োগৰ দক্ষতা বাঢ়ে। সেই কাৰণে আধুনিক বিজ্ঞানৰ চৰ্চাৰ দ্বাৰা পৰিমাৰ্জিত বুদ্ধিসম্পন্ন লোকৰ পক্ষে প্ৰাচীন ভাৰতীয় অধ্যাত্ম-জ্ঞান অল্পায়াসসাধ্য হয়। এই কথাটি ফুকনদেৱে উপলব্ধি কৰিছিল হেতুকে আধুনিক উন্নত পাশ্চাত্য বিজ্ঞানক অধ্যাত্ম-বিদ্যাৰ প্ৰতিবন্ধক বা বিঘ্ন স্বৰূপ বুলি নাভাবিছিল, বৰঞ্চ সহায়ক বুলিহে ভাবিছিল। এই কথা তেখেতে তেখেতৰ বিভিন্ন গ্ৰন্থৰ নানা স্থানত প্ৰতিপন্ন কৰিছে।

মৌলিক প্ৰমাণ প্ৰয়োগৰ অভ্যাস আৰু ব্যৱহাৰিক বিষয়ৰ বিস্তৃত অভিজ্ঞতাৰ দ্বাৰা যাৰ বুদ্ধি প্ৰখৰ হয় তেনেলোকে বেদ আৰু বৈদিক শাস্ত্ৰৰ চৰ্চা আৰু উপদেশ অনুসৰণ কৰিলে সেই অধ্যাত্মবোধ আচৰণৰ ফলত তাৰ অন্তঃকৰণ শুদ্ধ নিৰ্মল হয় আৰু প্ৰথমতে নিত্যানিত্য বস্তু বিবেক অৰ্থাৎ দিক্‌কালৰ দ্বাৰা পৰিচ্ছিন্ন পদাৰ্থবিলাক যে অনিত্য আৰু দিক্‌কালৰ অতীত সৰ্বব্যাপক সৰ্ববৃহৎ ব্ৰহ্ম বা আত্মানামৰ পদাৰ্থ এটা যে





হে সেই বিষয়ে সামান্য জ্ঞান হয়, ধৰ্মাৰ্থ-কাম এই
বিধ পুৰুষাৰ্থত বৈৰাগ্য ওপজে ; শম দম উপৰতি
তিক্ষা শ্ৰদ্ধা সমাধান (আত্মবিষয়ক ভাৱনা)
ৰু মুমুক্ষুতা (সংসাৰৰ পৰা মুক্তিলাভৰ বাবে
কান্ত স্পৃহা) ওপজে। বেদ আৰু বৈদিক
স্ত্ৰৰ পৰা সি ইতিমধ্যে জানিছে যে ব্ৰহ্মজ্ঞান
আত্মোপলব্ধিৰ পৰাই মুক্তিলাভ হয় আৰু
ই মুক্তি নামৰ পুৰুষাৰ্থ অপৰিচ্ছিন্ন নিত্য
খ স্বৰূপ তথা একান্ত দুঃখ নিবৃত্তি স্বৰূপ।
ই শাস্ত্ৰ বাক্য শ্ৰৱণৰ ফলত তাৰ মনত সৰ্ব-
হৎ (ব্ৰহ্ম) আত্মাক জানিবলৈ তীব্ৰ আকাঙ্ক্ষাৰ
ব্ৰহ্ম জিজ্ঞাসাৰ) উদয় হয়। এইখিনিতে
দান্ত দৰ্শনৰ অৰ্থাৎ উপনিষদ বাক্যাৰ্থ বিচাৰৰ
াৰম্ভ।

ন্যায়-শাস্ত্ৰ চৰ্চাৰ ফলত যুক্তি-প্ৰমাণ প্ৰয়োগৰ
ৌশল আৰু পদাৰ্থৰ তত্ত্ব (স্বৰূপ আদি)
বেচনাৰ প্ৰক্ৰিয়া আৰম্ভ হয়। বৈশেষিক
ৰ্শনৰ চৰ্চাৰ ফলত নিত্য আৰু অনিত্য বস্তুৰ
বেক বা পাৰ্থক্য বিষয়ে নিশ্চিত জ্ঞান ওপজে।
াধুনিক বিজ্ঞানৰ চৰ্চাৰ ফলত এই জ্ঞানৰ
ষ্টতা আৰু দৃঢ়তা সম্পাদিত হয়। পূৰ্ব-
মাংসা শাস্ত্ৰৰ চৰ্চাৰ ফলত বেদৰ স্বতঃ প্ৰামাণ্য,
ৰ বাক্যাৰ্থ নিৰ্ণয়ৰ প্ৰক্ৰিয়া বেদ বাক্যাৰ্থৰ
তা অৰ্থাৎ বেদোক্ত কৰ্মৰ ঐকান্তিক ফল-
কতা প্ৰতিপন্ন হোৱা হেতুকে শাস্ত্ৰ-বাক্যত
বিচলিত বিশ্বাস বা শ্ৰদ্ধা উৎপন্ন হয়।
ংখ্য শাস্ত্ৰৰ চৰ্চাৰ ফলত ভোগ্যবস্তু মাত্ৰৰে
নিত্যতা জ্ঞান আৰু তাৰ প্ৰতি তীব্ৰ বৈৰাগ্য
পন্ন হয়। যোগশাস্ত্ৰৰ চৰ্চা আৰু তদুপদিষ্ট

প্ৰক্ৰিয়াৰ দ্বাৰা শম দম উপৰতি তিতিক্ষা আৰু সমাধি লাভ হয়। এইদৰে অন্যান্য আস্তিক দৰ্শনৰ চৰ্চাই পুৰুষক ক্ৰমে বেদান্ত জ্ঞানৰ পিনেই আগবঢ়াই নিয়ে। আত্মদৰ্শনৰ বাবে প্ৰস্তুত কৰি তোলে।

বৈদিকসকলে ভাবে যে বেদাৰ্থই চৰম আৰু পৰম সত্য। প্ৰত্যক্ষ অনুমান বা লৌকিক বাক্য আদি প্ৰমাণৰ ক্ষেত্ৰ দিক্‌কালৰ অন্তৰ্গত। ধৰ্মৰ ক্ষেত্ৰ দিক্‌কালৰ অন্তৰ্গত হলেও তাত সেই লৌকিক প্ৰমাণবিলাকৰ প্ৰসাৰ নাই। দিক্‌কালৰ অতীত অপৰিচ্ছিন্ন পৰম সত্য পদাৰ্থ যে কোনো লৌকিক প্ৰমাণৰ বিষয় নহয় সেইটো একান্ত স্বাভাৱিক। প্ৰত্যক্ষ আৰু অনুমান প্ৰমাণৰ দ্বাৰা যি পদাৰ্থ বা পুৰুষাৰ্থ জানিব নোৱাৰি তাকেই বেদ নামৰ প্ৰমাণৰ দ্বাৰা জনা যায়। সেই কাৰণেই বেদৰ প্ৰামাণ্য আৰু সাৰ্থক্য অৱশ্য স্বীকাৰ্য্য। নহলে অন্য প্ৰমাণৰ দ্বাৰা জনা বা জানিব পৰা বিষয়হে যদি বেদৰ দ্বাৰা জনা গলহেঁতেন তেন্তে বেদ অপ্ৰমাণ, নিৰৰ্থক বা নিষ্প্ৰয়োজন বুলি পৰিগণিত হ'লহেঁতেন।

প্ৰাণীৰ আত্মা বা জীৱন যে সচ্চিদানন্দ স্বৰূপ সেইটো লৌকিক ব্যৱহাৰৰ যোগেদি অন্বয় ব্যতিৰেক ন্যায়ৰ দ্বাৰাই জনা যায় গতিকে জীৱাত্মাৰ সচ্চিদানন্দৰূপতা জ্ঞান শ্ৰুতিসাপেক্ষ নহয়। কিন্তু ব্ৰহ্ম বা ঈশ্বৰ যে সচ্চিদানন্দস্বৰূপ আৰু ব্ৰহ্ম, ঈশ্বৰ আৰু জীৱ যে আচলতে একে অভিন্ন অদ্বিতীয় পদাৰ্থ তাৰ বাহিৰে আনবিলাক পদাৰ্থ যে মিথ্যা বা আপেক্ষিক

সত্য এই কথাটো কোনো লৌকিক প্ৰমাণৰ দ্বাৰা বুজা নাযায় হেতুকে তাৰ জ্ঞান একমাত্ৰ শ্ৰুতিসাপেক্ষ।

“ব্ৰহ্মং সত্যং জগন্মিথ্যা জীৱো ব্ৰহ্মৈৱ নাপৰং”—এই কথাটো বুজিবলৈ শ্ৰুতি প্ৰমাণৰ বাহিৰে আন একো উপায় নাই। এই কথাটো বুজাই দিয়াৰ কাৰণেই বেদৰ বা বৈদিক অধ্যাত্ম শাস্ত্ৰৰ প্ৰামাণ্য আৰু সাৰ্থক্য প্ৰতিপন্ন হয়।

প্ৰত্যক্ষ অনুমান আদি লৌকিক প্ৰমাণৰ ওপৰত নিৰ্ভৰশীল বিভিন্ন ভাৰতীয় দৰ্শন শাস্ত্ৰই স্ব-সাভিমত লোকিক প্ৰমাণ প্ৰয়োগৰ ফলত উপলব্ধ বিভিন্ন সিদ্ধান্তৰ যোগেদি পৰম আৰু চৰম সত্য অদ্বৈত ব্ৰহ্মজ্ঞানৰ ক্ষেত্ৰত বেদৰ সহায়তা আচৰণ কৰিছে।

সত্তা জ্ঞান অজ্ঞান ক্ৰিয়া আৰু এই চতুৰ্বিধৰ আশ্ৰয় স্বৰূপ দ্ৰব্য—এই পাঁচবিধ মৌলিক পদাৰ্থ যি কোনো প্ৰাণীৰ অনুভৱসিদ্ধ। যি কোনো প্ৰাণীৰ যি কোনো সময়ত হোৱা যি কোনো জ্ঞানতে এই পাঁচবিধ পদাৰ্থৰ অস্তিত্ব প্ৰকাশ হয় অথচ ইয়াৰ অভাৱ বা অনুপস্থিতি কাৰো কেতিয়াও প্ৰতীত নহয় গতিকে এই পাঁচবিধ মৌলিক পদাৰ্থ সৰ্বলোক প্ৰসিদ্ধ।

ন্যায় বৈশেষিক দাৰ্শনিকসকলৰ মতে সমায় অঙ্গ বিশেষ পদাৰ্থ ও অনুভৱসিদ্ধ বুলি প্ৰতিপন্ন কৰা হয়। গতিকে এই দৰ্শনে দৃগ্‌দৃশ্য পদাৰ্থবিলাকৰ স্বৰূপ বিবেচনাৰ যোগেদি অগনন অনন্ত পদাৰ্থৰ সংখ্যা সাতোটালৈ কমাই আনিছে আৰু তাৰ নিত্যানিত্য বিবেচনা কৰি দেখুৱাইছে।

সাংখ্যযোগে এই সংখ্যাও কমাই আনি প্ৰ পুৰুষ নামৰ দুই প্ৰকাৰ শক্তিৰূপে প্ৰ কৰিছে। বিজ্ঞানবাদী (যোগাচাৰ) বৌদ্ধ সেই শক্তিৰো দৃগ্‌দৃশ্যভেদ খণ্ডন কৰি মান প্ৰমাণৰ দ্বাৰাই ক্ষণিক বিজ্ঞান নামৰ এক প্ৰকাৰ মাত্ৰ সত্য পদাৰ্থ বুলি উ কৰিছে। মাধ্যমিক পন্থী বৌদ্ধসকলে দৃশ্য সকলো পদাৰ্থৰে অস্তিত্ব খণ্ডন কৰি মি বা সৰ্বশূন্যতা প্ৰতিপন্ন কৰিছে। জৈন স্বাভিমত সপ্তভঙ্গী ন্যায়ৰ যোগেদি দৃ সকলো পদাৰ্থৰ অনিৰ্বাচ্যতা প্ৰতিপন্ন কৰি কৰ্মবাদী মীমাংসকসকলে দৃগ্‌দৃশ্য পদাৰ্থকে ভাৱনাত্মক ক্ৰিয়া শক্তিস্বৰূপ কৰ্মকাণ্ডীয় শ্ৰুতি আৰু তদনুকূল যুক্তিৰ প্ৰতিপন্ন কৰিছে। তেওঁবিলাকৰ মতে যোগ জ্ঞান ভক্তি ঘট পট আদি সকলো স্বৰূপ, ক্ৰিয়াৰ্থক বা ক্ৰিয়া শক্তিৰ প্ৰকট

পূজনীয় ফ.কনদেৱৰ প্ৰদৰ্শিত ওপৰত উল্লিখিত সকলো মতৰ ঐক্য বা বোধ প্ৰতিপন্ন হব পাৰে। আধুনিক বি সহায়ত সকলোকেইটা মতকে পৰস্পৰে লগাই লব পাৰি। আধুনিক বিজ্ঞানৰ বিবেচনা কৰি সাংখ্যৰ ক্ষণপৰিণামবাদ, ক্ষণ-ভঙ্গবাদ, বৈদিকৰ ক্ৰিয়াশক্তিবাদ আৰু স্তৰ মায়াবাদৰ সামঞ্জস্য সম্পাদনৰ পথ দেৱে দেখুৱাই দিছে।

বেদৰ জ্ঞান-কাণ্ডই অৰ্থাৎ বেদান্ত পূৰ্বোক্ত মতৰ কোনোটোৱে বিৰোধিতা নাই, কোনোটোকে মিছা বা একান্ত



বুলি কোৱা নাই, সকলোৱে একপ্ৰকাৰ ব্যৱহাৰিক সত্যতা মানি লৈছে। সেইবিলাক কথা বা সিদ্ধান্ত প্ৰত্যক্ষ আৰু অনুমান-প্ৰমাণৰ দ্বাৰাই প্ৰতিপন্ন হয় হেতুকে তাৰ কাৰণে বেদান্তৰ মুখাপেক্ষী হব নালাগে। তেনে জনা কথাবোৰ জনাবলৈ গৈ অথবা জনা কথাবোৰ নজনা কৰিবলৈ গৈ বেদান্ত নিৰৰ্থক ৰূপেহে প্ৰতিপন্ন হব পাৰে। সেই কাৰণে দিক্‌কালৰ অন্তৰ্ভুক্ত যি প্ৰমাণান্তৰৰ ক্ষেত্ৰ তাক বাদ দি দিক্-কালাতীত আৰু প্ৰমাণান্তৰাতীত ক্ষেত্ৰলৈহে বেদান্ত ধাৱিত হৈছে, দিক্‌কালাতীত বস্তুৰ অস্তিত্ব আৰু স্বৰূপ আদিৰ বিষয়ে মানৱৰ মনত যি প্ৰশ্নৰ উদয় হয় সেই অতি প্ৰশ্ন বিষয়ৰ উত্তৰ দিবৰ কাৰণেহে বেদান্ত প্ৰবৃত্ত হৈছে।

পূৰ্বোল্লেখিত দাৰ্শনিকসকলে যদি তেওঁলোকৰ স্বাভিমত প্ৰমাণ প্ৰয়োগৰ ফল স্বৰূপে যি জানিছে তাৰে উপদেশ দিয়ে ক্ষান্ত থাকি দিক্‌কালাতীত পদাৰ্থৰ বিষয়ে মৌন হৈ থাকিলহেঁতেন অথবা সেই বিষয়ে একো জানিব পৰা নাই বুলি জনালেহেঁতেন তেতিয়া হলে বেদান্তবাদীসকলৰ পক্ষে তেওঁবিলাকৰ মতৰ বিৰুদ্ধে একোৱেই কবলগীয়া নাথাকিলহেঁতেন। কিন্তু তেওঁবিলাকে সেই বিষয়ে মৌনাৱলম্বন কৰাও নাই আৰু সেই বিষয়ে একো জনা নাই বুলিও কোৱা নাই, “আমি জানিছোঁ ইয়াৰ বাহিৰে আৰু একো নাই, এয়ে পৰম আৰু চৰম সত্য” বুলিহে কৈছে। তেওঁবিলাকৰ এই কথাৰ দ্বাৰা বেদান্তৰ বিৰোধিতা কৰা হৈছে, সেই বিৰোধ পৰিহাৰৰ অৰ্থে বেদান্তই যুক্তিৰে তেওঁবিলাকক বুজাই দিব লগাত পৰিছে

যে তেওঁবিলাকে যিমানখিনি জানিছে তাৰ বাহিৰে আৰু জানিবলৈ আছে। তেওঁবিলাকে নজনা হেতুকেই সেই বস্তুটি নাই বুলি প্ৰতিপন্ন কৰিব নোৱাৰি। তেওঁবিলাকৰ অজ্ঞানে আনে যি জানে তাক নজনা কৰিব নোৱাৰে। তেওঁবিলাকৰ প্ৰত্যক্ষ আৰু অনুমান-প্ৰমাণৰ ক্ষেত্ৰৰ বাহিৰত অৱস্থিত সেই তত্ত্বটিক শ্ৰুতি-প্ৰমাণৰ দ্বাৰা জনা যায়। আন প্ৰমাণৰ দৰে শ্ৰুতি-প্ৰমাণৰ দ্বাৰাও অজ্ঞাত পদাৰ্থৰ বিষয়ে যথাৰ্থ জ্ঞান উৎপন্ন হয়। যি কোনো প্ৰমাণেই জনা কথাক নজনা কৰিব নোৱাৰে; কিন্তু নজনা কথা জনাব পাৰে।

বেদান্তই স্বাৰ্থবোধ উৎপাদনৰ অৰ্থে কোনো যুক্তি-তৰ্ক আদি প্ৰমাণান্তৰক অপেক্ষা নকৰে যদিও পৰাভিমত্ত তৰ্কযুক্তিৰে খণ্ডনৰ অৰ্থে অনুমান আদি প্ৰমাণ বা তৰ্ক-যুক্তিৰ উপস্থাপন কৰিব লগাত পৰিছে। সেয়েহে দ্বিতীয় অধ্যায়ৰ ১ম আৰু ২য় পাদত সূত্ৰকাৰ ভগৱান বাদৰায়ন আৰু শাৰীৰক-মীমাংসাৰ ভাষ্যকাৰসকলে বিভিন্ন দাৰ্শনিক মতৰ সযুক্তিক খণ্ডন কৰি বৈদিক মতৰ লগত সকলো মতৰ বিৰোধ ভঞ্জন আৰু বেদ-প্ৰমাণৰ লগত অন্যান্য প্ৰমাণৰ অবিৰোধ সাধন কৰি বৈদিক মত সুপ্ৰতিষ্ঠিত কৰিছে।

পুৰণি কালত পুণ্যভূমি ভাৰতৰ পূৰ্বপ্ৰান্ত এই কামৰূপ ভূমি বৈদিক ধৰ্ম-সংস্কৃতিৰ আৰু দৰ্শন-শাস্ত্ৰকে ধৰি বিভিন্ন শাস্ত্ৰৰ চৰ্চাৰ কেন্দ্ৰস্থল আছিল। আজিৰ দৰে তাহানিও বহুপ্ৰসৱিনী অসম মাতৃয়ে বিবিধ অমূল্য সম্পদ প্ৰসৱ কৰি তেতিয়াৰ ভাৰত ভূমিক চহকী

কৰিছিল। মহাবৈদিক দাৰ্শনিক ভগৱান কুমাৰিল ভট্টপাদ, বৌদ্ধ দাৰ্শনিক মহাপণ্ডিত আচাৰ্য্য ধৰ্মকীৰ্তি আৰু কেলিসিদ্ধ মৎস্যেন্দ্ৰনাথ এই অসম মাতৃৰ গৰ্ভজাত সন্তান আছিল যাৰ জ্ঞান-জ্যোতি আৰু অসাধাৰণ কৰ্ম-মহিমাৰে আজিও সমগ্ৰ ভাৰত-ভূমি আলোকিত আৰু মহিমান্বিত হৈ আছে। কিন্তু সময় কাৰোৱে সদায় একেদৰে নাযায়। কালক্ৰমত নানা কাৰণত আমাৰ এই প্ৰদেশত দাৰ্শনিক চৰ্চাৰ আৰু আধ্যাত্মিক চিন্তাৰ প্ৰবাহ ক্ষীণ হৈ পৰিল। তাৰ ফলত বেদ আৰু বৈদিক দৰ্শন শাস্ত্ৰৰ মৰ্মাৰ্থ বুজা লোক দুই এজন আছিল যদিও তাক আনক বুজাই দিওঁতা যোগ্য লোকৰ সম্পূৰ্ণ অভাৱ ঘটিছিল। ইপিনে আধুনিক পাশ্চাত্য উন্নত বিজ্ঞানৰ আশ্চৰ্য্য-জনক আৱিস্কাৰবিলাকে শিক্ষিত অশিক্ষিত সকলো লোকৰে মন আৰু বুদ্ধিক এনেভাৱে প্ৰভাৱান্বিত কৰিলে যে বৈজ্ঞানিক অনুমান প্ৰমাণৰ দ্বাৰা শ্ৰৌত-প্ৰমাণৰ প্ৰামাণ্য আচ্ছন্ন, অস্পষ্ট আৰু সন্দিগ্ধ হৈ পৰিল। গতিকে আজিৰ দিনৰ লোকে বৈজ্ঞানিক প্ৰমাণৰ যোগেদিহে সকলো কথা বিবেচনা কৰে আৰু বুজে, যিটো কথা আধুনিক বৈজ্ঞানিক প্ৰমাণ-প্ৰয়োগৰ যোগেদি জনা নাযায় তাৰ অস্তিত্ব বুজি নাপায়, স্বীকাৰ নকৰে। বেদৰ বা বেদান্তৰ বিষয় দিক্-কালৰ অতীত গতিকে লৌকিক প্ৰমাণৰো অতীত। আধুনিক বিজ্ঞান যিমানেই উন্নত নহওক তাৰ গতি দিক্-কালৰ দ্বাৰা পৰিচ্ছিন্ন গতিকে সেই (বেদৰ) বিষয়ত বৈজ্ঞানিক প্ৰমাণ প্ৰযুক্ত হব নোৱাৰে। বৈজ্ঞানিক প্ৰমাণৰ দ্বাৰা সমৰ্থিত নোহোৱা হেতুকে আধুনিক লোক সমাজত বেদ বাক্যৰ প্ৰামাণ্য সন্দিগ্ধ হৈ পৰিল। বেদান্তৰ সূত্ৰকাৰ আৰু ভাষ্যকাৰ সকলে তেওঁবিলাকৰ সময়ত প্ৰচলিত লোক প্ৰসিদ্ধ প্ৰত্যক্ষ আদি প্ৰমাণৰ লগত আৰু সাংখ্যযোগ, ন্যায়-বৈশেষিক, বৌদ্ধ জৈন আদিৰ দৰ্শনৰ লগত বেদান্তৰ বিৰোধৰ কথা উল্লেখ কৰি সমাধান কৰি গৈছে। আধুনিক বিজ্ঞান তেতিয়া নাছিল গতিকে তেওঁবিলাকৰ পক্ষে তাৰ লগত বেদবাক্যৰ বিৰোধ সমাধান সম্ভৱপৰ নহ'ল।

ফুকনদেৱৰ নিচিনা প্ৰাচ্য দৰ্শন আৰু পাশ্চাত্য-বিজ্ঞানত সমানে পাৰদৰ্শী তীক্ষ্ণধীসম্পন্ন দাৰ্শনিকৰ আবিৰ্ভাৱ নঘটিলে আমাৰ দেশবাসীৰ দৃষ্টিত বৈদিক জ্ঞান আৰু পাশ্চাত্য-বিজ্ঞান পৰস্পৰ বিৰুদ্ধ ৰূপেই চিৰদিন প্ৰতিপন্ন হৈ থাকিলহেঁতেন। ফুকনদেৱে পূৰ্বতন ভাৰতীয় দাৰ্শনিকসকলৰ অকৃত, অথচ আধুনিক ভাৰতীয় জনতাৰ পক্ষে একান্ত অপেক্ষিত, সেই কৰ্ম সুচাৰুৰূপে সম্পাদন কৰি সমগ্ৰ ভাৰতীয় জাতিৰ প্ৰভূত উপকাৰ সাধন কৰিছে, ভাৰতীয় দৰ্শনৰ পূৰ্ণতা সাধন কৰিছে, ভাৰতীয় অধ্যাত্ম চিন্তা-ধাৰাত যুগোপযোগী প্ৰগতি আৰু প্ৰেৰণা প্ৰদান কৰিছে। তাকে কৰিবলৈ যাওঁতে কোনো কোনো ক্ষেত্ৰত ফুকনদেৱ প্ৰাচীন সাম্প্ৰদায়িক মতৰ পৰা অলপ-অচৰপ আঁতৰি যাব লগাতো পৰিছে। তাৰ কাৰণে ফুকন-দেৱক দুষিব নোৱাৰি বা ফুকনদেৱৰ ব্যাখ্যা ভাৰতীয় পৰম্পৰাবিৰুদ্ধ বুলিও প্ৰতিপন্ন





কৰিব নোৱাৰি। তেনে ধৰণৰ মতান্তৰ প্ৰাচীন আচাৰ্য্যসকলৰ ভিতৰতো নোহোৱা নহয়। সাংখ্য মতৰ ব্যাখ্যাত বাচস্পতি মিশ্ৰ আৰু বিজ্ঞান ভিক্ষুৰ মতভেদ অতি স্পষ্ট। আনহাতে ভগৱান কুমাৰিল ভট্ট, আচাৰ্য ধৰ্মকীৰ্তি, সিদ্ধ মৎস্যেন্দ্ৰনাথ নীলাম্বৰাচাৰ্য্য, দামোদৰ মিশ্ৰ, মহাপুৰুষ শঙ্কৰদেৱ, পীতাম্বৰ সিদ্ধান্তবাগীশ, ভট্টদেৱ আদিৰ যোগেদি সুদীৰ্ঘ কাল ধৰি অসমত চেগা-চোৰাকাকৈ হলেও চলি থকা মৌলিক দাৰ্শনিক চিন্তাৰ পৰম্পৰা বা প্ৰণালী ফুকনদেৱে পুনৰুজ্জীৱিত আৰু পুনঃ প্ৰৱহমান কৰি তুলিছে।

ভগৱান কুমাৰিল ভট্ট আৰু আচাৰ্য্য ধৰ্ম কীৰ্তি আদিয়ে সেইকালৰ সুসমৃদ্ধ আৰু সৰ্বত্ৰ প্ৰচাৰিত সংস্কৃত ভাষাত গ্ৰন্থ লিখি ভাৰতীয় বিদ্যাৰ ভড়াল চহকী কৰিছিল। সেইকালৰ শিষ্ট সমাজত ব্যক্তিৰ জন্মস্থান কাল বংশ পৰি-চয় আদি লিপিবদ্ধ কৰি ৰখাৰ নিয়ম প্ৰচলিত নাছিল। সেই কাৰণেই তেওঁবিলাকে ঘুণাক্ষৰেও নিজৰ জন্মস্থান আদিৰ পৰিচয় ৰাখি থৈ যোৱা নাই বা নিজৰ ঘৰুৱা ভাষাত কোনো এটা বাক্যও লিখি থৈ যোৱা নাই। তাৰ ফলত তেওঁবিলাকৰ স্বতন্ত্ৰ প্ৰাদেশিক অস্তিত্ব বিশাল ভাৰতৰ বুকুত অন্তৰ্হিত হৈ পৰিছে গতিকে তেওঁবিলাক যে অসম ভূমিৰ সন্তান আছিল সেই কথা প্ৰতিপন্ন কৰা আজিৰ দিনত অসাধ্য নহলেও দুঃসাধ্য হৈ পৰিছে। কিন্তু শ্ৰীমন্ত শঙ্কৰদেৱে তেওঁৰ অমূল্য গ্ৰন্থৰাজি অসমীয়া ভাষাত লিখি থৈ গৈছে হেতুকে সেই মহা-পুৰুষজনা প্ৰত্যেক অসমবাসীৰ হৃদয়ত অন্তঃপ্ৰবিষ্ট হৈ আছে। তেওঁৰ সৌজন্যত অসমীয়া ভাষা সাহিত্যই চিৰস্থায়ী গৌৰৱোজ্জ্বল ৰূপ পাইছে, অসমবাসী আৰু অসম দেশ গৌৰৱান্বিত হৈছে।

ভট্টপাদ আৰু আচাৰ্য্য কীৰ্তিৰ দৰে ফুকন-দেৱেও তেখেতৰ গ্ৰন্থবিলাক এই কালৰ সুসমৃদ্ধ আৰু বহুত প্ৰচাৰিত ইংৰাজী ভাষাত লিখি বিপুল যশস্যা অৰ্জন কৰিব পাৰিলেহেঁতেন। কিন্তু তাকে নকৰি তেখেতে অকল অসমীয়া ভাষা-সাহিত্যৰ সম্পদ বৃদ্ধি আৰু অসমবাসী জনতাৰ জ্ঞান বৃদ্ধিৰ অৰ্থেই সকলোবিলাক গ্ৰন্থকে অসমীয়া ভাষাতহে লিখিছে। পাছত তেখেতৰ কেইবাজনো প্ৰিয়লোকৰ অনুৰোধতহে সাংখ্য দৰ্শনখনৰ ইংৰাজী অনুবাদ কৰিছিল। তেখেতৰ এই গ্ৰন্থবিলাক অসমীয়া ভাষা সাহিত্যৰ অমূল্য সম্পদ। এইবিলাকৰ দ্বাৰা অসমীয়া ভাষাৰ এটা দিশ পৰিপূৰ্ণ হৈছে, দাৰ্শনিক সাহিত্যৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ দাৰিদ্ৰ্য আঁতৰিছে, অসমীয়া ভাষা গ্ৰাম্য জনতাৰ স্তৰৰ পৰা বিদ্বজ্জনৰ ভাষাৰ স্তৰলৈ উন্নীত হৈছে।

শ্ৰীমন্ত শঙ্কৰদেৱ এজনা সমাজ সংস্কাৰক, বৈষ্ণৱ ধৰ্ম-প্ৰচাৰক, সাহিত্যিক মনীষাসম্পন্ন কবি বুলিহে জনাজাত আছিল। তেওঁৰ দাৰ্শ-নিক মত আৰু দাৰ্শনিক মনীষাৰ বিষয়ে তেওঁৰ প্ৰতি শ্ৰদ্ধা সম্পন্ন কোনো কোনো বিজ্ঞ-লোকেও সন্দেহ প্ৰকাশ কৰিছে। ফুকনদেৱে শ্ৰীমন্ত শঙ্কৰ-দেৱৰ দাৰ্শনিক মনীষাৰ ভূয়সী প্ৰশংসা কৰিয়ে এৰা নাই, সুচল পালেই সংক্ষিপ্তভাৱে হলেও প্ৰমাণ উদ্ধৃতি সহকাৰে তেওঁৰ দাৰ্শনিক মত

শ্ৰীশঙ্কৰাচাৰ্য্যৰ লগত একে বুলি প্ৰতিপন্ন কৰিছে আৰু আধুনিক বিজ্ঞানৰ দৃষ্টিৰেও শ্ৰীশঙ্কৰৰ মতৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰি দেখুৱাইছে। এই-বিলাক কথাৰ দ্বাৰাই ফুকনদেৱৰ স্বদেশ প্ৰেম, অসমীয়া প্ৰীতি আৰু অসমীয়া ভাষা সাহিত্যৰ প্ৰতি অসামান্য শ্ৰদ্ধা আৰু অনুৰাগ প্ৰকাশ পাইছে। ফুকনদেৱে বেদান্ত দৰ্শনৰ ব্যাখ্যাত মুখ্যতঃ শ্ৰীশঙ্কৰাচাৰ্য্যৰ মত গ্ৰহণ কৰিছে যদিও অন্যান্য ভাষ্যকাৰসকলৰ মতৰ প্ৰতিও প্ৰচুৰ শ্ৰদ্ধা প্ৰদৰ্শন কৰিছে। কোনো কোনো সূত্ৰৰ ব্যাখ্যাত সেইসকল ভাষ্যকাৰৰো অনুসৰণ কৰা দেখা যায়।

বক্তাৰ বা কবিৰ লগত সহৃদয়তাই বাক্যৰ আচল তত্ত্ব—"সৰস্বত্যাস্তত্ত্বং কবিসহৃদয়াখ্যং বিজয়তাং।" বক্তাৰ লগত সহৃদয় আৰু সহানুভূতিসম্পন্ন লোকেহে বাক্যৰ ৰহস্য অৰ্থ বুজিব পাৰে। "সৰস্বত্যাস্তত্ত্বং কবি সহৃদয়াখ্যং বিজয়তাং।"। ফুকনদেৱে যি গ্ৰন্থ পঢ়িছিল সেই গ্ৰন্থকাৰৰ লগত সহৃদয়তা আৰু সহানুভূতিৰে পঢ়িছিল। সেই কাৰণে তেখেতে সকলো মতৰ মৰ্ম হৃদয়ঙ্গম কৰিছিল, সকলো মতৰ ঐক্য বা অবিৰোধ প্ৰতিপন্ন কৰিব পাৰিছিল। কোনোটো দাৰ্শনিক মতৰ বা কোনোটো বেদান্ত সম্প্ৰদায়ৰ মতৰে তেখেতে বিৰূপ সমালোচনা কৰা নাই। সেই মতবাদৰ প্ৰবৰ্তক আৰু অনুগামীসকলৰ দৃষ্টিৰ লগত, অনুভূতিৰ লগত আৰু হৃদয়ৰ লগত নিজৰ দৃষ্টি, অনুভূতি আৰু হৃদয় মিলাই সকলোৰে সহানুভূতি সহকাৰে বিবেচনা কৰিছে আৰু সকলো মতৰ সামঞ্জস্য সাধন কৰি তেওঁ-বিলাকৰ বিৰোধ যে ভাষাগতহে—অৰ্থগত নহয়, এই কথা উদাহৰণ দি প্ৰতিপন্ন কৰিছে। সকলোৰে মতৰ সমাদৰ কৰা, সকলো প্ৰাণীত আত্মবোধ কৰা, সকলো লোকৰ উক্তিৰ মাজত সত্য উপলব্ধি কৰা আৰু সকলো প্ৰাণীৰ প্ৰিয় আচৰণ কৰাটোৱে বৈদিক পৰম্পৰা আৰু বৈদিক ধৰ্ম-সংস্কৃতিৰ বৈশিষ্ট্য। সেই বৈশিষ্ট্য আৰু সেই পৰম্পৰা ফুকনদেৱত সম্পূৰ্ণভাৱে প্ৰতি-ফলিত আৰু সংৰক্ষিত হৈছিল।

এইদৰে—(১) সকলো দাৰ্শনিকৰ মতৰ অবিৰোধ সাধন;
(২) বেদান্তৰ বিভিন্ন সম্প্ৰদায়িক ভাষ্যকাৰসকলৰ মতৰ প্ৰতি সমান সমাদৰ প্ৰদৰ্শন;
(৩) আধুনিক বিজ্ঞানৰ লগত ভাৰতীয় দাৰ্শনিক মতৰ অবিৰোধ আৰু ঐক্যমত স্থাপন;
(৪) অসমীয়া ভাষাত ভাৰতীয় দৰ্শনৰ ৰহস্য প্ৰকাশ;
(৫) শ্ৰীমন্ত শঙ্কৰদেৱৰ অভিমত দাৰ্শনিক সিদ্ধান্তৰ স্বৰূপ প্ৰতিপাদন;
আৰু (৬) ভাৰতীয় দৰ্শনৰ প্ৰতি আধুনিক বিজ্ঞানবিদ্ তথা আধুনিক বিজ্ঞানৰ প্ৰতি শ্ৰদ্ধাশীল অসমীয়া লোকৰ সশ্ৰদ্ধ মনোযোগ আকৰ্ষণ।

এই ছটা অনন্য সাধাৰণ, অতি মূল্যবান অনুদানৰ কাৰণেই ফুকনদেৱৰ প্ৰতি ভাৰতবাসী আৰু অসমবাসী চিৰকৃতজ্ঞ হৈ থাকিব।

# অসম সাহিত্য সভা

কাৰ্য্য-নিৰ্বাহক সমিতিৰ অধিবেশন

স্থান :—চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট

২৯ মাৰ্চ : ১৯৭৫ : পুৱা ৮ বজা

১। উপস্থিত সদস্যসকল :

(১) ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা—সভাপতি, ২) তৰুণ চন্দ্ৰ পামেগাম, উপ-সভাপতি, (৩) নগেন শইকীয়া —প্ৰধান সম্পাদক, (৪) অমল ৰাজখোৱা—সহকাৰী সম্পাদক, (৫) লীলা গগৈ—কোষাধ্যক্ষ, (৬) যতীন গোস্বামী—পত্ৰিকা সম্পাদক, (৭) প্ৰকাশ গোস্বামী—ভাষাজ্ঞান পৰীক্ষা সচিব, (৮) ৰাজেন ৰাভা, (৯) ছামাছিং হাঙ্কে, (১০) গিৰীশ ভূঞা, (১১) চিত্তৰঞ্জন চৌধুৰী, (১২) অৰুণ চন্দ্ৰ গোস্বামী, (১৩) হিতেন শৰ্মা, (১৪) আজিজুৰ ৰহমান বৰভূঞা, (১৫) জিতেন গগৈ, (১৬) উপেন্দ্ৰ বৰকটকী, (১৭) বীৰেন বৰকটকী, (১৮) এম, ইব্ৰাহীম আলি, (১৯) ডঃ নিশিপদ চৌধুৰী, আৰু (২০) নাৰায়ণ ঘাটোৱাৰ।

বিশেষ ভাৱে নিমন্ত্ৰিতসকল : শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, শ্ৰীদেৱপ্ৰসাদ বৰুৱা, শ্ৰীডিম্বেশ্বৰ শৰ্মা, শ্ৰীবসন্ত কুমাৰ গোস্বামী, শ্ৰীমতী অবলা গোহাঁই। গুৱাহাটীৰ সহকাৰী সম্পাদক শ্ৰীপ্ৰসন্নৰাম দাসে বিশেষ অসুবিধাৰ বাবে সভালৈ আহিব নোৱাৰাৰ কথা চিঠিৰে জনায়।

২। সমবেত সদস্যসকলক সাদৰ সম্ভাষণ জনোৱাৰ লগতে প্ৰধান সম্পাদকে অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্বাহকৰ এই দ্বিতীয় অধিবেশনত সভা-পতিত্ব কৰিবলৈ স্থায়ী সভাপতি ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাক অনুৰোধ জনায়।

সভাপতিয়ে আসন গ্ৰহণ কৰে।

৩। সভাপতি ডঃ শৰ্মাই সদস্যসকললৈ ওলগ জনায় আৰু লগে লগে তলত দিয়া শোক প্ৰস্তাৱটি পাঠ কৰে :

"অসম সাহিত্য সভাৰ ১৯৭৫-চনৰ কাৰ্য্য-নিৰ্বাহক সমিতিৰ এই দ্বিতীয় অধিবেশনে তলত নাম উল্লেখ কৰা ব্যক্তিসকলৰ পৰলোকত গভীৰ শোক প্ৰকাশ কৰে আৰু আত্মাৰ চিৰশান্তি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়

আৰু লগতে শোক-সন্তাপিত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে—

অসমৰ বিশিষ্ট শিশু-সাহিত্যসেৱী অনন্ত দেৱ শৰ্মা, দেৰগাওঁৰ ভুবন চন্দ্ৰ বৰুৱা, মৰাণৰ ইন্দ্ৰকান্ত গগৈ, গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত পুলিচ অধীক্ষক লম্বো শইকীয়া, জয়কান্ত বৰুৱা, যোৰহাট চাৰিগাওঁৰ শিল্পী চন্দ্ৰধৰ বৰদলৈ, প্ৰাক্তন ৰুচ প্ৰধান মন্ত্ৰী নিকোলাই বুলগানিন, টাইমচ্ অৱ ইণ্ডিয়া কাকতৰ বিশেষ সংবাদদাতা সুদৰ্শন ভাটিয়া আৰু গোলাঘাটৰ খ্যাতনামা আইনজীৱী দৌলেশ্বৰ দত্ত।

সদস্যসকলে থিয় হৈ দুই মিনিট মৌনভাৱে ভগবানৰ ওচৰত আত্মাৰ সদ্গতি কামনা কৰি প্ৰাৰ্থনা জনায়।

৪। কাৰ্য্য-সূচীৰ বিষয় অনুসৰি সদস্যসকলৰ পৰিচয় প্ৰদান সমাপ্ত হয়।

৫। প্ৰধান সম্পাদকে ১৯৭৪-৭৫ বছৰৰ কাৰ্য্য নিৰ্বাহকৰ অন্তিম অধিবেশনৰ কাৰ্য্যবিৱৰণি উত্থাপন কৰে আৰু সমিতিয়ে গ্ৰহণ কৰে।

৬। তিতাবৰত অনুষ্ঠিত হৈ যোৱা দ্বিচত্বাৰিংশ সন্মিলনৰ বিষয় বাছনি সভাৰ কাৰ্য্য বিৱৰণি প্ৰধান সম্পাদকে পাঠ কৰে, সমিতিয়ে কাৰ্য্য বিৱৰণি গ্ৰহণ কৰে।

৭। অনুক্ৰমে, কাৰ্য্যনিৰ্বাহকৰ চলিত কাৰ্য্যকালৰ প্ৰথম অধিৱেশনৰ কাৰ্য্যবিৱৰণিও পাঠৰ অন্তত সমিতিয়ে গ্ৰহণ কৰে।

৮। পূৰ্বৱৰ্তী বছৰৰ আধৰুৱা আঁচনি সম্পৰ্কত প্ৰধান সম্পাদকে এটি টোকা দাঙি ধৰি জনায় যে—(১) প্ৰথম লেখক শিবিৰৰ আলোচনা সম্বলিত গ্ৰন্থৰ প্ৰথম অংশটি আৰু (২) চন্দ্ৰধৰ বৰুৱাৰ জীৱনীৰ এটি অংশ ছপাশালত আছে, (৩) দি ছাপেণ্ট এণ্ড দি ৰ'পৰ সম্পূৰ্ণ অনুবাদ আৰু (৪) লাষ্ট ফেজ অৱ গান্ধীজীৰ প্ৰথম খণ্ডৰ অনুবাদ সম্পূৰ্ণ হৈ আছে, (৫) অসম সাহিত্য সভাৰ পৰিচয়মূলক ইংৰাজী গ্ৰন্থৰ প্ৰণয়ণৰ কাম ডঃ মহেশ্বৰ নেওগে প্ৰায় শেষ কৰিছে, (৬) বড়ো, (৭) মিছিং, (৮) ৰাজবংশী, (৯) কাৰ্বি জন-সাহিত্য, (১০) টিৱা সম্প্ৰদায়, (১১) কামৰূপত কোচ ৰাজত্ব, (১২) অৰুণাচল আৰু (১৩) নগাভূমি, (১৪) ডইঞ্জি পলো' সম্পৰ্কীয় গ্ৰন্থ প্ৰণয়ণৰ বাবে মনোনীত লিখকসকলৰ লগত যোগাযোগ ৰক্ষা কৰি অহা হৈছে। কেৱল মিছিং সম্প্ৰদায় পুথিখনি সম্পৰ্কতহে সম্প্ৰতি একো উত্তৰ পোৱা নাই।

সমিতিয়ে এই পুথিসমূহৰ লিখকসকলৰ লগত পুনৰ যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে আৰু মিছিং জনগোষ্ঠী সম্পৰ্কীয় গ্ৰন্থ প্ৰণয়ণৰ বাবে সভাৰ উপ-সভাপতি শ্ৰীতৰুণ চন্দ্ৰ পামেগামক অনুৰোধ জনায়।

৯। সদস্য ইব্ৰাহীম আলিয়ে পৰামৰ্শ দিয়ে যে—(১) অসমৰ ভিতৰে-বাহিৰে শ্ৰীশংকৰদেৱে কৰা ভ্ৰমণৰ কালানুক্ৰমিক বিৱৰণিযুক্ত এখনি পুথি (২) কাছাৰৰ সাংস্কৃতিক ইতিহাস সম্পৰ্কীয় এখনি গ্ৰন্থ আৰু (৩) ইছলাম সংস্কৃতি সম্পৰ্কীয় গ্ৰন্থ প্ৰকাশ কৰিবৰ বাবে যত্ন লব লাগে।



সমিতিয়ে পৰামৰ্শ গ্ৰহণ কৰি প্ৰথম দুখন গ্ৰন্থ সম্পৰ্কত প্ৰধান সম্পাদকক লিখক নিৰ্বাচনৰ বাবে পৰামৰ্শ দিয়ে আৰু তৃতীয়খন গ্ৰন্থ প্ৰণয়ণৰ বাবে ডঃ ইৰ্শাদ আলিৰ লগত যোগাযোগ কৰাৰ সিদ্ধান্ত কৰা হয়।

১০। সমিতিয়ে মত প্ৰকাশ কৰে যে—বিভিন্ন জনগোষ্ঠীৰ পৰিচয়মূলক পুথিসমূহ প্ৰণয়ণ কৰোতে জাতীয় সংহতি আৰু সম্প্ৰীতিৰ ভাব ৰক্ষিত হ'ব লাগে।

১১। দেশভক্ত তৰুণৰাম ফুকন, কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ আৰু পণ্ডিত কালিৰাম মেধিৰ জন্ম-শতবাৰ্ষিকী উপলক্ষে দুয়োগৰাকী ব্যক্তিৰ ৰচনাৱলী প্ৰকাশৰ প্ৰয়োজনীয়তাৰ ভিত্তিত (১) তৰুণৰাম ফুকনৰ ৰচনাৱলী সংকলন আৰু সম্পাদনাৰ বাবে অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাক আৰু (২) নবীনচন্দ্ৰ বৰদলৈ ৰচনাৱলী সংকলন আৰু সম্পাদনাৰ বাবে শ্ৰীঅতুল চন্দ্ৰ বৰুৱাক অনুৰোধ জনাবলৈ সিদ্ধান্ত লোৱা হয়। কলিৰাম মেধিৰ ৰচনাৱলী সম্পৰ্কত তেখেতৰ উত্তৰাধিকাৰীৰ লগত যোগাযোগ কৰিবলৈ সিদ্ধান্ত কৰা হয়।

১২। (ক) সমিতিয়ে সিদ্ধান্ত কৰে যে দেশভক্ত তৰুণৰাম ফুকন, কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ পণ্ডিত কালিৰাম মেধিৰ জন্ম শতবাৰ্ষিকী উছৱ, গুৱাহাটীত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা হওক।

(খ) দাৰ্শনিক পণ্ডিত ৰাধানাথ ফুকনৰ জন্ম শতবাৰ্ষিকী যোৰহাটত আয়োজন কৰিবলৈ যোৰহাট সাহিত্য সভাক অনুৰোধ কৰা হওক।

১৩। সমিতিয়ে প্ৰকাশন আঁচনিত তলৰ বিষয়সমূহ অন্তৰ্ভুক্ত কৰিবলৈ সিদ্ধান্ত কৰে।

(১) অসমৰ লিপি সমস্যা' গ্ৰন্থৰ আধাৰত এখনি ইংৰাজী গ্ৰন্থ। ডঃ মহেন্দ্ৰ বৰাক প্ৰনয়ণৰ বাবে অনুৰোধ কৰা হওক।

(২) 'বিশ্ববিদ্যা সংগ্ৰহ'ৰ আহিত দেশ বিদেশৰ শিল্প সাহিত্য বিজ্ঞান আদিৰ প্ৰসিদ্ধ সাধকসকলৰ জীৱন আৰু কৰ্মৰ পৰিচয়মূলক এখনি গ্ৰন্থ আৰু অসমৰ ভাষা সংস্কৃতি সম্পদ সম্পৰ্কীয় এলানি গ্ৰন্থ।

(৩) কামৰূপৰ লোক গীতি সংগ্ৰহ : সংকলন কৰিবৰ বাবে ডঃ হেমন্ত কুমাৰ শৰ্মাক অনুৰোধ কৰা হওক।

(৪) 'অসমীয়া জাতি গঠনত বিভিন্ন জন গোষ্ঠীৰ অৱদান' : প্ৰণয়ণ কৰিবৰ বাবে অধ্যাপক শ্ৰীলীলা গগৈক অনুৰোধ কৰা হওক।

১৪। সমিতিয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কৰ্টত আৰু অসম প্ৰকাশন পৰিষদত অসম সাহিত্য সভাৰ প্ৰতিনিধি থকাতো বাঞ্ছনীয় বলি ভাবে। এই সম্পৰ্কত হোৱা আলোচনাৰ অন্তত সমিতিয়ে প্ৰস্তাৱ কৰে যে—(ক) "গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্টত থকাৰ দৰে ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্টতো অসম সাহিত্য সভাৰ প্ৰতিনিধি

সদস্যৰ অন্তৰ্ভূ'ক্তিৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষক আৰু এই সম্পৰ্কত বিশ্ববিদ্যালয়ৰ আইনৰ সংশোধন কৰিবলৈ ব্যৱস্থা কৰিবৰ বাবে ৰাজ্য চৰকাৰক অনুৰোধ কৰা হওক।"

(খ) "অসম প্ৰকাশন পৰিষদত অসম সাহিত্য সভাৰ প্ৰতিনিধি-সদস্য থকাতে সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে বাঞ্ছনীয় বুলি ভাবে আৰু এই সম্পৰ্কত যথাবিহিত ব্যৱস্থা কৰিবলৈ অসম প্ৰকাশন পৰিষদ কৰ্তৃপক্ষক অনুৰোধ জনায়।"

১৫। অসম সাহিত্য সভাৰ উদ্যোগত তৃতীয় লেখক শিবিৰ আয়োজন সম্পৰ্কে আলোচনা হয়। কাৰ্য্যনিৰ্ব্বাহকৰ সদস্য শ্ৰীগিৰীশ ভূঞাই উত্তৰ লক্ষীমপুৰত এই শিবিৰ আয়োজনৰ বাবে পৰামৰ্শ দিয়ে আৰু তাৰ বাবে হ'ব পৰা ব্যয় স্থানীয় শাখা সভাৰ উদ্যোগত বহন কৰাৰ সম্ভাৱনীয়তাৰ কথা কয়।

সমিতিয়ে ১৯৭৫ চনৰ অক্টোবৰ মাহত এই শিবিৰৰ আয়োজন কৰিবৰ বাবে সিদ্ধান্ত কৰে আৰু শ্ৰীভূঞাৰ পৰামৰ্শানুসৰি উত্তৰ লক্ষীমপুৰ শাখা সাহিত্য সভাৰ লগত যোগাযোগ কৰি স্থিৰ কৰিবলৈ প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে।

১৬। প্ৰধান সম্পাদকে দিল্লী বা কলিকতাত পণ্ডিত আনন্দৰাম বৰুৱা সোঁৱৰণী বক্তৃতামালা আয়োজনৰ এটি পৰিকল্পনা দাঙি ধৰে। সম্ভৱ-ক্ষেত্ৰত এনে অনুষ্ঠানৰ আয়োজনৰ বাবে সমিতিয়ে সন্মতি প্ৰকাশ কৰে আৰু পৰিকল্পিত আঁচনি ৰাজ্য চৰকাৰক দিবৰ বাবে পৰামৰ্শ দিয়ে।

১৭। সমিতিয়ে অসম সাহিত্য সভাৰ মাকুম সন্মিলনত অসমীয়া ভাষাক গৱেষণাৰ মাধ্যম স্বৰূপে স্বীকৃতি দিবৰ বাবে অনুৰোধ জনাই গ্ৰহণ কৰা প্ৰস্তাৱৰ পুনৰ্বিচাৰৰ বাবে অনুৰোধ জনায় প্ৰস্তাৱ গ্ৰহণ কৰে যে—"বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম স্বৰূপে গৃহীত অসমীয়া ভাষাক অসমৰ দুয়োখন বিশ্ববিদ্যালয়ে গৱেষণাৰ মাধ্যম স্বৰূপেও ইংৰাজীৰ লগতে স্থান দিব লাগে। অসম সাহিত্য সভাই অনুভৱ কৰে যে অসমীয়া মাধ্যমত গৱেষণা কৰিবলৈ সুবিধা দিয়াৰ দ্বাৰা বিশেষকৈ অসমৰ ভাষা-সাহিত্য-সংস্কৃতি সম্পৰ্কীয় চৰ্চা আৰু গৱেষণাৰ ক্ষেত্ৰ সম্প্ৰসাৰিত হ'ব। এই সম্পৰ্কত অনতিপলমে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ অসমৰ দুয়োখন বিশ্ববিদ্যালয় কৰ্তৃপক্ষক টানি অনুৰোধ জনোৱা হওক।"

১৮। দ্বিচত্বাবিংশ সন্মিলনৰ বিষয়বাছনী সভাই তদন্ত সমিতিৰ প্ৰতিবেদন সম্পৰ্কত গ্ৰহণ কৰা মতৰ ভিত্তিত বিষয়টো পুংখানুপুংখ ভাৱে বিচাৰ কৰি কাৰ্য্য-নিৰ্ব্বাহক সমিতিক পৰামৰ্শ আগবঢ়াবলৈ তলত নাম দিয়া ব্যক্তিসকলৰে সমিতিয়ে এখন উপসমিতি গঠন কৰি দিয়ে—

শ্ৰীঅৰুণ চন্দ্ৰ গোস্বামী, শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, শ্ৰীজ্ঞানেন্দ্ৰ নাথ শইকীয়া – হিচাপ পৰীক্ষক।

এই সমিতিয়ে কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ পৰৱৰ্তী অধিৱেশনৰ আগে আগে পৰামৰ্শ আগবঢ়াব।

১৯। অসম সাহিত্য সভাৰ ত্ৰিংশ বছৰৰ পত্ৰিকা ছপোৱাৰ বাবদ গুৱাহাটীৰ পূৰ্বদেশ মুদ্ৰণে



পাবলৈ থকা ৬৪৭৭.০০ টকাৰ সম্পৰ্কত উক্ত ছপাশালে দিয়া চিঠি প্ৰধান সম্পাদকে দাঙি ধৰে। সমিতিয়ে মত প্ৰকাশ কৰে যে, যিহেতু উক্ত ছপাশালত ছপা কৰা অসম সাহিত্য সভাৰ প্ৰকাশন 'অসমীয়া জাতিৰ ইতিবৃত্ত' নামৰ গ্ৰন্থখনি সমুদায় ছপাব্যয় আদায় দিয়াৰ পিছতো ৭০০০.০০ টকাৰ মূল্যৰ ৭০০ সংখ্যক গ্ৰন্থ এতিয়াও ছপাশালে দিয়া নাই, গতিকে যদি ছপা-শালে বিচাৰে উক্ত গ্ৰন্থৰ মূল্যৰ বিপৰীতে ছপাৰ অনাদায় ধন চামিল কৰি লবলৈ ছপা-শালক কোৱা হওক, অথবা উক্ত গ্ৰন্থৰ সমুদায় ষ্টক পোৱাৰ পিছত পত্ৰিকাৰ ছপাৰ বাবদ দিবলৈ থকা ধন দিয়া হওক।

২০। প্ৰধান সম্পাদকে জনায় যে—শৰাইঘাট প্ৰিণ্টাৰ্চত থকা 'নাটক' নামৰ গ্ৰন্থৰ ছপা ব্যয়ৰ অৱশিষ্ট পাঁচশ টকা প্ৰাক্তন-সভাপতি শ্ৰীগিৰিধৰ শৰ্মাদেৱে পৰিশোধ কৰা বুলি পূৰ্বতে হিচাপ দেখুৱাইছিল যদিও ছপাশালে উক্ত ধন আদায় নাই পোৱা বুলি কিতাপৰ ষ্টক বন্ধ কৰি থৈছে। এই সম্পৰ্কত প্ৰাক্তন সভাপতিলৈ চিঠি-পত্ৰ দিও কোনো উত্তৰ পোৱা নহল। সম্প্ৰতি প্ৰাক্তন সভাপতি গৰাকীয়ে উক্ত ধন দাতাৰ পৰা পোৱা নাই বুলি অসম সাহিত্য সভাৰ সভাপতিক জনাইছে। তদুপৰি উক্তগ্ৰন্থখনি টাইটেল পেজ আৰু বেটুপাতৰ সালসলনিৰ বাবে গ্ৰন্থৰ লিখকে জনোৱা অনুৰোধো কাৰ্য্য-নিৰ্ব্বাহক সমি-তিয়ে গ্ৰহণ কৰি থৈছে।

সমিতিয়ে গ্ৰন্থখনিৰ টাইটেল পেজ আদিৰ প্ৰয়োজনীয় সালসলনি কৰি, গ্ৰন্থৰ ছপা ব্যয়ৰ অৱশিষ্ট অনাদায় ধন দি গ্ৰন্থখনি ষ্টক লবৰ বাবে প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে। লগতে প্ৰাক্তন সভাপতি শ্ৰীগিৰিধৰ শৰ্মাক উক্ত ৫০০.০০ পাঁচশ টকা আদায় কৰিবৰ বাবে জনাবলৈ পৰা-মৰ্শ দিয়ে।

২১। সমিতিয়ে ১৯৭৫-৭৬ চনৰ বাবে তলত দিয়াৰ দৰে বিভিন্ন উপ-সমিতিসমূহ গঠন কৰে আৰু মনোনীত সদস্যসকলক দায়িত্ব গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়

(ক) ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ সমিতি :

ডাঃ জীৱকান্ত শইকীয়া—সভাপতি, শ্ৰীদেৱপ্ৰসাদ বৰুৱা সম্পাদক, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীদেৱেশ্বৰ শইকীয়া, যোৰহাট সাহিত্য সভাৰ প্ৰধান সম্পাদক, যোৰহাটস্থ অধীক্ষক অভিযন্তা, অসম সাহিত্য সভাৰ প্ৰধান সম্পা-দক। (কেন্দ্ৰীয় কাৰ্য্যালয়ৰ লগত যুক্ত)

সমিতিয়ে উক্ত সমিতিক চলিত বছৰৰ বাবে কাৰ্য্যনিৰ্ব্বাহ কৰিবলৈ অনুমোদন জনায়। তদু-পৰি, ভৱন নিৰ্মাণ উপ-সমিতিৰ লগত সঙ্গতি ৰাখি বিভিন্ন দিশৰ পৰিকল্পনা গ্ৰহণৰ উদ্দেশ্যে এখন পৰিকল্পনা উপ-সমিতি আজিৰ অধিৱেশনে গঠন কৰে :

সদস্যসকল : গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী দুগৰাকী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰবীন্দ্ৰনাথ ঠাকুৰ আসনৰ অধ্যাপক,

শ্ৰীযুগল দাস, শ্ৰীলীলা গগৈ, অধ্যক্ষ পৰাগধৰ চলিহা, ডঃ প্ৰতাপ চৌধুৰী—সভাপতি, শ্ৰীনগেন শইকীয়া—আহ্বায়ক, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক।

উল্লেখ থাকে যে—প্ৰয়োজন সাপেক্ষে এই সমিতিত আৰু সদস্য গ্ৰহণ কৰিব পৰা হব।

(খ) হৰিহৰ চৌধুৰী বঁটা : ডঃ মহেন্দ্ৰ বৰা, লীলা গগৈ, পৰীক্ষিত হাজৰিকা, প্ৰফুল্ল ভট্টাচাৰ্য্য আৰু অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক। (সমিতি ডিব্ৰুগড়ত বহিব)

(গ) গোলাপ গোস্বামী বঁটা : (সৰ্ব্বশ্ৰী) দেৱপ্ৰসাদ বৰুৱা, অৰুণ গোস্বামী, অৰলা গোহাঁই আৰু অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক। (সমিতি যোৰহাটত বহিব)

(ঘ) বনমালী শইকীয়া বঁটা : (সৰ্ব্বশ্ৰী) নাৰায়ণ ঘাটোৱাৰ, হেৰম্ব বৰদলৈ, ৰাম গোস্বামী (বৰহাপজান), চেনীৰাম কুৰ্মী আৰু অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক। (সমিতি ডিব্ৰুগড়ত বহিব)

(ঙ) প্ৰেমধৰ দত্ত সোঁৱৰণী ন্যাসপুঁজি : (সৰ্ব্বশ্ৰী) শ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, দীনেশ দত্ত (চাবুৱা), অৰলা গোহাঁই, মিনতি হাজৰিকা, কুতুবউদ্দিন আহমদ আৰু অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক। (সমিতি যোৰহাটত বহিব)

(চ) মোহন চন্দ্ৰ শৰ্ম্মা ন্যাসপুঁজি : (সৰ্ব্বশ্ৰী) যোগেশ দাস, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ডঃ নিৰ্ম্মল প্ৰভা বৰদলৈ, ডঃ মুকুন্দ মাধৱ শৰ্ম্মা, ডঃ হেমন্ত কুমাৰ শৰ্ম্মা, ডঃ নিশিপদ চৌধুৰী আৰু অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক। (সমিতি গুৱাহাটীত বহিব)

(ছ) মুদ্ৰণ আৰু অলংকৰণ বঁটা : (সৰ্ব্বশ্ৰী) চন্দ্ৰ প্ৰসাদ শইকীয়া, নৱকান্ত বৰুৱা, যুগল দাস, ৰাম গোস্বামী (গুৱাহাটী), ডঃ ভবেন্দ্ৰ নাথ শইকীয়া, মুনীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা, ত্ৰৈলোক্য দত্ত, নন্দ তালুকদাৰ আৰু অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক। (সমিতি গুৱাহাটীত বহিব)

(জ) শৰত চন্দ্ৰ গোস্বামী ন্যাসপুঁজি : (সৰ্ব্বশ্ৰী) শ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, যতীন্দ্ৰ নাথ গোস্বামী, ডিম্বেশ্বৰ শৰ্ম্মা আৰু অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক। (সমিতি যোৰহাটত বহিব)

(ঝ) কমলাদেৱী ন্যাসপুঁজি : (সৰ্ব্বশ্ৰী) শ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, যতীন্দ্ৰ নাথ গোস্বামী, ডিম্বেশ্বৰ শৰ্ম্মা, প্ৰকাশ গোস্বামী আৰু অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক। (সমিতি যোৰহাটত বহিব)।

(ঞ) লিপি সৰলীকৰণ সমিতি একেভাবেই ৰাখিবলৈ সিদ্ধান্ত কৰা হয়।

যোৰহাট আৰু গুৱাহাটীত বহিবলগীয়া সমিতিসমূহত ক্ৰমে যোৰহাট আৰু গুৱাহাটীৰ সহকাৰী



সম্পাদকদ্বয় সংশ্লিষ্ট ঠাইৰ সমিতিসমূহত পদেন সদস্য ৰূপে যুক্ত থাকিব।

২২। অসমীয়া ভাষা-জ্ঞান পৰীক্ষা সম্পৰ্কে সমিতিয়ে আলোচনাৰ অন্তত স্থিৰ কৰে :

(ক) ভাষাজ্ঞান পৰীক্ষাৰ পাঠ্যক্ৰমৰ উপবিধি ১১ নং ব্যৱস্থাৰ শুধৰণী তলত দিয়া ধৰণে গ্ৰহণ কৰা হওক :—

প্ৰথম বিভাগ : সকলো প্ৰশ্ন কাকতৰে উত্তীৰ্ণ মূল্যাংক শতকৰা ৪০ লাভ কৰাৰ উপৰিও গড়ে শতকৰা ৬০ ভাগ পাব লাগিব।

দ্বিতীয় বিভাগ : সকলো প্ৰশ্ন কাকতৰে উত্তীৰ্ণ মূল্যাংক শতকৰা ৩০ লাভ কৰাৰ উপৰিও গড়ে শতকৰা ৪৫ পাব লাগিব।

তৃতীয় বিভাগ : সকলো প্ৰশ্ন কাকতৰে উত্তীৰ্ণ মূল্যাংক শতকৰা ৩০ লাভ কৰাৰ উপৰিও গড়ে শতকৰা ৩৩ পাব লাগিব।

(খ) ১৯৭৪ চনৰ অসমীয়া ভাষাজ্ঞান পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয় :

প্ৰাথমিক—মুঠ পৰীক্ষাৰ্থী ১৫৬৫ জন। উত্তীৰ্ণ—৫২৫ জন। উত্তীৰ্ণৰ হাৰ ৩৩·৫৫।
প্ৰথম বিভাগ—১৫ জন, দ্বিতীয় বিভাগ—১৩১ জন, তৃতীয় বিভাগ—৩৭৯ জন।

মাধ্যমিক—মুঠ পৰীক্ষাৰ্থী ৮৭৭ জন। উত্তীৰ্ণ ৩৩৮ জন, উত্তীৰ্ণৰ হাৰ ৩৮·৫৪।
প্ৰথম বিভাগ—৬ জন, দ্বিতীয় বিভাগ—৯৯ জন, তৃতীয় বিভাগ—২৩৩ জন।

প্ৰাক্‌ভাৰতী—মুঠ পৰীক্ষাৰ্থী ১০১ জন। উত্তীৰ্ণ—৪৭ জন, উত্তীৰ্ণৰ হাৰ—৪১·১২।
প্ৰথম বিভাগত ০, দ্বিতীয় বিভাগ—১৭ তৃতীয় বিভাগ—৩০ জন।

(গ) অসমীয়া ভাষা প্ৰশিক্ষণ শ্ৰেণী শিলচৰ আৰু হাইলাকান্দিত পুনৰ আৰম্ভ কৰিবৰ কাৰণে ব্যৱস্থা লবলৈ প্ৰধান সম্পাদকক অনুৰোধ জনায়। সম্ভৱস্থলত, কৰিমগঞ্জত এটি প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিবলৈকো সমিতিয়ে মত প্ৰকাশ কৰে। এই বিষয়ে ব্যৱস্থা গ্ৰহণাৰ্থে ভাষাজ্ঞান পৰীক্ষা সচিবক সমিতিয়ে পৰামৰ্শ দিয়ে।

(ঘ) তলত দিয়া ধৰণে ভাষাজ্ঞান পৰীক্ষা সংসদ পুনৰ গঠন কৰা হয় :

১। স্কুল পৰিদৰ্শক—সভাপতি, ২। শ্ৰীমতী অৰলা গোহাই, ৩। শ্ৰীপ্ৰফুল্ল ৰাজগুৰু, ৪। শ্ৰীবসন্ত কুমাৰ গোস্বামী, ৫। শ্ৰীমুক্তিনাথ শৰ্ম্মা, ৬। শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, ৭। শ্ৰীকুতুবউদ্দিন আহমদ, ৮। শ্ৰীঅৰুণ চন্দ্ৰ গোস্বামী, ৯। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক, সহকাৰী সম্পাদক (যোৰহাট) ভাষাজ্ঞান পৰীক্ষা সংসদৰ সচিব।

২৩। পত্ৰিকা সম্পাদনা সমিতি :

(ক) পূৰ্ব্ববৰ্তী বছৰৰ দৰেই এই বছৰো ৪ সংখ্যা পত্ৰিকা প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

(খ) প্ৰথম সংখ্যা পত্ৰিকা অহা মে' মাহত প্ৰকাশৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ পত্ৰিকা সম্পাদকক সমিতিয়ে পৰামৰ্শ দিয়ে।

(গ) পত্ৰিকা সম্পাদকে পত্ৰিকাত হ'ব পৰা আয়-ব্যয়ৰ আভাস দিয়ে।

(ঘ) পত্ৰিকা সম্পাদনা সমিতি গঠন—
(সৰ্বশ্ৰী) যোগেশ দাস, বিশ্বেশ্বৰ হাজৰিকা, ডঃ নিৰ্মল প্ৰভা বৰদলৈ, অধ্যাপক হিতেন শৰ্মা, সতীশ চৌধুৰী, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক, পত্ৰিকা সম্পাদক—আহ্বায়ক

সংগঠন : অসম সাহিত্য সভাৰ সংগঠন আৰু শাখা সভাসমূহ সক্ৰিয় কৰি তুলিবৰ বাবে কাৰ্য্য-নিৰ্বাহক সমিতিৰ সদস্যসকলৰ লগত যোগাযোগ ৰাখি সংগঠনৰ কাৰ্য্যত আগবাঢ়িবলৈ অসমৰ বিভিন্ন ঠাইৰ তলত দিয়া লোকসকলক সভাই সংগঠনৰ দায়িত্ব দিয়ে :—

কাছাৰ : নৃপেন্দ্ৰ ৰাজবংশী, নিৰঞ্জন মহন্ত, আশালতা বৰ্মণ, চিদ্দিক আলি চৌধুৰী।

গোৱালপাৰা : দীনেশৰঞ্জন সৰকাৰ, হৰিমোহন সৰকাৰ, অম্বিকাচৰণ সৰকাৰ, কেশৱ ৰায়, সুশীল ৰায়, মোহিনী মোহন ব্ৰহ্ম।

মেঘালয় : সমৰ সিং ৰাভা ( গাৰোপাহাৰ )

কামৰূপ : সতীশ চৌধুৰী, ফুলেন বৰ্মণ, প্ৰেমময়ী দাস, হেমকান্ত ভট্টাচাৰ্য্য।

নগাওঁ : হৰেশ্বৰ গোস্বামী, যোগেন্দ্ৰ নাৰায়ণ ভূঞা, যুগল দেৱ গোস্বামী, চন্দ্ৰকান্ত, বৰকাকতী, জীৱন সিং, পদ্ম পাটৰ।

লক্ষীমপুৰ : কমল চন্দ্ৰ ৰাইলুং, ললিত চন্দ্ৰ শৰ্মা বৰুৱা।

ধেমাজি : শংখধৰ দলে।

মিকিৰ পাহাৰ : শ্ৰীমতী সাথী তেৰনপী, লংকাম তেৰন, বং বং তেৰন, বুদ্ধীন্দ্ৰ নাথ বৰদলৈ।

উত্তৰ কাছাৰ : শ্ৰীমতী নিৰুপমা হাগজেৰ, এন, এল, ডাউলাগুপো।

দৰং : উপেন দাস, ( টংলা ), ঘন শইকীয়া, ৰমেশ বৰা, জিতেন্দ্ৰ নাথ ভাগৱতী।

শিৱসাগৰ : চিদানন্দ শইকীয়া, পোনাৰাম বৰুৱা, প্ৰফুল্ল বৰা, ডিম্বেশ্বৰ শৰ্মা, মেদিনী মোহন চৌধুৰী, দেউৰাম তাছা, সোণাৰাম বৰুৱা, কৃষ্ণ মিশ্ৰ।

ডিব্ৰুগড় : চেনীৰাম কুৰ্মী, ধৰ্মকান্ত গোহাঞি, গগন সোনোৱাল, ৰাম গোস্বামী, মেঘ গগৈ, জিলেন্দ্ৰ মহন্ত আৰু হেৰম্ব বৰদলৈ।

প্ৰয়োজন অনুসৰি সদস্য অন্তৰ্ভুক্ত কৰিবলৈ সিদ্ধান্ত কৰা হয়।

২৫। লিখকৰ পাৰিতোষিক সম্পৰ্কত সভাই সিদ্ধান্ত গ্ৰহণ কৰে যে প্ৰতিজন লিখকক তেখেতে লিখি দিয়া দহ খন কিতাপ আৰু কিতাপৰ মূল্যৰ শতকৰা ৫ ভাগ পাৰিতোষিক স্বৰূপে দিয়া হওক। এই সম্পৰ্কীয় অন্যান্য ব্যৱস্থা আগৰ দৰেই চলি থাকিব।

২৬। চৰকাৰী কাৰ্য্যালয় সমূহত এতিয়াও ৰাজ্য ভাষা অসমীয়া সন্তোষজনকভাবে প্ৰচলন নোহোৱা বাবে সভাই উদ্বেগ প্ৰকাশ কৰে। অনতিপলমে চৰকাৰী কাৰ্য্যালয়সমূহত অসমীয়া ভাষাৰ প্ৰচলন যাতে যথাৰ্থ স্বৰূপ হয় তেনে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ সভাই চৰকাৰক অনুৰোধ জনায়।

২৭। অসমীয়া ভাষা-সাহিত্যৰ বিকাশ সম্পৰ্কত সন্মুখীন হোৱা বিভিন্ন সমস্যাদিৰ সম্যক আলোচনাৰ বাবে আৰু যথা বিহিত উপায় উদ্ভাৱনৰ উদ্দেশ্যে অসমৰ মুখ্য মন্ত্ৰী আৰু শিক্ষা মন্ত্ৰীক



লগ ধৰিবৰ কাৰণে এটি সজ্জাতি দল যোৱাৰ সিদ্ধান্ত সভাই গ্ৰহণ কৰে।

২৮। অৰুণাচল, নগালেণ্ড, মেঘালয় আদিত শাখা সভা গঠনৰ বাবে ডঃ নিশিপদ চৌধুৰীয়ে আগবঢ়োৱা পৰামৰ্শ সভাই গ্ৰহণ কৰে।

২৯। (ক) শিলচৰৰ ভাষা শিক্ষা শ্ৰেণীৰ শিক্ষক শ্ৰীদেবেন্দ্ৰ চন্দ্ৰ বৰকটকীৰ আবেদন পাঠ কৰা হয়। শ্ৰীবৰকটকীৰ বৰ্ণিত অৱস্থাৰ কথা বিবেচনা কৰি তেওঁলৈ যথা শীঘ্ৰে ৩০০ (তিনিশ) টকা অগ্ৰিম পঠিয়াই দি পিছত প্ৰতিমাহে কৰ্তনৰ ব্যৱস্থা কৰিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

(খ) কেন্দ্ৰীয় কাৰ্য্যালয়-সহকাৰী শ্ৰীহেম শইকীয়াৰ আবেদন সভাই বিবেচনা কৰে আৰু তেওঁক ৩০০ (তিনিশ) টকা অগ্ৰিম দিয়াৰ সিদ্ধান্ত কৰে। এই টকা প্ৰতিমাহে ২৫ ( পঁচিশ ) টকাকৈ কৰ্তনৰ ব্যৱস্থা ৰাখিবলৈ সভাই দিহা আগবঢ়ায়।

৩০। তলত নাম দিয়া লোকসকলক অসম সাহিত্য সভাৰ আজীৱন সভ্য হিচাপে সভাই স্বীকৃতি প্ৰদান কৰে :—

(১) শ্ৰীদেৱী চুতীয়া—মৰাণ
(২) শ্ৰীক্ষীৰোদ বৰা—শিৱসাগৰ
(৩) শ্ৰীদেৱী প্ৰসাদ মজিন্দাৰ বৰুৱা —শিৱসাগৰ
(৪) শ্ৰীভৱকান্ত বৰা—লামডিং
(৫) মহম্মদ আলি হুছেইন—পুৱণিগুদাম
(৬) শ্ৰীযুগল কিশোৰ আগৰৱালা—যোৰহাট

৩১। তলত নাম দিয়া শাখাসমূহক সভাই স্বীকৃতি দান কৰে :

(১) নমাটি সাহিত্য সভা—
সম্পাদক—সিদ্ধেশ্বৰ পাঠক
(২) কপাহেৰা সাহিত্য সভা—নগাওঁ

৩২। প্ৰধান সম্পাদকে সভাপতি প্ৰমুখ্যে সদস্য সকললৈ ধন্যবাদ জ্ঞাপন কৰে। কাৰ্য্য-সূচীৰ সমুদায় বিষয়ৰ আলোচনাৰ অন্তত সকলোটিলৈ ধন্যবাদ জনাই সভাপতিয়ে সভাৰ সামৰণি ঘোষণা কৰে।

নগেন শইকীয়া
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা
২৯।৩,৭৫

শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মা
সভাপতি,
অসম সাহিত্য সভা
২৯,৩।৭৫

# অসম সাহিত্য সভা

## *বিষয়-বাছনী সভা : দ্বিচত্বাৰিংশ সন্মিলন*

তিতাবৰ মিহিৰাম শইকীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহ

দিনাঙ্ক— ১০ ফেব্ৰুৱাৰী; ১৯৭৫

১। অসম সাহিত্য সভাৰ নৱ-নিৰ্বাচিত সভাপতি ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মাক অভ্যৰ্থনা সমিতিৰ সভাপতি, অধ্যক্ষ শ্ৰীচক্ৰেশ্বৰ শইকীয়া আৰু সাধাৰণ সম্পাদক শ্ৰীখগেশ্বৰ গগৈয়ে আগবঢ়াই আনে আৰু সমবেত প্ৰতিনিধিবৰ্গই থিয় হৈ সভাপতিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰে।

২। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াই অসম সাহিত্য সভাৰ দ্বিচত্বাৰিংশ সন্মিলনৰ বিষয়-বাছনী সভাত সভাপতিত্ব কৰিবৰ বাবে নৱ-নিৰ্বাচিত সভাপতিক আহ্বান জনায়। অভ্যৰ্থনা সমিতিৰ পক্ষৰ পৰা মাল্য প্ৰদান কৰা হয়। সভাপতিয়ে আসন গ্ৰহণ কৰি সভা পৰিচালনাৰ বাবে সমবেত সকলো প্ৰতিনিধিৰে সহায় আৰু সহযোগিতা কামনা কৰে।

৩। সভাপতিৰ আসনৰ পৰা তলৰ শোক-প্ৰস্তাৱটি দাঙি ধৰাৰ অন্তত সমবেত সকলোৱে, দুই মিনিট থিয় হৈ মৌন তৰ্পণ কৰে :

***শোক-প্ৰস্তাৱ :***

অসম সাহিত্য সভাৰ দ্বিচত্বাৰিংশ সন্মিলনৰ বিষয়-বাছনী সভাই তলত নাম দিয়া ব্যক্তিসকলৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে আৰু বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায় আৰু শোক-সন্তপ্ত পৰিয়াল-বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

প্ৰবীণ সাহিত্যিক শিল্পী—মহেন্দ্ৰনাথ ডেকাফুকন
প্ৰখ্যাত সাহিত্যিক—বুদ্ধদেৱ বসু
প্ৰখ্যাত বিজ্ঞানী—ডক্টৰ সত্যেন্দ্ৰনাথ বসু
কথাছবি শিল্পী—পাহাড়ী সান্যাল
সঙ্গীত শিল্পী—ওস্তাদ আমিৰ খাঁ
,, ,, —এছ, এম, ৰতনঝঙ্কাৰ
প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী—টিৰু ভাল্লুৰ যাট্টাই কৃষ্ণমাচাৰী
বিশিষ্ট ব্যক্তি—বিমলেশ্বৰ ফুকন
প্ৰভাত চন্দ্ৰ গোস্বামী
ভবেন্দ্ৰ নাৰায়ণ সিংহ
নলিনী কুমাৰ দাস
সৰ্বেশ্বৰ পাটগিৰি
মঙ্গলদৈ সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ উপ-সভাপতি, সাহিত্য সভাৰ কৰ্মী—মুক্তিনাথ গোস্বামী
ভাৰতৰ আগশাৰীৰ সাংবাদিক—দুৰ্গা দাস,
হিন্দী সাহিত্যিক ৰাজনীতিক—শেঠ গোবিন্দ দাস
নোবেল বঁটা বিজয়ী সাহিত্যিক—পেট্ৰিক হোৱাইট অষ্ট্ৰেলিয়াচ

বৰপেটাৰ সত্ৰাধিকাৰ—ধম কান্ত মহন্ত
ভূৱৰব্কাৰ ছাত্ৰ—গজেন ইংতি, পুতুল শইকীয়া
প্ৰখ্যাত ৰাজনীতিক প্ৰাক্তন মন্ত্ৰী—ভি, কে, কৃষ্ণমেনন
প্ৰখ্যাত আইনজীৱি—এম, চি, শীতলবাদ
গুৱাহাটীৰ শিশুপ্ৰাণ—নবীন শৰ্মা
ডুবি দেৱালয়ৰ শেষ দেৱবাসী—কৌশল্যা দাস
যোৰহাটৰ সমাজকৰ্মী—মুৰুলীধৰ বৰুৱা
কাছাৰৰ—সোণাচাঁদ সিংহ।
শিৱসাগৰ—বৈদ্যনাথ বৰপূজাৰী
বৰপেটা বোডৰ ছাত্ৰ—শিৱৰাম বড়ো, অন্নৰাম বড়ো
সাংবাদিক—কিষণ ভাটিয়া
অসম সাহিত্য সভাৰ আজীৱন সভ্য—টঙ্কেশ্বৰ শৰ্মা বৰুৱা
ডিব্ৰুগড়ৰ সমাজকৰ্মী—ডাঃ শৰৎ কুমাৰ বৰুৱা
চিকিৎসক—বিপিনচন্দ্ৰ কৰ
অভিনেতা—অতুলচন্দ্ৰ ফুকন
আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিক, ৰাষ্ট্ৰসংঘৰ প্ৰাক্তন সচিব—উ, থাণ্ট
বিশিষ্ট সাংবাদিক—কস্তুৰী গোপালন
সমাজসেৱিকা—সুচেতা কৃপালনী
তিনিচুকীয়াৰ শিক্ষাব্ৰতী—মুক্তানাথ বৰঠাকুৰ
দিছাংপানীৰ বৌদ্ধ-বিহাৰৰ অধ্যক্ষ—শ্ৰীমত নন্দবংশ মহাস্থবিৰ
প্ৰবীণ সাহিত্যিক, গান্ধীবাদী নেতা—অমিয় কুমাৰ দাস
যোৰহাটৰ বিশিষ্ট ব্যক্তি, নৃতাত্বিক—বিকাশচন্দ্ৰ গোহাঁই
গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক—ধীৰেন শৰ্মা।
প্ৰখ্যাত জৈৱ বিজ্ঞানী, সাহিত্যিক—জুলিয়ান হাক্সলী
প্ৰখ্যাত সাহিত্যিক—ছাৰ পি, জি, উডহাউছ
কেন্দ্ৰীয় মন্ত্ৰী—ললিতনাৰায়ণ মিশ্ৰ
তিনিচুকীয়াৰ বিশিষ্ট ব্যক্তি—যদুনাথ ভূঞা
মৰিগাওঁৰ শিক্ষক—মহেন্দ্ৰ নাথ ডেকা
তিনিচুকীয়াৰ থলুৱা নেতা—জীৱন চক্ৰৱৰ্তী
কৰিমগঞ্জৰ বিশিষ্ট শিক্ষক,ৰাষ্ট্ৰীয় পুৰস্কাৰ পাওঁতা—সনত কুমাৰ ভট্টাচাৰ্য
কৰবাৰ প্ৰবীণ শিক্ষক—পুষ্পনাথ গোস্বামী
বিশিষ্ট সাহিত্যিক—কৰুণাধৰ বৰুৱা।
ফণীধৰ দত্ত, দেবেন্দ্ৰনাথ বৰুৱা মোহনচন্দ্ৰ বৰদলৈ, মহেন্দ্ৰপ্ৰসাদ দত্ত, কুমুদ গোস্বামী, হেমচন্দ্ৰ কোঁৱৰ আৰু পৰমা গোহাঁই।

৪। প্ৰধান সম্পাদকে তলত দিয়া বিষয় সন্নিবিষ্ট কৰি বিষয়-বাছনী সভাৰ কাৰ্য্যসূচী উত্থাপন কৰে :

(১) প্ৰধান সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন আৰু ১৯৭৩-৭৪ বিত্তীয় বছৰৰ আয়-ব্যয় উত্থাপন।
(২) তদন্ত সমিতিৰ প্ৰতিবেদন উত্থাপন
(৩) নিয়মাৱলী সংশোধনী প্ৰস্তাৱ উত্থাপন
(৪) প্ৰস্তাৱ উত্থাপন
(৫) ১৯৭৫-৭৬ বছৰৰ বাবে বিষয়ববীয়া নিৰ্বাচন
(৬) পৰৱৰ্তী সন্মিলনৰ নিমন্ত্ৰণ
(৭) সভাপতিৰ মন্তব্য
(৮) শলাগ জ্ঞাপন

৫।(ক) প্ৰধান সম্পাদকে তলত নাম দিয়া ছেদসমূহ সন্নিৱিষ্ট কৰি ১৯৭৪-৭৫ বছৰৰ প্ৰতিবেদন উত্থাপন কৰে :



(১) উপক্ৰমণিকা, (২) তৰ্পণ, (৩) প্ৰস্তাৱ-প্ৰসঙ্গ, (৪) কাম আৰু আঁচনি, (৫) প্ৰকাশনৰ পুনৰ মুদ্ৰণ, (৬) অসম সাহিত্য সভা পত্ৰিকা, (৭) জন্ম শতবাৰ্ষিকী উছৱ, (৮) অসমৰ দ্বিতীয় লেখক শিবিৰ, (৯) ভাষাজ্ঞান প্ৰশিক্ষণ কেন্দ্ৰ, (১০) সম্প্ৰীতি মেল আৰু ভ্ৰমণ, (১১) সাহিত্য সভা সপ্তাহ, (১২) সাহিত্য সভাৰ বঁটা, (১৩) অন্যান্য সাহিত্য বঁটা, (১৪) সভালৈ দান, (১৫) তদন্ত সমিতি, (১৬) বানপানী সাহায্য পুঁজি, (১৭) সভাৰ আৰ্থিক অৱস্থা, (১৮) সাহিত্যিক পেঞ্চন, (১৯) শাখা সভাৰ বাতৰি, (২০) অভ্যৰ্থনা সমিতিৰ হিচাপ পত্ৰ, (২১) অসমীয়া ভাষা-সাহিত্যৰ প্ৰচাৰ, (২২) আঞ্চলিক সন্মিলন, (২৩) আধৰুৱা কাম আৰু (২৪) কৃতজ্ঞতা জ্ঞাপন।

প্ৰতিবেদন সম্পৰ্কত বিস্তৃত আলোচনাৰ অন্তত '(১৫) তদন্ত-সমিতি' সম্পৰ্কীয় ছেদত কেৱল প্ৰতিবেদন-প্ৰাপ্তি উল্লেখ কৰি থ'বৰ বাবে আৰু '(২২) আঞ্চলিক সাহিত্য সন্মিলন' ছেদটো উঠাই দিবৰ বাবে সিদ্ধান্ত কৰা হয়।

কেইগৰাকীমান সদস্যই সম্পাদকীয় প্ৰতিবেদন ছপা কৰি বা চাইক্ল'ষ্টাইল কৰি দিব লাগে বুলি জনোৱা পৰামৰ্শৰ উত্তৰত প্ৰধান সম্পাদকে জনায় যে—যিহেতু সম্পাদকীয় প্ৰতিবেদন কাৰ্য্য-নিৰ্বাহক সমিতিত অনুমোদিত হৈ আহিব লাগে আৰু যিহেতু কাৰ্য্য-নিৰ্বাহক সমিতিৰ অধিৱেশন বিষয়বাছনী সভা বহাৰ প্ৰাগঃকালতহে অন্ত হয়, গতিকে সম্পাদকীয় প্ৰতিবেদন বিতৰণ কৰাটো সম্ভৱ নহয়।

সভাই সম্পাদকৰ স্পষ্টিকৰণসহ প্ৰতিবেদন গ্ৰহণ কৰে।

(খ) প্ৰধান সম্পাদকে সভাৰ নিয়মাৱলীৰ দশমছেদ (৩)ঞ বিধি অনুসৰি ১৯৭৩-৭৪ বিত্তীয় বছৰৰ, সভাৰ হিচাপ পৰীক্ষক (চাৰ্টাৰ্ড একাউন্টেন্ট)ৰ দ্বাৰা পৰীক্ষিত আয়-ব্যয়ৰ হিচাপ উত্থাপন কৰে।

তাৰ আগতে তদন্ত-সমিতিৰ প্ৰতিবেদন উত্থাপিত হ'ব লাগে বুলি কেইবাগৰাকীও সদস্যই দিয়া পৰামৰ্শৰ ভিত্তিত আয়-ব্যয়ৰ হিচাপ উত্থাপন বিষয় পৰৱৰ্তী বৈঠকলৈ স্থগিত ৰখা হয় আৰু তদন্ত-সমিতিৰ প্ৰতিবেদনৰ প্ৰতি সদস্যসকলৰ মাজত বিতৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰধান সম্পাদকক পৰামৰ্শ দিয়া হয়।

২১।২।৭৫

৬। স্থগিত বৈঠকৰ আৰম্ভণি হয়—তদন্ত-সমিতিৰ প্ৰতিবেদনৰ আলোচনাৰে। প্ৰধান সম্পাদকে জনায় যে যদিও একত্ৰিংশ সন্মিলনৰ বিষয়বাছনী সভাই ১৯৭৪ চনৰ মেই মাহৰ ভিতৰতে তদন্তৰ প্ৰতিবেদন শাখাসমূহলৈ পঠাবলৈ পৰামৰ্শ দিছিল, কিন্তু তদন্ত সমিতিৰ দুজন সদস্য শ্ৰীযুত মহেন্দ্ৰনাথ ভট্টাচাৰ্য্য আৰু শ্ৰীখনীন্দ্ৰনাথ বৰুৱাই যুটীয়াভাৱে দাখিল কৰা প্ৰতিবেদন ১৯৭৪ চনৰ ১৯ ডিচেম্বৰ তাৰিখে গুৱাহাটীৰ সভাপতিৰ হাতত দাখিল কৰে আৰু প্ৰধান সম্পাদকে ২৯।১২।৭৪ তাৰিখে পায়। সেই প্ৰতিবেদনত সংকল্প-পত্ৰৰ পৰামৰ্শ অনুসৰি প্ৰতিবেদন

তদন্ত-সমিতিৰ অন্যতম সদস্য শ্ৰীবুদ্ধীন্দ্ৰকুমাৰ ৰাজখনিকৰলৈ পঠোৱা হয়—শ্ৰীৰাজখনিকৰৰ প্ৰতিবেদনৰ বাবে। শ্ৰীৰাজখনিকৰৰ পৰা প্ৰতিবেদন পোৱা হৈছে ১২ ফেব্ৰুৱাৰী ১৯৭৫ তাৰিখে।

কেইবাগৰাকীও সদস্যই যুক্তি দৰ্শায় যে—যিহেতু তদন্ত সমিতি এখন, গতিকে প্ৰতিবেদনো এখন হ'ব লাগে, গতিকে পিছত দিয়া প্ৰতিবেদনখন গ্ৰহণ কৰিব নালাগে।

সভাই প্ৰথম প্ৰতিবেদনখনকে আলোচনাৰ বাবে গ্ৰহণ কৰে।

প্ৰতিবেদনত উল্লিখিত অভিযোগ সম্পৰ্কে প্ৰধান সম্পাদকৰ মতামত বিচৰাত প্ৰধান সম্পাদকে স্পষ্টীকৰণ দি জনায় যে—

(১) কেন্দ্ৰীয় কাৰ্য্যালয় আৰু গুৱাহাটী কাৰ্য্যালয়ৰ আয়-ব্যয়ৰ হিচাপ অডিট কৰোৱাই বিত্তীয় বছৰৰ শেহত একেলগে আয়-ব্যয়ক প্ৰস্তুত কৰা হয়।

(২) ১৯৭৩-৭৪ চনৰ বিশেষ প্ৰকাশন আৰু পত্ৰিকা পুঁজি আৰু আজীৱন সভ্য বৰঙণি সম্পৰ্কেই একচত্বাৰিংশ সন্মিলনৰ বিষয়-বাছনী সভাত বিতৰ্ক হৈছিল আৰু সেই সম্পৰ্কতে সভাই 'তদন্ত-সমিতি' গঠন কৰি দিছিল। কিন্তু তদন্ত-সমিতিৰ সদস্যসকলে সমিতিৰ প্ৰথম বৈঠকত সভাৰ সেই বছৰৰ যাবতীয় হিচাপ তদন্ত কৰাৰ কথা উঠা বুলি কোৱাত আৰু মাননীয় সভাপতিয়েও তাত সন্মতি জনোৱাত তদন্ত সমিতিক সভাৰ সকলো হিচাপ-পত্ৰ তদন্ত কৰিবলৈ সম্পূৰ্ণ সুযোগ দিয়া হৈছে।

(৩) প্ৰধান সম্পাদকে উক্ত বছৰৰ কাৰ্য্যনিৰ্বাহক সমিতিত ধনভঁৰালী, প্ৰধান সম্পাদকৰ স্থানৰ হ'ব লাগে বুলি সভাপতিক প্ৰথম শ্ৰেণীৰ ভ্ৰমণ আৰু অৱস্থান বানচ দিয়াটো নিয়মতন্ত্ৰ সমৰ্থিত নহয় বুলি, প্ৰধান সম্পাদকক দিব খোজা আঢ়ৈ হাজাৰ টকাৰ অগ্ৰদায় নিয়ম-তন্ত্ৰ সমৰ্থিত নোহোৱাত গ্ৰহণ কৰিবলৈ অপাৰগ বুলি, পত্ৰিকা মাহেকীয়াকৈ প্ৰকাশ কৰাটো সভাৰ আৰ্থিক অৱস্থাৰ অনুকূল নহয় বুলি তেতিয়াৰ সভাপতি আৰু কাৰ্য্যনিৰ্বাহকৰ সেই সম্পৰ্কীয় পৰামৰ্শ আৰু সিদ্ধান্তৰ বিধিগত আসোঁৱাহ দৰ্শালেও (সভাই পৰামৰ্শ গ্ৰহণ কৰা আইনজ্ঞ আৰু চাৰ্টাৰ্ড একাউণ্টেণ্টেও তেনেভাৱেই আসোঁৱাহ দেখুৱাইছে), কাৰ্য্যনিৰ্বাহকে গ্ৰহণ কৰা সিদ্ধান্তৰ বিৰুদ্ধে গৈ নিয়মাৱলীৰ ৪৬।(৩)(গ) বিধি উলঙ্ঘা কৰা নাই। গতিকে কাৰ্য্যনিৰ্বাহকৰ সিদ্ধান্ত অনুসৰি ধনভঁৰালী গুৱাহাটীৰে হৈ আছিল; পত্ৰিকাৰ মাহেকীয়াকৈ ৯ টা সংখ্যা ওলাইছিল (সাধাৰণ পুঁজিৰ পৰা দিয়া ১২ হাজাৰ টকাৰ উপৰিও ১৪,৯২০'৮৬ টকা ধাৰ লগা সত্বেও পত্ৰিকা পুঁজিত ধন থকালৈকে বিল পৰিশোধ কৰা হৈছিল); ৫.৮।৭৩ তাৰিখৰ কাৰ্য্যনিৰ্বাহকৰ আগোঁতে সভাপতিক প্ৰথম শ্ৰেণীৰ ভ্ৰমণ আৰু অৱস্থান বানচ দিয়া হৈছিল, প্ৰকাশন পুঁজিৰ পৰা দিবলগীয়া ধন পুঁজিত ধন থকালৈকে দিয়া হৈছিল। কেৱল প্ৰধান সম্পাদকক দিয়া আঢ়ৈ হাজাৰ টকাৰ অগ্ৰদায়হে গ্ৰহণ



কৰা হোৱা নাছিল আৰু গ্ৰহণ নকৰি ৬৩ বিধিৰ পৱিত্ৰতা ৰক্ষা কৰি কাম কৰা হৈছিল।

(৪) বিত্তীয় উপবিধি ৰচনাৰ বাবে দিয়া পৰামৰ্শ কাৰ্য্যনিৰ্বাহক সমিতিৰ পৰামৰ্শমতেই বিষয়-বাছনী সভালৈ থোৱা হৈছিল যাতে নিয়মাৱলী সংক্ৰান্ত সংশোধনী হিচাপে উত্থাপন কৰিব পাৰি। একচত্বাৰিংশ সন্মিলনৰ বিষয়-বাছনী সভাই বিত্তীয় উপবিধিৰ সেই সংশোধনী অগ্ৰাহ্য কৰে। গতিকে বিত্তীয় উপবিধি যে বিষয়-বাছনী সভাই ৰচনা কৰা উপবিধি আৰু এই উপবিধি যে উপসমিতিসমূহৰ বাবে কাৰ্য্যনিৰ্বাহকে ৰচনা কৰিব পৰা উপবিধিৰ সমতুল্য নহয়—সেই কথা স্পষ্ট অনুভূত হৈছে।

(৫) কিন্তু তেতিয়াৰ সভাপতিৰ ভ্ৰমণ-বানচৰ বিল পৰিশোধ কৰিব পৰা হোৱা নাছিল। কাৰণ (ক) কাৰ্য্যনিৰ্বাহকৰ সিদ্ধান্ত অনুসৰি পত্ৰিকা, প্ৰকাশন, সংগঠন আদিৰ সভাপতিৰ ভ্ৰমণ বানচ আৰু অৱস্থান-বানচৰ বিল, বিশেষ প্ৰকাশন আৰু পত্ৰিকা পুঁজিৰ পৰাহে দিব লাগে; কিন্তু উক্ত পত্ৰিকা আৰু প্ৰকাশন পুঁজিত সভাপতিৰ দ্বাৰা সংগৃহীত ধন জমা নোহোৱাত স্বাভাৱিকতেই তাৰ পৰা ধন দিয়া সম্ভৱ নাছিল, (খ) সভাপতিয়ে সংগৃহীত ধনৰ পৰা বাহিৰে বাহিৰে প্ৰথম শ্ৰেণীৰ ভ্ৰমণ আৰু অৱস্থান বানচ ধৰি আৰু টেক্সীৰ খৰছ ধৰি ৬,৬৯৯'৪০ পইচা লৈছে। (টেক্সীৰ খৰছৰো কোনো ভাউচাৰ নাই; (গ) পত্ৰিকা পুঁজিলৈ ৫ হাজাৰ টকা সাধাৰণ পুঁজিত জমা হোৱা চৰকাৰী মঞ্জুৰীৰ পৰা দিবলৈ ৭।২।৭৪ তাৰিখৰ কাৰ্য্যনিৰ্বাহকে পৰামৰ্শ দিয়াৰ দিনাই গধূলিলৈ বিষয়-বাছনী সভাই তদন্ত-সমিতি গঠন কৰি দিলে। গতিকে তদন্তাধীন পুঁজিৰ লেন-দেন নকৰিবৰ বাবে হিচাপ-পৰীক্ষকে দিয়া পৰামৰ্শ আৰু সভাৰ পৰৱৰ্তী কাৰ্য্যনিৰ্বাহকৰ পৰামৰ্শ অনুসৰি লেন-দেন স্থগিত ৰখা হয়। তেতিয়াৰ সভাপতিৰ পৰামৰ্শ অনুসৰি পত্ৰিকাৰ বাবে দিয়া এখন চেকো, পত্ৰিকা-পুঁজিত ধন নথকাৰ বাবে ঘূৰাই আনিব লগা হৈছিল। (ঘ) তেতিয়াৰ সভাপতিলৈ উপৰ্য্যুপৰি লিখা স্বত্বেও তেখেতৰ দ্বাৰা সংগৃহীত আৰু ব্যয় হোৱা ধনৰ হিচাপ পোৱা হোৱা নাছিল; স্বাক্ষৰ নকৰাকৈ এটুকুৰা কাগজত লিখি দিয়া হিচাপৰ টোকা অডিটৰে পৰীক্ষা কৰিবলৈ অসম্মত হোৱাৰ কথা জনোৱাতো প্ৰধান সম্পাদকলৈ হিচাপ পত্ৰ নপঠাই—২৪।৩।৭৪ তাৰিখে কিছু বিল, কোটেশ্যন-পত্ৰ আৰু হিচাপৰ টোকা তদন্ত সমিতিৰ সদস্যসকলৰ হাতত দিয়ে। গতিকে বিল নোপোৱাকৈ সেই খৰছৰ বিল আগতে পৰিশোধ কৰাৰ প্ৰশ্ন নুঠে। এইবিলাকৰ লগতে তেতিয়াৰ সভাপতিয়ে তদন্ত সমিতিৰ সদস্যসকলক—প্ৰধান সম্পাদকে বিল পাছ নকৰাৰ বাবেহে সংগৃহীত ধন বাহিৰে বাহিৰে খৰচ কৰা হৈছে বুলি সদস্যদ্বয়ে কোৱা কথাৰো তদন্ত সমিতিয়ে বিশেষ প্ৰকাশন পুঁজি, পত্ৰিকা পুঁজি সাধাৰণ পুঁজিৰ বেংকৰ হিচাপ আৰু কেচ বুকৰ লগত বিলৰ ধনৰ পৰিমাণ, বিল দিয়াৰ তাৰিখ মিলাই চোৱা হলেই, প্ৰকৃত সত্যাসত্য ধৰিব পাৰিলে হয়তেন।

(৬) বিশেষ প্ৰকাশন আৰু পত্ৰিকা পুঁজি গঠনৰ বাবে ছপোৱা ৰছিদ বহীবোৰৰ ছপাৰ

অৰ্ডাৰ, কোটেশ্চন, বহীৰ সংখ্যা, পৃষ্ঠা সংখ্যা, বিতৰণৰ বিৱৰণ পাবলৈ উপৰ্য্যুপৰি সভাপতি আৰু গুৱাহাটী কাৰ্য্যালৰ পৰা পাবলৈ লিখা স্বত্বেও পোৱা হোৱা নাছিল। আনকি প্ৰকাশন সমিতিকে ধৰি উপ-সমিতিবোৰৰ কাৰ্য্যবিৱৰণিও ১৯৭৩ ৰ ছেপ্তেম্বৰ পৰ্য্যন্ত পোৱা হোৱা নাছিল। গতিকে এই সমস্ত বিষয়ত হোৱা আয়-ব্যয়ৰ হিচাপ প্ৰধান সম্পাদকে ঢুকি পোৱাৰ বাহিৰত আছিল।

(৭) কেন্দ্ৰীয় কাৰ্য্যালয়ত তলা বন্ধ অৱস্থাত থকা কিছু পুৰণি ৰছিদ বহী তদন্ত-সমিতিয়ে কথা-প্ৰসঙ্গত চাবলৈ বিচৰাত দেখুৱা হৈছিল আৰু ৭৩-৭৪ চনৰ সভাপতিকো সেই বহী সম্পৰ্কে জনোৱাৰ কথা কোৱা হৈছিল।

(৮) ডিব্ৰুগড়ত কোনো 'ক্ষুদ্ৰ কাৰ্য্যালয়' নাই আৰু কোনো ব্যয় ডিব্ৰুগড়ৰ পৰা কৰা হোৱা নাই।

(৯) নিয়মাৱলী অনুসৰি পত্ৰিকা সম্পাদকে সভাপতিৰ লগত পৰামৰ্শ কৰি পত্ৰিকা ছপায়। গতিকে ছপাত বা কাগজ ক্ৰয়ত হোৱা অতিৰিক্ত ব্যয়ৰ কথা জ্ঞাত নাথাকিলে প্ৰধান সম্পাদকে সমিতিক সময়মতে জনাই অনুমোদন লোৱাৰ সুবিধা নাথাকে।

(১০) 'হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী'ৰ পুৰস্কাৰ গ্ৰহণৰ বাবে দিল্লীলৈ যাওঁতে কলিকতা পৰ্য্যন্ত উৰাগাড়ীত গ'লেও প্ৰধান সম্পাদকে তেতিয়াৰ দ্বিতীয় শ্ৰেণীৰ ৰেলৰ ভাড়াহে লৈছে। ৩১৮ নং ৰছিদ (পৰীক্ষিত) আৰু কেচ বুক মিলাই নোচোৱাকৈ তদন্ত সমিতিৰ সদস্যদ্বয়ে প্ৰধান সম্পাদকে সম্পূৰ্ণই বেলেগাই থোৱা উৰা জাহাজৰ টিকট আৰু ব্যক্তিগত খুচুৰা খৰচৰ হিচাপ প্ৰধান সম্পাদকক নোসোধাকৈ চাই মন্তব্য দিছে।

(১১) প্ৰথম লেখক-শিৱিৰৰ বাজেট বেলেগ কৰি চৰকাৰলৈ পঠোৱা হৈছিল আৰু কাৰ্য্য-নিৰ্বাহকে গ্ৰহণ কৰিছিল। তাত ভ্ৰমণ-বানচৰ উপৰিও এহাজাৰ টকা পৰিবহনত ধৰা হৈছিল যদিও পৰিবহনত ৮০০ টকাহে খৰচ কৰা হৈছিল। ব্যৱহৃত গাড়ীৰে গুৱাহাটী আৰু আশ-পাশৰ লোকসকলক পুৱাৰ পৰা গধূলিলৈকে ৭ দিন অনা-নিয়া কৰা হৈছিল। সিসকলৰ দৈনিক ভ্ৰমণ-বানচ ধৰিলে খৰচ দুগুণ হ'লহেঁতেন। তদুপৰি এদিন কাৰ্য্যালয়ত নিওঁতে, এদিন আনোতে, এদিন গুৱাহাটীত শিৱিৰৰ আয়োজনত আৰু এদিন সামৰণত মুঠ ৪ দিন আৰু শিৱিৰৰ কামত ৭ দিন গাড়ী ব্যৱহাৰ কৰা হৈছিল। গাড়ী ব্যৱহাৰ কৰাসকলক কোনো ভ্ৰমণ-বানচ দিয়া হোৱা নাছিল।

(১২) তেতিয়াৰ সভাপতিয়ে ৩৬ জন লোকৰ আজীৱন সভ্যৰ বৰঙণি সংগ্ৰহ কৰি ২৩ জনৰ জমা দিয়ে। বাকী ১৩ জনৰ বৰঙণি জমা নোপোৱাকৈ স্বীকৃতি দিয়াটো সম্ভৱ নহয়। তদুপৰি ৭।২।৭৪ তাৰিখৰ কাৰ্য্যনিৰ্বাহকে সেই ১৩ জনৰ বৰঙণি সভাপতিৰ ভ্ৰমণ-বানচত মিলাই দিব লাগে বুলিও কোনো সিদ্ধান্ত কৰা নাছিল। প্ৰাক্তন সভাপতিয়ে স্বাক্ষৰ কৰা সেই দিনাৰ কাৰ্য্য-বিৱৰণি সংৰক্ষিত অৱস্থাত আছে।

(১৩) ৯ম সংখ্যা পত্ৰিকা ছপা আৰু অন্যান্য মুঠ খৰচ ৫৬,৯২৯'৩৬ পইচাৰ ৫০,৪৫২'৩৬ পইচা



পৰিশোধ কৰা হয়। তাৰে ছপা ব্যয় ৪৫,১৫৭'৬৬ পইচাৰ ভিতৰত 'পূৰ্বদেশ মুদ্ৰণ'ক ৩৮,৬৮০'০০ টকা পৰিশোধ কৰা হয়। বাকী আছে ৬,৪৭৭'৬৬ পইচা মাত্ৰ।

(১৪) প্ৰধান সম্পাদকে সভাৰ নিয়মাৱলী, কাৰ্য্যনিৰ্বাহকৰ সিদ্ধান্ত, আইনজ্ঞ আৰু হিচাপ পৰীক্ষকৰ পৰামৰ্শমতেই কাম কৰি গৈছে; গতিকে প্ৰধান সম্পাদকৰ বিৰুদ্ধে তদন্ত সমিতিৰ সদস্যদ্বয়ে তোলা অভিযোগ বিচাৰ্য্য। প্ৰধান সম্পাদকৰ স্পষ্টীকৰণ শুনাৰ পিছত কেইবাগৰাকীও সদস্যই তদন্ত সমিতিৰ প্ৰতিবেদন অগ্ৰাহ্য কৰিবলৈ দাবী কৰে।

৭। প্ৰধান সম্পাদকে স্পষ্টীকৰণ দিয়াৰ পিছতে ১৯৭৩-৭৪ চনৰ হিচাপ পৰীক্ষকে প্ৰস্তুত কৰা মন্তব্যসহ আয়-ব্যয়ক আৰু উদ্বৃত্ত পত্ৰ উত্থাপন কৰে।

(ক) তদন্ত সমিতিৰ প্ৰতিবেদন, হিচাপ পৰীক্ষকৰ মন্তব্যসহ আয়-ব্যয়ক আৰু উদ্বৃত্ত পত্ৰ আৰু প্ৰধান সম্পাদকৰ স্পষ্টীকৰণ শুনাৰ অন্তত, বিষয়-বাছনী সভাই মত প্ৰকাশ কৰে যে—

(১) অসম সাহিত্য সভাৰ হিচাপ পৰীক্ষকে প্ৰস্তুত কৰা ১৯৭৩-৭৪ বিত্তীয় বছৰৰ বছেৰেকীয়া উদ্বৃত্ত পত্ৰ, ১৯৭৩-৭৪ বিত্তীয় বছৰৰ সাধাৰণ পুঁজিৰ আয়-ব্যয়ৰ হিচাপ, ১৯৭৩-৭৪ বিত্তীয় বছৰৰ বিশেষ পুঁজিসমূহৰ আয়-ব্যয়ৰ হিচাপ বিবেচনা কৰা হ'ল।

(২) হিচাপ পৰীক্ষকৰ সংশ্লিষ্ট প্ৰতিবেদন বিবেচনা কৰা হ'ল।

(৩) একচল্লিশ সন্মিলনৰ বিষয়-বাছনী সভাৰ দ্বাৰা নিযুক্ত সভাৰ হিচাপৰ তদন্ত-সমিতিৰ (১৯৭৩-৭৪) কাৰ্য্য-বিৱৰণি আৰু প্ৰতিবেদন অৱগত হোৱা হ'ল।

(৪) উক্ত তদন্ত সমিতিৰ প্ৰতিবেদনত প্ৰধান সম্পাদকৰ সম্পৰ্কে তোলা তদন্ত সমিতিৰ অভিযোগৰ উত্তৰত প্ৰধান সম্পাদকে দিয়া বিস্তৃত আৰু তথ্যপূৰ্ণ উত্তৰত সন্তুষ্টি প্ৰকাশ কৰা হ'ল।

(খ) এই মতৰ ভিত্তিত বিষয়-বাছনী সভাই সিদ্ধান্ত গ্ৰহণ কৰে যে—

(১) অসম সাহিত্য সভাৰ ১৯৭৩-৭৪ চনৰ পৰীক্ষিত হিচাপ গ্ৰহণ কৰা হওক।

(২) হিচাপ পৰীক্ষক, তদন্ত সমিতি আৰু প্ৰধান সম্পাদকে দাঙি ধৰা বিৱৰণি আৱশ্যকবোধে কাৰ্য্যনিৰ্বাহক সমিতিয়ে পৰীক্ষা কৰি যথোচিত কাৰ্য্যপন্থা ল'বলৈ কাৰ্য্যনিৰ্বাহক সমিতিক পৰামৰ্শ দিয়া হওক।

৮। প্ৰধান সম্পাদকে নিয়মাৱলী সংক্ৰান্তত তলৰ সংশোধনী প্ৰস্তাৱসমূহ উত্থাপন কৰে। বিস্তৃত আলোচনাৰ অন্তত সভাই তলৰ সংশোধনীসমূহ গ্ৰহণ কৰে—

(১) তৃতীয় ছেদ : ৫।(খ) "সাধাৰণতে একোখন গাওঁ পঞ্চায়তত এখনৰ বেছি শাখা সভা হ'ব নোৱাৰিব"—এই অংশ উঠাই দিয়া হওক।

(২) পঞ্চম ছেদ : ১৭।৯। (৯-২১)ৰ ঠাইত (৯-১৭) কৰা হওক; সংযোগ কৰা হওক, ১০। (১৮-২১) লৈ সভ্যসকলক, নিৰ্বাচিত (১-১৭)ৰ সভ্যসকলে প্ৰথম সুযোগতে কাৰ্য্য নিৰ্বাহকলৈ প্ৰতিনিধিত্ব নোপোৱা অঞ্চল গোটৰ পৰা

মনোনীত কৰি ল'ব। এই প্ৰথম বৈঠকতে ৫ম ছেদৰ ১৯ বিধি অনুসৰি সাতজন সভাৰে থুল হ'ব।

(৩) নৱম ছেদ : সন্মিলন

৩৯। 'পঞ্চাশজন সভাৰ পৰা' ঠাইত "চল্লিশজন সভ্যৰ পৰা" হব।

(৪) দশম ছেদ :

৪৬।(১)(গ) "যি সন্মিলনৰ" ঠাইত "পৰৱৰ্তী সন্মিলন" হ'ব।

৪৬।(৪)(ক) '৮ সংখ্যক'ৰ ঠাইত ১৮ সংখ্যক হ'ব।

৪৮।(৫)(ক) '৮ সংখ্যক'ৰ ঠাইত '১৭ সংখ্যক' হ'ব।

(৫) দ্বাদশ ছেদ :

৫২। প্ৰথম বাক্যৰ "ওপৰত সপ্তত্ৰিংশ"ৰ ঠাইত "ওপৰৰ উনচত্বাৰিংশ" আৰু "একপঞ্চাশ"ৰ ঠাইত "দ্বিপঞ্চাশত" হ'ব।

তৃতীয় বাক্যৰ "সন্মিলনলৈ নিৰ্বাচিত সভাপতিয়ে"ৰ ঠাইত "বিদায়ী সভাপতিয়ে" হ'ব আৰু "সন্মিলনৰ নিৰ্বাচিত সভাপতি"ৰ ঠাইত "বিদায়ী সভাপতি" হ'ব।

(৬) ত্ৰয়োদশ ছেদ :

৬১। প্ৰথম বাক্যত থকা "ষ্টেট বেঙ্ক বা ডাকঘৰত"ৰ ঠাইত "ষ্টেট বেঙ্ক অৱ ইণ্ডিয়া, অসম কো-অপাৰেটিভ এপেক্স বেঙ্ক বা ডাকঘৰত" হ'ব।

(৭) ৬৭। "মূল সভাই অৰ্জা কোনো সম্পত্তিৰ ওপৰত শাখা সভাৰ স্বত্ব নাথাকে; আৰু শাখা সভাই অৰ্জা সম্পত্তিৰ ওপৰতো সাধাৰণতে মূল সভাৰ স্বত্ব নাথাকে। কিন্তু কোনো শাখা সভাৰ যদি অৱলুপ্তি ঘটে, সেই শাখাৰ নামত থকা সকলো স্থাৱৰ-অস্থাৱৰ সম্পত্তি ৪।(ক) বিধিৰ অধিকাৰ অনুসৰি মূল সভাৰ অধিকাৰত থাকিব।

(৮) [গ] হিচাপ-পত্ৰ [গ] : "মাইলে '২৫ পইচাকৈ"ৰ ঠাইত "কিলোমিটাৰত '২৫ পইচাকৈ হ'ব।

[ঘ] : "দৈনিক থকা খৰচৰ ৭.৫০ (সাতে সাত) টকা"ৰ ঠাইত "দৈনিক খৰচ ১০.০০ (দহ) টকা" হ'ব।

(৯) নতুনকৈ সংযোজিত হ'ব : পৰিশিষ্ট

পৰিশিষ্টত -

(১) সভাৰ প্ৰতীকৰ বিৱৰণ আৰু প্ৰতীকৰ আৰ্হি,

(২) সভাৰ পতাকাৰ বিৱৰণ আৰু জোখ

(৩) পতাকা উত্তোলনৰ গীত (স্বৰলিপি সহ)

(৪) পতাকা উত্তোলন বিধি

(৫) অধিবেশনৰ আৰম্ভণী গীত (স্বৰলিপি সহ)

(৬) জাতীয় সংগীত (অ' মোৰ আপোনাৰ দেশ) স্বৰলিপি সহ সংযোজিত হ'ব।

৯। প্ৰধান সম্পাদকে—সভাৰ শাখাসমূহৰ পৰা অহা প্ৰস্তাৱসমূহৰ কথা উল্লেখ কৰি জনায় যে সৰহ সংখ্যাকৰ প্ৰস্তাৱেই যিহেতু আগতে গ্ৰহণ কৰা প্ৰস্তাৱৰ লগত সংগতি ৰথা বিষয়ৰ অথবা কাৰ্য্যনিৰ্বাহকৰ পৰিসীমাৰ ভিতৰুৱা, কাৰ্য্যনিৰ্বাহক সমিতিয়ে—সেইবাবে তাৰ পৰা চালি-জাৰি অসমৰ খাৰুৱা তেল অসমত শোধনৰ ব্যৱস্থা কৰাৰ দ্বাৰা অসমৰ ঔদ্যোগিক আৰু



অৰ্থনৈতিক উন্নতিৰ সাধন কৰিবৰ বাবে দাবী জনোৱা আৰু অসমৰ ৰেল নগৰীসমূহত অসমীয়া মাধ্যমৰ বিদ্যালয় গঢ়ি তোলাৰ বাবে দাবী জনোৱা দুটি প্ৰস্তাৱ বিষয়-বাছনী সভালৈ প্ৰেৰণ কৰিছে।

বিষয়-বাছনী সভাই সমগ্ৰ বিষয়টো আলোচনা কৰি তলৰ প্ৰস্তাৱ দুটি গ্ৰহণ কৰে—

প্ৰথম প্ৰস্তাৱ : অসম সাহিত্য সভাই ঔদ্যোগিক তথা আৰ্থিক উন্নয়নৰ লগত দেশৰ সাংস্কৃতিক উন্নয়নৰ প্ৰশ্ন গভীৰভাৱে জড়িত বুলি বিশ্বাস কৰে। সেয়ে অসমৰ বুকুত ওলোৱা খাৰুৱা তেল শোধন কৰাৰ ব্যৱস্থা বাঞ্ছিতভাৱে কৰিলে অসমত উদ্যোগ স্থাপন হোৱাৰ লগে লগে আমাৰ আৰ্থিক উন্নতিও হ'ব। গতিকে কেন্দ্ৰীয় চৰকাৰে অসমৰ খাৰুৱা তেল বাহিৰলৈ উলিয়াই নিয়াৰ চিন্তা পৰিত্যাগ কৰি, অসমৰ সামগ্ৰিক উন্নতিৰ অৰ্থে তৈল-ক্ষেত্ৰৰ সমীপতে শোধন কৰাৰ কাৰ্য্যকৰী ব্যৱস্থা লোৱাৰ বাবে অসম সাহিত্য সভাৰ দ্বি-চত্বাৰিংশ সন্মিলনে দাবী জনায়।

প্ৰস্তাৱক : শ্ৰীযোগেশ দাস

সমৰ্থক : শ্ৰীনন্দ তালুকদাৰ

দ্বিতীয় প্ৰস্তাৱ : অসম সাহিত্য সভাই লক্ষ্য কৰিছে যে—অসমৰ মাজত পূৰ্বোত্তৰ সীমান্ত ৰেলৰেৰ এটা দীঘলীয়া অংশ পৰিছে আৰু এই ৰেলৰেৰ লগত সম্পৰ্ক ৰাখি ৰেলৰে কৰ্তৃপক্ষই অন্য ভাষাৰ মাধ্যমৰ বিদ্যালয় গঢ়ি তুলিছে। কিন্তু প্ৰয়োজনীয় অৱস্থাতো তেনেভাৱে অসমীয়া মাধ্যমৰ বিদ্যালয় ৰেলৰে কৰ্তৃপক্ষই গঢ়ি তোলা নাই। ৰাজ্যভাষা আৰু শিক্ষাৰ মাধ্যম হিচাপে অসমীয়া ভাষা প্ৰৱৰ্তনৰ সময়ত প্ৰয়োজন থকা স্বত্বেও পূৰ্বোত্তৰ ৰেলৰেই অসমীয়া মাধ্যমৰ বিদ্যালয় গঢ়িবলৈ চেষ্টা নকৰাটো ৰেলৰে কৰ্তৃপক্ষৰ অসহানুভূতিশীল মনোভাৱৰ পৰিচায়ক বুলি সভাই অনুভৱ কৰে। গতিকে এই সম্পৰ্কত অসম সাহিত্য সভাৰ দ্বি-চত্বাৰিংশ সন্মিলনে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে আৰু অনতিপলমে অসমৰ ৰেলৰে নগৰীসমূহত অসমীয়া মাধ্যমৰ বিদ্যালয় গঢ়ি তুলিবলৈ দাবী জনায়।

প্ৰস্তাৱক : শ্ৰীতৰুণচন্দ্ৰ পামেগাম

সমৰ্থক : চৈয়দ আব্দুল মালিক

১০। সভাই ৰাজ্যভাষা প্ৰয়োগ, বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম আৰু অসমৰ লিপি-সমস্যা সম্পৰ্কত ইতিপূৰ্বে সভাই গ্ৰহণ কৰা নীতি আৰু দৃষ্টিভঙ্গী অনুসৰণ কৰি যোৱাৰ সিদ্ধান্ত কৰে।

১১। সভাপতি ডাঙৰীয়াই ১৯৭৫-৭৬ চনৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ (২-১৭) জন সদস্যৰ নিৰ্বাচনৰ বাবে নাম প্ৰস্তাৱ কৰিবৰ বাবে আহ্বান জনায়।

১২। মাননীয় সভাপতিয়ে তলত নাম দিয়া ব্যক্তিসকল সৰ্বসন্মতিক্ৰমে আৰু বিনা-প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰে :

(২) উপ-সভাপতি—শ্ৰীতৰুণচন্দ্ৰ পামেগাম

(৬) সহকাৰী সম্পাদক (যোৰহাট)—শ্ৰীঅমল ৰাজখোৱা

(৮) ভাষাজ্ঞান সংসদৰ সচিব—শ্ৰীপ্ৰকাশ গোস্বামী

১৩। মাননীয় সভাপতিয়ে তলত নাম দিয়া ব্যক্তিসকলৰ নাম সংশ্লিষ্ট বিষয়াৰ বাবে প্ৰস্তাৱিত হোৱা বুলি ঘোষণা কৰে আৰু এই বিষয়ে হ'ব লগা নিৰ্বাচন পৰিচালনা কৰিবলৈ শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱা আৰু ডঃ হেমন্ত কুমাৰ শৰ্মাক অনুৰোধ কৰে।

(৩) প্ৰধান সম্পাদক : (১) শ্ৰীনগেন শইকীয়া
(২) শ্ৰীভগৱান মড়ল

(৪) ধনভঁৰালী : (১) শ্ৰীলীলা গগৈ
(২) শ্ৰীদুৰ্গেশ্বৰ শৰ্মা

(৫) পত্ৰিকা সম্পাদক :
(১) শ্ৰীযোগেন চেতিয়া
(২) শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা
(৩) শ্ৰীযতীন গোস্বামী (গুৱাহাটী)

(৭) সহকাৰী সম্পাদক (গুৱাহাটী) :
(১) শ্ৰীপ্ৰসন্নৰাম দাস
(২) শ্ৰীনন্দ শইকীয়া

(৯) সদস্যৰ বাবে প্ৰস্তাৱিত নাম : (সৰ্বশ্ৰী) ১। শিৱ চৰণ বৈষ্ণৱ, ২। ৰায়মণি ৰাজবংশী, ৩। চিদ্দেক আহমেদ চৌধুৰী, ৪। মনোৰঞ্জন নাথ লস্কৰ, ৫। নৃপেন্দ্ৰ ৰাজবংশী, শ্ৰীকুমাৰ মেধি, ৭। আজিজুৰ ৰহমান বৰভূঞা, ৮। আব্দুল মন্নান তালুকদাৰ, ৯। প্ৰেমময়ী দাস, ১০। কৈলাশমল্ল বৰুৱা, ১১। ফুলেন বৰ্মণ, ১২। মুকুল কলিতা, ১৩। খগেন বায়ন, ১৪। বীৰেন্দ্ৰনাথ কলিতা, ১৫। গোবিন্দ মহন্ত, ১৬। নিশিপদ চৌধুৰী, ১৭। চিত্তৰঞ্জন চৌধুৰী, ১৮। হিতেন শৰ্মা, ১৯। ধৰ্মকান্ত গোহাঁই, ২০। ৰাম গোস্বামী, ২১ মেঘ গগৈ, ২২। গগণ সোণোৱাল, ২৩। নাৰায়ণ ঘাটোৱাৰ ২৪। মাণিকচন্দ্ৰ গোস্বামী, ২৫। জ্যোতিৰিন্দ্ৰ ধৰ দত্ত, ২৬। অশ্বিনীচৰণ চৌধুৰী, ২৭। এম, ইব্ৰাহিম আলি, ২৮। গজেন্দ্ৰনাথ চহৰীয়া, ২৯। উপেন্দ্ৰ বৰকটকী, ৩০। জিতেন গগৈ, ৩১। ছামছিং হাঞ্চে, ৩২। সমৰসিং ৰাভা, ৩৩। মুকুন্দ শৰ্মা, ৩৪ কমল বাইলুং, ৩৫। গিৰীশ ভূঞা, ৩৭। বুৰ্কীন্দ্ৰ কুমাৰ ৰাজখনিকৰ, ৩৮। প্ৰদীপ হাজৰিকা, ৩৯। কেশৱ শইকীয়া, ৪০। ক্ষিতীশ ফুকন, ৪১। প্ৰফুল্ল বৰদলৈ, ৪২। আনন্দ প্ৰসাদ নেওগ, ৪৩। সুৰেন হাজৰিকা, ৪৪। দীনেশ্বৰ তাছা, ৪৫। জগন্নাথ মহন্ত, ৪৬। জগত চেতিয়া, ৪৭ যোগানন্দ গোস্বামী ৪৮। বীৰেন বৰকটকী, ৪৯। অৰুণ গোস্বামী, ৫০। হেৰম্ব বৰদলৈ।

১৪। মাননীয় সভাপতিয়ে ঘোষণা কৰে যে ২৩ তাৰিখে পুৱা ৮ বজাৰ পৰা ১২ বজাৰ ভিতৰত বিষয় বাছনি সভা অনুষ্ঠিত হোৱা প্ৰেক্ষাগৃহতে ভোটদান অনুষ্ঠিত হ'ব। নিৰ্বাচনৰ ফলাফল সম্ভৱক্ষেত্ৰত ২৩ তাৰিখৰ মুকলি অধিৱেশনত ঘোষণা কৰা হ'ব ; অথবা ২৩ তাৰিখে ৰাতিৰ সংগীত সমাৰোহৰ মাজতে ঘোষণা কৰা হ'ব।

১৫। প্ৰধান সম্পাদকে জনায় যে অসম সাহিত্য সভাৰ ত্ৰয়ো-চত্বাৰিংশ সন্মিলন কামৰূপ জিলাৰ টিহু সাহিত্য সভাই আৰু গুৱাল কুছি সাহিত্য সভাই নিমন্ত্ৰণ জনাইছে। টিহু সাহিত্য সভাৰ হৈ অধ্যক্ষ শৈলেন্দ্ৰ প্ৰসাদ মেধিয়ে



আনুষ্ঠানিকভাৱে সভা নিমন্ত্ৰণ কৰে। বিষয়-বাছনী সভাই টিহু সাহিত্য সভাৰ নিমন্ত্ৰণ সানন্দে গ্ৰহণ কৰে।

১৬। সভাপতি ডাঙৰীয়াই প্ৰতিনিধিবৰ্গক তেখেতসকলৰ সহায় সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

১৭। প্ৰধান সম্পাদকে প্ৰতিনিধিসকললৈ আৰু তিতাবৰৰ অভ্যৰ্থনা সমিতিলৈ শলাগ জ্ঞাপন কৰাৰ পিছত সভাপতি ডাঙৰীয়াই বিষয় বাছনী সভাৰ সামৰণি ঘোষণা কৰে।

বিঃ দ্ৰঃ (ক) নিৰ্বাচনৰ ফলাফল নিৰ্বাচনী বিষয়াসকলে যথাযথ ভাৱে স্বাক্ষৰ কৰি সভাপতিৰ হাতত ২৩।২।৭৫ তাৰিখে সন্ধ্যা অৰ্পণ কৰে। সভাপতি ডাঙৰীয়াৰ নিৰ্দেশানুসৰি প্ৰধান সম্পাদকে ২৩ ২ ৭৫ তাৰিখে গধূলি ৯ বজাত সংগীত-সমাৰোহৰ মাজত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰে।

প্ৰধান সম্পাদক : শ্ৰীনগেন শইকীয়া
সহকাৰী সম্পাদক (গুৱাহাটী) :
শ্ৰীপ্ৰসন্নৰাম দাস
ধনভঁৰালী : শ্ৰীলীলা গগৈ
পত্ৰিকা সম্পাদক :
শ্ৰীযতীন গোস্বামী (গুৱাহাটী)
সদস্যসকল : শ্ৰীচিত্তৰঞ্জন চৌধুৰী, শ্ৰীউপেন্দ্ৰ বৰকটকী, শ্ৰীচামচিং হাঞ্চে, শ্ৰীহিতেন শৰ্মা, শ্ৰীজিতেন গগৈ, শ্ৰীঅৰুণ গোস্বামী, শ্ৰীএম, ইব্ৰাহীম আলি, ডঃ নিশিপদ চৌধুৰী, শ্ৰীবীৰেন বৰকটকী।

(খ) ২৪।২।৭৫ তাৰিখে নিৰ্বাচিত সদস্যসকলক লৈ বহা কাৰ্যানিৰ্বাহক সমিতিয়ে (১৮-২১)লৈ চাৰিজন সদস্য মনোনীত কৰে :
(১৮) শ্ৰীৰাজেন ৰাভা
(১৯) শ্ৰীনাৰায়ণ ঘাটোৱাৰ
(২০) শ্ৰীআজিজুৰ ৰহমান বৰভূঞা
(২১) শ্ৰীগিৰীশ ভূঞা

স্বাঃ নগেন শইকীয়া, প্ৰধান সম্পাদক
স্বাঃ সত্যেন্দ্ৰনাথ শৰ্মা, সভাপতি।
১১।২।৭৫

## অসম সাহিত্য সভা

১৯৭৫-৭৬ চনৰ বাবে গঠিত কাৰ্যানিৰ্বাহক সমিতি

১। সভাপতি : ড° সত্যেন্দ্ৰনাথ শৰ্মা
২। উপ-সভাপতি : শ্ৰীতৰুণচন্দ্ৰ পামেগাম
৩। প্ৰধান সম্পাদক : শ্ৰীনগেন শইকীয়া
৪। ধনভঁৰালী : শ্ৰীলীলা গগৈ
৫ পত্ৰিকা সম্পাদক :
শ্ৰীযতীন গোস্বামী (গুৱাহাটী)
৬। সহকাৰী সম্পাদক :
শ্ৰীঅমল ৰাজখোৱা (যোৰহাট)
৭। সহকাৰী সম্পাদক :
শ্ৰীপ্ৰসন্নৰাম দাস (গুৱাহাটী)
৮' ভাষাজ্ঞান পৰীক্ষা সংসদৰ সচিব :
শ্ৰীপ্ৰকাশ গোস্বামী

৯। সদস্যসকল : শ্ৰীচিত্তৰঞ্জন চৌধুৰী. ১০। শ্ৰীউপেন্দ্ৰ বৰকটকী, ১১। ড° নিশিপদ চৌধুৰী, ১২। শ্ৰীচামচিং হাঞ্চে, ১৩। শ্ৰীবীৰেন বৰকটকী, ১৪। এম, ইব্ৰাহীম আলি, ১৫। শ্ৰীহিতেন শৰ্মা, ১৬ শ্ৰীজিতেন গগৈ, ১৭। শ্ৰীঅৰুণ গোস্বামী, ১৮। শ্ৰীৰাজেন ৰাভা, ১৯। শ্ৰীনাৰায়ণ ঘাটোৱাৰ, ২০। শ্ৰীআজিজুৰ ৰহমান বৰভূঞা ২১। গিৰীশ ভূঞা।